# লিঙ্গ বৈষম্য

জুনু বৰা



...pin Chandra Barua's Library ... Paschim

# সূচী পত্ৰ


'লিঙ্গ-বৈষম্য' সন্দৰ্ভত শ্ৰীযুত নলিনীধৰ ভট্টাচাৰ্যদেৱৰ একাষাৰ ৫
লিঙ্গ-বৈষম্য ৭
সভ্য সমাজত এইবোৰ কি ঘটিছে ২২
এয়া বৰ্বৰতা নে পৈশাচিক আনন্দ ২৪
আন্তৰ্জাতিক নাৰী দিৱস ২৭
নাৰীৰ ঐতিহাসিক ভোটাধিকাৰ আন্দোলন ৩৩
যুদ্ধ আৰু নাৰী সমাজ ৪২
সন্ত্ৰাসবাদ আৰু নাৰী সমাজ ৪৪
অভিন্ন দেৱানী আইনে কাৰ স্বাৰ্থ পূৰণ কৰিব ৪৭
পাৰিবাৰিক হিংসা নিবাৰক বিধেয়ক ২০০২ ৪৯
অপৰাধী সাৰি যোৱা সুকুণ্ডাসমূহ কেনেকৈ বন্ধ হ'ব ৫৪
কৰ্মক্ষেত্ৰত যৌন নিৰ্যাতন ৫৭
বিজ্ঞাপনত নাৰীঃ কলংক নে গৌৰৱ ৬৫
টকী কৰিবলৈ গৈ জ্যোতিপ্ৰসাদ ককৰ্থনাৰ বলি হৈছিল ৬৯
বৰ্ণালী হত্যাৰ প্ৰতিবাদ সামাজিক আন্দোলনলৈ ৰূপান্তৰিত হ'বনে ৭৩
নাৰী আন্দোলন ঃ চকু বিতৰ্কৰ শেষ ক'ত ৭৬
মহিলাৰ বাবে আসন সংৰক্ষণ ৭৯


# মোৰ একাষাৰ

কেৱল ভাৰতবৰ্ষতে নহয়, গোটেই পৃথিৱীতে লিঙ্গ-বৈষম্য এই একৈশ শতিকাতো চলি আছে। এম্‌নেষ্টি ইন্টাৰনেচনেলৰ এক প্ৰতিবেদনত কোৱা হৈছে যে পৃথিৱীখনেই এতিয়া নাৰী বিদ্বেষী। নাৰী-বিৰোধী হিংসা বন্ধ কৰিবলৈ তেওঁলোকে সকলোকে আহ্বান জনাইছে। বিভিন্ন ৰূপত নাৰীৰ ওপৰত অত্যাচাৰ চলিছে, আমি মানৱ-অধিকাৰৰ কথা কওঁ, কিন্তু পৃথিৱীত এতিয়াও অধিকাংশ নাৰীয়েই অধিকাৰৰ পৰা বঞ্চিত হৈ আছে। ৰাষ্ট্ৰ, সম্প্ৰদায়, পৰিয়াল, ধৰ্মীয় নেতা সকলোৱেই পৰম্পৰাগত পুৰুষতান্ত্ৰিক দৃষ্টিকোণেৰে ধনী-দুখীয়া নিৰ্বিশেষে নাৰীৰ প্ৰতি অন্যায়-অবিচাৰ কৰি আছে। দেশে-বিদেশে ইয়াৰ বিৰুদ্ধে যে প্ৰতিবাদ হোৱা নাই এনে নহয়, (এই কথাও সঁচা যে প্ৰতিবাদৰ ফলত নাৰীয়ে কিছু আইনগত সা-সুবিধা পালেও কৰ্তৃপক্ষৰ অৱহেলাত অৰ্থহীন হৈ পৰিছে) তথাপি লিঙ্গ-বৈষম্য এতিয়াও পূৰ্ণ মাত্ৰাত চলি আছে আৰু বৰ্তমান পুঁজিবাদী ব্যৱস্থাত আৰু সাম্প্ৰতিক অৰ্থনৈতিক বিশ্বায়নৰ পৰিপ্ৰেক্ষিতত নাৰীৰ অৱস্থা আৰু শোচনীয় হৈ পৰিছে। ইয়াৰ অন্তৰ্নিহিত কাৰণ লিঙ্গ-বৈষম্য। লিঙ্গ-বৈষম্যই নাৰী-পুৰুষৰ সমতা স্বীকাৰ নকৰে, আৰু জীৱনৰ সকলো ক্ষেত্ৰতে নাৰীক নিৰ্মমভাৱে অৱহেলা কৰাত লিঙ্গ-বৈষম্যৰে অবদান বেছি। এই বৈষম্যৰ আঁৰত আছে পৰম্পৰাগত সমাজত লিঙ্গৰ ভূমিকা আৰু সামাজিক গাঁথনিবোৰেই এই বৈষম্যক জীয়াই ৰাখিছে। যুদ্ধ ক্ষেত্ৰৰ পৰা শোৱনী কোঠালৈকে ক'তো নাৰী বিপদমুক্ত নহয়। শিক্ষা আৰু স্বাস্থ্যসেৱাৰ পৰা নাৰী বঞ্চিত। তদুপৰি বহুতো গাভৰু আৰু মহিলাই কন্যাভ্ৰূণ হত্যা, ধৰ্ষণ, অনিচ্ছাকৃত গৰ্ভধাৰণ, গৰ্ভপাত, কন্যাদাহ, যৌন-ব্যভিচাৰ, যৌতুক সংক্ৰান্ত নিৰ্যাতন, আৰু অন্যান্য লিঙ্গভিত্তিক অপৰাধৰ সন্মুখীন হৈ অভিশপ্ত জীৱন কটাইছে। আমাৰ দেশত এনেবোৰ ঘটনা দিনক দিনে বৃদ্ধি পাইছে যদিও কৰ্তৃপক্ষ নিৰ্বিকাৰ। সেইবাবে নাৰী-পুৰুষ উভয়েই এই বিষয়ে সজাগ হৈ একেলগে লিঙ্গ-বৈষম্যৰ বিৰুদ্ধে থিয় দিব লাগিব। সমকামিতাৰ দৰে উৎকট নাৰীবাদী ব্যৱস্থাই পৰিবৰ্তন আনিব নোৱাৰে, নাৰী-পুৰুষৰ সন্মিলিত সংগ্ৰামেহে আমাৰ মানসিকতাৰ সলনি কৰিব

বুলি মই ভাবোঁ। নাৰীৰ বাবে এটা নিজা কুঠৰীৰ প্ৰয়োজন। নাৰী পণ্য নহয়, দাসী নহয়, তেওঁলোক নিজা মহিমাৰে প্ৰতিষ্ঠিত হোৱাত পুৰুষৰো সাহসী ভূমিকা থাকিব লাগে। শ্ৰীমতী জুনু বৰাৰ কেইটামান নাৰী বিষয়ক চিন্তা-গধুৰ প্ৰবন্ধ পঢ়ি মোৰ এনে ধাৰণা হৈছে। তেওঁ নাৰী সমস্যা সম্পৰ্কে দ কৈ ভাবিছে আৰু সমস্যাটোৰ বিভিন্ন দিশ সম্পৰ্কে সুক্ষ্ম আলোচনা কৰিছে। লিঙ্গ-বৈষম্যৰ কু-ফলৰ ওপৰত তেওঁ গুৰুত্ব দিছে, আৰু ৰাষ্ট্ৰ, সমাজ, পৰিয়ালবোৰৰ ভূমিকাক কটাক্ষও কৰিছে। নাৰী আন্দোলনৰ ইতিহাসো তেওঁ দাঙি ধৰিছে, আইনসমূহ যে ব্যৰ্থ হৈছে তাকো তেওঁ আঙুলিয়াই দেখুৱাইছে। সামন্ত যুগৰ কথা বাদেই, বৰ্তমানৰ পুঁজিবাদী তথা বিশ্বায়নৰ যুগতো নাৰী যৌন সম্ভোগৰ বলি হৈ থকাটো তেওঁৰ সহ্য হোৱা নাই; তেওঁ প্ৰশ্ন কৰিছে, আমি সভ্য নে বৰ্বৰ? আমি পৈশাচিক আনন্দত মতলীয়া হওঁ কিয়? বিজ্ঞাপনত নাৰী কলংক নে গৌৰৱ? মহিলাৰ বাবে আসন সংৰক্ষণত কুটিল ৰাজনীতি চলে কিয়? এইবোৰ প্ৰশ্ন আমাৰো প্ৰশ্ন। প্ৰশ্নবোৰৰ পৰা ধৰিব পাৰি, শ্ৰীমতী বৰাই সমস্যাটো সম্পৰ্কে গভীৰভাৱে চিন্তা কৰিছে আৰু সামগ্ৰিক দৃষ্টিৰে উত্তৰণৰ স্বপ্নও দেখিছে। শ্ৰীমতী বৰাৰ এনে অধ্যয়নে আমাৰ পুৰুষ-মহিলাৰ চকু মুকলি কৰক আৰু লিঙ্গ-বৈষম্যৰ দৰে ভয়ানক পৰম্পৰাৰ পৰা মুক্ত হ'বলৈ উদগনি দিয়ক— এই আশা কৰিছো আৰু লগতে ভাবিছোঁ, তেওঁৰ প্ৰকাশ হ'বলগীয়া প্ৰবন্ধ সংকলনখনে পাঠকৰ সমাদৰ নিশ্চয় পাব। তেওঁলৈ শুভেচ্ছা থাকিল।

— নলিনীধৰ ভট্টাচাৰ্য

গুৱাহাটী ঃ ০৭-০৪-২০০৪



# লিঙ্গ-বৈষম্য

নাৰী আৰু পুৰুষৰ মাজত যুগ যুগ ধৰি বৈষম্য চলি আহিছে। সেই বৈষম্য সমাজ জীৱনৰ প্ৰতিটো খোজতে। ইয়াৰ প্ৰধান কাৰণ হৈছে মানৱসৃষ্ট কিছুমান বৈষম্যমূলক সামাজিক ৰীতি-নীতি। পুৰুষ আৰু নাৰীৰ মাজত এটাই পাৰ্থক্য আছে সেয়া হৈছে জৈৱিক তথা প্ৰাকৃতিক; এই পাৰ্থক্য জীৱ জগতৰ স্বাভাৱিক পাৰ্থক্য আৰু ই সৰ্বত্ৰ বিদ্যমান — যি পাৰ্থক্য অত্যন্ত প্ৰয়োজনীয় আৰু যাৰ অবিহনে সৃষ্টি আৰু মানৱ সমাজৰ ধাৰাবাহিকতা অসম্ভৱ। কিন্তু কালক্ৰমত মানৱ সভ্যতাৰ ইতিহাসৰ গতিপথত এচাম স্বাৰ্থান্বেষী লোকৰ মগজু-সৃষ্ট ৰীতি-নীতিয়ে নাৰীক পুৰুষৰ তলতীয়া কৰি তুলিলে। ইয়াক সুপৰিকল্পিতভাৱে সামাজিক ৰূপ দিয়া হ'ল আৰু কালক্ৰমত স্বাভাৱিক কৰি তোলা হ'ল। সমাজৰ সেই পুৰুষ প্ৰাধান্যকামী নীতি-নিয়মসমূহেই গোটেই সমাজখন পৰিচালনা কৰিবলৈ ধৰিলে। ফলত নাৰী হৈ পৰিল পুৰুষৰ অধীন আৰু ইয়েই সামাজিক নিয়ম হিচাবে পৰিগণিত হ'ল। আজিও সমাজৰ প্ৰচলিত ৰীতি-নীতি হৈছে এইবোৰেই। স্বাভাৱিকভাৱেই এনে ৰীতি-নীতিৰ ফলত নাৰী সমাজ সম-অধিকাৰ আৰু সম-মৰ্যদাৰ পৰা বঞ্চিত হৈ আহিছে।

মানৱ প্ৰগতিৰ ঐতিহাসিক গতিপথৰ কোনো এটা নিৰ্দিষ্ট পৰ্যায়ত শ্ৰম বিভাজনে আত্ম-প্ৰকাশ কৰাৰ সময়তে পুৰুষ-নাৰীৰ স্বাভাৱিক সমতা খৰ্ব হয়। তাহানিৰ সেই আদিম, প্ৰাক-সভ্যতাৰ কালছোৱাৰ পৰাই চলি অহা লিঙ্গ-বৈষম্য আজিৰ বিজ্ঞান-প্ৰযুক্তিৰ উচ্চ শিখৰত অৱতীৰ্ণ একবিংশ শতিকাৰ অত্যাধুনিক মানৱ সমাজতো বৰ্তি আছে। যুগৰ পৰিবৰ্তন অনুযায়ী লিঙ্গ-বৈষম্যৰ ৰূপসমূহ সলনি হৈছে, কিন্তু বৈষম্য দূৰ হোৱা নাই। আজিৰ অত্যাধুনিক বিশ্বতো আনকি এনে এখন দেশ নাই, য'ত লিঙ্গ-বৈষম্যৰ সম্পূৰ্ণৰূপে অৱসান ঘটিছে। এখন প্ৰকৃত মানৱসমাজ গঢ়ি উঠাৰ ক্ষেত্ৰত ই ডাঙৰ অন্তৰায় — সমাজৰ অৰ্দ্ধাকাশক বঞ্চিত কৰি, মৰ্যাদাহীন স্তৰত ৰাখি কোনো সমাজৰ কেতিয়াও সুস্থ অগ্ৰগতি সম্ভৱ হ'ব নোৱাৰে। সেইবাবেই লিঙ্গ-বৈষম্যৰ বিৰুদ্ধে সচেতন মহলে সতৰ্ক দৃষ্টি ৰাখিছে, পুৰুষ আৰু নাৰীৰ মাজত সমতা প্ৰতিষ্ঠাৰ ওপৰত জোৰ দিছে।

বিজ্ঞান-প্ৰযুক্তিৰ বিকাশ ঘটিলেই বা সমাজখন সভ্যতাৰ জখলাত আগুৱাই গ'লেই সমাজৰ পৰা লিঙ্গ-বৈষম্য আপোনা-আপুনি দূৰ হ'ব বুলি সত কাৰণতেই কোনেপধ্যেই আশা কৰিব নোৱাৰি। আজিৰ ৰূঢ় বাস্তৱতাই ইয়াৰ জ্বলন্ত প্ৰমাণ। আমাৰ সমাজত বিজ্ঞান-প্ৰযুক্তি আছে এফালে আৰু সামাজিক ৰীতি-নীতি আছে আনফালে! বিজ্ঞান, যুক্তিবাদ, আধুনিকতাই সামাজিক ৰীতি-নীতিক প্ৰভাৱিত কৰাৰ বিপৰীতে

কৌটিকলীয়া সামাজিক প্ৰমূল্যসমূহ অক্ষত ৰূপত বৰ্তি আছে, সমাজত প্ৰাধান্য অব্যাহত ৰাখিছে। এই কৌটিকলীয়া প্ৰমূল্যসমূহ পুৰুষতান্ত্ৰিক মূল্যবোধৰ নামান্তৰ।

মাৰ্ক্সবাদী সমাজ বিজ্ঞানী এঙ্গেলচে কৈছিল--"মাতৃ অধিকাৰৰ উচ্ছেদ নাৰী জাতিৰ এক বিশ্ব-ঐতিহাসিক পৰাজয়। পুৰুষে গৃহস্থালীৰ কৰ্তৃত্ব দখল কৰিলে, নাৰী হ'ল পদানত, শৃঙ্খলিত, পুৰুষৰ লালসাৰ দাসী, সন্তান জন্মৰ যন্ত্ৰ মাথোন।" (এঙ্গেলচ ঃ পৰিয়াল, ব্যক্তিগত মালিকানা আৰু ৰাষ্ট্ৰৰ উৎপত্তি; প্ৰগতি প্ৰকাশন,১৯৭৯) তেওঁ স্পষ্ট কৰি দিছিল যে শ্ৰেণী শোষণৰ লগে লগে আৰম্ভ হৈছিল পুৰুষৰ দ্বাৰা নাৰীৰ ওপৰত শোষণ। সেইদৰে নাৰীবাদী লেখিকা ভাৰ্জিনিয়া উলফে প্ৰথম ঘোষণা কৰিছিল যে "লি ! পৰিচয় জন্মগত নহয়, ই সামাজিকভাৱে নিৰ্মিত এক অভ্যাস, যাক প্ৰত্যাহ্বান জনাব পাৰি আৰু যাৰ পৰিবৰ্তন সম্ভৱ।" পৰিয়াল ব্যৱস্থাৰ উদ্ভৱ হোৱাৰ লগে লগে সমাজত নাৰীৰ সতিত্বৰ ধাৰণা আৰু ব্যক্তিগত সম্পত্তিৰ ধাৰণাই মূৰ দাঙি উঠে। এনে যৌথ পৰিয়ালত নাৰী হৈ পৰে সাধাৰণ দাসী স্বৰূপ। পুঁজিবাদী সমাজৰ বিকাশৰ লগে লগে যৌথ পৰিয়ালসমূহ একগামী একক পৰিয়াললৈ ৰূপান্তৰিত হোৱাৰ ফলত নাৰী হৈ পৰে পুৰুষৰ ব্যক্তিগত দাসী। ইয়াৰ লগে লগে ব্যক্তিগত সম্পত্তিৰ প্ৰাতিষ্ঠানিক ধাৰণাও দৃঢ় হৈ পৰে। এই সময়তে শ্ৰেণী-বৈষম্য আৰম্ভ হোৱাৰ আগতে মাতৃবংশ অনুসৰি সম্পত্তিৰ উত্তৰাধিকাৰী হ'ব লাগে বুলি দাবী কৰাৰ ফলত পৰিয়াল ব্যৱস্থাত আঘাত পৰে। কাৰণ সেই সময়ত সন্তানৰ পিতৃত্ব নিৰ্ণয় কৰা কঠিন আছিল। কিন্তু যি মুহূৰ্তত পুৰুষে পৰিয়াল পাতি নাৰীক গৃহবন্দী সম্পত্তিত পৰিণত কৰিলে, সেই সময়ত পিতৃত্ব নিৰ্ণয় সহজ হৈ পৰিল আৰু ফলত সম্পত্তিত-পিতৃৰ উত্তৰাধিকাৰী স্বত্ব প্ৰতিষ্ঠা হ'ল। এনেদৰেই সামাজিক উৎপাদন প্ৰক্ৰিয়াৰ পৰা নাৰীৰ বান্ধনী ঘৰলৈ পশ্চাদগমন ঘটিল আৰু নাৰী হৈ পৰিল সমাজৰ দ্বিতীয় শ্ৰেণীৰ নাগৰিক। প্ৰখ্যাত নাৰীবাদী লেখিকা চিমন দা ব্যুভোৱাৰৰ ভাষাত "পুংলিঙ্গৰ বিপৰীত লক্ষণসমূহৰ জড়ৰূপেই হ'ল স্ত্ৰীলিঙ্গ।" তেওঁৰ মতে "আবহমান ইতিহাসে নাৰীক পুৰুষৰ ইচ্ছা বস্তু হিচাবে গঢ়ি তুলিছে।" সাহিত্য, দৰ্শন, ৰাজনীতি, সংস্কৃতি সকলোতে পুৰুষৰ আধিপত্যই বিস্তাৰিত হৈ পৰিল। পুৰুষ হৈ পৰিল বহল পৃথিৱীৰ মানুহ আৰু নাৰীৰ স্থান নিৰ্ণিত হ'ল কোনো পুৰুষৰ ঘৰৰ এচুকৰ পৃথিৱীত। লিঙ্গাশ্ৰয়ী ৰাজনীতিৰ প্ৰবক্তা কেট মিলেটে সেয়ে কৈছিল "নাৰীক অবদমিত কৰি পিতৃতন্ত্ৰক শক্তিশালী কৰাৰ স্বাৰ্থতে এচাম পুৰুষে নাৰীক অৰ্থনৈতিকক্ষেত্ৰৰ পৰা আঁতৰাই পঠালে আৰু নাৰী বিদ্বেষী সকলো নীতি-নিয়মক সামাজিক ৰূপ প্ৰদান কৰিলে।" ফৰাচী বিপ্লৱৰ এগৰাকী মহিলা নেত্ৰী জোৱান-অৱ-আৰ্কক যুদ্ধত অংশগ্ৰহণ কৰাৰ অপৰাধত ডাইনী বুলি পুৰি হত্যা কৰা হৈছিল। খনাৰ দৰে প্ৰাচীন ভাৰতীয় বিদুষী নাৰী পিতৃতন্ত্ৰৰ ৰোষত পৰাৰ ফলত তেওঁৰ জিভা কাটি দিয়া হৈছিল। মোগল শাসনৰ সময়ত চুলতানা ৰেজিয়াৰ দৰে মুছলিম নাৰীক সিংহাসনচ্যুত কৰা হৈছিল।



১৮৮৯-৯৩ চনৰ সমীক্ষা অনুযায়ী, ফ্ৰান্সৰ নাৰী শ্ৰমিকে পুৰুষৰ দৰে একেই কাম কৰি মজুৰি পাইছিল পুৰুষৰ অৰ্দ্ধেক। ১৯১৮ চনত আমেৰিকাত এগৰাকী নাৰীয়ে পুৰুষৰ অৰ্দ্ধেক মজুৰি পাইছিল। সেই সময়ত জামনীৰ খনিত কৰ্মৰতা এগৰাকী নাৰী শ্ৰমিকে একে কামৰ বাবে এজন পুৰুষ শ্ৰমিকতকৈ কুৰি শতাংশ কম মজুৰি পাইছিল। (ছিমন দ্য বোভোৱাৰ ঃ The Second Sex. P-147; Vintage Classics, 1997)

আজিৰ পিতৃতন্ত্ৰৰ অৱস্থা একেদিনাই আহি পৰা ঘটনা নহয়। ইতিহাসবিদসকলৰ মতে আনুমানিক ৮০০০ খ্ৰীঃপূঃ মানতে পৰিয়াল ব্যৱস্থাৰ উদ্ভৱ হয়। ইয়াৰ আগতে খ্ৰীঃপূঃ ২০০০-৮০০০ ৰ ভিতৰত আদিম সাম্যবাদী তথা মাতৃতান্ত্ৰিক সমাজ আছিল বুলি সমাজ-ইতিহাসবিদসকলে মত পোষণ কৰে। এ.লেচৰ মতে সেই সময়ত নাছিল কোনো পৰিয়াল ব্যৱস্থা, সম্পত্তিৰ ধাৰণা আৰু ৰাজনৈতিক ক্ষমতাৰ দ্বন্দ্ব। সমাজ বিকাশৰ বিভিন্ন স্তৰত নিজৰ সকলো অধিকাৰ হেৰুৱাই নাৰী হৈ পৰিল পুৰুষৰ ব্যক্তিগত সম্পত্তি আৰু দাসী। লাহে লাহে ধৰ্ম, অন্ধ বিশ্বাস, কু-সংস্কাৰক কেন্দ্ৰ কৰি ৰচনা কৰা বিভিন্ন মহাকাব্য, পুৰাণ, সংহিতা আদিত নাৰীৰ মৰ্যদা অধিক অৱনমিত কৰি তোলা হ'ল। বৈদিক যুগত নাৰীৰ সামাজিক অৱস্থান যদিও সামান্য উন্নত আছিল, ব্ৰাহ্মণ্যবাদত নাৰীক ইতৰ জন্তুৰ লগত তুলনা কৰাৰ দৰে নীতি-নিয়ম ৰচিত হয়। ইয়াৰ ভিতৰত মনু সংহিতা হ'ল প্ৰধান নাৰী বিৰোধী স্মৃতি।

মনু স্মৃতিৰ নৱম অধ্যায়ত নাৰীক এনেদৰে কোৱা হৈছে —

"পিতা ৰক্ষাতি কৌমাৰে ভৰ্ত্তা ৰক্ষতি যৌৱনে।

ৰক্ষন্তি স্থৱিৰে পুত্ৰা ন স্ত্ৰী স্বাতন্ত্ৰ্যমৰ্হতি।।" (নৱম অধ্যায়,৩ ; পৃষ্ঠা ৩০৪)

অৰ্থাৎ শিশুকালত নাৰীক পিতাকে, যৌৱনকালত স্বামীয়ে আৰু বৃদ্ধাৱস্থাত পুত্ৰই ৰক্ষা কৰে। গতিকে স্ত্ৰী নিজেই নিজৰদ্বাৰা সুৰক্ষিতা হোৱাৰ যোগ্য নহয়। নাৰী যুগে যুগে পৰাধীন; মনুৰ উক্তি হ'ল —

"ৰাল্যে পিতুৰ্বশে তিষ্ঠেৎ পানিগ্ৰাহস্য যৌৱনে।

পুত্ৰানাং ভৰ্ত্তৰি প্ৰেতে ন ভজেৎ স্ত্ৰী স্বতন্ত্ৰতাম।।" (৫ম অধ্যায়, ১৪৮; পৃষ্ঠা ৩০৪)

কোনো নাৰীৰ স্বামী যদি সদাচাৰহীন, পৰস্ত্ৰীৰ প্ৰতি অনুৰক্ত আৰু বিদ্যাহীনো হয় তেওঁক দেৱতাৰ দৰে পূজা কৰিব লাগে। সেইদৰে,

"ৱিশীলঃ কামবৃত্তো ৱা গুণৈৰ্ৱা পৰিবৰ্জিতঃ।

উপচৰ্ম ঃ স্ত্ৰিয়া সাধ্ব্যা সততং দেৱবৎ পতিঃ।।" ( ৫ম অধ্যায়, ১৫৪; পৃষ্ঠা ১৭৭)

মনুৰ উক্তিবোৰ ইমানেই নাৰীবিৰোধী যে স্বামী লম্পট, মদাহী বা জুৱাৰী হ'লেও পতিব্ৰতা নাৰীয়ে তাৰ কোনো প্ৰতিবাদ কৰিব নোৱাৰিব। বৰং কোনো নাৰীয়ে যদি এনে স্বামীক অৱজ্ঞা কৰে তেনেহ'লে স্বামীয়ে পত্নীৰ সকলো আ-অলংকাৰ কাঢ়ি লৈ তিনিমাহলৈকে ত্যাগ কৰিব পাৰে। আকৌ,

"অতিক্ৰামেৎ প্ৰমত্তং যা মত্তং ৰোগাৰ্তমেৱ ৱা।
সা ত্ৰীন্ মাসান্ পৰিত্যাজ্যা ৱিভূষণ পৰিচ্ছদা।" (৯ম অধ্যায়, ৭৮; পৃষ্ঠা ৩১৬)

নাৰীৰ বিয়া-বাৰুৰ ক্ষেত্ৰত মনুৱে দি যোৱা বিধানসমূহতো নাৰীৰ প্ৰতি সেই যুগৰ অৱহেলাৰ প্ৰতিচ্ছবিখন ফুটি উঠে। মনুৰ মতে বিবাহোপযোগী নাৰীয়ে পুৰুষৰ ৰূপ আৰু বয়সৰ বিচাৰ কৰা অনুচিত।

মনু হৈছে পিতৃতন্ত্ৰৰ ঘাই প্ৰৱক্তা। তেওঁৰ মতে, বিবাহ বিষয়ত কন্যাৰ বয়স বৰৰ বয়সৰ তিনিভাগৰ এভাগ হ'ব লাগে। ইয়াৰ কম-বেছি হ'লে হেনো ধৰ্ম নষ্ট হয়। মনু স্মৃতি মতে স্ত্ৰী বা নাৰী হ'ল দাসীৰ তুল্য। এনে নাৰীক লাঠীৰে কোবাই দাসৰ দৰে শাসন কৰিলেও পুৰুষৰ কোনো দোষ নাই। আনকি স্ত্ৰী, পুত্ৰ আৰু দাসে উপাৰ্জন কৰা ধনো নীতি মতে গৰাকীয়েহে লাভ কৰে। মনুৱে আকৌ কৈছে যে, স্বামী উন্মত্ত, পতিত, ক্লীৱ, বীৰ্যহীন আৰু দুৰাৰোগ্য ৰোগত আক্ৰান্ত হ'লেও তেনে স্বামীক পত্নীয়ে ত্যাগ কৰিব নোৱাৰিব। অথচ, সন্তানহীন, মৃত সন্তান জন্ম দিয়া আৰু বাৰে বাৰে কন্যা সন্তান জন্ম দিয়া স্ত্ৰীক স্বামীয়ে ত্যাগ কৰি পুনৰ বিবাহ কৰিব পাৰে। পিতৃতন্ত্ৰৰ ঘাই প্ৰৱক্তা মনুৰ নাৰীৰ প্ৰতি থকা উগ্ৰ লিঙ্গ-বৈষম্যৰ বহুবোৰ উক্তি পোৱা যায়। আমাৰ সমাজৰ ৰীতি-নীতিবোৰ সংহিতা প্ৰধান। সংহিতা মতে সমাজৰ আচাৰ, অনুষ্ঠান, বিবাহ-উৎসৱ, শ্ৰাদ্ধ, বিচাৰ, পৰিয়ালৰ জীৱনযাত্ৰা প্ৰণালী আদি পৰিচালিত হয়। মুঠতে সংহিতাসমূহ হৈছে এখন সমাজৰ মূল চাবিকাঠী স্বৰূপ। মনু সংহিতাকে ধৰি বিভিন্ন মহাকাব্য, ধৰ্মগ্ৰন্থৰ প্ৰণেতাসকলে নাৰীক সামাজিক-ৰাজনৈতিকভাৱে অতি অৱহেলিত অৱস্থানলৈ নিক্ষেপ কৰি যোৱাৰ ফলত নাৰীয়ে আজিও পুৰুষৰ লগত যোগ্যতা থকা সত্বেও সমতাৰ দৌৰত ফেৰ মাৰিব পৰা নাই। 'যিমানে লাও ডাঙৰ নহওক কিয় পাতৰ তল' — ধৰণৰ প্ৰবাদেৰে নাৰীৰ সমস্ত ক্ষমতা আৰু সামৰ্থক আজিও অৱজ্ঞা কৰা হয়। এইখন সমাজতেই শকুন্তলাদেৱীৰ দৰে বিখ্যাত মহিলা গাণিতজ্ঞৰ জন্ম হৈছে, মহাকাশত নাৰীয়ে বিচৰণ কৰিবলৈ সক্ষম হৈছে-- দেশ শাসন কৰিব পাৰিছে। বৈদিক যুগত যাজ্ঞবল্কৰ নিচিনা উগ্ৰ ঋষিৰ সৈতে গাৰ্গীৰ দৰে মহিলাই তৰ্কযুদ্ধত লিপ্ত হৈ নিজৰ বুদ্ধিমত্তা আৰু মেধাৰী গুণৰ পৰিচয় দিয়াৰ কথাও আমি পঢ়িবলৈ পাওঁ। তৎসত্বেও এচাম লোকে নাৰীৰ সামৰ্থৰ প্ৰতি সন্দেহ প্ৰকাশ কৰাটো উগ্ৰপিতৃতান্ত্ৰিক মানসিকতাৰ ৰূঢ় প্ৰতিফলন।

ৰামায়ণ, মহাভাৰতৰ যুগতো নাৰীৰ ওপৰত পুৰুষপ্ৰধান সমাজ ব্যৱস্থাই অত্যন্ত অন্যায় আৰু বৈষম্যমূলক আচৰণ চলাইছিল। সীতাৰ দৰে পতিব্ৰতা নাৰীৰ সতিত্বক সন্দেহ কৰি সৎ আৰু আনন্দৰ প্ৰতীক ৰামে দুবাৰকৈ অগ্নিপৰীক্ষা কৰা, সাধাৰণ এজন প্ৰজাৰ কথাতে সত্যা-সত্য বিচাৰ নকৰাকৈ সীতাক বনবাস দিয়া সিদ্ধান্ত ৰামৰ অবিবেচক আৰু পক্ষপাতদুষ্ট আচৰণৰ বাদে একো হ'ব নোৱাৰে। সেইদৰে মহাভাৰততো কৌৰৱৰ ৰাজসভাত দ্ৰৌপদীক ৰজস্বলা অৱস্থাত দেওৰেক দুঃশাসনে স্বামীগণ আৰু জ্যেষ্ঠজনৰ সাক্ষাতত বস্ত্ৰহৰণ কৰা সত্বেও কোনো এজন পুৰুষে এনে দুষ্কাৰ্যৰ প্ৰতিবাদ কৰিব



নোৱাৰা ঘটনাই নাৰীৰ প্ৰতি সেই যুগৰ এক জান্তৱ মানসিকতাৰ প্ৰতিচ্ছবিকে দাঙি ধৰে। তেনেকৈ যুধিষ্ঠিৰৰ দৰে সত্যবাদী ধৰ্মৰাজে পাশাত দ্ৰৌপদীক পণ ৰখা ঘটনাইও নাৰীৰ প্ৰতি থকা পুৰুষৰ পণ্যসুলভ আচৰণ আৰু লিঙ্গ নিপীড়নৰ চূড়ান্ত নিদৰ্শনকে দাঙি ধৰে।

জন্মৰে পৰা আমাৰ সমাজত 'নাৰী নিৰ্মাণ'ৰ প্ৰক্ৰিয়া চলে। কন্যা সন্তানৰ বেলিকা নাৰী সম্পৰ্কীয় সামাজিক ৰীতি-নীতি, কাম-কাজ, পিন্ধন-উৰণ, সকলোতে লিঙ্গ-বৈষম্যৰ আখৰা চলে। ল'ৰাটোক স্বাভাৱিকভাৱে ডাঙৰ হ'বলৈ দিয়া হয়, অথচ কন্যাসন্তানৰ ক্ষেত্ৰত পৃথকে প্ৰশিক্ষণ দিয়া হয়। নাৰীৰ বাহ্যিক আচৰণৰ পৰাই সমাজে বুজি পাব লাগিব যে এই গৰাকী নাৰী-- পুৰুষ নহয়। ই সঁচাকৈয়ে আমাৰ সমাজৰ নাৰীৰ প্ৰতি জঘন্য পক্ষপাতদুষ্ট মনোভাৱ।

'স্ত্ৰীলিঙ্গ নিৰ্মাণ' নামৰ নাৰীবাদী গ্ৰন্থৰ লেখিকা মল্লিকা সেন গুপ্তৰ ভাষাত, "আইনে কয় — মাতৃ সন্তানৰ অভিভাৱক নহয় — ধাত্ৰী মাথোন, সন্তান পিতাৰহে।

শিল্প-সংস্কৃতিয়ে কয় — নাৰী সুন্দৰী, যৌন উত্তেজনা সঞ্চাৰিণী, প্ৰেৰণাদাত্ৰী। শিল্প সৃষ্টি নাৰীৰ কাম নহয়।

বিজ্ঞাপনে কয় — নাৰী মা, নাৰী গৃহিনী, অতি সুন্দৰী অলীক মানৱী।

সাহিত্যই কয় -- নাৰী প্ৰেৰণা, নাৰী উৰ্বশী অৰ্থাৎ নাৰী গৃহলক্ষ্মী। যি নাৰীয়ে সাহিত্য সৃষ্টি কৰে তেনে নাৰী পুৰুষৰ জগতত অনুপ্ৰৱেশকাৰী 'মহিলা কবি' স্বৰূপ।

দৰ্শনত কোৱা হয় — মাতৃত্ব আৰু স্বামীসেৱাই নাৰীৰ আচল দায়িত্ব যি নাৰীক মহীয়সী কৰি তোলে।

সমাজে কয় — নাৰী শ্ৰীমতী অমুক-পুৰুষ বা মিছেছ তমুক-পুৰুষ, নাৰীৰ নাই কোনো নিজা পৰিচয়, নাৰী অনামী, অনুগত, অন্তঃপুৰচাৰিণী।

অৰ্থনীতিয়ে কয় — সাৱধান, ইয়াত নহয়, কামৰ জগতখন পুৰুষৰ। পুৰুষ ভৰ্তা, নাৰীৰ ভৰণ-পোষণৰ দায়িত্ব হ'ল পুৰুষৰ। নাৰী নিৰ্ভৰশীল।" *(স্ত্ৰীলিঙ্গ নিৰ্মাণ — মল্লিকা সেনগুপ্ত, পৃঃ ১৩, ১৪)*

নাৰীৰ ওপৰত চলি থকা অতিৰিক্ত নিপীড়ন সম্পৰ্কত মাও চে টুঙে নিৰ্দিষ্টভাৱে কৈছিল ঃ "চীনৰ পুৰুষসকলৰ ওপৰত তিনি ধৰণৰ কৰ্তৃত্ব (ৰাজনৈতিক, গোষ্ঠীগত কৰ্তৃত্ব আৰু ধৰ্মীয় কৰ্তৃত্ব) বৰ্তি আছে। ... কিন্তু মহিলাসকলৰ ওপৰত এই তিনি ধৰণৰ কৰ্তৃত্বৰ উপৰিও পুৰুষৰ (স্বামীৰ) কৰ্তৃত্ব বাহাল আছে। এই চাৰিবিধ কৰ্তৃত্ব অৰ্থাৎ ৰাজনৈতিক, গোষ্ঠীগত, ধৰ্মীয় আৰু পুৰুষ কৰ্তৃত্ব হৈছে সামন্তীয় ব্যৱস্থা আৰু মতাদৰ্শৰ প্ৰতিভূ; চাৰিডাল ৰছি যি চীনৰ জনসাধাৰণক, নিৰ্দিষ্টভাৱে চীনৰ কৃষকক মেৰিয়াই বান্ধি ৰাখিছে।" (হুনান কৃষক আন্দোলনৰ তদন্ত, পৃঃ ৪৪)

সমাজ নিৰ্দেশিত এই নীতি-নিয়মবোৰ পালন কৰা সকলেই হ'ল আদৰ্শ নাৰী। যিসকল নাৰীয়ে ইয়াৰ প্ৰতিবাদ জনাইছে তেনে নাৰীক বিভিন্ন অজুহাতত সমাজে শাস্তি

বিহিছে। নাৰীৰ ওপৰত চলি থকা এনে পক্ষপাতদুষ্ট আচৰণৰ বিৰুদ্ধে নাৰী সমাজৰ এটি বুজন অংশই প্ৰতিবাদ গঢ়ি তুলিছে। বহু বছৰ ধৰি চলি থকা সামন্তীয় সমাজ ব্যৱস্থাত শিল্প বিপ্লৱে প্ৰথম আঘাত হানে। কৃষি কৰ্মত নিয়োজিত কৃষকসকলেও উদ্যোগ, কল-কাৰখানাত যোগদান কৰাৰ ফলত পৰিয়াল ব্যৱস্থা আৰু পুৰণি বান্ধোনৰ পৰিবৰ্তন ঘটে। শিল্প বিপ্লৱে বহুযুগৰ ৰাজতন্ত্ৰৰ ঠাইত গণতন্ত্ৰ প্ৰতিষ্ঠাৰ পথ প্ৰশস্ত কৰে, কৃষিৰ ঠাইত শিল্পই গুৰুত্ব লাভ কৰে, গোষ্ঠীকেন্দ্ৰিক সামাজিক ব্যৱস্থাৰ ঠাইত ব্যক্তিসৰ্বস্বতা, সামন্ততন্ত্ৰৰ ঠাইত পুঁজিবাদ আৰু যৌথ পৰিয়ালৰ ঠাইত একক পৰিয়াল গঢ়ি উঠে। সেই সময়ত ভাৰতবৰ্ষ আছিল ইংৰাজৰ উপনিবেশ। সেয়ে ইংলণ্ডত হোৱা শিল্প বিপ্লৱৰ প্ৰভাৱ ভাৰতবৰ্ষতো পৰে। বিশেষকৈ ৰাজা ৰামমোহন ৰায়, ঈশ্বৰচন্দ্ৰ বিদ্যাসাগৰৰ দৰে ভাৰতীয় সমাজ সংস্কাৰকৰ সহযোগত শিশুবধ প্ৰথা, সতীদাহ প্ৰথা, বাল্য বিবাহ আদিৰ দৰে কু-সংস্কাৰসমূহ ইংৰাজে আইন কৰি বন্ধ কৰে আৰু স্ত্ৰী শিক্ষাৰ প্ৰচলন ঘটায়।

সেই সময়ত আমেৰিকাত মহিলাসকলৰ অধিকাৰ অৰ্জনৰ সংগ্ৰাম জোৰদাৰ ৰূপত অব্যাহত আছিল। ১৮২০ চনত নাৰীসকলক সংগঠিত কৰি বিভিন্ন সমিতি গঠন কৰা হয়। ১৮৪০ চনত লণ্ডনত হোৱা দাস প্ৰথাবিৰোধী বিশ্ব সন্মিলনৰ পৰা হৃন লুক্ৰেচিয়া ম'ট আৰু এলিজাবেথ ক্যাতি ষ্টানটন মহিলা হোৱা বাবেই বহিষ্কৃত হৈছিল, তেতিয়া দাস আৰু নাৰীৰ জীৱন আছিল সমপৰ্যায়ৰ। ইয়াৰ প্ৰতিবাদত ১৮৪৮ চনত অনুষ্ঠিত হোৱা সেনেকা ফলস কন্‌ভেন্‌চনত নাৰী আন্দোলনৰ আনুষ্ঠানিক শপত গ্ৰহণ কৰা হয়। মহিলাসকলে উপাৰ্জন, সম্পত্তি, বিবাহ-বিচ্ছেদ আৰু সন্তানৰ অভিভাৱকৰ অধিকাৰ দাবী কৰাৰ উপৰিও বিশ্ব আলোড়নকাৰী ভোটাধিকাৰৰ দাবী কৰে। লি !-বৈষম্যৰ বিৰুদ্ধে গঢ়ি তোলা এই আন্দোলনৰ ফলশ্ৰুতিত নাৰীৰ বাবে বহু অধিকাৰ নিশ্চিত হয়। বিশেষকৈ চোভিয়েত ৰুচিয়াত নাৰীক অৰ্থনৈতিক, সামাজিক আৰু যৌন আত্মনিয়ন্ত্ৰণৰ সম্পূৰ্ণ অধিকাৰ প্ৰদান কৰা হয়। সমাজতান্ত্ৰিক চোভিয়েত ৰুচিয়াত নাৰীৰ বহু অধিকাৰৰ প্ৰতি স্বীকৃতি প্ৰদান কৰা হৈছিল। ১৯০০ চনৰ পৰা প্ৰথম বিশ্বযুদ্ধ পৰ্যন্ত ইউৰোপ আৰু আমেৰিকা শাসন কৰা হয় পুৰণা ভিক্টোৰিয়া আচৰণ বিধি অনুসৰি। এই আচৰণবিধিৰ মূল লক্ষ্য আছিল নাৰী-পুৰুষক বেলেগ কৰি এই দুই লি ৰ পৰস্পৰ বিৰোধী ভাৱমূৰ্তি বজাই ৰখা। কিন্তু যুদ্ধই এই পাৰ্থক্য ছিন্ন-ভিন্ন কৰি পেলালে। যুদ্ধত নাৰীৰ অংশগ্ৰহণ, যৌনমুক্তি আদিয়ে লাহে লাহে নাৰী মুক্তি আন্দোলনৰ পথো প্ৰশস্ত কৰি তোলে।

আন্তঃৰাষ্ট্ৰীয় সংগঠন ৰাষ্ট্ৰসংঘইও সমাজত বিৰাজ কৰা লিঙ্গ-বৈষম্যক স্বীকাৰ কৰে আৰু এনে বৈষম্য নিৰ্মূলৰ বাবে জন্মলগ্নৰে পৰা বিভিন্ন ধৰণৰ কৰ্ম-আঁচনি গ্ৰহণ কৰি আহিছে। বিশেষকৈ সদস্য ৰাষ্ট্ৰসমূহলৈ লিঙ্গ-বৈষম্যৰ বিৰুদ্ধে ভিন্ ভিন্ কাৰ্যসূচী আৰু নিৰ্দেশাৱলী প্ৰেৰণ কৰে। কিন্তু অতি পৰিতাপৰ বিষয় যে এই নিৰ্দেশাৱলীসমূহ যথাযোগ্যভাৱে প্ৰযোজ্য হোৱা পৰিলক্ষিত নহয়। তদুপৰি খাটিখোৱা নাৰীসমাজক



এনে ধৰণৰ আঁচনিসমূহে প্ৰকৃততে উপকৃত কৰা দেখা নাযায়। তৎসত্ত্বেও বিভিন্ন সীমাৱদ্ধতাৰ মাজত ৰাষ্ট্ৰসংঘৰ দৰে আন্তঃৰাষ্ট্ৰীয় অনুষ্ঠানে নাৰীৰ ওপৰত চলা শোষণ, বঞ্চনা আৰু লিঙ্গ-বৈষম্য দূৰীকৰণৰ বাবে গ্ৰহণ কৰা পদক্ষেপ নিতান্তই আশাব্যঞ্জক। ১৯৬৪ চনত ৰাষ্ট্ৰ সংঘই নাৰীৰ আৰ্থ-সামাজিক-ৰাজনৈতিক অধিকাৰ আৰু লিঙ্গ ভিত্তিক সমতা প্ৰতিষ্ঠাৰ দাবীত 'কমিচন অন দি ষ্টেটাচ অৱ উইমেন' গঠন কৰি দিয়ে। এই আয়োগে পৰৱৰ্তী সময়ত লিঙ্গ-বৈষম্য দূৰীকৰণ চুক্তি (Convention on the Elimination of all forms of Discrimination against women)ৰ দৰে আন্তৰ্জাতিক দলিল গ্ৰহণৰ বাবে হেঁচা প্ৰয়োগ কৰে। এই চুক্তিৰ আধাৰত ৰাষ্ট্ৰ সংঘই ১৯৭৫ চনৰ বছৰটো 'আন্তৰ্জাতিক নাৰীবৰ্ষ' হিচাবে পালন কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে। এনে নাৰীবৰ্ষ আৰু পৰৱৰ্তী পৰ্যায়ত নাৰী দশক পালনৰ ঘাই লক্ষ্য হৈছে সমতা আৰু বিকাশৰ দৰে নতুন নীতিৰ আধাৰত নাৰীৰ প্ৰগতিৰ পথ প্ৰশস্ত কৰা। কিন্তু দ্বিতীয় মহাসমৰৰ পৰৱৰ্তী স্তৰত ভাৰতকে ধৰি প্ৰায় সকলোবোৰ দেশতে নাৰীৰ সামাজিক অৱস্থানৰ দ্ৰুত অৱনতিহে ঘটে। ১৯৭৫ চনত মেক্সিকোত হোৱা ৰাষ্ট্ৰ সংঘৰ প্ৰথম বিশ্ব নাৰী সন্মিলনে ১৯৭৫-৮৫ চনলৈ আন্তৰ্জাতিক নাৰী দশক পালনৰ জৰিয়তে লিঙ্গ ভিত্তিক অসমতা দূৰ কৰা, নীতি নিৰ্দ্ধাৰণ প্ৰক্ৰিয়াত নাৰীৰ অংশগ্ৰহণ বৃদ্ধি কৰাৰ দৰে আন্তৰ্জাতিক কাৰ্যসূচী গ্ৰহণ কৰে। সেইদৰে ১৯৯০ চনক কন্যাবৰ্ষ হিচাবে ঘোষণা কৰি কন্যা শিশুক পুত্ৰ শিশুৰ সমানে গুৰুত্ব প্ৰদান কৰাৰ ওপৰত জোৰ দিয়া হয়। মেক্সিকোৰ পাচত ১৯৮০ চনত কোপেনহেগেন, '৮৫ ত নাইৰোবি আৰু '৯৫ চনত চীনদেশৰ বেইজিঙত চতুৰ্থ বিশ্ব নাৰী সন্মিলন অনুষ্ঠিত কৰাৰ মাজেৰে নাৰীৰ বাবে সমতা, শান্তি আৰু বিকাশৰ দাবীক উৰ্দ্ধত তুলি ধৰা হয়। ৰাষ্ট্ৰ সংঘই লিংগ-বৈষম্য নিৰ্মূলকৰণ চুক্তিপত্ৰৰ দৰে বিশ্বৰ একমাত্ৰ আইনগত বাধ্যতামূলক আন্তঃৰাষ্ট্ৰীয় দলিল ১৯৭৯ চনত গ্ৰহণ কৰে আৰু ১৯৯৩ চনত নাৰী অধিকাৰক মানৱাধিকাৰ ৰূপে স্বীকৃতি প্ৰদান কৰি সমাজত নাৰী-পুৰুষৰ মাজত থকা লিঙ্গ-প্ৰভেদ দূৰ কৰাৰ ক্ষেত্ৰত আগভাগ লয়।

আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত অনুষ্ঠিত হোৱা ৪ খনকৈ বিশ্ব নাৰী সন্মিলন, নাৰীবৰ্ষ, নাৰীদশক ঘোষণাকে ধৰি নাৰীৰ উন্নয়নৰ নামত বিভিন্ন চুক্তি গ্ৰহণ কৰা হৈছে যদিও ভাৰতবৰ্ষত সেইবোৰ কাৰ্যকৰী অৰ্থত ফুটুকাৰ ফেনত পৰিণত হৈছে। বছৰি বছৰি নাৰীৰ ওপৰত পুৰুষতান্ত্ৰিক সমাজৰ নিৰ্যাতন, নিপীড়ন বাঢ়ি গৈছে। কন্যা শিশু আৰু ভ্ৰূণ হত্যাকে ধৰি নাৰীৰ ওপৰত যৌতুক, ৰাষ্ট্ৰ সন্ত্ৰাস, পাৰিবাৰিক-সামাজিক হিংসা-হত্যাৰ দৰে ঘটনা বৃদ্ধি পাইছে। লিঙ্গ ভিত্তিক অসমতাৰ পৰিসংখ্যাই এই কথা অধিক স্পষ্ট কৰি তোলে।

নাৰীক সমাজৰ অৰ্দ্ধাকাশ বুলি কোৱা হয় যদিও, সম্প্ৰতি ভাৰতবৰ্ষত পুৰুষৰ তুলনাত নাৰীৰ সংখ্যা উদ্বেগজনকভাৱে হ্ৰাস পাইছে। যোৱা কেইটামান বছৰৰ পৰিসংখ্যালৈ মন কৰিলেই এই সত্য স্পষ্টভাৱে ওলাই পৰে। ১৯৫১, ১৯৮১ আৰু

২০০১ চনৰ লোকপিয়লৰ বাহিৰে বিগত কেউটা লোকপিয়লতেই নাৰীৰ সংখ্যা ক্ৰমাগতভাৱে হ্ৰাস পাইছে। মহিলা আৰু পুৰুষৰ তালিকাভুক্ত লিঙ্গ অনুপাত এনে ধৰণৰ- - (প্ৰতি এহাজাৰজন পুৰুষৰ বিপৰীতে)

| বছৰ | মহিলা | বছৰ | মহিলা |
|---|---|---|---|
| ১৯০১ | ৯৭২ | ১৯৫১ | ৯৪৬ |
| ১৯১১ | ৯৬৪ | ১৯৬১ | ৯৪১ |
| ১৯২১ | ৯৫৫ | ১৯৭১ | ৯৩০ |
| ১৯৩১ | ৯৫০ | ১৯৮১ | ৯৩৪ |
| ১৯৪১ | ৯৪৫ | ১৯৯১ | ৯২৭ |
| | | ২০০১ | ৯৩৩ |

উল্লেখিত তিনিটা লোকপিয়লত নাৰীৰ সংখ্যা যি অনুপাতত বৃদ্ধি পাইছে সেয়াও যৎসামান্যহে, এই সংখ্যাই ৯৫০-ৰ সংখ্যাও চুবগৈ পৰা নাই। তাৰোপৰি বৰ্তমান সময়ত ৬ (ছয় বছৰৰ) তলৰ কন্যা শিশুৰ সংখ্যা যি হাৰত কমিব লাগিছে সেয়া অতি চিন্তনীয়। ২০০১ চনৰ লোকপিয়লত প্ৰতি এহেজাৰ ল'ৰাৰ বিপৰীতে কন্যা শিশুৰ সংখ্যা ৯২৭ গৰাকীলৈ হ্ৰাস পোৱাৰ কথা প্ৰকাশ পায়। আনহাতে ১৯৬১ চনত এই অনুপাত আছিল ৯৭৬, ১৯৭১ চনত ৯৬৪, ১৯৮১ চনত ৯৬২ আৰু ১৯৯১ চনত ৯৪৫। উল্লেখযোগ্য যে, ২০০১ চনৰ প্ৰতি এহেজাৰজন ল'ৰাৰ বিপৰীতে থকা ৯২৭ গৰাকী কন্যা শিশুৰ সংখ্যা বিশ্বৰ গড় সংখ্যা ৯৫০-ৰ বহু তলত।

তথ্যৰ পৰা দেখা গৈছে যে, কন্যা শিশু আৰু মহিলাৰ ক্ৰমহ্ৰাসমান পৰিসংখ্যাৰ অন্তৰালত বহুবোৰ কাৰণ নিহিত আছে। তাৰ ভিতৰত ভাৰতৰ পিতৃতান্ত্ৰিক সমাজ ব্যৱস্থাত থকা লিঙ্গ-বৈষম্যই প্ৰধান। নাৰীৰ প্ৰতি পিছপৰা সামন্তীয় দৃষ্টিভংগী আৰু পুৰুষতান্ত্ৰিক মনোভাৱে নাৰীক পুৰুষৰ সৈতে সম-মৰ্যাদা প্ৰদান কৰা বাদেই ন্যূনতম মানৱীয় মৰ্যাদাকণৰ পৰাও বঞ্চিত কৰিছে। আনফালে পুঁজিবাদী বিশ্বায়নে নাৰীক অধিক ভোগ্যপণ্য হিচাবে গঢ় দিয়াৰ ফলত নাৰীৰ ওপৰত নিৰ্যাতন, নিপীড়ন, হত্যা আদি বাঢ়িব লাগিছে। তদুপৰি দেখা গৈছে যে, বিগত দশকবোৰত বৃদ্ধি পোৱা আমাৰ দেশৰ সংকটজনক আৰ্থ-ৰাজনৈতিক পৰিস্থিতিয়েও নাৰীৰ ক্ৰমহ্ৰাসমান সংখ্যাত ভালেখিনি ইন্ধন যোগাইছে। দেশৰ ভিতৰত বৃদ্ধি পোৱা গভীৰ অৰ্থনৈতিক সংকট, চুবুৰীয়া দেশৰ লগত সীমা বিবাদআৰু যুদ্ধ, প্ৰভূত্ববাদী হিন্দু সাম্প্ৰদায়িকতাবাদ আৰু সন্ত্ৰাসবাদী কাৰ্য-কলাপত সবাতোকৈ ক্ষতিগ্ৰস্ত হৈছে সমাজৰ নিপীড়িত-নিষ্পেষিত নাৰীসমাজ।

সামগ্ৰিকভাৱে নাৰীসমাজ ঘৰুৱা আৰু সামাজিক— উভয় হিংসাৰ বলি হৈ আহিছে। এই হিংসাৰ অন্যতম প্ৰধান কাৰণ হ'ল— পুৰুষ-নাৰীৰ মাজত থকা দুৰ্ভেদ্য প্ৰাচীৰ— লিঙ্গ-বৈষম্য। জন্ম হোৱাৰে পৰা কন্যা আৰু ল'ৰা সন্তানক আমাৰ সমাজত



পুৰুষতান্ত্ৰিক চিন্তাৰ অ, আ, ক, খ শিকাবলৈ আৰম্ভ কৰা হয়। উন্নত প্ৰযুক্তিবিদ্যাৰ কৌশলত আজিলৈকে এনে জিন বা হৰমʼন আৱিষ্কাৰ হোৱা নাই, যিয়ে গৰ্ভস্থ শিশুক জন্মৰ পিচৰে পৰা কন্যা আৰু পুত্ৰ সন্তানে কৰিব লগা কামবোৰ বাচি ল'বলৈ শিকায়। এনে পাৰ্থক্য সম্পূৰ্ণ পৰিৱেশজনিত, সামাজিক। পিতৃ-মাতৃকে ধৰি পৰিয়ালৰ সদস্য তথা সমাজত চলি অহা পুৰণিকলীয়া সামন্তীয় নীতি-নিয়ম সমূহেই সন্তানৰ সামাজিক লিঙ্গ প্ৰদান কৰে। পুত্ৰ সন্তান আৰু কন্যা সন্তানৰ মাজত জৈৱিক পাৰ্থক্যৰ বাহিৰে বাকী পাৰ্থক্যসমূহ মানুহে নিজে সৃষ্টি কৰা। জন্ম হোৱাৰ লগে লগে পুত্ৰ-সন্তানৰ বেলিকা এতিয়াও বহু অঞ্চলত মাছ-মিঠাই আদি বিলোৱাৰ এক সামাজিক পৰম্পৰা প্ৰচলিত হৈ আহিছে। আনপিনে কন্যা সন্তান জন্ম হ'লে পৰিয়ালত কোনো উৎসাহ-উদ্দীপনা সৃষ্টি হোৱা দেখা নাযায়। শিশুটি ডাঙৰ-দীঘল কৰাৰ ক্ষেত্ৰতো সাংঘাতিক বৈষম্যমূলক আচৰণ পৰিলক্ষিত হয়। লাহে লাহে শিশুটি যেতিয়া ডাঙৰ হয়পুত্ৰ সন্তান হ'লে পঢ়া-শুনা কৰি ভাল মানুহ হৈ বংশৰ গৌৰৱ ৰক্ষা কৰিব লাগিব বুলি আপ্ত বাক্য শিকোঁৱা হয় আৰু কন্যাসন্তানৰ ক্ষেত্ৰত শিক্ষা-দীক্ষাৰ ওপৰত জোৰ দিয়াৰ পৰিবৰ্তে ঘৰৰ ভিতৰৰ কামবোৰ ভালকৈ শিকাই-বুজাই দিয়াতে আবদ্ধ কৰি ৰখা হয়, যাতে বিয়া দিয়াৰ পিচত স্বামীৰ ঘৰখন সুন্দৰকৈ চম্ভালিব পাৰে।

ভাৰতীয় সমাজত নাৰীৰ অৱস্থান ইমানেই পুতৌজনক যে, এগৰাকী বিবাহোপযোগী নাৰীয়ে নিজৰ পছন্দ মতে তেওঁৰ জীৱনসঙ্গী বাছি লব নোৱাৰে। ভাৰতবৰ্ষৰ বিশেষকৈ অসমত গাঁও আৰু পিচপৰা অঞ্চলৰ ৮০ শতাংশ খাটি খোৱা পৰিয়ালত ছোৱালীক মানসিকভাৱেও পিতৃ-মাতৃৰ চিন্তা-ভাৱনাৰ অধীন কৰি তোলা হৈছে। কাৰণ এওঁলোক মনু স্মৃতিৰ দাস। আনকি বিবাহিত পত্নীয়ে আন পুৰুষৰ কথা বাদেই নিজৰ স্বামীৰ ফালে মূৰ তুলি চোৱাটোও নাৰীৰ সুলক্ষণ নহয়। আনহাতে, গাভৰু পত্নীৰ মৃত্যু হোৱাৰ পাচত পুৰুষজনে দ্বিতীয় বিবাহ কৰালে আমাৰ সমাজত সেয়া সামাজিক অপৰাধৰ বিষয় নহয়। কিন্তু ফুলতে বাঁৰী হোৱা গাভৰুৱে যদি পুনৰ বিবাহ পাশত সোমায়, সেয়া হ'ব সমাজৰ বাবে গুৰুতৰ অপৰাধৰ বিষয়। গাঁৱৰ কৃষিজীৱী পৰিয়ালত স্বামী-স্ত্ৰী দুয়ো কৃষি কাৰ্যত যুক্ত হৈ শস্য উৎপাদন কৰে। কিন্তু এই উৎপাদনৰ ওপৰত নাৰী গৰাকীৰ কোনো নিয়ন্ত্ৰণ নাথাকে।

আনকি নিজে জন্ম দিয়া সন্তানৰ ক্ষেত্ৰতো স্বামী জীৱিত থকা অৱস্থাত নাৰীৰ অভিভাৱকত্বৰ অধিকাৰ এতিয়াও প্ৰতিষ্ঠা হোৱা নাই। এনে চিন্তাৱে পৰিচালিত সমাজ এখনত বিয়াৰ পিচত নাৰী গৰাকী স্বামী আৰু স্বামী পৰিয়ালৰ নিৰ্যাতনৰ মুখামুখি হৈ মৃত্যুক আকোঁৱালি লোৱাটো অজিকালি প্ৰায়েই ঘটি থকা সাধাৰণ ঘটনাত পৰিণত হৈছে। ভাৰতৰ দৰে সামন্তীয় চিন্তাৰ পৰিয়ালবোৰত নাৰীৰ জীৱন জন্তু আৰু দাসীৰ জীৱনতকৈ কোনো গুণে উন্নত নহয়। হাঁহি হাঁহি সংসাৰৰ সকলো জ্বালা-যন্ত্ৰণা সহ্য কৰিব পৰাটোৱেই হ'ল ভাৰতীয় নাৰীৰ জীৱন। ইয়াত মৰ্যাদা, অধিকাৰ, নিৰাপত্তাৰ

প্ৰশ্নবোৰ বহু যোজন দূৰৈত। আনহাতেদি স্বামীৰ হাতত সাত কিল খাইও জীয়াই থকা নাৰীগৰাকী পিতৃগৃহলৈ উভতি যোৱাবো স্থল নাই। কিয়নো গোত্ৰ চিঙি বিয়া দিয়াৰ পিছত আমাৰ সমাজত ছোৱালীজনী পিতৃগৃহলৈ উভতি যোৱাৰ নিয়ম নাই। ই আমাৰ সামাজিক তথা ধৰ্মীয় বান্ধোন। ভাৰতীয় আইনত নাৰীক সম্পত্তিৰ অধিকাৰ দিয়া হৈছে যদিও সমাজে সৃষ্টি কৰা এনে মানসিক বান্ধোন অতিক্ৰম কৰি নাৰীয়ে পিতৃ পৰিয়ালত সম্পত্তিৰ দাবী কৰিবলৈ সাহস কৰাৰ কথা খুব কমেইহে দেখা যায়। আনহাতেদি, স্বামীৰ মৃত্যুৰ পাছত উত্তৰাধিকাৰী সূত্ৰে মহিলাগৰাকী স্বামীৰ সা-সম্পত্তিৰ গৰাকী হ'ব লাগে যদিও আমাৰ সমাজত থকা পিতৃতান্ত্ৰিক মানসিকতাৰ বাবে উক্ত সম্পত্তি স্বামী পৰিয়ালৰ আন এজন পুৰুষলৈহে হস্তান্তৰিত হোৱা দেখা যায়।

শিক্ষা-দীক্ষা, চাকৰি-বাকৰিৰ ক্ষেত্ৰতো ভাৰতীয় মহিলাই পুৰুষৰ সমানে সুবিধা লাভ কৰা দেখা নাযায়।

এতিয়াও এনে কিছুমান বিভাগ আছে য'ত মহিলাৰ বাবে কাম কৰাটো নিষিদ্ধ। এয়া মাথোন নাৰীৰ জৈবিক নাটনিৰ বাধা নহয়, বাধা হৈছে নাৰীৰ প্ৰতি পুৰুষতান্ত্ৰিক সমাজৰ পশ্চাদপদ মানসিক দৃষ্টিভংগীহে। উপযুক্ত পৰিবেশ পালে নাৰীয়ে পুৰুষৰ সমানে সকলো কামেই কৰিব পাৰে। আজিৰ তথ্য-প্ৰযুক্তিৰ অত্যাধুনিক যুগতো এই বৈষম্য বৰ্তি আছে। সামাজিক, ৰাজনৈতিক সংগঠন আদিত মহিলাৰ পুতৌজনক অংশ গ্ৰহণেই তাৰ জ্বলন্ত প্ৰমাণ। নাৰীৰ প্ৰতি থকা লিঙ্গভিত্তিক সমাজৰ সংকীৰ্ণ মনোভাৱেই ইয়াৰ বাবে জগৰীয়া। মাথোঁ দয়া কৰিহে কেইগৰাকীমানক নিজৰ স্বাৰ্থত পুৰুষে এনে সংগঠনত অন্তৰ্ভুক্ত কৰে। অৰ্দ্ধ-সামন্ততান্ত্ৰিক, অৰ্দ্ধ-পুঁজিবাদী ভাৰতীয় সমাজব্যৱস্থাত নাৰীৰ সামাজিক মৰ্যাদাই যে অৱনমিত এনে নহয়। মজুৰিৰ ক্ষেত্ৰতো এই বৈষম্য দেখা যায়। ভাৰতবৰ্ষত ১৯৭৬ চনত পুৰুষৰ সমানে নাৰী শ্ৰমিকসকলক মজুৰি দিয়াৰ বাবে সমমজুৰি আইনখন গ্ৰহণ কৰা হয় যদিও এই আইনৰ বাস্তৱ প্ৰয়োগ আজিকোপতি হোৱা নাই। চৰকাৰী বিভাগসমূহৰ বাদে কিছুমান ব্যক্তিগতখণ্ড আৰু চাহ বাগিচাৰ দৰে বিশাল কৰ্মক্ষেত্ৰত নাৰী সমমজুৰিৰ পৰা আজিও বঞ্চিত হৈ আছে। বাট-পথ, ঘৰ-দুৱাৰ আদি নিৰ্মাণত কাম কৰা নাৰীক পুৰুষতকৈ কম মজুৰি দিয়া হয়। বৰঞ্চ মহিলাগৰাকীয়ে পুৰুষজনতকৈ কোনো গুণে কম কাম নকৰে।

'পুত্ৰ সন্তান অবিহনে নাৰীৰ জীৱন অশুচি'— এনে চিন্তা বৰ্তি থকাৰ ফলত এগৰাকী নাৰীয়ে পুত্ৰ সন্তান জন্ম নিদিয়ালৈকে কেবাটিও কন্যা সন্তান জন্ম দিব লগা হয়। অসমৰ দৰে ঠাইত কন্যা সন্তাসকলক মাৰি নেপেলালেও চিকিৎসা, উপযুক্ত খাদ্য আৰু পৰিপুষ্টিহীনতাৰ বাবে কন্যাসন্তান আৰু মাতৃ উভয়ে মৃত্যুমুখত পৰিব লগা হয়। সৌসিদিনালৈকে নাৰীৰ প্ৰসৱকালীন মৃত্যু বিশেষভাৱে চিন্তাৰ বিষয় আছিল। এই সংখ্যা অসমত প্ৰতি এক লাখত ৫৪৪ গৰাকী; সৰ্বভাৰতীয় গড় সংখ্যা (৪৫৩)-তকৈ বহু বেছি। এই ক্ষেত্ৰত অৱশ্যে উচ্চ বৰ্ণৰ হিন্দু সম্প্ৰদায়ৰ মাজত প্ৰচলিত হৈ থকা বাল্য-



বিবাহো কম-বেছি পৰিমাণে জগৰীয়া। কাৰণ অপৰিপক্ক বয়সত গৰ্ভধাৰণ কৰা মহিলা আৰু শিশু উভয়ৰে জীৱনধাৰণ ক্ষমতা আশাতীতভাৱে ক্ষীণ। আনহাতে, তামিলনাডু ৰাজ্যৰ 'ভাটি' আৰু 'কল্লৰ' নামৰ সম্প্ৰদায়ৰ মাজত এক অদ্ভুত নিয়ম প্ৰচলিত হৈ আছে। সেই সম্প্ৰদায়ৰ সন্তান জন্ম দিয়া মাতৃগৰাকীয়ে পুত্ৰ সন্তান জন্ম নোহোৱালৈকে সকলোবোৰ কন্যাসন্তানক নিজহাতে মাৰি পেলোৱাটো হেনো সমাজৰ পৰম্পৰা। যদি কোনো পত্নীয়ে এনে নিয়ম ভ! কৰে তেনে নাৰীক স্বামীয়ে ঘৰৰ পৰা খেদি পঠায়। সমাজৰ কি দানৱীয় ৰীতিহু যৌতুকৰ বাবেই হেনো কন্যা সন্তানক জন্মতে এনেদৰে হত্যা কৰা হয়। নাৰীবাদী লেখিকা মালা সেনৰ 'Death by Fire' নামৰ গ্ৰন্থখনত কন্যাসন্তান হত্যাৰ নিৰ্মম বৰ্ণনা পঢ়িবলৈ পোৱা যায়। এই পৰম্পৰা চলি থকা বাবেই 'ভাটি' সম্প্ৰদায়ৰ মাজত মহিলাৰ সংখ্যা বিশ্বৰ ভিতৰত সবাতোকৈ কম, প্ৰতি এহেজাৰজন পুৰুষৰ বিপৰীতে ৫৫০ গৰাকী। তাৰোপৰি পিচপৰা গাঁও অঞ্চলতো দুখীয়া পৰিয়ালত পুত্ৰ সন্তানৰ আশাত কেবাটিও কন্যা সন্তান জন্ম হ'লে সেই সন্তানবিলাকক কোনো সন্তানহীন দম্পতীক বিক্ৰী কৰা আৰু কিছুমানক লোহাৰ ৰড গৰম কৰি হত্যা কৰাৰ দৰে জঘন্য ঘটনাৰ কথা শুনিবলৈ পোৱা যায়।

সম্প্ৰতি, কন্যা সন্তানৰ ক্ৰমহ্ৰাসমান সংখ্যাৰ লগত উন্নত পুঁজিবাদী প্ৰযুক্তি যুক্ত হৈ পৰাৰ ফলত ই সমাজৰ বাবে অতি ভয়ংকৰ হৈ পৰিছে। ভাৰতবৰ্ষত সামন্তীয় অৱশেষ আৰু পুৰুষতান্ত্ৰিক চিন্তা-চেতনাবোৰ নিৰ্মূল নোহওঁতেই বিদেশী পুঁজিৰ লগত আমদানি হৈ অহা উন্নত বৈজ্ঞানিক প্ৰযুক্তিৰ শেহতীয়া সংযোজন 'গৰ্ভস্থ ভ্ৰূণৰ লিঙ্গ নিৰ্ণয়' পদ্ধতিয়ে (ইংৰাজীত যাক কোৱা হয় 'এমিনোচিনথেচিচ') কন্যা-ভ্ৰূণ হত্যাৰ পথ প্ৰশস্ত কৰিলে। ইয়াৰ ফলত গৰ্ভাৱস্থাতে ভ্ৰূণৰ লিঙ্গ নিৰ্ণয় কৰি কন্যা-ভ্ৰূণ বুলি গম পালে তাক নষ্ট কৰিব পৰা উপায় ওলাল। এই পৰীক্ষাৰ ফলত মহাৰাষ্ট্ৰ, ৰাজস্থান আদি ৰাজ্যত হাজাৰ হাজাৰ কন্যা সন্তানৰ ভ্ৰূণ নষ্ট কৰা হৈছিল। মহাৰাষ্ট্ৰ চৰকাৰৰ এক সমীক্ষাত মুম্বাই মহানগৰী এলেকাতে ১৯৮৫ চনত ৪৫,০০০ (পঞ্চল্লিছ হাজাৰ) আৰু আহমেদাবাদত বছৰি ১০,০০০ কন্যা ভ্ৰূণ হত্যা কৰা হৈছিল।

ভাৰতবৰ্ষত শিক্ষা-দীক্ষা, কৰ্মসংস্থানকে ধৰি সকলোতে নাৰীৰ সংখ্যা পুৰুষৰ তুলনাত অতি কম, যি সমাজখনত বৰ্তি থকা লিঙ্গ-বৈষম্যক স্পষ্ট ৰূপত তুলি ধৰে।

ভাৰতবৰ্ষত ৮৫% মহিলাই ৰক্তহীনতাত ভোগে।

ভাৰতবৰ্ষৰ উৰিষ্যাত প্ৰতি এক লাখ প্ৰসূতিৰ ভিতৰত ৭৩৯ গৰাকী মৃত্যুৰ মুখত পৰে— যিটো সংখ্যা বিশ্বৰ সৰ্বাধিক বুলি গণ্য কৰা হৈছে।

ভাৰতবৰ্ষত প্ৰতি সাত মিনিটত এটাকৈ যৌতুক হত্যাৰ ঘটনা সংঘটিত হয়।

ভাৰতবৰ্ষত ১৯৯২ চনত ৫৯ নিযুত শিশু স্কুললৈ নোযোৱাকৈ আছিল। তাৰ ভিতৰত ছোৱালীৰ সংখ্যা ৩৬ নিযুত আৰু ল'ৰাৰ সংখ্যা ২৩ নিযুত।

মুম্বাইৰ এখন ডাঙৰ চিকিৎসালয়ত ভ্ৰূণ নষ্ট কৰা ঘটনাত নষ্ট কৰা কন্যাভ্ৰূণ

আছিল ৯৫.৫%।

লিঙ্গ-সমতাৰ ক্ষেত্ৰত বিশ্বৰ ১৪৩ খন দেশৰ ভিতৰত ভাৰতৰ স্থান ১০৮ ভাৰতবৰ্ষত ২০০১ আৰু ২০০২ চনত যৌতুকৰ বাবে হত্যা কৰা নাৰীৰ সংখ্যা আছিল ৬,০৬৭ আৰু ৬,৫৫৩। (উৎসঃ *গণ শক্তি*, ১১/১২/২০০৩)

১৯৯৭ চনৰ NSSO -ৰ শেহতীয়া প্ৰতিবেদনত প্ৰকাশ যে

দেশৰ সৰ্বমুঠ স্বাক্ষৰতাৰ হাৰ =৬২%

তাৰে ল'ৰা বা পুৰুষ = ৭৪% আৰু ছোৱালী বা মহিলা =৫০%।

দাৰিদ্ৰ সীমাৰেখাৰ সংখ্যাৰ অধীনত মহিলাৰ সংখ্যা =৬০%।

*ভাৰতবৰ্ষত মহিলা সাক্ষৰতাৰ হাৰঃ* মিজোৰাম ৯৫%, কেৰালা ৯০%, গোৱা ৭৯%, নাগালেণ্ড ৭৭%, মেঘালয় ৭৪%, চিকিম ৭২%, হিমাচল প্ৰদেশ ৭০%, ত্ৰিপুৰা ৬৭%, অসম ৬৬%, মণিপুৰ ৬৬%, মহাৰাষ্ট্ৰ ৬৩%, পশ্চিমবং ৬৩%, পঞ্জাৱ ৬২%, তামিলনাডু ৬০%, গুজৰাট ৫৭%, হাৰিয়ণা ৫২%, কৰ্ণাটক ৫০%, অৰুণাচল ৪৮%, জম্মু-কাশ্মীৰ ৪৮%, অন্ধ্ৰপ্ৰদেশ ৪৩%, মধ্যপ্ৰদেশ ৪১%, উত্তৰ প্ৰদেশ ৪১%, ৰাজস্থান ৩৫%, বিহাৰ ৩৪%।

(উৎসঃ NSSO-ৰ ৫৩ তম প্ৰতিবেদন, ১৯৯৭আৰু প্ৰমিলা কাপুৰ সম্পাদিত পুথি 'Empowering The Indian Women': Edited by Pramila Kapur )

কেন্দ্ৰীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰালয়, মহাপঞ্জীয়কৰ কাৰ্যালয়, লোকপিয়ল আয়ুক্তৰ কাৰ্যালয় আৰু ৰাষ্ট্ৰসংঘৰ জনসংখ্যা নিধিৰ যৌথ উদ্যোগত যুগুতোৱা প্ৰতিবেদনত কোৱা হৈছে যে "আঢ্যৱন্ত আৰু শিক্ষিত হ'লেও ভাৰতীয়সকলৰ কন্যা শিশু সম্পৰ্কে দৃষ্টিভংগী সলনি হোৱা নাই। বৰং নানা অত্যাধুনিক পদ্ধতিৰে তেওঁলোকে গৰ্ভজাত ভ্ৰূণৰ লিংগ নিৰ্ণয় কৰি কন্যা শিশু বুলি জানিব পৰা মাত্ৰেই ভ্ৰূণটো নষ্ট কৰি পেলায়। দেশৰ কেতবোৰ এলেকাত এতিয়াও জন্মগ্ৰহণৰ কিছু সময়ৰ পিছতেই শিশু কন্যাক হত্যা কৰাৰ প্ৰথা প্ৰচলিত আছে। প্ৰতিবেদনখনৰ মতে পুত্ৰ সন্তানৰ অত্যলিপ্সাৰ বাবেই দিল্লী, হাৰিয়ানা, পঞ্জাৱ, আৰু গুজৰাটত প্ৰতি হেজাৰ জন পুৰুষৰ বিপৰীতে নাৰীৰ সংখ্যা ৯০০ তকৈ কম হৈছে। এলেকা বিশেষে দক্ষিণ-পশ্চিম দিল্লীত এই সংখ্যা ৮৪৫, আহমদাবাদত ৮১৪ আৰু কুৰুক্ষেত্ৰত ৮৬৮ হৈছে। তাৎপৰ্যপূৰ্ণভাৱে দেশৰ পাৰ্বত্য আৰু জনজাতীয় এলেকাত কন্যা শিশুৰ অৱস্থা তুলনামূলকভাৱে উন্নত। হিমাচল প্ৰদেশৰ লাহুল স্পিটিত লিঙ্গ অনুপাত ৯৮৬ আৰু চাম্বাত ৯৬২। ৰাজস্থানৰ বাঙ্গৱাৰাত এই অনুপাত ৯৭২ বুলি জনোৱা হৈছে প্ৰতিবেদনখনত।

১৯৯৪ চনত গৰ্ভস্থ ভ্ৰূণৰ লিঙ্গ নিৰ্ণয় কৰি গৰ্ভপাতৰ জৰিয়তে কন্যা ভ্ৰূণ হত্যা কৰা পদ্ধতি বন্ধ কৰিবৰ বাবে দেশৰ প্ৰায়বোৰ আগশাৰীৰ প্ৰগতিশীল মহিলা সংগঠনৰ



যৌথ প্ৰতিবাদত প্ৰি-নাটাল ডায়াগেনিষ্টক টেকনিকস্ (ৰেগুলেচন এণ্ড প্ৰিভেনশ্যন অব মিছ-ইউজ এক্ট) নামৰ আইনখন প্ৰণয়ন কৰা হয় যদিও সফলভাৱে আজিও প্ৰয়োগ হোৱা নাই। আনহাতেদি গৰ্ভস্থ সন্তানৰ লিঙ্গ নিৰ্ণয় কৰাৰ উপৰিও এইবাৰ গৰ্ভধাৰণৰ পূৰ্বে লিংগ নিৰ্বাচনৰ উপায় ওলাল। সেয়ে পুনৰ এই আইনৰ বিৰুদ্ধে প্ৰতিবাদ গঢ়ি উঠে আৰু ২০০৩ চনৰ ১৭ জানুৱাৰী তাৰিখে এই আইনৰ সংশোধন ঘটোৱা হয়। এই আইন ২০০৩ চনৰ ১৪ ফেব্ৰুৱাৰী তাৰিখৰ পৰা প্ৰয়োগ কৰা হয় আৰু সমগ্ৰ দেশতে লিঙ্গ নিৰ্বাচন আৰু লিঙ্গ নিৰ্দ্ধাৰণ পদ্ধতি নিষিদ্ধ ঘোষণা কৰা হয়। তৎসত্বেও কন্যা শিশুৰ হত্যাৰ হাৰ আজি কমিছে বুলি ক'ব নোৱাৰি। ১৯৯১ আৰু ২০০১ চনৰ লোকপিয়লেই ইয়াৰ জলজল পটপট প্ৰমাণ। কন্যা সন্তান জন্ম হোৱাটো ভাৰতবৰ্ষৰ কেইখনমান প্ৰদেশৰ বাবে অভিশাপ স্বৰূপ। কন্যাৰ বিয়াত দৰা ঘৰক দিবলগা বৃহৎ পৰিমাণৰ যৌতুকেই ইয়াৰ প্ৰধান কাৰণ। সেয়ে, তেওঁলোকে বিশ্বাস কৰে যে— "কন্যা ভ্ৰূণ নষ্ট কৰিবৰ বাবে ৫০০ টকা খৰছ কৰিলেই তুমি ৫০,০০০০ টকা খৰছৰ পৰা ৰেহাই পাবা।" এনে ধাৰণা সমাজৰ বাবে কিমান ক্ষতিকাৰক নক'লেও হ'ব। তাৰবাদেও আৰক্ষী আৰু সেনাৰ দ্বাৰাও কন্যা শিশু আৰু কিশোৰী ধৰ্ষিতা হৈ মৃত্যুৰ মুখত পৰিবলগা হৈছে। গাভৰু-জীয়ৰীও হাত সাৰিব পৰা নাই এনে পাশৱিক অত্যাচাৰৰ পৰা। বনকৰা ছোৱালী, নিৰাশ্ৰয় গৃহত থকা মহিলা আৰু পুলিচ হাজোতত থকা মহিলাৰ ওপৰত চলা ধৰ্ষণ-নিৰ্যাতন আৰু হত্যাই নাৰীৰ সংখ্যা নিম্নগামী কৰাত ইন্ধন যোগাইছে। সম্প্ৰতি এনে নিৰ্মম অত্যাচাৰৰ সংখ্যা লেখ-জোখ নোহোৱা হৈছে। প্ৰতিদিনে খবৰ কাকতখন মেলিলেই লোমহৰ্ষক নাৰী ধৰ্ষণ আৰু হত্যাৰ বাতৰি পঢ়িবলৈ পোৱা যায়।

ভাৰতত যৌতুকৰ বাবে বোৱাৰী হত্যা এক সাধাৰণ ঘটনাত পৰিণত হৈ পৰিছে। পাৰিবাৰিক কন্দলত নিতৌ বহু নাৰীয়ে প্ৰাণ হেৰুৱাইছে। সমাজৰ বিভিন্ন দুষ্কৃতিকাৰীৰ হাতত ধৰ্ষণৰ বলি হৈ নাৰীয়ে অকাল মৃত্যু আৰু অনাহুত মাতৃত্বক সাৱটি ল'ব লগাত পৰিছে। পাৰিবাৰিক অশান্তিত তিষ্ঠি থাকিব নোৱাৰি অলেখ নাৰীয়ে আত্মহত্যাৰ দৰে জঘন্য পথো বাচি লোৱা দেখা গৈছে। নাৰীৰ ওপৰত পুৰুষতান্ত্ৰিক সমাজৰ এনে বৰ্দ্ধিত হিংসা এখন সুস্থ-সবল সমাজৰ বাবে অভিশাপস্বৰূপ। অসমৰ দৰে জনজাতীয় বসতি প্ৰধান ৰাজ্যতো আজি যৌতুকৰ বাবে বোৱাৰী হত্যা দৈনন্দিন ঘটনা হৈ পৰিছে। তদুপৰি জনজাতীয় মহিলাৰ মাজত বৃদ্ধি পোৱা ডাইনী হত্যাৰ দৰে মধ্যযুগীয় কলংকবোৰ পুনৰ অসমৰ বুকুত ভুমুকি মাৰিছে। ভূত-প্ৰেত আৰু ডাইনী-পিশাচিনীৰ দেশ বুলি খ্যাত ভাৰতবৰ্ষৰ তিনিখন প্ৰদেশ— বিহাৰ, মধ্যপ্ৰদেশ আৰু পশ্চিমবংগত ডাইনী হত্যাৰ সংখ্যা সৰ্বাধিক। ইতিহাসৰ ধূসৰ পৃষ্ঠাৰ পৰা জোৱান অৱ আৰ্কৰ নাম মচ খাই গ'লেও কেইবা শতিকাৰ পিচত জন্ম হোৱা চুটনী মহাতানিক ৰাইজে ডাইনী বুলি অভিহিত কৰি নানা অত্যাচাৰ চলাইছে। ডাইনীক গএগ ৰাইজে নগ্ন কৰাই ৰাজপথত খোজ কঢ়ায়। কেঁচা তেজ পিবলৈ বাধ্য কৰায় আৰু মৰিয়াই মৰিয়াই লেবেজান কৰে। আমাৰ সমাজত নাৰীৰ ওপৰত চলি থকা এনে অৱৰ্ণনীয় কাহিনী লিপিবদ্ধ কৰিছে অৰ্চনা মিশ্ৰৰ 'কাষ্টিং

দি ইভিল আই' নামৰ গ্ৰন্থখনত। বড়ো আৰু চাহ জনগোষ্ঠীৰ বহু মহিলাক ডাইনী সজাই সবংশে হত্যা কৰা ঘটনাই ইয়াৰ সত্যতা প্ৰমাণ কৰে। গাঁও পঞ্চায়তৰ মহিলা প্ৰতিনিধিও ইয়াৰ কবলৰ পৰা মুক্ত হ'ব পৰা নাই। অলৌকিক মায়ামন্ত্ৰ শিকোৱা পুৰুষ ওজাজন কিন্তু এনে অপায়-অম লৰ পৰা বহু নিলগত। নাৰী এফালে সামন্তীয় শোষণৰ বলি হৈছে আৰু আনফালে পুঁজিবাদী অপসংস্কৃতিৰ গৰাহত পৰি পুৰুষৰ যৌন কামনাৰ বলি হৈছে। সমাজত লিঙ্গ-বৈষম্য বৃদ্ধি পাইছে। পুঁজিবাদী বিশ্বায়নে জন্ম দিয়া অপ-সাংস্কৃতিক বাতাবৰণে সবাতোকৈ বেছি প্ৰভাৱিত কৰিছে সমাজৰ এচাম মধ্যবিত্ত আৰু উচ্চ মধ্যবিত্ত পৰিয়ালৰ নাৰীক। সমাজত ক্ৰমাগতভাৱে বৃদ্ধি পাইছে ভোগবাদী মানসিকতা। আজিও সমাজত নাৰীগৰাকীৰ স্থান নিৰূপিত হয় পুৰুষৰ পৰিচয়ৰ আধাৰতহে। নাৰীৰ নিজা পৰিচয় নাই বুলিয়েই ক'ব পাৰি। সন্তান জন্ম আৰু লালন-পালনৰ দৰে কাৰ্যক আমাৰ সমাজে এতিয়াও সামাজিক উৎপাদনৰ মৰ্যাদা প্ৰদান কৰা নাই। গৃহস্থালীৰ দৰে অস্বীকৃত ঘৰুৱা জঞ্জালত ২৪ ঘণ্টা সোমাই নথকা মহিলাবো আজি সমাজত মৰ্যাদা আৰু নিৰাপত্তা নাই। অৰ্থনৈতিক-ৰাজনৈতিক ক্ষেত্ৰলৈ এমুঠিমান নাৰী ওলাই আহিছে যদিও তেওঁলোকে পুৰুষতান্ত্ৰিক সমাজৰ দাসত্বৰ বান্ধোন চিঙিব পৰা নাই। সমাজত পুঁজিবাদী অপ-সংস্কৃতিয়ে নাৰীক অধিক পণ্য কৰাৰ লগতে নাৰীৰ ওপৰত অত্যাধিক হাৰত যৌন নিৰ্যাতন, হত্যা আদিও বঢ়াই তুলিছে।

দেশত নাৰী বৰ্ষ, কন্যা বৰ্ষ, নাৰী সবলীকৰণ বৰ্ষ আদি ঘোষণা কৰাৰ পাচতো নাৰীৰ ওপৰত হত্যা-হিংসাৰ পৰিমাণ কমা নাই। নাৰীৰ ওপৰত চলা ধৰ্ষণ, নিৰ্যাতন, হত্যা আদি বন্ধ কৰাৰ বাবে ধৰ্ষণ সম্পৰ্কীয় আইন, যৌতুক নিবাৰক আইন, গৰ্ভধাৰণৰ পূৰ্বতে ভ্ৰূণৰ লি। নিৰ্বাচন আৰু গৰ্ভস্থ ভ্ৰূণৰ লিঙ্গ নিৰ্ণয় বন্ধ কৰাৰ বাবে বিভিন্ন আইন প্ৰণয়ন কৰা হৈছে যদিও সিবিলাকে নাৰীৰ ওপৰত বৰ্দ্ধিত হিংসা ৰোধ কৰিব পৰা নাই। ইয়াৰ প্ৰধান কাৰণ হ'ল– আইনসমূহত থকা সুৰুঙা, কাৰ্যকৰীকৰণৰ বাবে প্ৰয়োজনীয় ব্যৱস্থাৰ অভাৱ। আজিৰ পৰিস্থিতিত এইবিলাক বন্ধ কৰাৰ বাবে সুৰুঙাহীন আইন প্ৰণয়ন কৰা উচিত। অন্যথা আইনৰ সুৰুঙা আৰু অৰ্থবলেৰে অপৰাধী কঠোৰ শাস্তি নোপোৱাকৈ সাৰি যোৱাৰ ফলত সমাজত এনে ঘটনা সংঘটিত কৰিবলৈ এচাম পুৰুষৰ সাহস বাঢ়ি গৈছে। অৱশ্যে এটা কথা স্পষ্ট যে মাথোঁ আইনবদ্ধৰাই বৰ্দ্ধিত নাৰী হত্যা, হিংসা আদি নিৰ্মূল কৰিব পৰা নাযায়। ইয়াৰ বাবে হ'ব লাগিব সামগ্ৰিক সামাজিক মানসিকতাৰ পৰিবৰ্তন। পৰিয়ালৰ ভিতৰে-বাহিৰে নাৰীৰ প্ৰতি থকা আমাৰ সমাজৰ পুৰুষতান্ত্ৰিক মনোভাৱ আৰু শ্ৰেণী-বৈষম্য সলনি কৰিব নোৱাৰিলে লিঙ্গ-বৈষম্য নাইকীয়া কৰিব পৰা নাযাব। লি।-বৈষম্য বৰ্তি থকা হেতু সমাজত অসুস্থ বাতাবৰণ গঢ়ি উঠিছে। ইয়াৰ পূৰ্ণ সুযোগ গ্ৰহণ কৰি এচাম পুৰুষে নাৰীক ভোগ্যপণ্যৰূপে গ্ৰহণ কৰাৰ ফলত নাৰীৰ নিৰাপত্তা আৰু মৰ্যাদা হানি হৈছে। বিজ্ঞাপনৰ পৰা সাহিত্য-সংস্কৃতি, ৰাজনীতি, অৰ্থনীতি আদি সকলো ক্ষেত্ৰতে নাৰীক ব্যৱসায়িক মুনাফা লাভৰ সামগ্ৰী হিচাবে গ্ৰহণ কৰা হৈছে। ফলস্বৰূপে বৰ্তমান সমাজ জীৱনত ইয়াৰ কু-প্ৰভাৱ পৰিছে আৰু স্বাভাৱিকভাৱেই



ভৱিষ্যৎ প্ৰজন্মও বেয়াকৈ ক্ষতিগ্ৰস্ত হ'ব। সমাজ জীৱনত পৰা তাৎক্ষণিক আৰু সুদূৰপ্ৰসাৰী প্ৰভাৱৰ কথা দেখি-শুনিও এচাম লোকে নীৰৱতা অৱলম্বন কৰিছে। আনকি বহু ক্ষেত্ৰত নাৰী বিৰোধী সামাজিক ৰীতি-নীতিবোৰক ৰক্ষণাবেক্ষণ দিয়াৰ বাবেহে উঠি-পৰি লাগিছে। এয়া মাথোঁ নাৰীৰ বাবেই নহয় আমাৰ সমগ্ৰ সমাজখনৰ বাবে অতি ক্ষতিকাৰক।

ইয়াৰ বিপৰীতে সংখ্যাত কম হ'লেও এচাম সচেতন লোকে লিঙ্গ-বৈষম্যৰ বিৰুদ্ধে যুঁজ দিয়াৰ প্ৰয়াস চলাই গৈছে। পৰিয়ালৰ ভিতৰৰ পৰা সমাজ জীৱনৰ বিভিন্ন ক্ষেত্ৰসমূহত পুৰুষৰ সমানে নাৰীৰ অধিকাৰ প্ৰতিষ্ঠাৰ বাবে সচেতন উদ্যোগ গ্ৰহণ কৰা দেখা গৈছে। আনকি নাৰীৰ প্ৰতি থকা সমাজৰ দ্বিতীয় শ্ৰেণীৰ নাগৰিকৰ ধাৰণাও কিছু সাল-সলনি কৰাৰ বাবে গুৰুত্ব প্ৰদান কৰা হৈছে। বিভিন্ন সংস্থা, সংগঠন গঢ়ি তোলা হৈছে যাতে নাৰীৰ প্ৰতি থকা সামাজিক দৃষ্টিভঙ্গী সলনি কৰিব পৰা যায়। বিভিন্ন ধৰণৰ আইন প্ৰণয়ন কৰি নাৰী বিৰোধী সামন্তীয় আৰু মধ্যযুগীয় বৰ্বৰ চিন্তাবোৰ বন্ধ কৰাৰ বাবে পুনৰ উদ্যোগ লোৱাও দেখা গৈছে। উদাহৰণস্বৰূপে ১৮২৯ চনত সতীদাহ প্ৰথা বন্ধ কৰাৰ পাচত ১৯৮৭ চনত পুনৰ আইন কৰি বন্ধ কৰিব লগা হৈছে। সংবিধান সংশোধন কৰি নাৰী কল্যাণৰ বাবে ৰাজ্যিক মহিলা আয়োগৰ দৰে প্ৰতিষ্ঠানো গঢ়ি তোলা হৈছে যাতে নিৰ্যাতিতা নাৰীয়ে কিছু হ'লেও সকাহ পায়। নাৰীলৈ ক্ষমতা প্ৰদান কৰাৰ প্ৰতিশ্ৰুতিৰে ২০০১ চনটো সবলীকৰণ বৰ্ষ হিচাবেও ঘোষণা কৰা হ'ল। কিন্তু বাস্তৱত নাৰী সমাজ কিমান উপকৃত হ'ল সি এক বিচাৰ্য বিষয়।

সমাজৰ পৰা নাৰী-পুৰুষৰ মাজত থকা প্ৰভেদ আঁতৰাবৰ বাবে বিভিন্ন ধৰণৰ উল্লেখিত চৰকাৰী পদক্ষেপৰ প্ৰয়োজনীয়তা স্বীকাৰ কৰিও এটা প্ৰশ্নই সদায় ভুমুকি মাৰে, বাস্তৱ অৰ্থত ইবিলাকে নাৰীসমাজক সঁচাই সুৰক্ষা প্ৰদান কৰিব পাৰিছেনে? হয়তো আংশিক সফলতা লাভ কৰিছে। সম্পূৰ্ণৰূপে সফল হ'বলৈ হ'লে সমাজৰ মানসিক, নৈতিক মূল্যবোধৰ সামগ্ৰিক পৰিবৰ্তন ঘটোৱা জৰুৰী। শাসনাধিষ্ঠিত চৰকাৰেও ন্যস্ত স্বাৰ্থক বিসৰ্জন দি এখন লিঙ্গ-বৈষম্যহীন সমাজৰ বাবে বহল দৃষ্টিভ।ী গ্ৰহণ কৰিব পাৰিলেহে আইনী তথা আনুষ্ঠানিক পদক্ষেপবোৰে সমাজৰ পৰা এই বৈষম্য দূৰীকৰণত আগভাগ ল'ব পাৰিব।

❋❋❋

# সভ্য সমাজত এইবোৰ কি ঘটিছে

নাবালিকা আৰু শিশু ধৰ্ষণৰ পিচত এইবাৰ নাবালিকাৰ অবৈধ মাতৃত্বই সংবাদপত্ৰৰ শিৰোনামা দখল কৰিছে। এনে দানৱীয় ঘটনাই একবিংশ শতিকাৰ সভ্য সমাজৰ উলঙ্গ স্বৰূপ উন্মোচিত কৰিলে। তথাকথিত শিক্ষা-দীক্ষাৰে মানুহ শিক্ষিত হ'লেও তেনে শিক্ষিত ব্যক্তিৰ মনৰ মাজতো যে এনে আসুৰিক বৰ্বৰতা লুকাই থাকে, সেয়া সঘনে সংঘটিত ঘটনাবোৰেই প্ৰমাণ কৰে। তথাকথিত সভ্য মানুহো বিকৃত মানসিকতাৰ বশৱৰ্তী হৈ এখন সমাজৰ সভ্যতাৰ মান কিদৰে অৱনমিত কৰিছে এই ঘটনাবোৰেই তাৰ জ্বলন্ত উদাহৰণ। ইয়াৰ পৰা এই কথা প্ৰমাণ হয় যে মাথো শিক্ষা-দীক্ষাই এখন সমাজৰ সভ্যতাৰ মান নিৰূপণ নকৰে। এনেদৰে নাবালিকা, বনকৰা ছোৱালীৰ ধৰ্ষণ, অবৈধ মাতৃত্বৰ দৰে চকু কপালত উঠা ঘটনাবোৰ সমাজৰ পৰা বিচ্ছিন্ন ঘটনাও নহয়। ই প্ৰচলিত পুৰুষতান্ত্ৰিক সমাজ ব্যৱস্থা আৰু সাম্ৰাজ্যবাদী বিশ্বায়নে জন্ম দিয়া ভোগ্য-পণ্যবাদৰ বহিঃপ্ৰকাশহে মাথোন।

গুৱাহাটী মহানগৰী আৰু সমীপৱৰ্তী মিৰ্জা অঞ্চলত সংঘটিত ঘটনা দুটিয়ে সমাজৰ সকলো বিবেকবান ব্যক্তিৰে মগজু জোকাৰি গৈছে। এগৰাকী বনকৰা ছোৱালীয়ে পাৰিশ্ৰমিক হিচাপে লাভ কৰিলে এটি অবৈধ কন্যা সন্তান আৰু সমাজৰ গ্লানি আৰু আনগৰাকী বিকলাংগ কিশোৰীয়ে লোক-অপবাদৰ ভয়ত ছমহীয়া ভ্ৰূণৰ অবৈধ গৰ্ভপাত কৰাবলৈ বাধ্য হ'ল। যিসময়ত আমি ঊনবিংশ শতিকাৰ বাল্য বিবাহৰ দৰে কলংকবোৰ আইনগতভাৱে নিষিদ্ধ কৰি এখন সুস্থ মানৱীয় সমাজ গঢ়াৰ পথত অগ্ৰসৰ হৈছো, সেই সময়ত ১১ বছৰীয়া নাবালিকাৰ শৰীৰৰ ওপৰত, বিকলাংগ কিশোৰীৰ ওপৰত এনে যৌন অত্যাচাৰ চলোৱাটো আইনৰ প্ৰতি ভেঙুচালি নহয়নে? আনহাতে এনে পাশৱিক আৰু অমানুষিক কাণ্ড উত্তৰ প্ৰজন্মৰ বাবেও বিপজ্জনক। সেয়ে এনে বৰ্বৰ কাণ্ডৰ বিৰুদ্ধে কেৱল নাৰী সমাজেই নহয়, সমাজৰ সকলো বিবেকবান ব্যক্তি আৰু সামাজিক সংগঠনে প্ৰতিবাদ জনাই অপৰাধীক কঠোৰ শাস্তি বিহিবলৈ দাবী তোলা উচিত। ভাবিলে আচৰিত লাগে, কিশোৰী বা ১১ বছৰীয়া এগৰাকী নাবালিকাৰ কি দেখি যৌন নিৰ্যাতনকাৰীহঁত আকৰ্ষিত হয়। কিয়নো, সেই বয়সত এগৰাকী কিশোৰীয়ে পুৰুষক আকৰ্ষণ কৰিব পৰাকৈ তাইৰ দেহৰ যৌন অংগ-প্ৰত্যংগবোৰৰ দেখোন বিকাশেই নহয়। আনহাতে যৌন সম্বন্ধীয়, লিঙ্গ সম্বন্ধীয় বিভিন্ন বিষয়বোৰো অৱগত নহয়। তেনেস্থলত নিৰ্যাতনকাৰীয়ে যৌনকামনা চৰিতাৰ্থ কৰিবলৈ যোৱাৰ অৰ্থ হ'ব নাৰীৰ প্ৰতি পুৰুষৰ দুৰ্বাৰ যৌন-সম্ভোগ প্ৰীতি। অৰ্থাৎ নাৰী পুৰুষৰ সম্ভোগৰ সামগ্ৰী বা পণ্য সামগ্ৰী।



সেয়ে বয়স, সৌন্দৰ্য্য আদি প্ৰতিবন্ধকতাৰ কাৰক নহয়। সেইবাবেই এগৰাকী ৩-৪ বছৰীয়া শিশুও পুৰুষৰ ভোগৰ সামগ্ৰী হয়। সেইদৰে বাচি নাযায় ৬০-৭০ বছৰীয়া বৃদ্ধা মহিলা। আনহাতে, পুঁজিবাদ আৰু সাম্ৰাজ্যবাদী বিশ্বায়নৰ প্ৰভাৱত আমাৰ সমাজত টি. ভি. চিনেমাকে ধৰি বিভিন্ন প্ৰচাৰ মাধ্যম, ইণ্টাৰনেট, আলোচনী আদিত সঘনে প্ৰচাৰিত নাৰী দেহৰ নগ্ন বিজ্ঞাপনে নাৰীৰ ওপৰত যৌন অত্যাচাৰ বঢ়াই তুলিছে। উল্লেখিত ঘটনাত অভিযুক্ত অপৰাধী চক্ৰক পুলিচে গ্ৰেপ্তাৰ কৰিছে। সন্তান জন্ম দিয়া নাৰ্ছিং হোমৰ অনুজ্ঞাপত্ৰ বাতিল কৰিছে। এইখিনিলৈকে সকলো ঠিকেই আছে। কিন্তু ইয়াৰ পিচত অপৰাধীয়ে বিভিন্ন অজুহাতত ৩ মাহৰ ভিতৰত জে'লৰ পৰা জামিনো পাব পাৰে। আকৌ আদালতত গোচৰ চলা কালত অপৰাধীয়ে নিৰপৰাধীৰ চাৰ্টিফিকেটো অন্তিম ৰায়ত লাভ কৰিব পাৰে। আইনৰ এই সুৰুঙাবোৰ বন্ধ কৰিব কোনে? পৰৱৰ্তী সময়ত এনে ঘটনা পুনৰাবৃত্তি হৈ আমাৰ নতুন প্ৰজন্মক বিপথগামী আৰু সমাজ জীৱন কলুষিত নকৰিবৰ বাবে অপৰাধীক কঠোৰ তথা দৃষ্টান্তমূলক শাস্তি দিয়াৰ দাবীত সুৰুঙাবিহীন কঠোৰ আইন তৈয়াৰ কৰিব পাৰিবনে? এইক্ষেত্ৰত নিশ্চয় ৰাইজ আৰু শাসনত থকা ৰাজনৈতিক দল, বিৰোধী দল তথা আইনবিদসকলৰ উমৈহতীয়া দায়িত্ব আছে। কিন্তু বহু ক্ষেত্ৰত দেখা যায় যে অৰ্থ আৰু ক্ষমতাৰ সুযোগ ব্যৱহাৰ কৰি অপৰাধী শাস্তি নোপোৱাকৈ সাৰি যায়। যোৱা কিছু বছৰৰ পৰা অসম তথা ভাৰতবৰ্ষত সংঘটিত বৰ্ধিত নাৰী ধৰ্ষণ, হত্যা সম্পৰ্কীয় ঘটনাবোৰ ৰোধ কৰাৰ বাবে ইমান দিনে এনে এখন কঠোৰ আইন তৈয়াৰ কৰিবই লাগিছিল। কিন্তু সংশ্লিষ্ট পক্ষৰ সদিচ্ছাৰ অভাৱেই এই ক্ষেত্ৰত প্ৰধান অন্তৰায়।

সেয়ে, এনে অপৰাধীৰ বিচাৰ গণ আদালতৰ জৰিয়তে কৰা প্ৰয়োজন। ৰাজহুৱাভাৱে নিৰ্যাতনকাৰীক দৃষ্টান্তমূলক শাস্তি প্ৰদান নকৰিলে ঘটনাৰ প্ৰাবল্য হ্ৰাস কৰিব পৰা নাযাব। তদুপৰি আইন আৰু চৰকাৰৰ ওপৰতো অহৰহ হেঁচা প্ৰয়োগ কৰি যাব লাগিব যাতে অপৰাধীয়ে দৃষ্টান্তমূলক শাস্তি লাভ কৰে। প্ৰয়োজন সাপেক্ষে কঠোৰ আইনো তৈয়াৰ কৰা উচিত। নাৰীৰ প্ৰতি সামাজিক দৃষ্টিভংগী পৰিবৰ্তন ঘটোৱাৰ দাবীত আৰু ভোগ্য-পণ্যবাদৰ বিৰুদ্ধে এক সামাজিক আন্দোলন গঢ়ি তোলাৰ সামাজিক দায়িত্ব সমাজৰ সকলো ব্যক্তিয়ে গ্ৰহণ কৰিলেহে এই ঘটনাবোৰ ৰোধ কৰিব পৰা যাব। নহ'লে নাৰীৰ মৰ্যাদা আৰু নিৰাপত্তা কোনোদিনেই ৰক্ষা নপৰিব। ❁❁

( অসমীয়া প্ৰতিদিন , তাং ২৯/৫/০৩)

# এয়া বৰ্বৰতা নে পৈশাচিক আনন্দ

যি সময়ত মহিলাই সম-অধিকাৰ, সম-মৰ্যাদা আৰু মানৱীয় অধিকাৰ অৰ্জনৰ বাবে বিশ্বজোৰা নাৰীমুক্তি সংগ্ৰাম গঢ়ি তুলিছে সেই সময়ত বহু নাৰী জীয়াই থকাৰ জন্মস্বত্বৰ পৰাও বঞ্চিত হ'ব লগা অৱস্থাই একবিংশ শতিকাৰ অত্যাধুনিক সমাজৰ আন এখন কদৰ্য ছবি মুকলিকৈ উদঙাই দেখুৱাইছে। নাৰীৰ ওপৰত চলা এই বৰ্বৰ অমানুষিক আক্ৰমণ লিংগ নিৰ্যাতনৰ নিকৃষ্ট ঘটনা। এনে জঘন্য, পাশৱিক আক্ৰমণৰ বলি হৈছে ভাৰতবৰ্ষৰ চুবুৰীয়া ৰাষ্ট্ৰ বাংলাদেশৰ নাৰীসমাজ। ১৯৬৭ চনৰে পৰা তাত নাৰীৰ ওপৰত এচিড নিক্ষেপৰ জৰিয়তে নিৰ্মম আক্ৰমণ চলি আহিছে। কিন্তু সম্প্ৰতি এই আক্ৰমণৰ সংখ্যা ইমানেই বৃদ্ধি পাইছে যে ২০০০ চনত সংঘটিত হোৱা ২২১ টা ঘটনাৰ বিপৰীতে ২০০১ চনত সৰ্বমুঠ ৩৪০ টা ঘটনাৰ ভিতৰত ৫৫ টা পঞ্জীয়নভুক্ত হয় আৰু ২০০২ চনৰ প্ৰথম ২ মাহত ৫৬ টা ঘটনা সংঘটিত হয়। নাৰীৰ মুখ মণ্ডলকে ধৰি শৰীৰৰ বিভিন্ন ঠাইত এচিড নিক্ষেপ কৰি সমাজৰ এচাম বৰ্বৰ পুৰুষে নাৰীৰ ওপৰত চলোৱা এই বৰ্দ্ধিত আক্ৰমণৰ বিৰুদ্ধে বাংলাদেশত এক সৰৱ আৰু সচেতন প্ৰতিবাদ গঢ়ি উঠিছে। এই বছৰৰ (২০০২ চন) ৮ মাৰ্চ আন্তৰ্জাতিক নাৰী দিৱসৰ সংগ্ৰামী ঐতিহ্যৰ দিনটোত সেই দেশৰ এ এছ এফ (Acid Survivors Foundation) আৰু বাংলা দৈনিক 'প্ৰথম আলো'ৰ উদ্যোগত শ শ পুৰুষ-মহিলাই এনে লিংগ নিৰ্যাতনৰ বিৰুদ্ধে প্ৰতিবাদী মিছিল উলিয়ায়। এই সমদলত এচিডৰ দ্বাৰা নিৰ্যাতিত প্ৰায় ১০০ গৰাকী মহিলাইও অংশ গ্ৰহণ কৰে।

এচিডৰ দ্বাৰা মহিলাক কৰা আক্ৰমণৰ ঘটনাসমূহ বিচাৰ কৰিলে দেখা যায় যে পুৰুষে আগবঢ়োৱা বিয়াৰ প্ৰস্তাৱ নাকচ কৰাৰ বাবেই বহু নাৰী এনে ধৰ্ষণৰ নিৰ্যাতনৰ বলি হ'ব লগা হৈছে। এনে আক্ৰমণ প্ৰাক্-সামন্ত যুগত দাস-মালিকসকলে তেওঁলোকৰ দাসীবিলাকৰ ওপৰত কৰা অত্যাচাৰ আক্ৰমণতকৈও জঘন্য আৰু হিংসুক। তাৰোপৰি দাসসকলৰ কোনো মতামতক গুৰুত্ব নিদি দাস-মালিকসকলে যিদৰে সিহঁতক ইচ্ছামতে বেচা-কিনাৰ ব্যৱসায় (দাস-বাণিজ্য) কৰিছিল আৰু যুদ্ধত তেওঁলোকক জয়-পৰাজয়ৰ পাশাগুটি হিচাবে ব্যৱহাৰ কৰিছিল ঠিক সেইদৰে বাংলাদেশৰ নাৰীসকলকো সামন্তীয় চিন্তাৰ দাম্ভিক পুৰুষে আজিও তেওঁলোকৰ মতামতক অগ্ৰাহ্য কৰি বিবাহ পাশত আবদ্ধ কৰাবলৈ বিচাৰিছে। ইয়াৰ ব্যতিক্ৰম ঘটিলেই নাৰীৰ ওপৰত এচিডৰ আক্ৰমণ চলাই তেওঁলোকৰ ভৱিষ্যৎ জীৱন পংগু আৰু অন্ধকাৰ কৰি তোলা হয়। আনকি এনে পাশৱিক আক্ৰমণৰ বলি হৈ বহু নাৰীয়ে মৃত্যুকো সাৱটি লৈছে। এনে ধৰ্ষণৰ ঘটনাত বলি হোৱা নাৰীসকলৰ ভিতৰত দেখা যায় যে সমাজৰ নিম্নশ্ৰেণীৰ মহিলাসকলেই সৰ্বাধিক নিৰ্যাতিতা। দকৈ গমি চালে দেখা যায় যে সেই দেশত নাৰী আজি বন্য জন্তুতকৈও নিকৃষ্ট। কাৰণ বন্য জন্তু নিধন কৰোঁতাজনৰ আইনমতে শাস্তি হয়, কিন্তু এনে অপৰাধীৰ কোনো শাস্তি হোৱা দেখা নাযায়। অৰ্থাৎ প্ৰকৃতিত থকা যিকোনো বন্য প্ৰাণীক ৰক্ষণাবেক্ষণৰ বাবে আজিকালি কঠোৰ আইন তৈয়াৰ কৰা হৈছে। সেইদৰে মহিলাৰ ওপৰত এচিডৰদ্বাৰা চলোৱা আক্ৰমণ ৰোধ কৰিবলৈ সেই দেশত 'এচিড হিংসা নিবাৰক আইন' প্ৰণয়ন কৰিবলগা বিষয়টোৱে স্বাভাৱিকতেই ঘটনাৰ সংখ্যা কিমান ব্যাপক তাৰ নিদৰ্শনকে দাঙি নধৰেনে? এই কথা ক'লে নিশ্চয় ভুল নহ'ব যে বন্যপ্ৰাণী নিধনৰ বিৰুদ্ধে থকা আইন আৰু মহিলাৰ ওপৰত এচিডৰদ্বাৰা চলোৱা আক্ৰমণৰ বিৰুদ্ধে প্ৰণয়ন কৰা আইনৰ মাজত কোনো পাৰ্থক্য নাই — অৰ্থাৎ বন্য প্ৰাণীৰ স্তৰলৈ মহিলাৰ মৰ্যাদাক অৱনমিত কৰা হৈছে।



ইতিমধ্যে বাংলাদেশৰ সংসদত যোৱা ১৩ মাৰ্চত (২০০২ চন) 'এচিড হিংসা নিবাৰক বিধেয়ক' গৃহীত হৈছে আৰু স্বেচ্ছাসেৱী তথা গণতান্ত্ৰিক সংগঠন আৰু ব্যক্তিসকলে অপৰাধীক গোচৰ চলি তথা সময়ত জামিনবিহীন কাৰাদণ্ডৰে শাস্তি বিহাৰ দাবী কৰিছে। তাৰ উপৰি আইনৰ সুৰুঙা আৰু আৰক্ষী প্ৰশাসনৰ দুৰ্নীতিৰ বাবে অপৰাধীয়ে যাতে শাস্তি নোপোৱাকৈ নাথাকে, বৰঞ্চ মৃত্যু সম শাস্তি প্ৰদান কৰা হয় তাৰো দাবী জনাইছে। লগতে এনে গোচৰসমূহ দীঘলীয়া নহৈ যাতে ৯০ দিনৰ ভিতৰত নিষ্পত্তি হয় তাৰ বাবেও আইনী ব্যৱস্থা কটকটীয়া কৰিবলৈ আহ্বান জনোৱা হৈছে। আনহাতেদি এচিডৰদ্বাৰা ভয়াবহ আৰু মৃত্যু ঘটাব পৰা ৰাসায়নিক দ্ৰব্য মুকলি বজাৰত খুচুৰা মূল্যত অনুজ্ঞা পত্ৰবিহীনভাৱে বিক্ৰী কৰাৰো তেওঁলোকে বিৰোধিতা কৰে আৰু এই ক্ষেত্ৰত 'এচিড বিক্ৰী নিষিদ্ধ' কৰাৰ বাবে এখন আইন তৎকালীনভাৱে প্ৰণয়ন কৰিবলৈও সংসদৰ ওচৰত দাবী জনায়। যি সময়ত আজি নাৰী আন্দোলনে অধিকাৰ অৰ্জনৰ দাবীত এক বিশ্বজনীন ৰূপ পাইছে, গতিশীলভাৱে আগবাঢ়ি গৈছে— সেই সময়ত এনে মধ্যযুগীয় বৰ্বৰতা বিৰোধী পশ্চাদপদ সংগ্ৰামত নাৰী সমাজ ব্যস্ত থাকিব লগীয়া হোৱাত উচ্চ পৰ্যায়ৰ দাবীত নাৰী সমাজক সমাবেশিত কৰিব পৰা হোৱা নাই, ফলত এই অৱস্থাই সামগ্ৰিকভাৱে নাৰীমুক্তি আন্দোলনটোকেই বাধাগ্ৰস্ত কৰি তোলে। ইতিমধ্যে বিশ্বত সমাপন হৈ যোৱা ৪ খনকৈ আন্তৰ্জাতিক নাৰী সন্মিলনেও সম্প্ৰতি নাৰীৰ সম-অধিকাৰ, সম-মৰ্যাদা আৰু সিদ্ধান্ত গ্ৰহণ প্ৰক্ৰিয়াত নাৰীৰ অংশগ্ৰহণ বৃদ্ধি কৰিব লাগে বুলি তৃতীয় বিশ্ব তথা পুঁজিবাদী ৰাষ্ট্ৰসমূহতো এই শ্ল'গানেৰে নাৰীমুক্তি আন্দোলন গঢ়ি তোলা হৈছে। নাৰীৰ অধিকাৰক মানৱীয় অধিকাৰ বুলি গণ্য কৰাৰ বাবে ৰাষ্ট্ৰসংঘইও আহ্বান জনাইছে।

ভাৰতবৰ্ষৰ দৰে তৃতীয় বিশ্বৰ দেশতো আজি সংসদ আৰু বিধান সভাত মহিলাৰ বাবে ৩৩ শতাংশ আসন সংৰক্ষণৰ দাবীত তীব্ৰ নাৰী আন্দোলন গঢ়ি উঠাৰ মুহূৰ্তত

প্ৰতি বেশী ৰাষ্ট্ৰ বাংলাদেশত নাৰী আৰু পুৰুষসকলে নাৰীৰ ওপৰত চলা এচিড হিংসাৰ দৰে নগ্ন আক্ৰমণৰ বিৰুদ্ধে সংগ্ৰাম কৰাটো অতিশয় পশ্চাদগামী সংগ্ৰামৰে লক্ষণ। অৱশ্যে আজি তৃতীয় বিশ্বৰ দেশসমূহত নাৰীয়ে উগ্ৰ পিতৃতান্ত্ৰিক মানসিকতা আৰু ভোগসৰ্বস্ব পণ্যবাদী ব্যৱস্থাৰ বিৰুদ্ধে অহৰহ সংগ্ৰাম কৰি আহিছে আৰু অনাগত দিনতো এই সংগ্ৰামৰ তীব্ৰতা বঢ়াব লাগিব। তথাপি এচিড প্ৰয়োগৰ দৰে নৃশংস আক্ৰমণৰ ভয়াবহতাই আজি সেই দেশৰ নাৰীসমাজৰ সামাজিক অস্তিত্বকো শংকিত কৰি তুলিছে। আজিৰ পৰিস্থিতিত বিশ্বায়ন, উদাৰীকৰণে নাৰীসমাজলৈ আমদানি কৰা ভোগ্য পণ্য সংস্কৃতিৰ বিৰুদ্ধেও সংগ্ৰাম কৰিবলগা হৈছে। সেয়ে, আজি বিশ্বৰ নাৰীমুক্তি আন্দোলনৰ সমুখত ভাৰত, বাংলাদেশৰ দৰে পিছপৰা ৰাষ্ট্ৰত সামন্তীয় মূল্যবোধ আৰু মধ্যযুগীয় কলংকসমূহৰ বিৰুদ্ধে নাৰী আন্দোলনক নতুন দিক্- নিৰ্দেশনাৰে আগুৱাই নিয়াটো এক জৰুৰী প্ৰত্যাহ্বান হৈ পৰিছে। ❁❁

(দৈনিক জনমভূমি , তাং ১১/৪/০২)

# আন্তৰ্জাতিক নাৰী দিৱস

যুগ যুগ ধৰি নাৰীৰ ওপৰত বৰ্ত্তি থকা অত্যাচাৰ, নিৰ্যাতন অৱসানৰ বাবে নাৰী সমাজে চলাই অহা সংগ্ৰামৰ আছে এক দীঘলীয়া ইতিহাস। এই সংগ্ৰাম বিশ্বৰ এখন বা দুখন দেশতে আৱদ্ধ থকা নাই। নাৰীৰ ওপৰত নিৰ্যাতন-নিপীড়ন বাহাল থকা প্ৰতিখন দেশতে নাৰী আন্দোলনে মাজে মাজে তীব্ৰ ৰূপ ধাৰণ কৰাৰ অলেখ উদাহৰণ আছে। এনে নাৰী আন্দোলনে বিশ্ব ইতিহাসত গৌৰৱোজ্বল স্থান দখল কৰিবলৈ সক্ষম হয় আৰু সেই প্ৰেৰণাদায়ী ঐতিহ্যই আজিৰ নাৰী সমাজক নাৰীৰ সমতা আৰু সম অধিকাৰৰ সংগ্ৰাম আগবঢ়াই নিয়াৰ বাবে অনুপ্ৰাণিত কৰে।

ঘৰৰ চাৰি বেৰৰ মাজত বন্দী হৈ পৰা নাৰী সমাজ কালক্ৰমত যেতিয়া বহল কৰ্মক্ষেত্ৰ বা শ্ৰম ক্ষেত্ৰলৈ ওলাই আহিল, তেতিয়াই নাৰীৰ ওপৰত চলি অহা অকথ্য বৈষম্য আৰু নিৰ্যাতনৰ বিৰুদ্ধে সংগ্ৰামৰো সূচনা হ'ল। ইতিহাসৰ পাতত তেজাল ৰঙেৰে খোদিত হোৱা নাৰী আন্দোলনৰ ফলতেই অৱশেষত ৮ মাৰ্চৰ দিনটো 'আন্তৰ্জাতিক নাৰী দিৱস' হিচাবে স্বীকৃতি দিবলৈ সমগ্ৰ বিশ্ববাসী বাধ্য হ'ল। আন্তৰ্জাতিক নাৰী দিৱস, আঠ মাৰ্চ বিশ্বৰ নিপীড়িত মেহনতী নাৰী সমাজৰ মুক্তি সংগ্ৰামৰ দিন। এই সংগ্ৰামী দিনটোতে আমেৰিকা, ফ্ৰান্স, জাৰ্মানী আৰু ইংলণ্ডকে ধৰি বিশ্বৰ পুঁজিবাদী ৰাষ্ট্ৰৰ ব্যাপক শ্ৰমিক নাৰী সমাজে শ্ৰমৰ উপযুক্ত মৰ্যাদা আৰু কামৰ সুনিৰ্দিষ্ট সময়ৰ দাবীত পোনপ্ৰথমবাৰৰ বাবে সংগঠিত হয়। অৱশ্যে শ্ৰমিক নাৰী সমাজৰ নিজস্ব দাবীৰ এই সংগ্ৰাম শান্তি, গণতন্ত্ৰ আৰু সমাজতন্ত্ৰ প্ৰতিষ্ঠাৰ বহল সংগ্ৰামৰ লগত চামিল হৈ বিশ্বৰ অন্যান্য নিপীড়িত নাৰী সমাজকো পুৰুষৰ স'তে সমমৰ্যাদা আৰু সমঅধিকাৰ অৰ্জনৰ দাবীত এক বিশ্বজনীন ৰূপ পৰিগ্ৰহ কৰে।

আন্তৰ্জাতিক নাৰী দিৱসৰ ঐতিহাসিক পটভূমি বিশ্লেষণ কৰি চালে দেখা যায় যে ১৮৫৭ চনৰ মাৰ্চ মাহত আমেৰিকাৰ নিউয়ৰ্ক চহৰৰ দৰ্জি মহিলাসকলে শ্ৰমৰ উপযুক্ত মৰ্যাদা অৰ্থাৎ উপযুক্ত মজুৰি আৰু কামৰ নিৰ্দিষ্ট সময় দৈনিক আঠ ঘণ্টালৈ হ্ৰাস কৰাৰ দাবীত আন্তৰ্জাতিক পৰ্যায়ত প্ৰথমবাৰৰ বাবে শোভাযাত্ৰা কাৰ্যসূচীৰে প্ৰতিবাদ সাব্যস্ত কৰে। শ্ৰমিকসকলৰ সংগ্ৰামী সংগঠন ট্ৰেড ইউনিয়নসমূহত ১৮৬৮ চনৰ আগলৈকে নাৰী শ্ৰমিকসকলক অন্তৰ্ভুক্ত কৰা নহৈছিল। নাৰী শ্ৰমিকসকলে ট্ৰেড ইউনিয়নত পুৰুষৰ সমানে অংশগ্ৰহণৰ দাবী তোলে আৰু ১৮৬৮ চনত ট্ৰেড ইউনিয়নৰ সদস্যভুক্তি লাভ কৰে। বিভিন্ন সংগ্ৰামী কাৰ্যসূচীৰ আধাৰত সংগঠিত হোৱা নাৰী শ্ৰমিকসকলৰ প্ৰচেষ্টাই ১৯০৭ চনত প্ৰথম আন্তৰ্জাতিক নাৰী সন্মিলন অনুষ্ঠিত কৰাত অগ্ৰণী ভূমিকা পালন

কৰে। বিশ্বত পুৰুষসকলৰ স'তে একে সময়তে ভোটাধিকাৰ পাবলৈ সক্ষম নোহোৱা নাৰী সমাজে ১৯০৮ চনৰ ৮ মাৰ্চত নিউয়ৰ্কত ভোটাধিকাৰৰ দাবীত প্ৰথম সংগ্ৰামী প্ৰতিবাদ গঢ়ি তোলে। ১৯০৭ চনত অনুষ্ঠিত হোৱা প্ৰথম আন্তৰ্জাতিক সন্মিলনৰ পাছত ১৯১০ চনত ডেনমাৰ্কৰ ৰাজধানী কোপেনহেগেনত দ্বিতীয় আন্তৰ্জাতিক নাৰী সন্মিলন অনুষ্ঠিত হয় আৰু সেই সময়ত জাৰ্মানীৰ সমাজতান্ত্ৰিক আন্দোলনৰ নেত্ৰী ক্লাৰা জেটকিনৰ প্ৰস্তাৱ অনুসৰিয়েই আঠ মাৰ্চ তাৰিখটো আন্তৰ্জাতিক নাৰী দিৱস হিচাপে পালন কৰাৰ সৰ্বসন্মত সিদ্ধান্ত গ্ৰহণ কৰা হয়। এই আন্তৰ্জাতিক নাৰী সন্মিলনত বিশ্বৰ ১৭ খন দেশৰ বিভিন্ন সংগঠনৰ এশৰো অধিক প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰিছিল।

১৯০৯ চনৰ ২৮ ফেব্ৰুৱাৰী তাৰিখে আমেৰিকাৰ চছিয়েলিষ্ট পাৰ্টিৰ ঘোষণা অনুযায়ী সমগ্ৰ আমেৰিকা মহাদেশতে আন্তৰ্জাতিক নাৰী দিৱস পালন কৰা হয়। ১৯১৩ চনলৈকে মহিলাসকলে ফেব্ৰুৱাৰী মাহৰ শেষৰ দেওবাৰটোত নাৰী দিৱস উদযাপন কৰি আহিছিল। আনপিনে অষ্ট্ৰিয়া, ডেনমাৰ্ক, জাৰ্মানী আৰু চুইজাৰলেণ্ডত ১৯১১ চনৰ ১১ মাৰ্চ তাৰিখে আন্তৰ্জাতিক নাৰী দিৱস উদ্‌যাপন কৰা হৈছিল। নাৰী দিৱসৰ এই সমাবেশসমূহ বিশাল আছিল আৰু প্ৰায় এক মিলিয়নবো অধিক নাৰী-পুৰুষে অংশ গ্ৰহণ কৰিছিল। ইয়াৰ এসপ্তাহৰ পিছতে নিউইয়ৰ্কত ২৫ মাৰ্চ তাৰিখে ধৰ্মঘট কৰি থকা অৱস্থাতে ফেক্টৰীত জুই লগাত প্ৰায় ১৪০ গৰাকী কৰ্মৰতা নাৰী জীৱন্তে অগ্নিদগ্ধ হয়। তেওঁলোকৰ সৰহ সংখ্যকেই আছিল ইটালীয়ান আৰু আৰু ইহুদি অনুপ্ৰৱেশকাৰী। এই শোকাবহ মৰ্মন্তুদ ঘটনাটোৱে আমেৰিকাৰ শ্ৰম আইন আৰু কামৰ পৰিৱেশৰ ওপৰত বিশেষ প্ৰভাৱ পেলায়।

প্ৰথম মহাসমৰৰ আৰম্ভণি পৰ্যায়ত শান্তি সংগ্ৰামৰ অংশ হিচাবে ৰাচিয়াৰ মহিলাসকলে ১৯১৩ চনৰ ফেব্ৰুৱাৰী মাহৰ শেষৰ দেওবাৰে আন্তৰ্জাতিক নাৰী দিৱস পালন কৰে। ইউৰোপৰ প্ৰায়বোৰ দেশতে সেই বছৰৰ ৮ মাৰ্চৰ দিনা যুদ্ধ বিৰোধী সহযোগী সংগঠনসমূহক লৈ বিশ্ব সংহতি দিৱস পালন কৰা হয়। ১৯১৪ চনৰ ৮ মাৰ্চ তাৰিখৰ পৰা বিশ্বৰ প্ৰায় আটাইবোৰ দেশতে নাৰী দিৱস ধাৰাবাহিকভাৱে উদ্‌যাপন কৰি অহা হৈছে। ৰাচিয়াত ১৯১৭ চনত ফেব্ৰুৱাৰী মাহৰ শেষৰ দেওবাৰে 'ৰুটি আৰু শান্তি'ৰ দাবীত ধৰ্মঘট পালন কৰে। চাৰিদিনীয়া ধৰ্মঘটৰ অন্তত ৰাচিয়াৰ অত্যাচাৰী জাৰ আৰু অস্থায়ী চৰকাৰক নাৰীৰ ভোটাধিকাৰৰ দাবী মানিল'বলৈ বাধ্য কৰায়।

আন্তৰ্জাতিক নাৰী দিৱসৰ ঐতিহাসিক প্ৰাসংগিকতাৰে নাৰী মুক্তিৰ ধাৰণাটো যদি বিচাৰ-বিশ্লেষণ কৰি চোৱা যায়, তেনেহ'লে দেখা যায় যে অষ্টাদশ শতিকাত ইউৰোপত গঢ়ি উঠা শিল্প বিপ্লৱেই নাৰী মুক্তি সংগ্ৰামৰ বীজ অংকুৰিত কৰে। আদিম সাম্যবাদী সমাজ ব্যৱস্থাত নাৰীৰ শক্তিশালী সামাজিক অৱস্থান আৰু স্বকীয় অৰ্থনৈতিক ভূমিকা আছিল। মহিলা আৰু পুৰুষে খেতি-পথাৰত সমানে কাম কৰিছিল আৰু ঘৰুৱা ক্ষুদ্ৰ উদ্যোগ মহিলাৰ তত্ত্বাৱধানত চলিছিল। তেতিয়া মৰ্যাদা আৰু সম অধিকাৰৰ



বিষয়টোৱে গুৰুত্ব পোৱা নাছিল। কিন্তু অষ্টাদশ শতিকাত যেতিয়া শিল্প বিপ্লৱৰ সূচনা হয় তেতিয়া নাৰীৰ সামাজিক আৰু অৰ্থনৈতিক ভূমিকা অৱনমিত হৈ পৰিল। ১৮-১৯ শতিকাত ইংলণ্ড, ফ্ৰান্সকে ধৰি ইউৰোপ মহাদেশত সংঘটিত হোৱা দ্ৰুত অৰ্থনৈতিক আৰু ঔদ্যোগিক বিকাশ আমেৰিকা যুক্তৰাষ্ট্ৰলৈও সম্প্ৰসাৰিত হ'ল। এই বিকাশৰ ফলত কুটীৰ শিল্পৰ ঠাইত বৃহৎ যন্ত্ৰচালিত উদ্যোগ গঢ়ি উঠিল, নতুন নতুন যন্ত্ৰ আৱিষ্কাৰ হ'বলৈ ধৰিলে। কলম্বাছৰ আমেৰিকা আৱিষ্কাৰে বিভিন্ন ধৰণৰ ভৌগোলিক আৱিষ্কাৰ, সাগৰীয় পথৰ অনুসন্ধান আৰু বৈজ্ঞানিক আৱিষ্কাৰবোৰে যিদৰে মানুহৰ মাজত এক অনুসন্ধিৎসা আৰু যুক্তিবাদী চিন্তাৰ উন্মেষ ঘটাই নৱন্যাস বা নৱজাগৰণৰ জন্ম দিলে ঠিক তেনেকৈ পুঁজিবাদৰ বিকাশে শ্ৰেণী বিভাজন তীব্ৰতৰ কৰি তোলে। ইয়াৰ ফলত সমাজত মহিলা হৈ পৰিল সন্তান জন্ম দিয়া আৰু লালন-পালন কৰাৰ আহিলা মাথোন। আনকি ১৯ শতিকালৈকে ব্ৰিটিছ আইন মতে বিবাহিতা মহিলাৰ সম্পত্তিৰ ওপৰত কোনো অধিকাৰ নাছিল। নিজৰ উপাৰ্জন তথা আয় গণ্য কৰা হৈছিল স্বামীৰ সম্পত্তি হিচাপে। আইনৰ চকুত নাৰীসকল অনভিজ্ঞ অথবা অপৰিপক্ক হিচাবে গণ্য হোৱাৰ ফলত নাৰীয়ে কোনো গুৰুত্বপূৰ্ণ সিদ্ধান্ত ল'ব নোৱাৰিছিল।

ৰাষ্ট্ৰৰ উৎপত্তিৰ ঐতিহাসিক বস্তুবাদী তত্বই নাৰীৰ অৱদমনৰ বাবে প্ৰযুক্তি বিদ্যাৰ বিকাশ আৰু তাৰ ফলত হোৱা উৎপাদনৰ অসম বিতৰণকেই জগৰীয়া কৰে। প্ৰাথমিক পুঁজিবাদে নাৰীক একক পৰিয়ালত বন্দী কৰি এক পণ্য দ্ৰব্যত পৰিণত কৰিলে। ৰাষ্ট্ৰ, শ্ৰেণী আধিপত্যৰ প্ৰধান হাতিয়াৰ হৈ পৰাত নাৰীৰ ওপৰত শোষণৰ বিভিন্ন প্ৰক্ৰিয়াসমূহ আৰম্ভ হ'বলৈ ধৰিলে। কেৱল অৰ্থনৈতিক শোষণৰ বলি হোৱাই নহয়, পিতৃতান্ত্ৰিক মূল্যবোধৰদ্বাৰাও পীড়িত নাৰীসমাজ হৈ পৰিল প্ৰথম সৰ্বহাৰা।

শিল্প বিপ্লৱ বা ইউৰোপত হোৱা নৱজাগৰণে যুক্তিবাদৰ সহায়ত পুৰণি ৰাজনৈতিক আৰু সামাজিক ব্যৱস্থাৰ প্ৰতি অনুসন্ধানমূলক জনসচেতনতা বৃদ্ধি কৰে আৰু সমাজৰ শোষিত শ্ৰেণীয়ে মুক্তি, সমতা আৰু ভ্ৰাতৃত্বৰ ধ্বনি তোলে। শিল্প বিপ্লৱৰ কেন্দ্ৰস্থল ইংলণ্ড আৰু ফ্ৰান্সত সেই সময়ত মুক্তিকামী নাৰী সমাজে সমতাৰ দাবী তোলে। বিশেষকৈ নাৰী মুক্তিৰ ধাৰণাটো প্ৰাথমিক পৰ্যায়ত দাঙি ধৰে ইংৰাজ লেখিকা আৰু নাৰীবাদী চিন্তাৰ বাটকটীয়া মেৰী ৱালষ্টৈনক্ৰাফটে। ১৭৯২ চনত তেওঁ ৰচনা কৰা 'নাৰীৰ অধিকাৰৰ আৱশ্যকীয়তাৰ প্ৰমাণ' (A Vindication of The Rights of Women) নামৰ গুৰুত্বপূৰ্ণ গ্ৰন্থখনত সেই সময়ৰ নাৰীৰ সামাজিক অৱস্থানৰ এক বাস্তৱ ছবি দাঙি ধৰে। সমসাময়িক সমাজত প্ৰচলিত নাৰীৰ দাসত্বৰ বিৰুদ্ধে তীব্ৰ প্ৰতিবাদ কৰাৰ লগতে তেওঁ মানৱীয় মৰ্যাদা প্ৰদানৰ দাবী তোলে।

পুঁজিবাদৰ দ্ৰুত বিকাশ ঘটা সেই দেশসমূহত অধিক উৎপাদন আৰু মালিক পক্ষৰ লাভৰ স্বাৰ্থত শ্ৰমিকৰ শ্ৰম শোষণ কৰা হয়। উদাহৰণ স্বৰূপে মহিলাকেন্দ্ৰিক বস্ত্ৰ উদ্যোগ তথা অন্যান্য উদ্যোগসমূহৰ শ্ৰমিকে দৈনিক ১৪-১৮ ঘণ্টা পৰ্যন্ত কাম কৰাৰ

পাছতো দুৰ্দশাজনকভাৱে জীৱন নিৰ্বাহ কৰিব লগা হয়। পৰৱৰ্তী স্তৰত এই শ্ৰম শোষণ আৰু পিতৃতান্ত্ৰিক মূল্যবোধৰ বিৰুদ্ধে বিশ্বৰ শ্ৰমিক তথা নাৰী শ্ৰমিকসকলে সংগঠিত ৰূপত প্ৰতিবাদ সাব্যস্ত কৰে।

সম্প্ৰতি আন্তৰ্জাতিক নাৰী দিৱসৰ সেই সংগ্ৰামী তাৎপৰ্য বিশ্লেষণ কৰি চালে দেখা যায় যে শ্ৰমিক-নাৰীৰ সংগ্ৰামে আজি বিশ্বৰ খাটি খোৱা নিপীড়িত নাৰী সমাজকো বহল মঞ্চত সমাৱেশিত কৰিছে আৰু নাৰী আন্দোলনটোক এক নতুন মাত্ৰা প্ৰদান কৰিছে। কিন্তু বিভিন্ন ৰাষ্ট্ৰ আৰু ৰাষ্ট্ৰসংঘই নাৰীৰ অধিকাৰসমূহক আইনগতভাৱে মানৱীয় মৰ্যাদা প্ৰদান কৰা, চৰকাৰী উদ্যোগত আন্তৰ্জাতিক নাৰী দিৱস উদ্‌যাপন কৰি অহাৰ পাছতো নাৰীৰ সামাজিক-ৰাজনৈতিক আৰু অৰ্থনৈতিক প্ৰতিচ্ছবিখন অতিশয় পুতৌজনক।

নাৰীৰ সম অধিকাৰৰ ক্ষেত্ৰতো ৰাষ্ট্ৰসংঘই ইয়াৰ জন্মলগ্নৰে (১৯৪৫) পৰা যোৱা ৬০ টা বছৰত বহু প্ৰচেষ্টা হাতত লৈ অহাৰ পাছতো নাৰী-পুৰুষৰ মাজত লিংগজনিত বৈষম্য, শিক্ষা, স্বাস্থ্য, নিয়োগ, নিৰ্যাতন, হত্যা, ৰাজনৈতিক অধিকাৰ আদিৰ ক্ষেত্ৰত বিৰাট ব্যৱধান পৰিলক্ষিত হয়। এই ব্যৱধানবোৰ কমাই নাৰীক পুৰুষৰ স'তে সমতা প্ৰদান কৰাৰ লক্ষ্যত বহু সন্মিলন, মহিলা ট্ৰিবিউন, নাৰী দশক, নাৰীবৰ্ষ, কন্যাবৰ্ষ আদি ঘোষণা কৰা হৈছে যদিও নাৰীসমাজৰ অৱস্থাৰ কোনো পৰিবৰ্ত্তন ঘটা নাই। ১৯৪৫ চনত চানফ্ৰেন্সিচকোত স্বাক্ষৰিত ৰাষ্ট্ৰসংঘৰ চনদেই আছিল লি!-সমতাক মৌলিক মানৱাধিকাৰ হিচাবে স্বীকৃতি প্ৰদান কৰা প্ৰথমখন আন্তৰ্জাতিক চুক্তি। তাৰ পিছত বিভিন্ন দেশত ধাৰাবাহিকভাৱে চলি অহা নাৰী আন্দোলনৰ প্ৰতি সন্মান জনাই ৰাষ্ট্ৰসংঘই কিছুমান পদক্ষেপ ল'বলৈ বাধ্য হৈছে। ১৯৬৭ চনত নাৰী-বৈষম্য নিবাৰণৰ ঘোষণা পত্ৰ সাধাৰণ সভাত গৃহীত হয়। ৰাষ্ট্ৰসংঘই ১৯৭৫ চনটো আন্তৰ্জাতিক নাৰীবৰ্ষ, ১৯৭৫ চনৰ পৰা ১৯৮৫ চনলৈ নাৰী দশক, ১৯৯০ চনটোক কন্যাবৰ্ষ হিচাপে ঘোষণা কৰে। ১৯৯৩ বৰ্ষত ভিয়েনা চহৰত হোৱা আন্তৰ্জাতিক মানৱাধিকাৰ সন্মিলনে নাৰীৰ ওপৰত চলা অত্যাচাৰ আৰু নাৰীৰ মানৱাধিকাৰৰ স্বীকৃতি দিয়ে। সমাজৰ পুৰুষসকল জন্মসূত্ৰেই সমাজৰ সকলোবিলাক অধিকাৰ লৈ জীয়াই থকাৰ অধিকাৰ যিদৰে সুনিশ্চিত নাৰীৰ ক্ষেত্ৰত এই অধিকাৰ মুঠেই প্ৰদান কৰা হোৱা নাই। সেয়ে ৰাষ্ট্ৰসংঘই নাৰী অধিকাৰক মানৱাধিকাৰ বুলি স্বীকৃতি প্ৰদান কৰে। শান্তি, সমতা আৰু বিকাশৰ বাবে মহিলাৰ দশক ঘোষণা কৰা হ'লেও মহিলাৰ ওপৰত বৰ্তি থকা সামন্তীয় মূল্যবোধ, পুঁজিবাদী শোষণে নাৰীক বেছি বেছিকৈ অধিকাৰহীনহে কৰি তুলিলে। ভাৰতবৰ্ষৰ চৰকাৰেও ২০০১ বৰ্ষটো 'নাৰী সবলীকৰণ বৰ্ষ' হিচাপে ঘোষণা কৰিলে যদিও সেই বছৰটোত নাৰী সমাজৰ ওপৰত বিকাশৰ বাবে কোনো উল্লেখযোগ্য পদক্ষেপ লোৱা দেখা নগ'ল, বৰং সবলীকৰণ বৰ্ষত নাৰীৰ ওপৰত নিৰ্যাতন নিপীড়ন বৃদ্ধি পোৱাহে দেখা গ'ল। ক্ৰমবৰ্দ্ধিত যৌতুক, ৰাষ্ট্ৰ সন্ত্ৰাস, ধৰ্ষণ আদি ঘটনাই নাৰীৰ অধিকাৰহীনতা তথা নিৰাপত্তহীনতাৰ প্ৰকৃত ছবিখন উন্মোচিত কৰিলে।



১৯৭৫ চনত মেক্সিকো চহৰত প্ৰথম আন্তৰ্জাতিক নাৰী সন্মিলন, ১৯৮০ চনত ডেনমাৰ্কৰ কোপেন হেগেনত দ্বিতীয় বিশ্ব নাৰী সন্মিলন, ১৯৮৫ চনত আফ্ৰিকাৰ নাইৰোবি আৰু ১৯৯৫ চনত চীন দেশৰ বেইজিঙত চতুৰ্থ বিশ্ব নাৰী সন্মিলন অনুষ্ঠিত হোৱাৰ পাছতো আজি নাৰীয়ে সমতা, বিকাশ আৰু শান্তিৰ পথত আগুৱাই যাব পৰা নাই। উদাহৰণস্বৰূপে ১৯৫১ চনত প্ৰতি ১০০০ জন পুৰুষৰ বিপৰীতে ৯৪৬ গৰাকী মহিলাৰ ঠাইত ২০০১ চনত মহিলাৰ সংখ্যা কমি গৈ ৯৩৩ গৰাকী হৈছেগৈ। গতিকে ১০০ কোটিৰো অধিক জনসংখ্যাৰ ভাৰতবৰ্ষত পুৰুষৰ তুলনাত নাৰী সংখ্যা কিমান কম সেয়া সহজেই অনুমেয়। ঠিক তেনেকৈ মৃত্যু হোৱা শিশুৰ হাৰো ৫৩ (ল) ঃ ৬০ (ছো)। গৰ্ভৱতী মহিলাৰ মৃত্যুৰ হাৰ প্ৰতি ১০,০০০ গৰাকীত ৪৫৩ আৰু অসমৰ ক্ষেত্ৰত ৫৪৪ গৰাকীলৈ বৃদ্ধি পায়। উপযুক্ত চিকিৎসাৰ অভাৱেই এই ক্ষেত্ৰত প্ৰধানকৈ জগৰীয়া। কাৰণ গাঁৱত বাস কৰা দৰিদ্ৰ পৰিয়ালৰ লোকে ব্যয়বহুল উন্নত চিকিৎসা গ্ৰহণ কৰিব কেনেকৈ?

আন এক সমীক্ষাত দেখা যায় ভাৰতবৰ্ষত সম্প্ৰতি ৪০ শতাংশ মহিলা, বাংলাদেশত ৪৭ শতাংশ আৰু ইজিপ্তত ৩৫ শতাংশ মহিলা স্বামীৰদ্বাৰা নিৰ্যাতিতা হয়। তাৰ উপৰি বিশ্বৰ প্ৰতি তিনি গৰাকী নিৰ্যাতিতা মহিলাৰ ভিতৰত এগৰাকী নিৰ্যাতিতা হয় স্বামীৰদ্বাৰা। তাৰ বাদেও কন্যা ভ্ৰূণ হত্যা কমক চাৰি বাঢ়িছেহে। ১৯৭২-৮০ ৰ ভিতৰত ৭৮,০০০; ১৯৮৫ ত ৪৫,০০০ কন্যা ভ্ৰূণ হত্যা কৰা হয়। ১৯৯৩ চনত ভাৰতৰ ২৫ খন ৰাজ্য আৰু সাতখন কেন্দ্ৰীয়শাসিত অঞ্চলত নাৰীৰ বিৰুদ্ধে সংঘটিত অপৰাধৰ মুঠ সংখ্যা আছিল ৮৩,৯৫৪ টা। ইয়াৰ ভিতৰত ১৪৯১ টা অপৰাধ অসমতে সংঘটিত হৈছিল। ৫০৮ টা ধৰ্ষণ, ৬০৪ টা অপহৰণ, ১৯টা যৌতুকজনিত মৃত্যু, ২০৯ টা নিৰ্যাতন, ১৪৬ টা শালীনতা হানিৰ ঘটনা। ১৯৯৪ চনত ভাৰতৰ ৯০,৮৪৩ টাৰ বিপৰীতে অসমত ১৫৪৪ টা, ১৯৯৫ত ৯৭,২৬৭ টাৰ বিপৰীতে ২৮২৩ টা অসমত, ১৯৯৬ত ১,০৪,৬৮২টাৰ বিপৰীতে ২৭২২ টা অসমত, ১৯৯৭ত ১,১০,১০৪ টাৰ বিপৰীতে ৩৩৪৭ টা অসমত, ১৯৯৯ত অসমত ৩২৯৮ টা গোচৰ পঞ্জীভুক্ত হয়। ইয়াৰ বাদেও পঞ্জীভুক্ত নোহোৱা ঘটনাবোৰতো আছেই।

এনে এক প্ৰতিচ্ছবি লৈয়েই নাৰী সমাজে প্ৰৱেশ কৰিছে একবিংশ শতিকাত। মহিলাৰ সমস্যাৰ বুজ লোৱাৰ বাবে ১৯৯০ চনত ৰাষ্ট্ৰীয় মহিলা আয়োগৰ আৰ্হিত ৰাজ্যই ৰাজ্যই মহিলা আয়োগ গঠন কৰা হৈছে যদিও সেই আয়োগ মহিলাৰ ওপৰত চলা নিৰ্যাতন সম্পৰ্কত নিমাত। চাহ বাগিচাৰ শ্ৰমজীৱি মহিলাৰ পৰা গ্ৰামীণ কৃষিজীৱি মহিলালৈকে সকলোৱেই আজি নিৰ্যাতিতা। বিশেষকৈ ১৯৯১ চনত ভাৰতবৰ্ষত প্ৰয়োগ কৰা নতুন অৰ্থনৈতিক নীতি আৰু শিল্প-নীতিৰ আধাৰত দেশৰ ৰাজহুৱা খণ্ডৰ উদ্যোগসমূহৰ ব্যক্তিগতকৰণ আৰু মাৰ্কিন সাম্ৰাজ্যবাদৰ নিৰ্দেশত উঠা বহা কৰা কংগ্ৰেছ

আৰু বি জে পি চৰকাৰে অৰ্থনীতিৰ উদাৰীকৰণ, ব্যক্তিগতকৰণ আৰু বিশ্বায়নৰ নীতিৰে দেশী-বিদেশী কোম্পানীৰ বাবে উদ্যোগ-প্ৰতিষ্ঠান আৰু বজাৰ মুকলি কৰি দিছে। ফলত নিবনুৱা সংখ্যা বাঢ়িছে। তাৰ ভিতৰত মহিলাৰ সংখ্যা বেছি।

নাৰীৰ ওপৰত চলি থকা অত্যাচাৰ নিৰ্যাতনে নতুন ৰূপ পৰিগ্ৰহ কৰিছে। বিশ্বায়নৰ যুগত নাৰীক পণ্যত পৰিণত কৰা হৈছে বজাৰৰ স্বাৰ্থত। যিখন সমাজক বজাৰৰ উপাদানসমূহে নিয়ন্ত্ৰণ কৰে, য'ত পুঁজিৰ একাধিপত্য চলে, তাত প্ৰকৃত মানৱীয় সম্পৰ্কসমূহৰ বিকাশ ঘটিব নোৱাৰে। মানৱীয় সম্পৰ্কই সমাজ নিয়ন্ত্ৰণকাৰী শক্তিত পৰিণত নোহোৱা পৰ্যন্ত পুৰুষ নাৰীৰ মাজৰ প্ৰভেদ তথা বৈষম্য অনিবাৰ্য। সেয়ে এই কথা স্পষ্ট যে নাৰী-পুৰুষৰ সম অধিকাৰ নিশ্চিত নোহোৱা পৰ্যন্ত, নাৰীৰ ওপৰত চলি থকা বৈষম্য আৰু অত্যাচাৰৰ অৱসান নোহোৱালৈকে নাৰী আন্দোলনক আগুৱাই নিয়াৰ জৰুৰী প্ৰয়োজনীয়তা থাকিবই আৰু ৮ মাৰ্চৰ সংগ্ৰামী ঐতিহ্য সংগ্ৰামৰতা নাৰীসকলৰ বাবে প্ৰেৰণাৰ উৎস হৈ থাকিব অম্লান, অক্ষয় ৰূপত।

❀❀❀

# নাৰীৰ ঐতিহাসিক ভোটাধিকাৰ আন্দোলন

আমেৰিকাত এবাৰ এগৰাকী মহিলাক গ্ৰেপ্তাৰ কৰি তেওঁৰ পৰা ১০০ ডলাৰ জৰিমনা আদায় কৰা হৈছিল। তেওঁৰ একমাত্ৰ অপৰাধ আছিল ১৮৭২ চনত অনুষ্ঠিত নিৰ্বাচনত চৈধ্য গৰাকী সতীৰ্থক লগত লৈ তেওঁ ভোটদান কৰিছিল। এই গৰাকী সংগ্ৰামী নাৰীৰ নাম আছিল সুসান বি এণ্টনি (Susan B. Antony)। তেওঁৰ বিৰুদ্ধে হোৱা বিচাৰত নাৰীক ভোটাধিকাৰৰ পৰা বঞ্চনা কৰি অহা অন্যায়ৰ বিৰুদ্ধে তীক্ষ্ণ আৰু আলোড়নকাৰী বক্তব্য আগবঢ়াইছিল আৰু পুৰুষতান্ত্ৰিক আইন-কানুন তথা ৰীতি-নীতিৰ বিৰুদ্ধে প্ৰতিৰোধ গঢ়ি তুলিবলৈ সমগ্ৰ সমাজৰ প্ৰতি আহ্বান জনাইছিল। সেই বক্তব্য সামৰণি মাৰিছিল এই শ্লগানেৰে –"Resistance to Tyranny is Obidence to God"।

নাৰীৰ ভোটাধিকাৰ আন্দোলনৰ সুদীৰ্ঘ ইতিহাস আছে। অষ্টাদশ শতিকাৰ ত্ৰিশৰ দশকতেই কিছু অগ্ৰণী নাৰীয়ে ৰাজনৈতিক অধিকাৰৰ দাবী তোলে। 'বন্ধু সভা'ৰ সদস্যা (Quakeress) লুক্ৰেশিয়া ম'টে আমেৰিকাত নাৰীবাদী সংঘ প্ৰতিষ্ঠা কৰিছিল আৰু ১৮৪০ চনৰ এখন অভিবৰ্তনত নাৰীৰ ভোটাধিকাৰৰ পক্ষত ৰাজহুৱাভাৱে আবেদন জনোৱা হৈছিল; ঘোষণা পত্ৰত কোৱা হৈছিল- "We hold these truths to be self-evident : that all men and women are created equal....."। আমেৰিকান সংবিধানৰ ১৫ তম সংশোধনীৰ জৰিয়তে কৃষ্ণাং পুৰুষসকলক ভোটাধিকাৰ প্ৰদান কৰাৰ পিছত নাৰীৰ ভোটাধিকাৰ আন্দোলন অধিক শক্তিশালী হৈ উঠে। ১৮৬৯ চনত ভোটাধিকাৰ আন্দোলনৰ প্ৰবক্তাসকলে "National Women Suffrage Association আৰু 'American Women Suffrage Association' নামেৰে দুটি সংগঠন গঢ়ি তোলে।

ঊনবিংশ শতিকাৰ আগভাগতে ফ্ৰান্স, জাৰ্মানী আৰু ইংলণ্ডত হোৱা সংস্কাৰবাদী আন্দোলনে পুৰুষৰ লগতে নাৰীকো যুক্তিবাদী কৰি তোলে। নাৰীয়ে সমাজত নিজৰ স্থান আৰু অধিকাৰ সম্পৰ্কে চিন্তা কৰিবলৈ সুবিধা পায়। ঐতিহাসিক ভোটাধিকাৰ আন্দোলনৰ জন্মও নাৰী পুৰুষৰ সমতাৰ ধাৰণাৰেই। সেই সময়ত মহিলাৰ অধিকাৰ সংগ্ৰামৰ মূল দাবী আছিল– ভোটাধিকাৰ। ভোটাধিকাৰ আন্দোলনৰ নেত্ৰীসকলে বিশ্বাস কৰিছিল যে ভোটাধিকাৰ পালে তেওঁলোকে অন্যান্য অধিকাৰসমূহ লাভ কৰিবলৈ সক্ষম হ'ব। কিন্তু বহুত পুৰুষেই মহিলাসকলৰ ভোটাধিকাৰ আন্দোলনৰ বিৰোধিতা

কৰি কৈছিল যে মহিলাসকল পুৰুষতকৈ কম জ্ঞানী আৰু কম বুদ্ধিমত্তাৰ। সেয়ে তেওঁলোক ৰাজনৈতিক সিদ্ধান্ত গ্ৰহণৰ প্ৰক্ৰিয়াত মত দান কৰিবলৈ উপযুক্ত নহয়। তিৰোতাসকলৰ তুলনাত তেওঁলোকৰ স্বামীসকলেহে তিৰোতাসকলক ভালভাৱে প্ৰতিনিধিত্ব কৰিব পাৰে। কিছুমানে আকৌ শংকা প্ৰকাশ কৰিছিল যে ৰাজনীতি নাৰীৰ অংশগ্ৰহণে পৰিয়াল জীৱনৰ যৱনিকা পেলাব।

বিশ্বৰ বিভিন্ন ৰাষ্ট্ৰত নাৰীয়ে বিভিন্ন ঐতিহাসিক সংগ্ৰামত অংশ গ্ৰহণ কৰাৰ মাজেদিয়েই আজিৰ অৱস্থাত উপনীত হৈছেহি। সমাজ বিকাশৰ এটা স্তৰত নাৰীয়ে সমস্ত অধিকাৰ হেৰুৱাই সমাজত হৈ পৰে দ্বিতীয় শ্ৰেণীৰ নাগৰিক। পুঁজি গঠনৰ লগে লগে বিকাশ ঘটা সমাজৰ আন এক স্তৰত নাৰীয়ে হৃত অধিকাৰসমূহ ঘূৰাই অনাৰ বাবে দীঘলীয়া সংগ্ৰামত অৱতীৰ্ণ হোৱাৰ সুযোগ আহে। এনে এক সংগ্ৰাম হ'ল নাৰীৰ ঐতিহাসিক ভোটাধিকাৰ আন্দোলন। ১৮৬০ ৰ দশকত বৃটেইনত নাৰীৰ ভোটাধিকাৰ আন্দোলনৰ সূত্ৰপাত হয়। ভোটাধিকাৰ আন্দোলনত অংশগ্ৰহণকাৰী নাৰীৰ সামাজিক আৰু ৰাজনৈতিক ইউনিয়নসমূহ ১৯০৩ চনত পাংখুৰচত্ পৰিয়ালত প্ৰতিষ্ঠা কৰা হয়। সেই সময়ত বিশ্বৰ অন্যান্য দেশত বিশেষকৈ অষ্ট্ৰেলিয়া, নিউজিলেণ্ড আদিত নাৰীয়ে ভোটাধিকাৰ লাভ কৰে। নিউজিলেণ্ড বিশ্বত প্ৰথম দেশ যি দেশত নাৰীয়ে ১৮৯৩ চনত সাৰ্বজনীন ভোটাধিকাৰ লাভ কৰিবলৈ সক্ষম হয় আৰু অষ্ট্ৰেলিয়াত ১৯০২ চনত ভোটাধিকাৰ প্ৰদান কৰা হয়। কিন্তু আমেৰিকা আৰু ইংলণ্ডত এই অধিকাৰ অৰ্জনৰ বাবে নাৰীসকলে দীঘলীয়া সংগ্ৰাম কৰিব লগা হৈছিল।

কুৰি শতিকাৰ আৰম্ভণিতে বৃটেইনত গঢ়ি উঠা ভোটাধিকাৰ আন্দোলনে ১৯০৫ চনৰ পৰা ১৯১৪ চনৰ ভিতৰত এক জংগী ৰূপ পায়। এই আন্দোলনে ইমানেই জংগী ৰূপ ধাৰণ কৰে যে বিভিন্ন সভা সমিতিত হুলস্থূলৰ সৃষ্টি কৰি বৃটেইনৰ চৌদিশে বিয়পি পৰে। এটা সময়ত প্ৰধান মন্ত্ৰীৰ চৰকাৰী বাসভৱন আন্দোলনকাৰীসকলে বোমা দি ধ্বংস কৰে। ইয়াৰ ফলত ভোটাধিকাৰ আন্দোলনত অংশগ্ৰহণকাৰী বহু নাৰীয়ে হলৰে জেলত কাৰাবন্দী হৈ দিন কটাব লগা হয়। কাৰাবন্দী হৈ থকা সময়তো আন্দোলনকাৰীসকলে অনশন ধৰ্মঘট পালন কৰি তেওঁলোকৰ প্ৰতিবাদ অব্যাহত ৰাখে। যেতিয়া কাৰাবন্দীসকলৰ মুক্তিৰ বাবে ৰাজহুৱা প্ৰতিবাদ গঢ়ি উঠে তেতিয়া বৃটেইনৰ লিবাৰেল চৰকাৰে 'কেট আৰু মাউচ এক্ট' প্ৰণয়ন কৰি অনশনকাৰীসকলক সাময়িকভাৱে মুক্তি দিয়ে। এই আইন মতে পৰৱৰ্তী সময়ত পুনৰ গ্ৰেপ্তাৰ কৰা হ'ব বুলি দিয়া চৰ্ত্তত আন্দোলনকাৰীসকলক মুক্তি দিয়া হয়। ১৯১৩ চনত গৃহীত কৰা এই আইনক চৰকাৰীভাৱে কাৰাবন্দীসকলৰ সাময়িক মুক্তি সম্পৰ্কীয় তৃতীয় স্বাস্থ্য আইন বুলি জনা যায়। সমাজৰ মধ্যবিত্ত নাৰীয়ে গঢ়ি তোলা এই আন্দোলনৰ জংগীপনাৰ ওচৰত সেও মানি চৰকাৰে তেওঁলোকৰ দাবীসমূহ মানি ল'বলৈ বাধ্য হয়। ভোটাধিকাৰ আন্দোলনক নেতৃত্ব দিয়া এই শ্ৰেণীৰ মহিলাসকলে ঊনৈশ ... সমঅধিকাৰৰ



দাবী উত্থাপন কৰিছিল। এই দাবীভিত্তিক আন্দোলনৰ ফলশ্ৰুতিতেই ১৮৪৮ চনত লণ্ডন বিশ্ববিদ্যালয়ত নাৰীৰ প্ৰৱেশ ঘটে আৰু ১৮৭০ চনত মেডিকেল স্কুলত নাৰীয়ে নাম ভৰ্ত্তি কৰাৰ সুযোগ পায়। অৰ্থাৎ ইয়াৰ আগলৈকে উচ্চশিক্ষা আৰু চিকিৎসা সেৱাত নাৰীৰ প্ৰৱেশ নিষিদ্ধ আছিল। এনে বৈষম্য আমাৰ লিঙ্গভিত্তিক সমাজৰ পৰিণতি। সেইদৰে ১৮৮২ চনত বিবাহিতা মহিলাৰ সম্পত্তিৰ আইনে মহিলাক নিজা সম্পত্তি আৰু পৰিচালনাৰ অধিকাৰ প্ৰদান কৰে। অৰ্থাৎ ইয়াৰ আগলৈকে আইনৰ দৃষ্টিত নাৰীক যোগ্য বুলি গণ্য কৰা নহৈছিল। নাৰী নিজেই আছিল ঘৰুৱা সম্পত্তিৰ এক অংশবিশেষ। নাৰীক সম্পত্তি হস্তান্তৰৰ এক চুক্তি হিচাবে ধৰা হৈছিল। এই চুক্তিৰ স্বাক্ষৰকাৰী আছিল ক্ৰমে কন্যাৰ পিতৃ আৰু স্বামী। ১৮৯৪ চনত স্থানীয় পেৰিচ কাউঞ্চিলত এনেদৰে সম্পত্তিৰ অধিকাৰ থকা মহিলাক স্থানীয় চৰকাৰী আইনে ভোটদানৰ বাবে অনুমতি দিয়ে। ১৮৯৭ চনত বৃটেইনত ভোটাধিকাৰ দাবীসমূহক লৈ শ্ৰীমতী ফাউচেটৰ নেতৃত্বত নাৰীৰ ভোটাধিকাৰ দাবী সমিতিসমূহৰ এক জাতীয় ইউনিয়ন গঢ়ি উঠে।

ঐতিহাসিক ভোটাধিকাৰ আন্দোলনে শ্ৰমিক শ্ৰেণী মহিলাৰ পৰা যথেষ্ট সহাঁৰি আৰু সমৰ্থন আদায় কৰিবলৈ সক্ষম হৈছিল। তথাপি বিংশ শতিকাৰ ভোটাধিকাৰ আন্দোলনক ৰাজনীতিত নাৰীৰ অংশ গ্ৰহণৰ আৰম্ভণি বুলি ক'ব নোৱাৰি। ইয়াৰ আগতে সোতৰ শতিকাতে গঢ়ি উঠা ইংলণ্ড আৰু ফ্ৰান্সৰ বিপ্লৱে নাৰীৰ সমৰ্থন আদায় কৰিব পৰাটো নিঃসন্দেহে এক সংগ্ৰামী উত্তৰণ। ইংলণ্ডৰ শিল্প বিপ্লৱ আৰু ফ্ৰান্সৰ ফৰাচী বিপ্লৱত নাৰীৰ মাথোন সমৰ্থনেই আছিল এনে নহয় - সক্ৰিয় অংশগ্ৰহণো আছিল। ফৰাচী বিপ্লৱত Third Estate পুৰণি সামন্ততান্ত্ৰিক ব্যৱস্থাৰ বিৰুদ্ধে পৰিচালিত হৈছিল। এই পুৰণি সামন্ততন্ত্ৰত আছিল দুটা শ্ৰেণী - এটা হ'ল সম্পত্তিবান তথা পুঁজিপতি আৰু আনটো হ'ল নিজা সম্পত্তি নথকা আৰ্টিজান। এই দুটা শ্ৰেণীৰ স্বাৰ্থ বেলেগ বেলেগ হ'লেও সামগ্ৰিকভাৱে বিপ্লৱৰ দাবীবোৰ তেওঁলোকে সমৰ্থন কৰিছিল। নিজা সম্পত্তি থকা সকলে ৰাজনৈতিক ক্ষমতাৰ বাবে দাবী জনোৱাৰ উপৰিও অভিজাত আৰু খ্ৰীষ্টিয়ান পুৰোহিতসকলৰ ক্ষমতা খৰ্ব কৰাৰ জৰিয়তে অৰ্থনীতিৰ উদাৰীকৰণ, ব্যৱসায়ী গোষ্ঠীৰ অপসাৰণৰ যোগেদি আমদানি আৰু মুক্ত বজাৰত এক উমৈহতীয়া ব্যৱস্থা গঢ়ি তোলা, মৌলিক অধিকাৰৰ বাবে গঢ়ি তোলা সংগ্ৰামক অধিক বিপ্লৱী ৰূপ দিয়া হয়। ফৰাচী বিপ্লৱত বুৰ্জোৱা আৰু সৰ্বহাৰা দুয়োটা শ্ৰেণীৰ নাৰীয়ে আপোচহীন দৃঢ় সংগ্ৰামী ভূমিকা গ্ৰহণ কৰিছিল যদিও উভয় শ্ৰেণীৰ মহিলাই নিজৰ স্বাৰ্থত দাবী উত্থাপন কৰিছিল। বুৰ্জোৱা নাৰীসকলে শিক্ষা, ৰাজনীতিত সমঅধিকাৰৰ বাবে, বিভিন্ন বৃত্তিত নিয়োগৰ জৰিয়তে নাৰীৰ সামাজিক অৱস্থাৰ উত্তৰণ আৰু স্বাৱলম্বনৰ দাবী জনাইছিল। সামান্য সম্পত্তি থকা বা নথকা সৰ্বহাৰাসকলৰ সৈতে Fourth Estate এই শ্ৰেণীৰ দাবীও সমপৰ্যায়ৰ আছিল।

ফৰাচী বিপ্লৱত গঢ়ি উঠা আধুনিক চিন্তাৰ নাৰী আন্দোলনে মহিলাক বিভিন্ন

সভা-সমিতি, আলোচনা চক্র আদিত অংশগ্ৰহণ কৰাৰ সুবিধা প্ৰদান কৰাৰ উপৰিও আন্দোলনকাৰী মহিলাসকল বিপ্লৱৰ সন্মুখ শাৰীত আছিল। আৰ্টিজানসকলৰদ্বাৰা নেতৃত্ববহনকাৰী মহিলা ৰোজ লেকুম্বে পেৰিচৰ ভাৰ্চেলাইচত থকা ৰজাৰ ওচৰলৈকে খাদ্যৰ দাবী কৰি আগুৱাই গৈছিল। ফ্ৰান্সত গঢ়ি উঠা ফৰাচী বিপ্লৱৰ সবাতোকৈ বিপ্লৱী জেকোবিয়ান ক্লাৱত ১৮৯৩ চনত ৰোজে যোগদান কৰে। তেওঁ বিপ্লৱী মহিলা ক্লাৱৰো সহযোগী প্ৰতিষ্ঠাপক আছিল। এই ক্লাৱে শ্ৰমজীৱী মহিলাসকলৰ স্বাৰ্থৰ প্ৰতিনিধিত্ব কৰিছিল। তেওঁ সামাজিকভাৱে শ্ৰমিক শ্ৰেণীৰ পৰা পৃথকে মহিলাৰ বাবে বিশেষ কোনো অধিকাৰ দাবী কৰা নাছিল। এনে কামৰ বাবে ৰোজৰ দৰে মহিলাক সেই সময়ত জাতীয় বীৰা না হিচাপে জনগণে উৰ্দ্ধত তুলি ধৰিছিল যদিও ৰজাঘৰীয়া প্ৰচাৰ মাধ্যম আৰু বুৰ্জোৱাসকলে তেওঁক হাঁহিৰ খোৰাক হিচাপেহে গ্ৰহণ কৰিছিল। তেওঁ পুৰুষ আৰু মহিলাৰ বাবে ৰাজনৈতিক, আইনী আৰু অৰ্থনৈতিক সমতাৰ দাবী জনাই মহিলা আৰু মহিলা নাগৰিকৰ এক ঘোষণা পত্ৰ তুলি ধৰিছিল। কিন্তু ফৰাচী বিপ্লৱে পুৰুষৰ বাবে অধিকাৰ ঘোষণা কৰে আৰু মহিলাসকলক এই অধিকাৰৰ পৰা বঞ্চিত কৰে। ফ্ৰান্সৰ বুৰ্জোৱা মহিলা সংগঠনৰ এগৰাকী অন্যতম নেত্ৰী অলিম্প দ্যা গোগে নাৰীৰ অধিকাৰৰ দাবী তুলিছিল। তেওঁ প্ৰশ্ন কৰিছিল যে ফৰাচী বিপ্লৱে যদি পুৰুষক সম্পত্তিৰ অধিকাৰ প্ৰদান কৰিব পাৰে তেনেহ'লে মহিলাক এই অধিকাৰ প্ৰদান কৰিব নোৱাৰাৰ কোনো যুক্তি নাই। পুৰুষ আৰু নাৰীৰ মাজত থকা সম্পত্তিৰ অসমবিতৰণ ব্যৱস্থা বাতিল কৰাৰ দাবীত তেওঁ ফ্ৰান্সৰ ৰাণীৰ ওচৰত আবেদন জনাইছিল। কিন্তু তেওঁক ১৭৯৩ চনত প্ৰাণদণ্ডৰে দণ্ডিত কৰা হয়। ১৭৯৪ চনত বিপ্লৱী অংশৰ পৰাজয়ৰ পাছত ফ্ৰান্সত মহিলাৰ আশা-আকাংক্ষা সাময়িকভাৱে বিধ্বস্ত হয়। ইতিমধ্যে চৰকাৰেও এখন কঠোৰ আইন গৃহীত কৰি মহিলাৰ প্ৰধান ভূমিকা ঘৰ আৰু সন্তান লালন-পালনৰ মাজতে সীমাবদ্ধ কৰি মহিলাক বন্ধ ঘৰৰ ভিতৰলৈ ঠেলি পঠিয়ায়।

নাৰী আন্দোলনে সমাজ পৰিবৰ্তনৰ আন্দোলনৰ বিভিন্ন উত্থানপতনসমূহো প্ৰতিফলিত কৰে। এনে এটা সময় আছিল যি সময়ত মহিলাৰ অধিকাৰৰ বিষয়টোৱে প্ৰাধান্য পায়। ১৮৪৮ চনত ইউৰোপ মহাদেশত হোৱা বিপ্লৱতো নাৰীসকলে এক গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছিল। ফৰাচী বিপ্লৱত অংশগ্ৰহণকাৰী বুৰ্জোৱা মহিলা সংগঠনৰ নেত্ৰী অলিম্প দ্যা গাগে ফ্ৰান্সৰ ৰাণীৰ ওচৰত পুৰুষ-মহিলাৰ মাজত থকা সম্পত্তিৰ অসমবিতৰণ ব্যৱস্থা বিলুপ্তিৰ বাবে দাবী জনাই আবেদন কৰিছিল। ১৮৪৮ চনত জাৰ্মানীৰ নাৰী আন্দোলনৰ এগৰাকী প্ৰতিষ্ঠাপক নেত্ৰী লুইচ অটোপিটাৰ্চৰ নেতৃত্বত মহিলাসকলে মূলতঃ ৰাজনৈতিক স্বাধীনতা, শিক্ষা, কাম, অৰ্থনৈতিক স্বাধীনতাৰ উপৰিও ভোটাধিকাৰৰ বাবে দাবী জনাইছিল। পিটাৰ্চে কৈছিল যে "যেতিয়া সময় আহিল তেতিয়া মহিলাৰ প্ৰতিবাদী কণ্ঠ ধ্বনিত হ'ল। আমাৰ সময়ত ই এক সংগ্ৰাম আছিল, যি সংগ্ৰাম আমি



আগতে প্ৰত্যক্ষ কৰা নাছিলো।" জাৰ্মান বিপ্লৱৰ পৰাজয়ৰ পাছত জাৰ্মানীৰ মহিলাসকল ৰাজনীতিৰ পৰা পিছুৱাই গৈছিল, বাতৰিকাকতসমূহ চেষ্টা কৰি সমাজকো নিষিদ্ধ ঘোষণা কৰিছিল, বুৰ্জোৱা মহিলাসকলে গঢ়ি তোলা এই আন্দোলনত শ্ৰমিক শ্ৰেণীৰ মহিলাসকলেও অংশগ্ৰহণ কৰিছিল। ১৮৭১ চনত পেৰিচ কমিউন গঠনৰ সময়ত মহিলাসকলে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছিল। মাৰ্ক্স আৰু এংগেলছে পেৰিচ কমিউনক "সৰ্বহাৰাৰ একনায়কত্ববাদ" বুলি অভিহিত কৰে। নাৰীৰ বাবে ৰাজনৈতিক সমঅধিকাৰৰ উত্তৰণ ঘটাৰ উপৰিও পেৰিচ কমিউন ধ্বংসৰ পাচতো ফৰাচী সৈন্যই নিৰ্মম আক্ৰমণ চলাই ৩৬,০০০ পুৰুষ আৰু নাৰীক নৃশংসভাৱে হত্যা কৰে। বৃটেইনতো ঊনৈশ শতিকাৰ আৰম্ভণিতে ৰাজনৈতিক সংস্কাৰ আৰু অন্যান্য শ্ৰমিক শ্ৰেণীৰ সংগঠনত নাৰী সমাজ জড়িত হৈ পৰে।

ইউৰোপত গঢ়ি উঠা বিপ্লৱী সংগ্ৰামে ঊনৈশ শতিকাৰ বিপ্লৱীসকলক অনুপ্ৰাণিত কৰে। সেই সময়ত লণ্ডনৰ বিভিন্ন সংগঠনৰ প্ৰধান লক্ষ্য আছিল ৰাজনৈতিক সংস্কাৰ সাধন। ফৰাচী বিপ্লৱৰ দৰে এই বিপ্লৱেও সমাজৰ পুৰণি দুৰ্নীতিগ্ৰস্ত আৰু ভগ্নপ্ৰায় ব্যৱস্থাবোৰৰ বিৰুদ্ধে জনগণৰ বিক্ষোভক প্ৰতিনিধিত্ব কৰিছিল। এনে দাবীৰ ভিতৰত থকা প্ৰধান দাবী হ'ল ভোটাধিকাৰৰ সম্প্ৰসাৰণ ঘটোৱা। ১৮৩২ চনৰ সংস্কাৰ আইনৰ সময়ত সংসদ থকা সত্বেও বৃটেইনৰ জনসংখ্যাৰ এমুঠিমান লোকেহে ভোটদানৰ অধিকাৰ লাভ কৰে। সেইবাবে বৃটেইনৰ বিপ্লৱী আৰু পৰৱৰ্তী নাৰী আন্দোলন ভোটাধিকাৰ সম্প্ৰসাৰণৰ উল্লেখযোগ্য ভূমিকা গ্ৰহণকাৰী আন্দোলনৰূপে পৰিগণিত হয়। ঊনৈশ শতিকাৰ আৰম্ভণিৰ বছৰকেইটাত ৰাজনৈতিক সংস্কাৰ সংগঠনে মহিলা সংস্কাৰ সমিতিৰ সহযোগত সাৰ্বজনীন ভোটাধিকাৰ আন্দোলন আৰম্ভ কৰে। ১৮৬৮ চনত ইংলণ্ডৰ জন ষ্টুৱাৰ্ট মিল নামৰ প্ৰথম পুৰুষসাংসদজনে বৃটেইনৰ সংসদত নাৰীৰ ভোটাধিকাৰৰ দাবী তোলে। আনকি যি সময়ত মহিলাৰ ভোটাধিকাৰ দাবীটো উত্থাপন কৰা নহৈছিল তেতিয়াও তেওঁলোকে মুখামুখি হোৱা জ্বলন্ত সমস্যাসমূহৰ বিৰুদ্ধে গঢ়ি তোলা প্ৰতিবাদী সংগ্ৰামত তেওঁলোকক যুক্ত কৰা হৈছিল। ১৮১৯ চনত মানচেষ্টাৰ, ষ্টুৱাৰ্ট পিটাৰ ফিল্ডত হোৱা সমাৱেশসমূহত নাৰী সমাজে অংশ গ্ৰহণ কৰিছিল আৰু এই সমাৱেশসমূহত অংশগ্ৰহণকাৰীসকলৰ একাংশক সেনাবাহিনীৰ হতুৱাই গুলী কৰাই আহত আৰু নিহত কৰা হৈছিল। মহিলাৰ ৰাজনৈতিক সক্ৰিয়তাই চৰকাৰী প্ৰতিষ্ঠানৰ মাজত ভীতিৰ সৃষ্টি কৰে। মহিলাসকলে তেওঁলোকৰ ৰাজনৈতিক কাম-কাজক সুৰক্ষা দিছিল। প্ৰায়সকল মহিলাই বুজি পাইছিল যে– "ঘৰখনেই নাৰীৰ বাবে এখন ৰাজ্য হ'ব নোৱাৰে।" সংগ্ৰামৰত মহিলাসকলে চিনাক্ত কৰিছিল যে শ্ৰমিক শ্ৰেণীৰ অন্যান্য সকলৰ সৈতে তেওঁলোকৰ উমৈহতীয়া শ্ৰেণী স্বাৰ্থ নিহিত আছে। শ্ৰমিক শ্ৰেণীয়ে আৰম্ভ কৰা গণবিপ্লৱী চাৰ্টিষ্ট আন্দোলনতো মহিলাসকলে সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰিছিল যদিও সেই আন্দোলনৰ ছয় দফীয়া দাবী চনদত মহিলাৰ কোনো দাবী অন্তৰ্ভুক্ত নাছিল।

পূৰ্বতে মহিলাসকলৰ দাবীটো তাত অন্তৰ্ভুক্ত আছিল যদিও পিচলৈ উইলিয়াম লভেট নামৰ এগৰাকী মধ্যমপন্থী চাৰ্টিষ্ট আন্দোলনৰ নেত্ৰীয়ে এই দাবীটো উঠাই দিয়ে। ১৮৩৮ চনৰ ৮ মে'ত উত্থাপন কৰা এই দাবী চনদত একৈশ বছৰৰ ওপৰৰ পুৰুষসকলক ভোটাধিকাৰ প্ৰদান কৰা দাবীটো অন্যতম আছিল। ইয়াৰ বাদেও বৃটিশ পাৰ্লিয়ামেণ্টত দাখিল কৰা এই দাবী চনদত অন্তৰ্ভুক্ত অন্যান্য দাবীসমূহ হ'ল— গোপন বেলট ব্যৱস্থা, পাৰ্লিয়ামেণ্টত বাৰ্ষিক নিৰ্বাচন, সমান সংসদীয় সমষ্টি, পাৰ্লিয়ামেণ্টত অংশ গ্ৰহণৰ বাবে সম্পত্তিৰ অৰ্হতা বাতিল কৰা, সাংসদসকলৰ বাবে পাৰিশ্ৰমিক নিৰ্দ্ধাৰণ। নিজৰ শ্ৰেণী-অংশৰ দাবী সন্নিবিষ্ট নথকা সত্বেও নাৰীসমাজে শ্ৰমিক শ্ৰেণীৰ উমৈহতীয়া স্বাৰ্থত চাৰ্টিষ্ট আন্দোলনত সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰিছিল। মহিলা বিপ্লৱীসকলে শ্ৰমিক মহিলাৰ সৈতে এনেদৰে উমৈহতীয়া শ্ৰেণী স্বাৰ্থ বজাই ৰাখিছিল।

উনবিংশ শতিকাৰ শেষৰফালে আৰু কুৰি শতিকাৰ আগভাগত সমগ্ৰ ইউৰোপতে নাৰী আন্দোলন আৰু শ্ৰমিক আন্দোলনে পুনৰ জন্মলাভ কৰে। এই দুই আন্দোলনৰ মাজত পাৰস্পৰিক কিছু সম্বন্ধ থকা বাবে এটাক বাদ দি আনটোক নিলগাই বিশ্লেষণ কৰিব নোৱাৰি। প্ৰথমতে, বৃটেইনত ভোটাধিকাৰ আন্দোলন মধ্যবিত্তৰ আন্দোলন হিচাপে পৰিচিত হ'লেও ই শ্ৰমিক শ্ৰেণীৰ সমৰ্থন লাভ কৰিছিল। মধ্যবিত্ত শ্ৰেণীৰ মহিলাই পুৰুষৰ সৈতে আনুষ্ঠানিক সমতা দাবী কৰিছিল আৰু তাৰে কিছু সংখ্যক মহিলাই সীমিত ৰূপত হ'লেও ভোটদানৰ অধিকাৰ গ্ৰহণ কৰিবলৈ সাজু আছিল। উদাহৰণ স্বৰূপে সম্পত্তিবানসকলে লাভ কৰা ভোটাধিকাৰৰ কথাই উনুকিয়াব পাৰি। এনে নীতিয়ে শ্ৰমিক আন্দোলনক বিভাজিত কৰিছিল, কাৰণ বহু সংখ্যক শ্ৰমিকেই ভোটদানৰ পৰা বঞ্চিত হৈছিল। ১৯১১ চনত ৪৫ মিলিয়ন প্ৰাপ্ত বয়স্কৰ ভিতৰত মাত্ৰ ৭.৫ মিলিয়ন ব্যক্তিয়েহে ভোটাধিকাৰ লাভ কৰিছিল। পৰৱৰ্তী সময়ত 'লেডিজ বিল' নামৰ এখন বিধেয়ক উত্থাপনৰ যোগেদি মহিলাসকলৰ বাবেও ভোটদানৰ অধিকাৰ বিচৰা হৈছিল। শ্ৰমিক শ্ৰেণীৰ মহিলাসকলে নাৰীৰ সামাজিক মুক্তিৰ স্বাৰ্থত ভোটাধিকাৰ সংগ্ৰামলৈ সমৰ্থন আগবঢ়াবৰ বাবে শ্ৰমিক ইউনিয়নসমূহৰ প্ৰতি আহ্বান জনায়।

ইংলেণ্ডৰ মহিলাসকলে তেওঁলোকৰ ৰাজনৈতিক অধিকাৰৰ বাবে দীৰ্ঘদিন ধৰি যুঁজি আহিছিল আৰু আশা কৰা মতে কিছু সংস্কাৰো সাধন কৰিছিল। ১৮৯৪ চনত ট্ৰেড ইউনিয়ন কংগ্ৰেছত হেলেন চিলককে শ্ৰমিক মহিলাৰ উন্নত অৱস্থাৰ বাবে নাৰীৰ ভোটাধিকাৰ আন্দোলনৰ প্ৰতি সমৰ্থন জনাবলৈ আহ্বান জনায়। ১৮৯১ চনত স্বাধীন শ্ৰমিক সংগঠনৰ কৰ্মীসাধাৰণৰ পৰা সমৰ্থন পোৱা গৈছিল। মানচেষ্টাৰত ইমেলিন পাংখুষ্ট নিজেই স্বাধীন শ্ৰমিক পাৰ্টিৰ (Independent Labour Party)ৰ সদস্যা আছিল। তেওঁ ভোটাধিকাৰ আন্দোলনৰো অন্যতম নেত্ৰী আছিল। আই. এল. পিয়ে মহিলা শ্ৰমিকসকলক সংগঠিত কৰাৰ বাবে মহিলাসকলক বিভিন্ন ক্ষেত্ৰত নিয়োজিত



কৰিছিল। ১৯০০ চনত লেবাৰ পাৰ্টি গঠন হোৱাৰ সময়ত এই দলে একৈশ বছৰৰ বয়সীয়া মহিলাক ভোটাধিকাৰ প্ৰদান কৰাৰ নীতি গ্ৰহণ কৰে। ১৯০৬-১৪ চনৰ ভিতৰত খুব কমেও ছখন প্ৰাইভেট মেম্বাৰ বিল মহিলাৰ ভোটাধিকাৰৰ ওপৰত উত্থাপিত কৰা হয় যদিও লিবাৰেল আৰু ট'ৰিসকলৰদ্বাৰা এই বিল নাকচ হয়। বিভিন্ন পদ্ধতিৰে মহিলাৰ বাবে ভোটাধিকাৰৰ দাবীটো ভিন্ ভিন্ সময়ত উত্থাপিত কৰা হয় যদিও শেহলৈ এই কৌশলসমূহ পৰিহাৰ কৰি শেলীনা কুপাৰ আৰু ইভা গোৰ বুথে যথেষ্ট গুৰুত্ব সহকাৰে নাৰীৰ বাবে কাম আৰু ভোটৰ অধিকাৰ দাবীটো তুলি ধৰে। আই. এল. পিয়ে ভোটাধিকাৰৰ দাবীত ধৰ্মঘটবো আহ্বান জনায়। ১৯১৪ চনত হোৱা প্ৰথম মহাসমৰৰ সময়ত দেশপ্ৰেমৰ নামত ভোটাধিকাৰ আন্দোলন স্থগিত ৰখা হয়। কিন্তু লণ্ডনত ছিলিভিয়া প্ৰংখুষ্টে এই আন্দোলন চলাই যায়। এই যুদ্ধই নাৰী সমাজক ঘৰৰ ভিতৰৰ পৰা কাৰখানালৈ উলিয়াই আনিছিল। নাটকীয়ভাৱে এই সামাজিক পৰিবৰ্ত্তনে নাৰীসকলৰ জীৱনতো প্ৰভাৱ বিস্তাৰ কৰিলে। অৱশেষত ১৯১৯ চনত ত্ৰিশ বছৰৰ উৰ্দ্ধৰ মহিলাৰ বাবে ভোটাধিকাৰ প্ৰদান কৰা হ'ল একমাত্ৰ ১৯১৮ চনত চোছিয়েলিষ্ট সকলৰ জয়ৰ সন্মুখত ভীতিগ্ৰস্ত হৈহে। তেওঁলোকে আশা কৰিছিল যে বয়সীয়া মহিলাসকলে কনজাৰভেটিভ সকলৰ পক্ষত ভোটদান কৰিব। ত্ৰিশ বছৰ বয়সীয়া মহিলাক ভোটাধিকাৰ প্ৰদানে এক অশুভ ৰূপ ধাৰণ কৰিলে, যাৰ ফলত ইউৰোপত গঢ়ি উঠা বিপ্লৱৰ সন্মুখত কনজাৰভেটিভ পাৰ্টিৰ ভোটৰ সংখ্যা বাঢ়ি যায় আৰু চোছিয়েলিষ্টসকল গৃহ বন্দী হৈ পৰে। লেবাৰ পাৰ্টি যুদ্ধৰ পিছত বৃটেইনৰ দ্বিতীয় বৃহৎ ৰাজনৈতিক পাৰ্টি হিচাবে পৰিগণিত হয় আৰু ই শাসনক্ষমতা হস্তগত কৰিবলৈও সক্ষম হয়। ১৯১৯-২৭ চনৰ ভিতৰত লেবাৰ পাৰ্টিয়ে কমেও চাৰিখন বিধেয়ক উত্থাপন কৰি একৈশ বছৰৰ ওপৰৰ মহিলাক পুৰুষৰ সমানে ভোটাধিকাৰ প্ৰদানৰ বাবে দাবী জনাইছিল। কিন্তু ট'ৰিসকলৰ দ্বাৰা সেই বিধেয়কখনো নাকচ হয়। যেতিয়া ১৯২৭ চনত ট'ৰিসকলে চৰকাৰ গঠন কৰে তেতিয়া বাৰ জন ট'ৰিয়ে ইয়াৰ বিপক্ষে ভোটদান কৰে। নাৰী সমাজৰ জোৰদাৰ ধাৰাবাহিক সংগ্ৰামৰ ফলশ্ৰুতিত ১৯২৮ চনত বৃটেইনত নাৰীসকলে ভোটাধিকাৰ লাভ কৰিবলৈ সমৰ্থ হয়।

১৯২৯ চনত হোৱা নিৰ্বাচনত মহিলাসকলে লেবাৰ পাৰ্টিৰ পক্ষত ভোট দিবলৈ আগ্ৰহ প্ৰকাশ কৰাৰ প্ৰধান কাৰণটো আছিল এয়ে যে পাৰ্টিয়ে নাৰীৰ ভোটাধিকাৰ আন্দোলনত আৰম্ভণিৰে পৰা দৃঢ় ভূমিকা লৈ আহিছিল। ঐতিহাসিকভাৱে লেবাৰ পাৰ্টিয়ে মহিলাসকলৰ গণতান্ত্ৰিক দাবীৰ প্ৰতি যথেষ্ট সহানুভূতিশীল আছিল। ১৯৩০ চনত মহিলাৰদ্বাৰা লেবাৰ পাৰ্টিৰ ৫০ শতাংশ সদস্যা পদ পূৰণ কৰা হয়। জাৰ্মানী আৰু অষ্ট্ৰিয়াত গঢ়ি উঠা সমাজতান্ত্ৰিক আন্দোলনেও নাৰীৰ সমতাৰ দাবীটো তুলি ধৰে। কিন্তু ১৮৯১ চনত ক্লাৰা জেটকিনে জাৰ্মান নাৰী আন্দোলনত এক গুৰুত্বপূৰ্ণ ভূমিকা লোৱা "ইকুৱেলিটি" (Equality) নামৰ সমাজ গণতান্ত্ৰিক আলোচনী এখন প্ৰকাশ

কৰি মহিলাৰ সমঅধিকাৰৰ প্ৰশ্নটো সমাজৰ সন্মুখ শাৰীলৈ লৈ আহে আৰু পৰৱৰ্তী সময়ত বিশ্বত আন্তৰ্জাতিক নাৰী সন্মিলন অনুষ্ঠিত কৰাত আগভাগ লয়। বিশেষকৈ তেওঁ ১৯০৭ চনত হোৱা আন্তৰ্জাতিক সমাজতান্ত্ৰিক সন্মিলনত মহিলাৰ ভোটাধিকাৰৰ দাবী সম্পৰ্কে আগবঢ়োৱা প্ৰস্তাৱত মত প্ৰকাশ কৰিছিল যে—"The obtainment of suffrage aids the bourgeois women to tear down the barriers in the form of male prerogatives which tend to limit their educative and professional opportunities."। লি! বৈষম্য নাৰাখি জাৰ্মানীৰ সমাজগণতান্ত্ৰিক পাৰ্টিয়ে বিছ বছৰৰ ওপৰৰ সকলো পুৰুষ আৰু নাৰীকে ভোটাধিকাৰ প্ৰদান কৰে। সংস্কাৰবাদীসকলৰ বহুতে ভোটাধিকাৰ আন্দোলনক একমাত্ৰ সংগ্ৰাম বুলি ভাবিছিল, কাৰণ ভোটাধিকাৰৰ অৰ্থ হ'ল— সমতা। সমাজ গণতান্ত্ৰিক পাৰ্টিয়ে এই দাবী পূৰণৰ ক্ষেত্ৰত সক্ৰিয় অভিযানৰ দায়িত্ব এৰি দিছিল। অষ্ট্ৰিয়ান সমাজ গণতান্ত্ৰিক পাৰ্টিয়ে ১৯০৬ চনলৈকে পুৰুষৰ ভোটাধিকাৰৰ স্বাৰ্থত কাৰ্যসূচীসমূহ সীমিত কৰিছিল। এই দাবী তথা বিভিন্ন কৌশলৰ ওপৰত সমাজ গণতান্ত্ৰিক আন্তৰ্জাতিকতো আলোচনা হয়। ইংৰাজ সকলে সঠিক দিশত আগবঢ়াৰ বাবে মহিলাসকললৈ প্ৰদান কৰা সীমিত ভোটাধিকাৰৰ প্ৰতি সমৰ্থন আগবঢ়ায়। সেইদৰে অষ্ট্ৰিয়া আৰু জাৰ্মানসকলে নাৰীৰ ভোটাধিকাৰৰ দাবীটো পৃথক দাবী হিচাবে উত্থাপিত কৰাটো মানি লোৱা নাছিল। তেওঁলোকে সম্পূৰ্ণৰূপে নাৰী আন্দোলনকে বিৰোধিতা কৰিছিল। মধ্যবিত্ত শ্ৰেণীক অকলে ভোটাধিকাৰ প্ৰদান কৰিলে শ্ৰমিক শ্ৰেণীৰ মূল স্বাৰ্থ পূৰণ অসম্ভৱ। সমাজতান্ত্ৰিক আন্তৰ্জাতিকলৈকে নাৰীসকল যথেষ্ট সক্ৰিয় আছিল। পৰৱৰ্তী সময়ত প্ৰথম মহাসমৰে নাৰী আন্দোলনকে নহয় সামগ্ৰিকভাৱে আন্তৰ্জাতিককে বিভাজিত কৰে।

বিপ্লৱীসকলে সদায়েই পুঁজিবাদৰ অপসাৰণ আৰু সমাজতান্ত্ৰিক বিপ্লৱত বিশ্বাস কৰিছিল, কাৰণ ই পুৰুষ আৰু নাৰীৰ মাজত সমতা স্থাপনৰ একমাত্ৰ বিপ্লৱী পথ। যিসকল মহিলাৰ জীৱন প্ৰথম মহাসমৰৰ সময়লৈকে ভোটাধিকাৰৰ স্বীকৃতি নোপোৱাকৈ পাৰ হৈ গৈছিল সেইসকলে আন্দোলনত অংশ গ্ৰহণ কৰি এক গুৰুত্বপূৰ্ণ দায়িত্ব পালন কৰিছিল। প্ৰথম মহাসমৰৰ শেষৰ ফালে ইউৰোপলৈকে বিয়পি পৰা বিপ্লৱী আন্দোলনত তেওঁলোকৰ দাবীবিলাক ধ্বনিত হৈছিল। ৰাছিয়াৰ দৰে জাৰ্মানী আৰু অষ্ট্ৰিয়াত শ্ৰমিক আৰু সৈনিকসকলক লৈ গঠন কৰা পৰিষদসমূহলৈ ১৯১৯ চনত পাঁচ ভাগৰ এভাগ মহিলাক নিৰ্বাচিত কৰা হৈছিল। ট্ৰেড ইউনিয়নতো নাৰীৰ শ্ৰমিকৰ হাৰ ১৯১৩-১৯ চনলৈকে প্ৰায় ৩৪৯ শতাংশলৈ বৃদ্ধি পায় আৰু ৮ ঘণ্টা শ্ৰম, স্বাস্থ্য বীমা আৰু মহিলাৰ ভোটাধিকাৰ আন্দোলনে বহু মাহ, বহু বছৰ অতিক্ৰম কৰি অৱশেষত স্বীকৃতি লাভ কৰে। সেইদৰে ১৯১৭ চনত ছোভিয়েট ৰাছিয়াতো নাৰী-পুৰুষৰ মাজৰ আনুষ্ঠানিক সমতাৰ দাবী উত্থাপিত কৰি সমমজুৰি, শিক্ষাৰ



অধিকাৰ, বিবাহ বিচ্ছেদৰ আইন সংগত অধিকাৰ, যৌতুক প্ৰথাৰ বিলোপ সাধনকে ধৰি বিভিন্ন সংস্কাৰমূলক আইন গ্ৰহণ কৰা হয়। সংগ্ৰামৰ বহু ওখোৰা-মোখোৰা পথেদি বিশ্বৰ নাৰীসমাজে ভোটাধিকাৰৰ বাবে গঢ়ি তোলা প্ৰায় দুই শতিকা জোৰা সংগ্ৰামৰ আজিও অন্ত পৰিছে বুলি ক'ব নোৱাৰি। এই ভোটাধিকাৰ সংগ্ৰামৰ ফলশ্ৰুতিত ১৯২০ চনত আমেৰিকা, ১৯৪৫ চনত ফ্ৰান্স আৰু ইটালি, ১৯১৭ চনত ছোভিয়েট ৰাছিয়া আৰু ১৯৩৫ চনত ভাৰতবৰ্ষৰ নাৰীসমাজে সীমিত ৰূপত ভোটাধিকাৰ লাভ কৰিবলৈ সক্ষম হয়। কিন্তু আশ্চৰ্য্যৰ বিষয় যে কুৱেটৰ দৰে আৰবীয় দেশত আজিও মহিলাৰ বাবে ভোটদান আৰু নিৰ্বাচনত অংশগ্ৰহণ কৰাৰ অধিকাৰ প্ৰতিষ্ঠা হোৱা নাই। নাৰীৰ সমঅধিকাৰৰ সংগ্ৰাম শক্তিশালী কৰি তোলাৰ অৰ্থ হ'ল নাৰীমুক্তি সংগ্ৰামৰ পথ প্ৰশস্ত কৰা। ঐতিহাসিক ভোটাধিকাৰ আন্দোলনৰ মাজেদি নাৰীয়ে আজি সামাজিক ন্যায় আৰু ৰাজনৈতিক ক্ষমতাৰ যুঁজত অৱতীৰ্ণ হৈছে। নাৰী সমাজৰ ধাৰাবাহিক সংগ্ৰামৰ ফলশ্ৰুতিত এই অধিকাৰ লাভ কৰিবলৈ নাৰী সমাজ নিঃসন্দেহে সক্ষম হ'ব।

❋❋❋

# যুদ্ধ আৰু নাৰী সমাজ

মিছাইল আৰু বাৰুদৰ ধোঁৱাই ইৰাকৰ আকাশ-বতাহ ছানি ধৰিছে। লাহে লাহে এই আক্ৰমণ সমীপৰ আৰু মধ্যপ্ৰাচ্যৰ অন্যান্য দেশসমূহলৈ বিয়পি পৰাৰ সম্ভাৱনা ক্ৰমান্বয়ে বৃদ্ধি পাইছে। যুদ্ধবাজ আমেৰিকাৰ ভাগি পৰা অৰ্থনীতি সবল কৰি তোলাৰ বাবেই এই যুদ্ধৰ, আয়োজন— এই বীভৎস ধ্বংসলীলা। বিশ্বৰ সবাতোকৈ কম খৰচত তেল উৎপাদনকাৰী ইৰাকৰ তৈল ভাণ্ডাৰৰ ওপৰত আমেৰিকাৰ নিয়ন্ত্ৰণ কায়েম কৰাৰ যোগেদি জনবিধ্বংসী অস্ত্ৰ-শস্ত্ৰ মজুত ৰাখিছে বুলি দাম্ভিক বুশ্ব প্ৰশাসনে গোটেই বিশ্বত যি প্ৰচাৰ চলালে সেয়া ৰাষ্ট্ৰসংঘৰ অস্ত্ৰ পৰিদৰ্শক গোটে মিছা বুলি প্ৰমাণ কৰাৰ পাছতো ক্ষান্ত নহ'ল বুশ্ববাহিনী। আনখন সাম্ৰাজ্যবাদী দেশ বৃটেইনৰ সহযোগত মাথো ৪৮ ঘণ্টা সময় উকলি যোৱাৰ ডেৰ ঘণ্টাৰ পাছতেই বুশ্ব আৰু ব্লেয়াৰে ইৰাকৰ ওপৰত আক্ৰমণ চলালে।

যুদ্ধবাজ বুশ্ব-ব্লেয়াৰৰ আক্ৰমণে হয়তো ইৰাকৰ ৰাষ্ট্ৰনায়কসকলক পলাবলৈ বাধ্য কৰাব পাৰে, কিন্তু নিৰীহ ইৰাকী বাইজ যাব ক'লৈ? অসহায় মহিলা আৰু নিৰপৰাধী শিশুসকলক যুদ্ধ বিভীষিকাৰ পৰা বচাব কোনে? হেজাৰ হেজাৰ স্বামীহাৰা, পুত্ৰহাৰা আৰু পিতৃহাৰা নাৰীৰ কৰুণ বিননি আৰু নিৰীহ শিশুৰ আৰ্তনাদে ইৰাকৰ আকাশ-বতাহ নিনাদিত কৰি তুলিছে। সমাজৰ সবাতোকৈ দুৰ্বল আৰু নিপীড়িত নাৰী আৰু শিশুসকলে খাদ্য, বস্ত্ৰ, বাসস্থানৰ তাড়নাত মুকলি আকাশৰ তলত বিনিদ্ৰ ৰজনী পাৰ কৰিবলগা হৈছে। শত্ৰুৰ হাতৰ পৰা নিজকে ৰক্ষা কৰিব পৰাকৈ মানসিক আৰু শাৰীৰিক বলৰ অভাৱৰ অজুহাতত বহু নাৰী ধৰ্ষিতা, নিৰ্যাতিতা হ'ব অতি নিৰ্মমভাৱে। ইতিহাসে আমাক বাৰে বাৰে ইয়াকেই সোঁৱৰাই দিয়ে যে যুদ্ধ, সন্ত্ৰাসবাদ, সাম্প্ৰদায়িক আক্ৰমণৰ মূল লক্ষ্য হৈছে অসহায় নাৰী আৰু শিশুসকল।

দুখনকৈ বিশ্বযুদ্ধ, '৯১-ৰ উপসাগৰীয় যুদ্ধ আৰু শেহতীয়াকৈ আফগানিস্তানৰ ওপৰত আমেৰিকাই চলোৱা আক্ৰমণত লাখ লাখ নাৰীৰ জীৱন বিপন্ন হ'ল। কোনোবা চিৰদিনৰ বাবে পঙ্গু হ'ল, কোনোবা আশ্ৰয়হীনা হৈ অন্ধকাৰ আৰু অপৰাধজগতৰ অলিয়ে-গলিয়ে বিচৰণ কৰিবলগা হৈছে। যুদ্ধৰ এনে বিভীষিকাময় পৰিৱেশে একমাত্ৰ নাৰীৰে নহয়, সমাজৰ সকলো লোকৰে মানৱীয় অধিকাৰ হৰণ কৰে। শেহতীয়াকৈ গুজৰাট গণহত্যাত নাৰীসমাজ সাম্প্ৰদায়িক শক্তিৰ দ্বাৰা কেনেধৰণৰ জঘন্য নিৰ্যাতনৰ বলি হ'ল, তাক বিশ্বৰ সকলো ৰাষ্ট্ৰ আৰু জনগণে প্ৰত্যক্ষ কৰিলে। যি ক্ষেত্ৰত পৰিকল্পিত সাম্প্ৰদায়িক উত্তেজনাই নাৰী আৰু শিশুক বৰ্ণনাতীত নৃশংসতাৰ মাজলৈ ঠেলি দিয়ে তেনেক্ষেত্ৰত যুদ্ধৰ নৃশংসতা কিমান ভয়াবহ সেয়া সহজেই অনুমেয়। যি আমেৰিকাই আফগানিস্তান আক্ৰমণৰ সময়ত তালিবানসকলে মহিলাক প্ৰাপ্য অধিকাৰৰ পৰা বঞ্চিত কৰিছে বুলি নাৰীৰ প্ৰতি দৰদ দেখুৱাইছিল, সেই আমেৰিকাই আজি ইৰাকৰ ওপৰত আক্ৰমণ চলাই নাৰীসমাজক আক্ৰান্ত কৰিছে। এই ঘটনাই তেওঁলোকৰ লেৰেলা সাদৰৰ



স্বৰূপ উদঙাই দিলে। দাম্ভিক আৰু যুদ্ধবাজ আমেৰিকাই নাৰী সমাজৰ জীয়াই থকাৰ অধিকাৰকণো খৰ্ব কৰাৰ বাবে উদ্যত হৈছে। আমেৰিকাৰ উচ্‌টনিতেই পাকিস্তান আৰু ভাৰতৰ মাজত হোৱা কাৰ্গিল যুদ্ধতো বাক্‌দত্তা নাৰীকে ধৰি বহু নাৰীয়েই নিৰ্মমতাৰ বলি হোৱাৰ বাতৰিয়ে আজিও গাৰ নোম শিঁয়ৰাই তোলে।

আজি আকৌ তাৰেই পুনৰাবৃত্তি। নাৰী, শিশু আৰু হাড়ভঙা শ্ৰমৰ ধনেৰে দুবেলা দুমুঠি খাই জীৱন নিৰ্বাহ কৰি থকা সমাজৰ দৰিদ্ৰ জনগণক নিৰাপত্তা দিবলৈ আজি আন্তৰ্জাতিক সংস্থাসমূহ সম্পূৰ্ণ ব্যৰ্থ হৈছে। বুশ্ব-ব্লেয়াৰ প্ৰশাসনে ৰাষ্ট্ৰসংঘৰ দৰে আন্তৰ্জাতিক প্ৰতিষ্ঠানক নিজৰ স্বাৰ্থত ব্যৱহাৰ কৰি আহিছে। তেনে সংস্থাও আজি বুশ্ব-ব্লেয়াৰৰ নিয়ন্ত্ৰণৰ অধীন হোৱাটো অতিশয় লজ্জাৰ কথা।

তদুপৰি, ইৰাকৰ যুদ্ধই আজি হেজাৰ হেজাৰ কৰ্মৰত ভাৰতীয়ক সেই দেশৰ পৰা নিজৰ দেশলৈ প্ৰাণৰ ভয়ত উভতি আহিবলৈ বাধ্য কৰাৰ ফলত আমাৰ দেশত নিবনুৱা সমস্যা দুগুণে বৃদ্ধি হ'ব। আনহাতে, ভাৰতৰ প্ৰধান ৰপ্তানিজাত বৈদেশিক মুদ্ৰা অৰ্জনকাৰী চাহ উদ্যোগত ইৰাকৰ যুদ্ধই ব্যাপক প্ৰভাৱ পেলাইছে। আনহে নেলাগে যুদ্ধৰ ফলত তৈলজাত সামগ্ৰীকে ধৰি মৌলিক প্ৰয়োজনীয় সামগ্ৰীৰ বৰ্দ্ধিত চৰা দামে বিশ্বৰ দৰিদ্ৰ জনগণৰ ওপৰতো ইতিমধ্যে তাৎক্ষণিক প্ৰভাৱ পৰাৰ উপক্ৰম ঘটিছেই।

এটা কথা ঠিক যে বিশ্বত সাম্ৰাজ্যবাদৰ সংকট দিনক দিনে তীব্ৰ হৈ পৰিছে। এই সংকট মোকাবিলা কৰাৰ বাবেই আন্তৰ্জাতিক আইন-কানুন আৰু সংস্থাকো অৱমাননা কৰি বিক্ষোভ গঢ়ি উঠিছে। লাখ লাখ লোকে যুদ্ধবিৰোধী প্ৰতিবাদেৰে বুশ্ব-ব্লেয়াৰ প্ৰশাসন যন্ত্ৰ কঁপাই তুলিছে। বিশ্বজোৱা প্ৰতিবাদ সত্ত্বেও কিন্তু সাম্ৰাজ্যবাদীহঁতে যুদ্ধ বন্ধ কৰাৰ কোনো ইংগিত দিয়া নাই। বুশ্বক বিশ্বজনগণে নাকচ কৰাৰ লগতে আমেৰিকাৰ নাগৰিকে তেওঁক এঘৰীয়া কৰিবলৈ ওলাইছে। ইয়াৰ সমান্তৰালভাৱে ফ্ৰান্স, ৰাছিয়া আৰু জাৰ্মানী চৰকাৰে এই যুদ্ধৰ বিৰুদ্ধে মাত মাতিছে। চীনেও যুদ্ধৰ বিৰুদ্ধে স্পষ্ট নীতি গ্ৰহণ কৰিছে। তেনে পৰিস্থিতিত বিশ্বৰ বিভিন্ন দেশে যুদ্ধ বিৰোধী স্থিতি অব্যাহত ৰখা প্ৰয়োজন। ভাৰত চৰকাৰে গ্ৰহণ কৰা বিভ্ৰান্তিকৰ, দুতলীয়া নীতিৰ বিৰুদ্ধে ভাৰতীয় জনতাই প্ৰতিবাদ আগুৱাই নিছে। তৎসত্ত্বেও তামিলনাডু, পশ্চিমবঙ্গৰ দৰে ৰাজ্যৰ বিধানসভাত যুদ্ধ বিৰোধী প্ৰস্তাৱ গ্ৰহণ কৰাটো অতিশয় আদৰণীয় আৰু সাহসী পদক্ষেপ। কিন্তু অসম বিধানসভাত শাসনাষ্ঠিত কংগ্ৰেছ (ই) চৰকাৰৰ খোদ অধ্যক্ষকে ধৰি মন্ত্ৰীসভাই বিৰোধীৰ দাবীকো অগ্ৰাহ্য কৰি 'যুদ্ধৰ বিষয়টো এক আন্তৰ্জাতিক বিষয়' বুলি গা এৰা দিয়া মন্তব্যই চৰকাৰখনৰ যুদ্ধৰ প্ৰতি আওপকীয়াকৈ সমৰ্থনৰ ইংগিতহে বহন কৰে।

এনে সাম্ৰাজ্যবাদী যুদ্ধ যিকোনো ত্যাগৰ বিনিময়ত বন্ধ কৰিবই লাগিব। বিশ্বৰ প্ৰতিবাদী জনতাৰ কান্ধত কান্ধ মিলাই যুদ্ধৰ বিৰুদ্ধে ধ্বনি তুলিব লাগিব আৰু সংশ্লিষ্ট ৰাষ্ট্ৰসমূহক জনসাধাৰণে যুদ্ধ বিৰোধী স্থিতি ল'বলৈ বাধ্য কৰাব লাগিব। এই ক্ষেত্ৰত ৰাষ্ট্ৰ সংঘইও স্পষ্ট যুদ্ধবিৰোধী স্থিতি ঘোষণা কৰাটো জৰুৰী।❁❁

( অসমীয়া খবৰ , তাং ১/৪/০৩)

# সন্ত্ৰাসবাদ আৰু নাৰী সমাজ

সন্ত্ৰাসবাদে সমাজৰ সকলো লোককে ক্ষতি কৰে যদিও সবাতোকৈ বেছি আক্ৰান্ত হয় নাৰী সমাজ। প্ৰত্যক্ষভাৱে সন্ত্ৰাসবাদীয়ে নাৰীৰ বিপৰীতে পুৰুষকেই আক্ৰমণৰ লক্ষ্য কৰি লোৱা দেখা গ'লেও শেষ বিচাৰত নাৰী সমাজেই দুৰ্ভোগ ভুগি আহিছে। ব্যক্তিসন্ত্ৰাস, ৰাষ্ট্ৰসন্ত্ৰাস, যুদ্ধৰ সন্ত্ৰাস আৰু সামন্তীয় মূল্যবোধজনিত সন্ত্ৰাস-- এই আটাইবোৰ মানৱ প্ৰগতিৰ প্ৰতি যে অভিশাপ তাক ব্যাখ্যা কৰাৰ নিশ্চয় কোনো প্ৰয়োজন নাই। ভাৰতবৰ্ষৰ উত্তৰ-পূৰ্বাঞ্চল আৰু কাশ্মীৰত চলি থকা উগ্ৰবাদী সংগঠনসমূহৰ সন্ত্ৰাসে আমাক নিতৌ কিছুমান অবাঞ্ছিত আৰু অস্বস্তিকৰ অভিজ্ঞতাৰ সন্মুখীন কৰাইছে। অসমৰ সৰহ সংখ্যক জিলাত আলফা, বড়ো অধ্যুষিত এলেকাত বি এল টি আৰু এন ডি এফ বি, কাৰ্বি আংলং-উত্তৰ কাছাৰ পাৰ্বত্য অঞ্চলত এন এছ চি এন, কে এন ভি, ডি এইচ ডি, কে আৰ এ, ইউ পি ডি এছ আদি সন্ত্ৰাসবাদী সংগঠনে নিতৌ সন্ত্ৰাস চলাই আহিছে। এই সংগঠনবোৰে ৰাজনৈতিক নেতা, মন্ত্ৰী, বিষয়া, ব্যৱসায়ীৰ উপৰি সৰ্বসাধাৰণ নাগৰিকক হত্যা কৰিছে। ব্যৱসায়িক ক্ষেত্ৰ বা ৰাজহুৱা স্থানত বোমা বিস্ফোৰণ ঘটাই নিৰীহ জনগণক হত্যা কৰিছে। চলন্ত ৰেলগাড়ী, যাত্ৰীবাহী বাছ আদি বোমা বিস্ফোৰণেৰে উৰুৱাই দিছে, যাৰ ফলত বহু নিৰপৰাধী যাত্ৰীয়ে মৃত্যুক আঁকোৱালি ল'ব লগা হৈছে। মুঠৰ ওপৰত চৌদিশে বিৰাজ কৰিছে এক আতংকজনক পৰিৱেশ।

সন্ত্ৰাসবাদীসকলে জধে-মধে যাকে-তাকে ধন দাবী কৰা আৰু ধন দিব নোৱাৰিলে পুত্ৰ সন্তানক অপহৰণ কৰা, কোনো কোনো ক্ষেত্ৰত নিৰীহ পত্নী-পুত্ৰ সকলোকে হত্যা কৰা ঘটনাবোৰ এক গতানুগতিক ঘটনাত পৰিণত হৈ পৰিছে। পত্নীৰ সন্মুখতে সন্ত্ৰাসবাদীয়ে দাবী কৰা ধন দিব নোৱাৰাৰ বাবে স্বামীক গুলীয়াই হত্যা কৰা আদি অমানুষিক হত্যাকাণ্ডৰ নীৰৱ দৰ্শক হৈ ৰ'ব লগা হয় নাৰীগৰাকী। সন্ত্ৰাসবাদীয়ে নিজৰ অভীষ্ট সিদ্ধি নোহোৱাৰ বাবেই একোটা পৰিয়ালৰ স্বামী-পুত্ৰক হত্যা কৰাৰ ফলত নাৰীগৰাকীয়ে বৈধব্য জীৱন-যাপন কৰাৰ লগতে গভীৰ অৰ্থনৈতিক সংকট আৰু সামাজিকভাৱেও নিৰাপত্তাহীন জীৱন কটাব লগা হয়। সেয়া আমি সকলোৱেই প্ৰত্যক্ষ কৰিছো। বহু ক্ষেত্ৰত দেখা যায় যে উগ্ৰপন্থী সংগঠনৰ কৰ্মীসকলক ৰাতি থাকিবলৈ আশ্ৰয় নিদিয়াৰ বাবেও বহু পৰিয়াল সন্ত্ৰাসবাদী সংগঠনৰ ৰোষত পৰিবলগা হয়। নিজৰ স্বামী আৰু পুত্ৰৰ সন্মুখতেই বহু নাৰী সন্ত্ৰাসবাদীৰ দ্বাৰা ধৰ্ষিতা আৰু নিৰ্যাতিতা হোৱাৰ উদাহৰণো নথকা নহয়।



ব্যক্তিসন্ত্ৰাসৰ লগে লগে ৰাষ্ট্ৰসন্ত্ৰাসৰ দ্বাৰাও একে সময়তে নাৰী সমাজ নিৰ্যাতিতা হোৱা দেখা যায়। ব্যক্তিসন্ত্ৰাস সৃষ্টিকাৰী উগ্ৰবাদী কিছু সংগঠনে প্ৰত্যক্ষভাৱে নাৰীক গুলীয়াই হত্যা কৰাও দেখা যায়। পুত্ৰ বা স্বামী উগ্ৰবাদী সংগঠনৰ সদস্য হোৱা বাবেই পৰিয়ালৰ নাৰীগৰাকীক আৰক্ষী থানাত নি অত্যাচাৰ কৰা, কেতিয়াবা হত্যাৰো আশ্ৰয় লোৱা পৰিলক্ষিত হয়। উগ্ৰপন্থী ধৰাৰ নামত নিৰীহ যুৱকক হত্যা কৰা, সন্ত্ৰাসবাদী পুত্ৰ ভুৱা সংঘৰ্ষত মৃত্যু হ'ল বুলি আৰক্ষী প্ৰশাসনে মৃতকৰ শৱদেহ মাতৃ বা পত্নীৰ ওচৰত গতাই দিয়া ঘটনাসমূহ এগৰাকী নাৰীৰ বাবে কিমান বেদনাদায়ক তাক সকলোৱেই অভিজ্ঞতাৰ পৰা হৃদয়ংগম কৰিব পাৰিছে। পুত্ৰ বা স্বামী শোকৰ বেদনাত বহু নাৰীয়ে অকালতে মৃত্যুবৰণ কৰিব লগাও হৈছে। স্বামীহাৰা তথা পুত্ৰহাৰা একোগৰাকী নাৰীৰ জীৱনৰ নিৰাপত্তা প্ৰদানত প্ৰশাসনে বাৰে বাৰে ব্যৰ্থতা প্ৰকাশ কৰি আহিছে। উদাহৰণস্বৰূপে ঐতিহাসিক অসম আন্দোলনত অংশগ্ৰহণকাৰী উত্তৰ কামৰূপৰ মহিলাসকলৰ ওপৰত পুলিচ-মিলিটেৰীয়ে যেতিয়া ধৰ্ষণ-নিৰ্যাতনেৰে পাশৱিক অত্যাচাৰ চলায়, মুকুনীবালা ৰায়ৰ দৰে ৭০ বছৰীয়া নিৰীহ বৃদ্ধা মহিলাক সামৰিক বাহিনীয়ে ধৰ্ষণ কৰি হত্যা কৰাৰ পাছতো কিন্তু দোষী সেনাক বিচাৰি উলিয়াই শাস্তি প্ৰদান কৰা নহ'ল। উত্তৰ কামৰূপৰ নিৰ্যাতিতা সেই নাৰীসকলৰ পুনৰ্সংস্থাপনৰ কোনো ব্যৱস্থা আজিও গ্ৰহণ কৰা নহ'ল। তাৰ পৰৱৰ্তী সময়ছোৱাত ১৯৯১ চনত কং(ই)ৰ শাসন কালত আলফা আদি সন্ত্ৰাসবাদী দমনৰ নামত 'অপাৰেচন বজৰং!' আৰু 'অপাৰেচন ৰাইনো'ৰ দৰে ক'লা আইন, ৰাষ্ট্ৰপতি শাসন, 'ইউনিফাইড কামাণ্ড' ব্যৱস্থা অসমৰ ওপৰত জাপি দিয়া হ'ল। তাৰ দ্বাৰা সবাতোকৈ নিৰ্যাতিতা হ'ল নাৰী সমাজ। ৰাষ্ট্ৰসন্ত্ৰাসৰ বিৰুদ্ধে ৰাজপথলৈ ওলাই অহা মহিলা আন্দোলনকাৰীসকলৰ ওপৰত উপৰ্যুপৰি নিপীড়ন বঢ়াই তোলা হ'ল। ৰাজু বৰুৱা, ভনীমাই দত্ত, বামকলাখোৱাৰ বিনীতাৰ দৰে নিৰীহ মহিলা ৰাষ্ট্ৰসন্ত্ৰাসৰ বলি হোৱাৰ পাছতো তাৰ কোনো বিচাৰ নহ'ল। কেৱল অসমতে নহয় আমাৰ গাতে লাগি থকা কাৰ্বি আংলং, বড়ো অধ্যুষিত এলেকা তথা জম্মু-কাশ্মীৰ, বিহাৰ, অন্ধ্ৰপ্ৰদেশ আদি ৰাজ্যসমূহতো উগ্ৰবাদী সংগঠনৰ ব্যক্তিসন্ত্ৰাস আৰু ৰাষ্ট্ৰৰ পৃষ্ঠপোষকতাত মেলি দিয়া সন্ত্ৰাস-- এই দুই সন্ত্ৰাসৰদ্বাৰা নাৰী সমাজ সবাতোকৈ আক্ৰান্ত হোৱা পৰিলক্ষিত হৈছে।

ব্যক্তিসন্ত্ৰাস আৰু ৰাষ্ট্ৰসন্ত্ৰাস-- উভয়ৰেদ্বাৰা নাৰী সমাজ নিৰ্যাতিতা হোৱাৰ উপৰিও আমাৰ সমাজৰ বিভিন্ন ধৰ্মীয় মৌলবাদ, সাম্প্ৰদায়িক গোড়ামি, গোষ্ঠীগত সংকীৰ্ণ চিন্তাৰ ফলত উদ্ভূত সন্ত্ৰাসৰদ্বাৰাও নাৰী সমাজেই আটাইতকৈ বেছিকৈ নিষ্পেষিতা হোৱা দেখা যায়। এখন ধৰ্মনিৰপেক্ষ ৰাষ্ট্ৰ হিচাপে ভাৰতবৰ্ষত এই ঘটনা-পৰিঘটনাবোৰ যদিও সংবিধান বিৰোধী কিন্তু বাস্তৱত সেই ঘটনাবোৰেৰে পুনৰাবৃত্তি ঘটা দেখা যায়। যোৱা সময়ছোৱাত গুজৰাট, উৰিষ্যা আদি ৰাজ্যত খ্ৰীষ্টিয়ান নানক জ্বলাই দিয়া, ধৰ্ষণ কৰা, হিন্দু-মুছলমানৰ মাজত সৃষ্টি হোৱা ধৰ্মীয় তথা সাম্প্ৰদায়িক সংঘৰ্ষ আদিতো

সবাতোকৈ বেছি বলি হ'ব লগা হ'ল সমাজৰ অৰ্ধেক নাৰী সমাজেই। অযোধ্যাৰ বাবৰি মছজিদ ধ্বংসৰ সময়ত গোটেই দেশজুৰি যি সংঘৰ্ষৰ সূত্ৰপাত হ'ল তাতো সবাতোকৈ ক্ষতিগ্ৰস্ত হ'ল সমাজৰ নাৰী সমাজ। এই ক্ষেত্ৰত ৰাষ্ট্ৰৰ নিৰপেক্ষ ভূমিকা থাকিব লাগিছিল যদিও বিপৰীতে পক্ষপাতিত্বমূলক ভূমিকাহে দেখা গ'ল। ইয়াৰ বাদেও সমাজত নাৰীৰ ওপৰত সামন্তীয় মূল্যবোধসম্পন্ন যিবোৰ মধ্যযুগীয় কলংক তথা কু-সংস্কাৰ আৰু অন্ধ-বিশ্বাস বৰ্তি আছে; সিবিলাকেও যোৱা সময়ত প্ৰবলভাৱে মূৰ দাঙি উঠিল। ৰূপ কানোৱাৰ আৰু উত্তৰ প্ৰদেশৰ সাতপুৰা গাঁৱত ঘটা সতীদাহ ঘটনা, অসমত আদিবাসী তথা জনজাতীয় মহিলাক 'ডাইনী' সজাই হত্যা কৰা আদি ঘটনাসমূহ এক সামাজিক সামন্তীয় সন্ত্ৰাস হিচাপেই পৰিগণিত হয়। লাডেন গোষ্ঠীৰ সন্ত্ৰাস আৰু তালিবানৰ ৰাষ্ট্ৰ সন্ত্ৰাস আন্তৰ্জাতিক সন্ত্ৰাসৰ জঘন্যতম উদাহৰণ। ৰাষ্ট্ৰ ক্ষমতাত অধিষ্ঠিত হৈ সন্ত্ৰাসবাদ চলোৱাটো অতিশয় মাৰাত্মক আৰু সমগ্ৰ দেশখনেই তাৰ দুৰ্ভোগ ভোগে। ১৯৯৬ চনত আফগানিস্তানত ক্ষমতালৈ আহি তালিবানে নাৰীৰ ওপৰত বিভিন্ন নিষেধাজ্ঞা জাৰি কৰিছিল। তাৰ ভিতৰত মহিলাসকলক স্কুল-কলেজলৈ যাবলৈ নিদিয়া, চাকৰি কৰিবলৈ নিদিয়া, সদায় বোৰ্খা পৰিধান কৰা আদি অন্যতম।

❀❀

(অসমীয়া খবৰ, তাং ১৩/১০/০৩)



# অভিন্ন দেৱানী আইনে কাৰ স্বাৰ্থ পূৰণ কৰিব

অলপতে দেশৰ উচ্চতম ন্যায়ালয়ে চৰকাৰলৈ প্ৰেৰণ কৰা এক নিৰ্দেশত কোৱা হয় যে ভাৰতীয় সংবিধানৰ ৪৪ ধাৰাৰ অধীনত সকলো ধৰ্ম আৰু সম্প্ৰদায়ৰ লোকক সুৰক্ষা দিব পৰাকৈ এখন অভিন্ন দেৱানী আইন তৈয়াৰ কৰা হওক। উচ্চতম ন্যায়ালয়ৰ এই মন্তব্যত উৎসাহিত হৈ বিজেপি নেতৃত্বাধীন এন ডি এ চৰকাৰে এনে আইন তৈয়াৰ কৰাৰ বাবে হৈ-চৈ আৰম্ভ কৰিছে। অৱশ্যে এন ডি এৰ অংশীদাৰ কেইবাটাও ৰাজনৈতিক দলকে ধৰি বিৰোধী পক্ষই এই ক্ষেত্ৰত সমৰ্থন আগবঢ়োৱা নাই।

আধুনিক সমাজ এখনত সকলো নাগৰিকৰ কিছুমান বুনিয়াদী অধিকাৰ সুনিশ্চিত কৰিবই লাগিব আৰু সেই পৰিপ্ৰেক্ষিতত এখন প্ৰগতিশীল নাগৰিক বিধিৰ প্ৰাসংগিকতাৰ প্ৰশ্নত কাৰো দ্বিমত থাকিব নোৱাৰে। কিন্তু অভিন্ন দেৱানী আইন আমাৰ জাতীয় জীৱনৰ বাবে এক গুৰুত্বপূৰ্ণ ৰাজনৈতিক বিতৰ্ক হৈয়েই আছে। সংবিধানৰ ৪৪ ধাৰাক ৰাষ্ট্ৰৰ নিৰ্দেশাত্মক নীতি হিচাপে জনা যায়। তাৰ বাহিৰেও সংবিধানত মৌলিক অধিকাৰ আৰু সংজ্ঞা দেশৰ জনগণৰ বাবে সন্নিৱিষ্ট কৰা হৈছে। এই নিৰ্দেশাত্মক নীতিসমূহ আদালতৰ বাবে বাধ্যতামূলক নহয়।

১৯৯৫ চনতো পক্ষপাতিত্বমূলকভাৱে বিচাৰকসকলে দিয়া এক ৰায়দানত কোৱা হৈছিল যে '৮০ শতাংশৰো অধিক নাগৰিক বিধিবদ্ধ নাগৰিক আইনৰ অধীনস্থ হৈছে, তেতিয়া মুছলমান আৰু খ্ৰীষ্টিয়ানসকলে অভিন্ন দেৱানী আইন গ্ৰহণ নকৰি ৰাষ্ট্ৰীয় ঐক্য আৰু সংহতিত আঘাত হানিছে।' শেহতীয়া ৰায়দানতো মুখ্য ন্যায়াধীশ ভি এন খাৰে আগবঢ়োৱা এই ধাৰণাৰ ভিত্তি আছিল 'অভিন্ন দেৱানী আইনে বিভিন্ন মতাদৰ্শৰ ভিত্তিত সৃষ্টি হোৱা সংঘাত দূৰ কৰি ৰাষ্ট্ৰীয় সংহতিত সহায় কৰিব।' এই ধাৰণাটোৱেই ভিত্তি হৈছে সংখ্যাগুৰুৰ প্ৰভুত্ব বিস্তাৰ আৰু গণতন্ত্ৰবিৰোধী ভিত্তি শক্তিশালী কৰা। দেখ দেখকৈয়ে এনে আইনৰ পোষকতাই দেশৰ সমস্ত দেৱানী আইনৰ 'হিন্দুত্বকৰণ'ৰ আশংকা বিয়পাইছে আৰু বিশেষকৈ সংখ্যালঘুসকলৰ মাজত ইয়াৰ বিৰুদ্ধে প্ৰবল বিৰোধিতা গঢ়ি উঠিছে। দেশৰ সাম্প্ৰতিক পৰিস্থিতিয়ে এই কথাকেই সোঁৱৰাই দিয়ে যে একক নাগৰিক বিধি (অভিন্ন দেৱানী বিধি) প্ৰণয়নে গুজৰাটৰ গণহত্যা আৰু অযোধ্যাত মন্দিৰ নিৰ্মাণৰ বাবে উদগ্ৰীৱ হৈ থকা গেৰুৱা বাহিনীৰ গোপন সাম্প্ৰদায়িক এজেণ্ডাসমূহ

কাৰ্যকৰীকৰণৰ পথ প্ৰশস্ত কৰি তুলিব।

আনহাতে, অভিন্ন দেৱানী আইন প্ৰণয়ন হ'লে ধৰ্ম, বৰ্ণ নিৰ্বিশেষে সকলো সম্প্ৰদায়ৰে নাৰী সমাজ উপকৃত হ'ব বুলি গেৰুৱা বাহিনীয়ে যি প্ৰচাৰ চলাইছে সেয়া স্ববিৰোধিতাৰ বাদে আন একো নহয়। মুছলমানসকল বা সংখ্যালঘুসকলক মহিলাবিৰোধী বুলি মাৰ্কা মাৰিবলৈ যোৱা সংঘ পৰিয়াল আৰু বিজেপি দল কিমান নাৰীহিতৈষী সেয়া বিগত সময়ত শাসনাধিষ্ঠিত দলটোৱে গ্ৰহণ কৰা কাৰ্যকলাপে প্ৰমাণ কৰে। এই দলে ভাৰতীয় ৰাজনীতিত আধিপত্য বিস্তাৰ কৰাৰ লগে লগে ৪-৫ টাকৈ সতীদাহৰ দৰে মধ্যযুগীয় কলংকৰ পুনৰাবৃত্তি ঘটিল। ডাইনী হত্যাৰ দৰে নাৰীৰ বিৰুদ্ধে বৰ্ধিত হাৰত নিৰ্যাতন-নিপীড়ন সংঘটিত হ'ল। সবাতোকৈ গুৰুত্বপূৰ্ণ বিষয়টো হৈছে যে মহিলাৰ আসন সংৰক্ষণ বিধেয়কখন গ্ৰহণ কৰাৰ ক্ষেত্ৰত শাসনাধিষ্ঠিত বিজেপি দলে লৈ অহা দুমুখীয়া নীতি নগ্নৰূপত প্ৰকাশ পাইছে।

বিজেপি আৰু কংগ্ৰেছ(ই) দলে বিগত সময়ছোৱাত লৈ অহা প্ৰতিক্ৰিয়াশীল আৰু সাম্প্ৰদায়িক ভূমিকাৰ বাবেই আজি অভিন্ন দেৱানী আইন তৈয়াৰ কৰাৰ সময়ত এনে বাধা আহি পৰিছে। দেশৰ সামাজিক প্ৰগতিৰ বাবে সদায়েই ওপৰৰ পৰা জাপি দিয়া ৰাজনৈতিক হেঁচাই জনগণৰ মনত সন্দেহ আৰু সংশয় বঢ়াই তুলিছে। ১৯৮৬ চনত ঐতিহাসিক শ্বাহবানু গোচৰৰ ৰায়ৰ বিৰুদ্ধে ৰাজীৱ গান্ধীয়ে ভোটৰ আশাত সংখ্যালঘু মুছলমান মৌলবাদী নেতাৰ হেঁচাত পৰি লোকসভাত নাৰীবিৰোধী এখন বিধেয়ক গৃহীত কৰায়। ৭৫ বছৰীয়া শ্বাহবানুৱে স্বামীৰ লগত ৪৩ বছৰ সহবাস কৰাৰ পিছত স্বামীয়ে দ্বিতীয় বিবাহ কৰোৱাৰ পৰিপ্ৰেক্ষিতত ৫ টা পুত্ৰ-কন্যাৰে সৈতে বিবাহ-বিচ্ছেদৰ বাবে আবেদন জনায়। উচ্চতম ন্যায়ালয়ে শ্বাহবানুৰ ভৰণ-পোষণৰ বাবে মাহে ৫০০ টকা আৰু গোচৰ চলোৱাৰ বাবদ যাৱতীয় ১০,০০০ টকা দিবলৈ তেওঁৰ স্বামীক নিৰ্দেশ দিয়ে। গোড়া মুছলিম মৌলবাদীসকলে এনে কাৰ্য শ্বৰিয়ৎ বিৰোধী বুলি ৰায় দিয়াৰ ৭ মাহৰ পিছতে শ্বাহবানুক উক্ত ৰায় প্ৰত্যাহাৰ কৰিবলৈ বাধ্য কৰায়। সেইদৰে ৰাজীৱ গান্ধীয়ে শ্বৰিয়তৰ পক্ষত গ্ৰহণ কৰা আইনে এফালে নিৰ্যাতিতা নাৰীৰ প্ৰতি চৰম অবিচাৰ কৰিলে আৰু আনফালে মৌলবাদীহঁতৰ ধৰ্মীয় সংকীৰ্ণতা বঢ়াই তুলিলে।

সেয়ে, দেখা যায় যে শাসনাধিষ্ঠিত কং(ই), বিজেপি কোনোটো দলেই দেশৰ সামাজিক প্ৰগতি নিবিচাৰে। বৰং নীতি আৰু আদৰ্শত দুয়োটা দল একেটা মুদ্ৰাৰ ইপিঠি-সিপিঠি। ❁❁

(দৈনিক জনমভূমি, তাং ১৮/৮/০৩)

Dharapur Gky-11 ACC No... Date...

# পাৰিবাৰিক হিংসা নিবাৰক বিধেয়ক ২০০২

আমাৰ সমাজত পাৰিবাৰিক হিংসাৰ ঘটনা ক্ৰমান্বয়ে বৃদ্ধি পোৱা পৰিলক্ষিত হৈছে। সুস্থ সমাজৰ বাবে এনেবোৰ ঘটনা মাথোঁ গৰিহণাযোগ্যই নহয়, ভৱিষ্যৎ প্ৰজন্মৰ বাবেও মাৰাত্মক তথা ক্ষতিকাৰক। সেয়েহে 'পাৰিবাৰিক হিংসা নিবাৰণ হওক', —এয়া সভ্য সমাজৰ প্ৰতিজন ব্যক্তিৰে কাম্য।

যোৱা ৮ মাৰ্চ, আন্তৰ্জাতিক নাৰী দিবসৰ দিনা, লোকসভাত 'পাৰিবাৰিক হিংসা নিবাৰক বিধেয়ক, ২০০২' (The Protection from Domestic Violence Bill, 2002) নামেৰে এখন বিধেয়ক উত্থাপন কৰা হয়। পাৰিবাৰিক হিংসা নিবাৰণৰ উদ্দেশ্যে প্ৰস্তুত কৰা এই বিধেয়কখন সম্প্ৰতি সংসদৰ সংশ্লিষ্ট ষ্টেণ্ডিং কমিটিলৈ পুনৰীক্ষণৰ বাবে প্ৰেৰণ কৰা হৈছে। সংসদৰ গ্ৰীষ্মকালীন অধিবেশনত এই বিধেয়ক সংসদত উত্থাপন কৰা হ'ব বুলি জানিব পৰা গৈছে আৰু ইতিমধ্যে ৰাজ্যসভা সচিবালয়ে সংবাদ মাধ্যমত বিজ্ঞাপনযোগে তিনি সপ্তাহৰ ভিতৰত (২জুন ২০০২ৰ পৰা ২৩ জুনৰ ভিতৰত) বিধেয়কখনৰ বিষয়ে মতামত তথা পৰামৰ্শ আগবঢ়াবলৈ আহ্বান জনাইছিল।

নাৰী নিৰ্যাতন সম্পৰ্কত এখন দেৱানী আইন (Civil law) প্ৰণয়নৰ প্ৰস্তুতিপৰ্বত পুৰুষ-মহিলা নিৰ্বিশেষে বিধেয়কখনৰ বিষয়ে মতামত আগবঢ়োৱাৰ প্ৰয়োজনীয়তা অতিকৈ জৰুৰী। প্ৰস্তাৱিত বিধেয়কখনৰ খচৰাত সুৰুঙা আৰু আসোঁৱাহ সম্পৰ্কত ইতিমধ্যে নতুন দিল্লীৰ Lawyers Collective Women's Rights Initiative নামৰ সংগঠনটোৱে নিজৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰি এখন সমান্তৰাল খচৰাও প্ৰস্তুত কৰিছে। বৰ্ধিত পাৰিবাৰিক হিংসাৰ বিপজ্জনক দিশলৈ মন কৰি দেশৰ মহিলা সংগঠন, আইনজ্ঞকে ধৰি এচাম লোকে এখন দেৱানী আইনৰ দাবী তুলি আহিছিল। কেন্দ্ৰীয় চৰকাৰৰ মানৱ সম্পদ উন্নয়ন মন্ত্ৰালয়ে ২০০১ চনৰ ১১ ডিচেম্বৰত "পাৰিবাৰিক হিংসা নিবাৰক বিধেয়ক, ২০০১' (বিল নং ১৩৩) প্ৰকাশ কৰি বিতৰণ কৰে যদিও ১৩ ডিচেম্বৰত সংসদ ভৱনত হোৱা সন্ত্ৰাসবাদীৰ আক্ৰমণৰ ফলত বিধেয়কখন সেই অধিবেশনত উত্থাপন নকৰি যোৱা ৮ মাৰ্চৰ দিনা লোকসভাত উত্থাপন কৰা হয়।

বিধেয়কখনত বহুকেইটা আসোঁৱাহ থাকি যোৱাৰ ফলত ঘোষিত উদ্দেশ্য সফল হোৱাৰ সম্ভাৱনা ক্ষীণ। কিয়নো বিধেয়কখনৰ ৪ নম্বৰ ধাৰাৰ ১ নম্বৰ অনুচ্ছেদত পাৰিবাৰিক হিংসা সম্পৰ্কত কোৱা হৈছে—

"Domestic violence

(1) For the purposes of this Act, any conduct of the respondent shall constitute domestic violence if he,

(a) Habitually assaults or makes the life of the aggrieved person miserable by cruelty of conduct even if such conduct does not amount to physical ill treatment; or

(b) Forces the aggrieved person to lead an immoral life; or

(c) Otherwise injure or harms the aggrieved person."

কিন্তু ২ নম্বৰ অনুচ্ছেদৰ জৰিয়তে ১ নম্বৰ অনুচ্ছেদৰ (গ) উপ অনুচ্ছেদ এনেদৰে খৰ্ব কৰা হৈছে—

"(2) Nothing contained in clause (c) of sub-section (1) shall amount to domestic violence if the pursuit of course of conduct by the respondent was responsible for his own protection of or for the protection of his or another's property."

নিৰ্যাতিতাক আঘাত কৰাটো পাৰিবাৰিক হিংসাৰ অন্তৰ্ভুক্ত যদিও অভিযুক্তই যদি আত্মৰক্ষা বা নিজৰ অথবা আনৰ সম্পত্তি সুৰক্ষাৰ বাবে তেনে কাৰ্য কৰে, তেনেহ'লে সেয়া পাৰিবাৰিক হিংসা নিবাৰক আইনৰ অন্তৰ্ভুক্ত নহ'ব। Habitual শব্দটোৰদ্বাৰা বুজাব খোজা হৈছে যে দীৰ্ঘদিন ধৰি নিৰ্যাতিতাৰ ওপৰত অত্যাচাৰ চলিব লাগিব, মাজে মাজে নিৰ্যাতিতাক নিৰ্মম অত্যাচাৰ কৰিলেও সেয়া প্ৰস্তাৱিত বিধেয়কখনৰ এক্তিয়াৰত নপৰিব। সেইদৰে miserable বা শোচনীয় অৱস্থাৰ কথা কোৱা হ'লেও সুস্পষ্ট কাৰণসমূহ উল্লেখ কৰা হোৱা নাই। আনহাতে বহুক্ষেত্ৰত শোচনীয় অৱস্থা বা miserable নোহোৱাকৈও (শাৰীৰিক + মানসিক) অত্যাচাৰ চলি থাকে, তেনেক্ষেত্ৰত সেই নিৰ্যাতন কি বুলি গণ্য কৰা হ'ব? মুঠতে এই দফাটো সম্পূৰ্ণ আসোঁৱাহপূৰ্ণ। কিয়নো অভিযুক্তই এইবাৰ আত্মৰক্ষা অথবা সম্পত্তিৰ সুৰক্ষাৰ নামত পাৰিবাৰিক হিংসা চলোৱাৰ অনুমতি পাব। অভিযুক্তই নিৰ্যাতিতাৰ ওপৰত আত্মৰক্ষা বা সম্পত্তি সুৰক্ষাৰ নামতহে মাৰধৰ কৰা বুলি আদালতত স্বীকাৰোক্তি দিলেই লেঠা শেষ। অৰ্থাৎ মাৰধৰ কৰা বুলি প্ৰমাণ হ'লেও, আনকি অভিযুক্তই নিজমুখে স্বীকাৰ কৰিলেও কিন্তু এই ক্ষেত্ৰত অভিযুক্তই খালাচ পাব। গতিকে পাৰিবাৰিক হিংসা নিবাৰক বিধেয়কখনৰ এই অনুচ্ছেদে অভিযুক্তক মাৰধৰ কৰাৰ আইনী ক্ষমতাহে প্ৰদান কৰিব বুলি ভবাৰ যথেষ্ট থল আছে। সেয়েহে এই দফাটোৰ পূৰ্ণ সংশোধনৰ প্ৰয়োজন।

পাৰিবাৰিক হিংসা সম্পৰ্কীয় সংজ্ঞাত ৰাষ্ট্ৰসংঘই দাঙি ধৰা আৰ্হিক এই প্ৰশ্নত গুৰুত্বসহকাৰে লোৱা প্ৰয়োজন আৰু সেই বিষয়সমূহ বিধেয়কখনত প্ৰতিফলিত হোৱা উচিত।



"পৰিয়ালৰ লোকে মহিলাৰ ওপৰত চলোৱা লিংগভিত্তিক সমস্ত শাৰীৰিক, মানসিক নিৰ্যাতন, য'ত সাধাৰণ অত্যাচাৰৰ পৰা গুৰুতৰ শাৰীৰিক আঘাত, অপহৰণ, ভীতি প্ৰদৰ্শন, ধমকি, জোৰ-জবৰদস্তি, গোপন ষড়যন্ত্ৰ, কথাৰে অৱমাননা, বলপূৰ্বক বা অবৈধ প্ৰৱেশ, সম্পত্তি ধ্বংস কৰা বা জ্বলাই দিয়া, যৌন নিপীড়ন, যৌতুক আৰু সেই সম্পৰ্কীয় হিংসা, কন্যা ভ্ৰূণ হত্যা, বেশ্যালয় মাৰফৎ নিপীড়ন, বনকৰা কৰ্মীৰ ওপৰত অত্যাচাৰ আৰু তেনে কাৰ্যৰ বাবে চেষ্টা চলোৱা আদি সকলোবোৰ অন্তৰ্ভুক্ত হৈছে।"

প্ৰস্তাৱিত বিধেয়কখনৰ ৫ নম্বৰ ধাৰাত সুৰক্ষা বিষয়া (Protection officer) নামৰ এটা পদ সৃষ্টি কৰি নিৰ্যাতিতা মহিলাগৰাকীৰ ওপৰত চলা পাৰিবাৰিক হিংসা নিবাৰণ কৰাৰ বাবে সেই বিষয়াজনক বহু ক্ষমতা প্ৰদান কৰা হৈছে। ন্যায়িক প্ৰশাসন বহিৰ্ভুত এই বিষয়াজনে নিৰ্যাতিতাগৰাকীক আদালতৰ যথাস্থানত আবেদন দাখিল কৰোৱাকে ধৰি সুৰক্ষা নিৰ্দেশ (Protection order) নোপোৱালৈকে যাৱতীয় বহু সময় তেওঁলৈ আগবঢ়োৱাটো বাধ্যতামূলক কৰি দিয়াৰ ফলত সেইবোৰৰ অপব্যৱহাৰ হোৱাৰ সম্ভাৱনাই প্ৰচুৰ। সেয়েহে সুৰক্ষা বিষয়াৰ পৰিবৰ্তে ন্যায়ালয়ে নিৰ্যাতিতাগৰাকীক পোনপটীয়াকৈ সুৰক্ষা প্ৰদানৰ ব্যৱস্থা কৰাহে যুগুত। সুৰক্ষা বিষয়াৰ কৰ্তব্য আৰু ক্ষমতাবিলাক হ'ল—

"(6.1) (a) inform the aggrieved person to right to apply for protection order under the provisions of this Act;

(b) inform about a service provider in the area where the aggrieved person resides so that she may seek support and help from service provider;

(c) inform the aggrieved person of the entitlement to legal services under the legal services Authority Act, 1987.

(d) perform such other duties as may be prescribed or as may be ordered to be performed by the Magistrate."

প্ৰস্তাৱিত বিধেয়কখনৰ ২ নম্বৰ ধাৰাৰ (ট) উপধাৰাত কোৱা হৈছে যে ১৯৫৬ চনৰ কোম্পানি আইনমতে পঞ্জীয়নভুক্ত সংগঠন, স্বেচ্ছাসেৱী সংগঠন আদিয়ে নিৰ্যাতিতা মহিলাগৰাকীৰ সাহায্যৰ বাবে আইন, অৰ্থ, চিকিৎসা আদি সেৱা আগবঢ়াব পাৰে।

"(Service provider" means any voluntary association registered under the company Act, 1956 ... including legal aid, medical, financial or other assistance.)"

কিন্তু পঞ্জীয়নভুক্ত নোহোৱা মহিলা সংগঠনকে ধৰি অন্যান্য সংগঠন, যি দীৰ্ঘদিন ধৰি মহিলাৰ নিৰ্যাতনৰ বিৰুদ্ধে মাত মাতি আহিছে সেই সংগঠনবিলাকক‌ো যথাযোগ্য

সহায় আগবঢ়োৱাৰ বাবে সুযোগ দিয়াৰ লগতে সেইবিলাকৰ মতামত গুৰুত্বসহকাৰে বিবেচনা কৰা উচিত। ঠিক সেইদৰে গোচৰ চলি থকা সময়ত নিৰ্যাতিতাগৰাকী থকাৰ বাবে কোনো আশ্ৰয়স্থলৰ কথা (right to reside) বিধেয়কখনত উল্লেখ নাই। বিয়াৰ পাছত এগৰাকী নাৰীৰ তেওঁৰ স্বামীৰ সম্পত্তি অথবা ঘৰ আদিত আইনী তথা সামাজিক অধিকাৰহীনতা, আনহাতে পিতৃ পৰিয়ালৰপৰাও তথাকথিত গোত্ৰ ছিঙি বিয়া দিয়াৰ অজুহাতত নাৰীগৰাকী গৃহহীন হৈ পৰে। সেয়েহে সেই সময়ছোৱাত মহিলাগৰাকীৰ স্বামীৰ ঘৰত অথবা স্বামীৰ নামত থকা অন্য ঘৰ বা সম্পত্তিত অধিকাৰ সাব্যস্ত কৰাটো বিধেয়কখনত বাধ্যতামূলক কৰা উচিত।

বিধেয়কখনত কেৱল আইন মতে বিবাহিতা নাৰীকহে ঘৰুৱা হিংসা নিবাৰণৰ ক্ষেত্ৰত সুৰক্ষা প্ৰদান কৰা হ'ব বুলি কোৱা হৈছে। কিন্তু সামাজিকভাৱে বিয়া হোৱা অথবা একেলগে দীৰ্ঘদিন ধৰি সহবাস কৰা মহিলাৰ ক্ষেত্ৰত প্ৰযোজ্য নহ'ব বুলি পৰোক্ষভাৱে কোৱা হৈছে। তদুপৰি পৰিয়ালৰ ভিতৰত চলা ঘৰুৱা নিৰ্যাতনৰ ফলত ক্ষতিগ্ৰস্ত হোৱা ১৮ বছৰৰ তলৰ নিজা সন্তান, তোলনীয়া সন্তান আৰু মাউৰা সন্তানসকলৰ ক্ষেত্ৰত বিধেয়কখনে কি ভূমিকা ল'ব তাৰ কোনো উল্লেখ নাই।

প্ৰস্তাৱিত বিধেয়কখনৰ ১১ আৰু ১২ নম্বৰ ধাৰাত দণ্ডাধীশ আৰু কল্যাণ বিশেষজ্ঞৰ (Welfare Expert)দ্বাৰা নিৰ্যাতিতা আৰু নিৰ্যাতনকাৰীৰ মাজত গোচৰ চলি থকা সময়ত যি আলোচনা ব্যৱস্থাৰ (Counselling) সুযোগ ৰখা হৈছে তাৰদ্বাৰা পুৰুষজনতকৈ মহিলাগৰাকীয়েই অধিক নিৰ্যাতিতা অথবা বঞ্চিত হ'ব। এনে আলোচনাই বহু সময়ত মহিলাগৰাকীক যিকোনো মূল্যৰ বিনিময়ত গোচৰ উঠাই ল'বলৈ বাধ্য কৰায় আৰু জোৰকৈ দুয়োজনকে লগ লগাই দিয়াৰ ফলত বহু মহিলা স্বামীৰ ঘৰত নিষ্ঠুৰ যন্ত্ৰণাৰ বলি হৈ মৃত্যুমুখতো পৰিব লগা হয়। আনহাতে অভিযুক্তৰ শাস্তিৰ বাবদ মাথোন এবছৰ কাৰাদণ্ড আৰু বিছ হাজাৰ টকাৰ জৰিমনা থকা এই ব্যৱস্থাই পোনপটীয়াকৈ নহ'লেও ভাৰতীয় দণ্ডবিধি আইনৰ যৌতুক সংক্ৰান্তীয় ৪৯৮ (ক) ধাৰাৰ গুৰুত্ব পৰোক্ষভাৱে লাঘৱ কৰিব। কাৰণ সুৰক্ষা বিষয়া, দক্ষ অধিবক্তাৰ অভাৱ আৰু আইনৰ সুৰুঙাৰে বহু গোচৰৰ ধাৰা ইফাল-সিফাল কৰা অথবা ফৌজদাৰী গোচৰ দেৱানী গোচৰলৈ পৰিবৰ্তন কৰাটো খুবেই সহজ। ইয়াৰ দ্বাৰা নিৰ্যাতিতা নাৰীগৰাকীতকৈ লাভবান হ'ব তেওঁৰ অভিযুক্ত স্বামী। আন এক গুৰুত্বপূৰ্ণ কথা হ'ল— বিধৱা মহিলাৰ অধিকাৰ সম্পৰ্কে আইনখনত কোনো কথা উল্লেখ নাই। তদুপৰি সমাজৰ সকলো মহিলাৰ বাবে তৈয়াৰ কৰা হ'লেও এই বিধেয়কে মুছলিম মহিলাক সুৰক্ষা প্ৰদান কৰিব নোৱাৰে।

বিধেয়কখনৰ সবাতোকৈ মন কৰিবলগীয়া আসোঁৱাহটো হ'ল যে পাৰিবাৰিক হিংসাৰ এক্তিয়াৰৰ ভিতৰত পিতৃ পৰিয়ালৰদ্বাৰা মহিলাৰ ওপৰত চলা নিৰ্যাতনক অন্তৰ্ভুক্ত কৰা হোৱা নাই। ভাৰতবৰ্ষৰ পিতৃতান্ত্ৰিক সমাজব্যৱস্থাত নাৰীগৰাকী কেৱল স্বামীগৃহতে নহয়, পিতৃগৃহতো নিৰ্যাতনৰ বলি হোৱা দেখা যায়। পৰিয়ালৰ অন্যান্য সদস্যৰদ্বাৰা নাৰী ধৰ্ষণ, নিৰ্যাতন, হত্যা আদিৰ মুখামুখি হোৱাৰ অলেখ উদাহৰণ দেখা যায়। মাথোঁ সমাজত মুখলজ্জাৰ ভয়ত এনে ঘটনাবিলাক গাপ দি ৰাখিবলৈ চেষ্টা কৰা দেখা যায়। তদুপৰি পিতৃ পৰিয়ালতো এগৰাকী অবিবাহিতা নাৰীৰ কোনো অধিকাৰ নথকাৰ বাবেই এই আইনে পিতৃ পৰিয়ালৰদ্বাৰা হোৱা নিৰ্যাতনকো সামৰি নোলোৱাটো যুক্তিযুক্ত।



মুঠৰ ওপৰত আইনে নাৰীক বা সমাজৰ নিষ্পেষিত অংশক সকলো ধৰণৰ সুৰক্ষা প্ৰদান কৰিব নোৱাৰিলেও নাৰীৰ প্ৰতি সমাজৰ দৃষ্টিভংগী সলনি কৰা, নাৰী সমাজক নিজৰ অধিকাৰৰ সম্পৰ্কত সচেতন কৰা, অপৰাধীয়ে লাভ কৰা কঠোৰ শাস্তিয়ে সমাজত এনে ঘটনাৰ মাত্ৰা ন্যূনতম পৰিমাণে হ'লেও লাঘৱ কৰা দেখা যায়। সেয়েহে সুৰুঙাবিহীন কঠোৰ আইনৰ প্ৰয়োজনীয়তা কেতিয়াও নুই কৰিব নোৱাৰি। বিশেষকৈ চৰকাৰী তথ্য মতেই ভাৰতবৰ্ষত ক্ৰমাগতভাৱে নাৰীৰ ওপৰত নিৰ্যাতন, হত্যা আদি বৃদ্ধি পাব লাগিছে। ১৯৯৮ চনত দেশত ১৮,৫২৩ গৰাকী নাৰী যৌতুকৰ বলি হয়। ৪০ শতাংশ নাৰী নিৰ্যাতিতা হয় স্বামীৰদ্বাৰা আৰু প্ৰতিদিনে ১৭ গৰাকীকৈ নাৰী ভাৰতবৰ্ষত যৌতুকৰ বলি হৈছে আৰু এই মাত্ৰা বাঢ়ি গৈছে। সেইদৰে বিশ্বৰ প্ৰতি তিনিগৰাকী নাৰীৰ ভিতৰত এগৰাকী নাৰী নিৰ্যাতিতা হয় স্বামীৰদ্বাৰা। (২০০৩ চনৰ ছেপ্টেম্বৰ পৰ্যন্ত ৰাষ্ট্ৰীয় মহিলা আয়োগত অন্তৰ্ভুক্ত হোৱা ঘটনাৰ সংখ্যা আছিল ৭,০০০ টা। পোহৰলৈ অহা তথ্যানুযায়ী ২০০৩ চনৰ জানুৱাৰীৰ পৰা ছেপ্টেম্বৰলৈকে সমগ্ৰ দেশত বোৱাৰী হত্যাৰ ঘটনা ৫১২ টা, দিল্লীতে ঘটে ইয়াৰ ১৯.৯ শতাংশ। দিল্লীত ১৯৯৪ চনত বোৱাৰী হত্যাৰ ঘটনা সংঘটিত হৈছিল ১৫৮ টা। তেনেদৰে অসমত পোহৰলৈ অহা তথ্যানুসৰি স্বামীৰ নিষ্ঠুৰতা ২০০০ চনত ১০৮৫ টা; ২০০১ চনত ১১৬১ টা আৰু ২০০২ চনত ৬৫৫ টা।— লেখাটোত এই তথ্যকেইটা নতুনকৈ সংযোগ কৰা হৈছে)। সেইবাবেই আজি সমাজ সচেতন প্ৰতিজন ব্যক্তি তথা সংগঠনৰ বাবে নাৰী নিৰ্যাতনৰ বিষয়টো এক গভীৰ উদ্বেগৰ বিষয় হৈ পৰিছে। ভাৰতবৰ্ষ স্বাধীন হোৱাৰ পাছৰে পৰা নাৰী সমাজে ধাৰাবাহিক সংগ্ৰামৰ মাজেৰেই ১৯৬১ চনৰ যৌতুক নিবাৰণ আইন, ১৯৫৬ চনৰ হিন্দু ক'ড আদি লাভ কৰিবলৈ সমৰ্থ হৈছে। কিন্তু আইনসমূহ আসোঁৱাহযুক্ত আৰু সুৰুঙাযুক্ত হোৱা হেতু বহু অপৰাধী কঠোৰ শাস্তি পোৱাৰ পৰা সাৰি যায়। সেয়েহে পাৰিবাৰিক হিংসা নিবাৰক বিধেয়কখনে যাতে নাৰীক নিৰাপত্তা প্ৰদান কৰিব পাৰে তাৰ স্বাৰ্থতেই চৰকাৰে সংশোধনীৰে বিধেয়কখন গ্ৰহণ কৰা উচিত। ❁❁

(প্ৰান্তিক, তাং ১/৭/২০০২)

# অপৰাধী সাৰি যোৱা সুৰুঙাসমূহ কেনেকৈ বন্ধ হ'ব

নাৰী নিৰ্যাতনৰ বিৰুদ্ধে নাৰী সমাজে ধাৰাবাহিকভাৱে প্ৰতিবাদ কৰি আহিছে যাতে এই ঘটনাবোৰৰ ভৱিষ্যতে পুনৰাবৃত্তি নহয় আৰু অপৰাধীয়ে কঠোৰ শাস্তি লাভ কৰে। কিন্তু, বাস্তৱ অৰ্থত আমি হতাশাজনক আৰু ওলোটা প্ৰতিচ্ছবি এখনকে দেখি আহিছোঁ। নাৰী সংগঠনসমূহৰ যৌথ প্ৰতিবাদত অপৰাধীহঁতক হয়তো পুলিচে গ্ৰেপ্তাৰ কৰে; কিন্তু, অৰ্থ আৰু আইনৰ হেঁচাত বহু অপৰাধীয়ে ৩ মাহৰ ভিতৰতে আদালতৰ পৰা জামিন লাভ কৰে, নতুবা শাৰীৰিক অসুস্থতাৰ দোহাই দি জেলত থাকিব লগা দিনকেইটা চিকিৎসালয়ত আৰামেৰে কটায়। বহুক্ষেত্ৰত পুলিচৰ যাৱতীয় তদন্তৰ প্ৰতিবেদন নিৰ্দিষ্ট সময়ৰ ভিতৰত আদালতত দাখিল নকৰাৰ বাবে অপৰাধীয়ে ৩ মাহৰ পিছদিনাই আদালতৰ পৰা জামিন লাভ কৰে। কিয়নো বিনা বিচাৰে এজন অপৰাধীক ৩ মাহ বা ৯০ দিনতকৈ এদিনো বেছিকৈ জেল হাজোতত ৰখাৰ নিয়ম আমাৰ দেশৰ আইনত নাই। আনহাতে, উক্ত যিবোৰ তথাকথিত কটকটীয়া ব্যৱস্থা আইনত আছে তাতো বহুত সুৰুঙা আছে। সেইবাবেই আদালতৰ পৰা ৩ মাহৰ পিছতে জামিন পাই অহা অপৰাধীয়ে নাৰী সংগঠন অথবা প্ৰতিবাদকাৰীসকলক ভাবুকি দিয়াৰ সুযোগ লাভ কৰে। অৱশ্যে বৰ্ণালী দেৱৰ হত্যাকাৰীহঁত এতিয়াও জেলতে থাকিবলগা হৈছে— কিয়নো ৰাইজ তথা নাৰী সংগঠনৰ ধাৰাবাহিক প্ৰতিবাদৰ সন্মুখত পুলিচে তদন্তৰ প্ৰতিবেদন তিনিমাহৰ ভিতৰতে আদালতত দাখিল কৰিবলৈ বাধ্য হ'ল। তাতে অপৰাধীহঁতৰ শ্ৰেণী আৰু সামাজিক অৱস্থানো নিম্ন মানৰ। নিঃসন্দেহে ই এক ব্যতিক্ৰম পদক্ষেপ।

আনহাতে, সৰহ সংখ্যক গোচৰত আদালতে অপৰাধীৰ পক্ষত ৰায় দিয়াৰ ফলত যথেষ্ট প্ৰমাণ থকা সত্ত্বেও সমাজত এনে ঘটনা ক্ৰমাগতভাৱে বাঢ়ি যাব লাগিছে। ফলত আইন আৰু পুলিচী প্ৰশাসনৰ প্ৰতি ৰাইজৰ অনাস্থা দিনক দিনে বৃদ্ধি হৈছে। উদাহৰণ স্বৰূপে, যোৱা ৩১ মে' তাৰিখে যোৰহাট জিলা ছেছন আদালতে ১৯৯২ চনৰ ২৭ ডিচেম্বৰত চাংছোৱা চাহবাগিচাত ৰেখা দত্ত নামৰ ১৫ বছৰীয়া নৱম শ্ৰেণীৰ ছাত্ৰীগৰাকীক জিলাখনৰ চাংছোৱা, গটংগা আৰু গোবিন্দপুৰ চাহ বাগিচাৰ ৫ জনকৈ সহকাৰী পৰিচালক আৰু কল্যাণ বিষয়াই দলবদ্ধভাৱে ধৰ্ষণ কৰি পিছত টুকুৰা-টুকুৰকৈ কাটি বস্তাত ভৰাই ম'হবন্ধা আমতলৰ ৰেল ক্ৰছিঙত পেলাই সংঘটিত কৰা জঘন্য হত্যাকাণ্ডৰ পাছতো অভিযুক্ত অপৰাধীসকলক অভিযোগমুক্ত কৰি দিয়া আদালতৰ ৰায়ে সকলোকে আচৰিত কৰি তুলিছে। সেই সময়ত এই ঘটনাই সমগ্ৰ জিলাখনৰ লগতে অসম জুৰি তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছিল আৰু প্ৰগতিশীল নাৰী সন্থাই এই



ঘটনাৰ বিৰুদ্ধে তীব্ৰ প্ৰতিবাদ সংগ্ৰাম গঢ়ি তুলিছিল যোৰহাটবাসী ৰাইজৰ সহযোগত। ৰাইজৰ প্ৰতিবাদৰ সন্মুখত যোৰহাট তথা অসমৰ অধিবক্তাসকলে উক্ত গোচৰৰ অভিযুক্তসকলৰ পক্ষত ওকালতি নকৰিবলৈ সিদ্ধান্ত লৈছিল। উল্লেখযোগ্য যে অপৰাধীহঁত যথেষ্ট বিত্তৱান, ক্ষমতাৱান আৰু উচ্চ মধ্যবিত্ত পৰিয়ালৰ ব্যক্তি হোৱা সত্ত্বেও যোৰহটীয়া ৰাইজৰ প্ৰতিবাদক পুলিচ আৰু আদালতে অৱমাননা কৰিব পৰা নাছিল যাৰ বাবে তেওঁলোকে ৩ মাহৰ ভিতৰত জামিন পাবলৈ সক্ষম হোৱা নাছিল।

ৰেখা দত্তৰ লোমহৰ্ষক হত্যাকাণ্ডত বহুতো পৰিস্থিতিগত আৰু মৰণোত্তৰ পৰীক্ষাৰ ৰিপ'ৰ্টত ইতিবাচক প্ৰমাণ থকাৰ পিছতো আদালতে 'উপযুক্ত তথ্য আৰু প্ৰমাণৰ অভাৱত' কেনেকৈ অপৰাধীহঁতক অভিযোগমুক্ত কৰিলে সেয়া ৰাইজৰ বাবে দুৰ্বোধ্য হৈ ৰ'ল। ইতিমধ্যে ভাৰতবৰ্ষৰ উচ্চতম ন্যায়ালয়ে দিয়া এক ঐতিহাসিক ৰায়ত কোৱা হৈছে যে পৰিস্থিতিগত প্ৰমাণৰ ওপৰত ভিত্তি কৰি ধৰ্ষণ সম্পৰ্কীয় গোচৰসমূহৰ ৰায় আদালতে দিব লাগে। কিয়নো কোনো অপৰাধীয়ে চাক্ষুষ প্ৰমাণ (Eye witness) ৰাখি যৌন নিৰ্যাতনৰ দৰে জঘন্য পাশৱিক ঘটনা সংঘটিত কৰিবলৈ নাযায়। ভাৰতবৰ্ষৰ নাৰী সংগঠনসমূহে দীৰ্ঘদিন ধৰি এই বিষয়ত আন্দোলন কৰি আহিছে আৰু তাৰ ফলতেই আজি উচ্চতম ন্যায়ালয়ে সময়োচিত এনে ৰায় দিবলৈ বাধ্য হৈছে। নিশ্চয় ই এক সময়োচিত পদক্ষেপ।

তৎসত্বেও আজি নাৰী সম্পৰ্কীয় ঘটনাসমূহত নাৰী সমাজে প্ৰকৃত ন্যায় পাবলৈ সক্ষম নোহোৱা কথাটোৱে সমাজৰ সচেতন আৰু বিবেকবান ব্যক্তিসকলক ভবাই তুলিছে। ফলস্বৰূপে ন্যায়পালিকাৰ প্ৰতি দেশৰ জনগণৰ আস্থা হেৰাই গৈছে। আইন, অৰ্থ, ক্ষমতাৰ মাজত ক'ৰবাত এক গোপন বুজাবুজি হৈছে বুলি জনগণে ভবাৰ স্থল থাকি যায়। আনহাতে, ৰেখা দত্তৰ ধৰ্ষণকাৰী আৰু হত্যাকাৰীসকল যদি তেওঁলোক নহয়— তেন্তে সেই ঘটনাৰ প্ৰকৃত হত্যাকাৰী কোন? ৰেখা দত্তক হত্যা কৰা তেজ লগা দাখন তেনেহ'লে ক'ৰ পৰা আহিল? হত্যাকাৰীয়ে নিজেই ঘটনাৰ সত্যতা স্বীকাৰ কৰি, তেজ লগা দাখন আলমাৰীৰ পৰা উলিয়াই দিয়াৰ পিছতো প্ৰমাণৰ অভাৱ বোলা কথাষাৰ মানি ল'ব পৰা বিধৰনে? সেইদিনা আদালতত লোকে লোকাৰণ্য হৈ থকা ৰাইজৰ মাজত তীব্ৰ অসন্তুষ্টি ফুটি উঠিছিল আইনৰ প্ৰতি। অৱশ্যে চি বি আইৰ জিম্মাৰ পৰা ন্যায়াধীশে পলায়ন কৰা যুগত কোনো কামেই দুঃসাধ্য আৰু অসম্ভৱ নহয়।

আনহাতে, এই ঘটনাসমূহত চৰকাৰৰ নীৰৱ ভূমিকাই অপৰাধীৰ লগত ৰাজনৈতিক নেতা, মন্ত্ৰীৰ এক গোপন বুজাবুজিৰ ইংগিতকে বহন কৰে। অৱশ্যে চৰকাৰ আৰু ৰাজনৈতিক দলসমূহতো এনে কুখ্যাত নাৰী অপৰাধী, নেতা, মন্ত্ৰী হৈ থকা অৱস্থাত অপৰাধীক শাস্তি দিব কেনেকৈ? এনে চৰকাৰৰ অধীনত দেশৰ নাৰী সমাজে কিদৰে নিৰাপত্তা পাব? ১৯৯৩ চনত তদানীন্তন যোৰহাট সমষ্টিৰ বিধায়ক হিতেন্দ্ৰনাথ গোস্বামীয়ে অসম বিধান সভাৰ মজিয়াত ৰেখা দত্তৰ ঘটনাটো উত্থাপন কৰিছিল আৰু মুখ্যমন্ত্ৰী

হিতেশ্বৰ শইকীয়াই ৰেখা দত্তৰ হত্যাকাৰীক শাস্তি বিহা হ'ব বুলি সদনক আশ্বাস দিছিল। কিন্তু, আজি ক'ত গ'ল চৰকাৰৰ সেই প্ৰতিশ্ৰুতি? নিম্ন আদালতৰ ৰায়ক প্ৰত্যাহ্বান জনাই সুবিচাৰৰ বাবে চৰকাৰ তথা গণতান্ত্ৰিক নীতিনিষ্ঠ আইনবিদে উচ্চ ন্যায়ালয়ত উক্ত গোচৰ চলোৱাটো ৰাইজে মনে-প্ৰাণে কামনা কৰে যাতে সমাজত ভৱিষ্যতে এনে ঘটনাৰ পুনৰাবৃত্তি নহয়।

ৰেখা দত্তৰ ঘটনাৰ দৰে আৰু বহুতো ঘটনাত আদালতে দিয়া বৈষম্যমূলক ৰায়ে নাৰীৰ নিৰাপত্তা আৰু মৰ্যাদা অধিক সংকটাপন্ন কৰি তুলিব। তদুপৰি আদালতত গোচৰাধীন হৈ থকা বহুবোৰ নাৰী সংক্ৰান্তীয় ঘটনাৰ অপৰাধীহঁতক আদালতে দোষমুক্ত কৰিব নেকি ৰাইজৰ সন্দেহ উপজিছে। সেয়ে, নাৰী সমাজৰ নিৰাপত্তাৰ স্বাৰ্থত আৰু উঠি অহা প্ৰজন্মক অপৰাধৰ পাকচক্ৰৰ পৰা আঁতৰাই অনাৰ বাবেই আজি এনে ধৰণৰ ৰায় পুনৰ বিবেচনা কৰাৰ বাবে উচ্চ আদালতত চৰকাৰৰ তৰফৰ পৰা যথাবিহিত উদ্যোগ গ্ৰহণ কৰাটো পৰিস্থিতিৰ দাবী।❁❁

(দৈনিক জনমভূমি, তাং ১৩/৬/০৩

# কৰ্মক্ষেত্ৰত যৌন নিৰ্যাতন

সমাজৰ অৰ্দ্ধাকাশ নাৰীৰ ওপৰত ক্ৰমবৰ্দ্ধিত যৌন নিৰ্যাতনৰ বিষয়টোৱে আজি যথেষ্ট জটিল ৰূপ ধাৰণ কৰিছে। যৌন নিৰ্যাতনৰ ক্ষেত্ৰখন ইমানেই প্ৰসাৰিত হৈ পৰিছে যে ই নাৰীৰ বয়স, পদমৰ্যদা আৰু ৰূপ-লাৱণ্যকে ধৰি সমস্ত সীমা চেৰাই গৈছে। এনে নিৰ্যাতনৰ পৰা সামাজিক, প্ৰাতিষ্ঠানিক, শৈক্ষিক, চৰকাৰী, অৰ্দ্ধ-চৰকাৰী, ৰাজহুৱা-ব্যক্তিগত কোনোখন ক্ষেত্ৰই বাদ পৰি থকা নাই। নাৰী জড়িত হৈ থকা বিভিন্ন শ্ৰমক্ষেত্ৰ বা কৰ্মস্থলীত এনে নিৰ্যাতন-নিপীড়ন দ্ৰুত গতিত বৃদ্ধি পাব লাগিছে। চাহ-বাগিচাৰ বনুৱা মহিলাৰ পৰা চৰকাৰী উচ্চপদস্থ মহিলা বিষয়ালৈকে কোনো স্তৰৰ মহিলাই এনে নিৰ্যাতনৰ হাত সাৰিব পৰা নাই। তেনে ঘটনাৰ এক চৰম নিদৰ্শন হ'ল ৰূপন দেউল বাজাজ নামৰ মহিলা আই এ এছ বিষয়া গৰাকীৰ ওপৰত ১৯৯৫ চনত চলা যৌন নিৰ্যাতন। উচ্চপদস্থ মহিলা বিষয়াগৰাকীক পাঞ্জাবৰ প্ৰাক্তন পুলিচ সঞ্চালক প্ৰধান কে. পি. এছ. গীলে অশালীন ব্যৱহাৰ কৰে। চণ্ডীগড়ৰ মুখ্য ন্যায়িক দণ্ডাধীশৰ আদালতত গীল দোষী সাব্যস্ত হোৱাৰ পাচত উচ্চ আদালতৰ দ্বাৰস্থ হৈ গীলে নিজকে নিৰপৰাধী বুলি প্ৰতিপন্ন কৰে।

মাথোঁ সিমানেই নহয়; ঘৰৰ বন কৰা ছোৱালী-বোৱাৰীয়েও গৃহস্থৰ যৌন নিৰ্যাতনৰ পৰা ৰেহাই পোৱা নাই। মুঠৰ ওপৰত নাৰী অৰ্থনৈতিকভাৱে কিছু স্বাৱলম্বী হ'লেও সামাজিকভাৱে নাৰীৰ মৰ্যাদা আৰু নিৰাপত্তা সুনিশ্চিত হ'বলৈ বহু বাকী। ইয়াৰ প্ৰধান কাৰণ হ'ল, আমাৰ দেশৰ প্ৰচলিত পুৰুষতান্ত্ৰিক সমাজ ব্যৱস্থা। এই সমাজ ব্যৱস্থাত নাৰী বিৰোধী চিন্তা-চৰ্চাসমূহ ইমানেই প্ৰৱল যে, তাক দ্বেষ্য কৰি এগৰাকী নাৰীয়ে তেওঁৰ ওপৰত পুৰুষ সহকৰ্মী, বিষয়া অথবা বিভাগীয় মুৰব্বীয়ে চলোৱা যৌন নিৰ্যাতনৰ কথা মুকলিকৈ কোৱাৰ সাহসকণো গোটাব নোৱাৰে। কেতিয়াবা যদি কোনো নাৰীয়ে সাহস কৰি এনে কথা সংশ্লিষ্ট কৰ্তৃপক্ষ বা ৰাজহুৱাভাৱে সমাজৰ আগত ক'বলৈ আগবাঢ়ি আহে, তেনেহ'লে বহু সময়ত তেনে নাৰীকহে সমাজে বিপথগামী বুলি অপযশ দিয়ে। সেয়ে যৌন নিৰ্যাতনত দীৰ্ঘদিন ধৰি ভুগি থকা নাৰীক প্ৰচলিত সামাজিক ব্যৱস্থাই জন্ম দিয়া হীনমন্যতাবোধে কেতিয়াবা নাৰীগৰাকীক আত্মহত্যাৰ দৰে জঘন্য পথো বাছি ল'বলৈ বাধ্য কৰায়। সমাজৰ সকলো ক্ষেত্ৰতে বৰ্ত্তি থকা পুৰুষ প্ৰাধান্যতাৰ বাবে যৌন নিৰ্যাতনৰ কবলত পৰা বহু নাৰীয়ে মুখ নুখুলি নীৰৱে নিৰ্যাতন-নিপীড়ন সহি যোৱাকে নাৰীৰ ভাগ্য অথবা নিয়তিৰ বিধান হিচাবে মানি লয়।

নাৰীৰ ওপৰত, বিশেষকৈ কৰ্মৰতা নাৰীৰ ওপৰত বৃদ্ধি পোৱা যৌন-নিৰ্যাতনৰ

বাবে নিঃসন্দেহে উৎকট পিতৃতান্ত্ৰিক সামাজিক মূল্যবোধ আৰু লিঙ্গ-বৈষম্যই প্ৰধানতঃ দায়ী। অৰ্দ্ধ-সামন্ততান্ত্ৰিক আৰু অৰ্দ্ধ-পুঁজিবাদী সমাজব্যৱস্থাত নাৰী বিবেচিত হয় পুৰুষৰ ভোগৰ সামগ্ৰী হিচাবে। সম্প্ৰতি সাম্ৰাজ্যবাদী বিশ্বায়নে জন্ম দিয়া ভোগ্যপণ্যবাদে নাৰীক অধিক পণ্য কৰি তুলিছে। ফলত নাৰীৰ ওপৰত সামগ্ৰিকভাৱে নিৰ্যাতনৰ মাত্ৰা বৃদ্ধি পাইছে আৰু বিভিন্ন ক্ষেত্ৰত কৰ্মৰতা নাৰীৰ ওপৰতো ইয়াৰ প্ৰভাৱ পৰিছে। তথাপিও সুখৰ বিষয় যে, বিভিন্ন সামাজিক, প্ৰাতিষ্ঠানিক তথা পাৰিবাৰিক স্তৰত আৰু কৰ্মক্ষেত্ৰত নাৰীৰ ওপৰত বৃদ্ধি পোৱা যৌন নিৰ্যাতন সম্পৰ্কত সচেতন মহলৰ চিন্তা-চৰ্চ্চা বাঢ়িছে। এনে সময়োচিত চিন্তা-ভাৱনা আমাৰ বৰ্ত্তমান সমাজৰ বাবেই নহয়, ভৱিষ্যৎ প্ৰজন্মৰ বাবেও এক শুভলক্ষণ। তথাপিও এই কথা উল্লেখ কৰা প্ৰয়োজন যে, যৌন নিৰ্যাতন প্ৰতিৰোধৰ বাবে ভাৰতবৰ্ষত কেতবোৰ নতুন আইন প্ৰণয়ন কৰা হৈছে আৰু কেতবোৰ আইনৰ সংশোধনো ঘটোৱা হৈছে। কিন্তু প্ৰচলিত আইনে অপৰাধীৰ বিৰুদ্ধে শাস্তিমূলক ব্যৱস্থা গ্ৰহণ কৰি সাফল্য প্ৰদৰ্শনত সম্পূৰ্ণৰূপে ব্যৰ্থ হৈছে। আনকি যৌন নিৰ্যাতনৰ কিছুমান নিৰ্দিষ্ট প্ৰমাণ থকা সত্বেও আইনৰ অন্তৰ্নিহিত সুৰুঙাৰে দোষী সাৰি যোৱাৰ অসংখ্য উদাহৰণ আছে। তেনে এক পৰিস্থিতিত অধিক কঠোৰ আৰু সুৰুঙাবিহীন আইনৰ প্ৰয়োজনীয়তা সমাজৰ সকলো ব্যক্তিয়েই স্বীকাৰ কৰে। যৌন নিৰ্যাতন প্ৰতিৰোধ আৰু নিৰ্মূলকৰণৰ বাবে আইনেই একমাত্ৰ ভৰসা নহয় যদিও ই দোষীক কঠোৰ শাস্তি বিহাৰ মাজেৰে ঘটনাৰ সংখ্যা হ্ৰাস কৰিব পাৰে। কিন্তু শেষ বিচাৰত এইকথা ক'বই লাগিব যে নাৰীৰ ওপৰত চলি থকা যৌন নিৰ্যাতনকে ধৰি সকলো ধৰণৰ নাৰী বিৰোধী সামন্তীয় আৰু ভোগ্যপণ্যবাদী চিন্তা দূৰ কৰিবলৈ হ'লে সমাজৰ প্ৰতিজন ব্যক্তিৰে নাৰী-পুৰুষ সম্পৰ্কৰ প্ৰতি থকা বৰ্ত্তমানৰ বৈষম্যমূলক দৃষ্টিভংগীৰ আমূল পৰিবৰ্ত্তন ঘটাব লাগিব; সলনি হ'ব লাগিব নাৰীৰ প্ৰতি সমাজৰ সামগ্ৰিক দৃষ্টিকোণ।

কৰ্মক্ষেত্ৰত নাৰীৰ ওপৰত চলা যৌন নিৰ্যাতনে আন এক ভয়াবহ ইংগিতো বহন কৰে। যৌন নিৰ্যাতনৰ বলি হৈ বহু নাৰীয়ে চাকৰি বাদ দি অৰ্থনৈতিক কৰ্মক্ষেত্ৰৰ পৰা পুনৰ ৰান্ধনি ঘৰৰ ভিতৰলৈ সোমাই যোৱাৰ আশংকাও নুই কৰিব নোৱাৰি। ঘৰুৱা শ্ৰমৰ দৰে সামাজিকভাৱে অনুৎপাদনশীল কৰ্মস্থলীলৈ হোৱা নাৰীৰ এনে পশ্চাদপসৰণক সমাজবিজ্ঞানী এঙ্গেলচৰ ভাষাত "নাৰীজাতিৰ ঐতিহাসিক পৰাজয়" বুলি ক'লেও অত্যুক্তি কৰা নহয়। আমাৰ লিঙ্গ বৈষম্যমূলক আৰু পিতৃতান্ত্ৰিক সমাজৰ এনে চিন্তা কিমান ক্ষতিকাৰক ভাবিলে শংকিত নহৈ নোৱাৰি। প্ৰচাৰ মাধ্যমত এনে ঘটনাসমূহ মুকলিকৈ প্ৰচাৰ নহ'লেও, অথবা পুলিচ থানা বা আদালতত গোচৰ পঞ্জীয়নভুক্ত নহ'লেও পৰিস্থিতিৰ পৰা এই কথা ওলাই পৰে যে, শ্ৰম ক্ষেত্ৰত নাৰীৰ ওপৰত যৌন নিৰ্যাতন চলাটো নিৰ্ঘাত সত্য। সেইবাবেই আজি দেশজুৰি নাৰী সংগঠনসমূহৰ উদ্যোগত কৰ্মক্ষেত্ৰত যৌন নিৰ্যাতন প্ৰতিৰোধ কৰিবৰ বাবে প্ৰতিবাদৰ ধ্বনি অনুৰণিত হৈছে। তাৰেই ফলশ্ৰুতিত দেশৰ সৰ্বোচ্চ ন্যায়ালয়েও এই বিষয়ত



গভীৰভাৱে মনোনিৱেশ কৰি কৰ্মৰতা নাৰীৰ সুৰক্ষাৰ বাবে আইনসংগত ব্যৱস্থা গ্ৰহণ কৰিবলৈ বাধ্য হৈছে। আদালতে এই বিষয়ত যথোচিত ব্যৱস্থা গ্ৰহণৰ বাবে জাৰি কৰা নিৰ্দ্দেশাৱলী নিঃসন্দেহে কৰ্মৰতা নাৰীৰ ওপৰত চলা যৌন নিৰ্যাতনৰ প্ৰতি গুৰুত্বপূৰ্ণ স্বীকৃতি। তৎসত্বেও যৌন নিৰ্যাতন প্ৰতিৰোধ কৰাৰ ক্ষেত্ৰত বহু আসোঁৱাহ থাকি গৈছে।

ভাৰতৰ উচ্চতম ন্যায়ালয়ে ১৯৯৭ চনৰ ১৩ আগষ্টত জাৰি কৰা এই নিৰ্দ্দেশে কেৱল কৰ্মক্ষেত্ৰত নাৰীৰ ওপৰত চলা যৌন নিৰ্যাতনহে সাঙুৰি লৈছে। ভাৰতীয় দণ্ডবিধি আইনত সাধাৰণভাৱে নাৰীৰ ওপৰত চলা যৌন নিৰ্যাতনৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণৰ ক্ষেত্ৰত কেতবোৰ ধাৰা সন্নিৱিষ্ট কৰা হৈছে। সেয়ে কৰ্মক্ষেত্ৰত যৌন নিৰ্যাতন সম্পৰ্কত ভাৰতৰ উচ্চতম ন্যায়ালয়ৰ নিৰ্দ্দেশাৱলী কৰ্মৰতা নাৰীৰ বাবে বিশেষ আৰু অতিৰিক্ত কিছু আইনী ব্যৱস্থা। এই নিৰ্দ্দেশাৱলীৰ ঐতিহাসিক ভিত্তি অৱলোকন কৰিবলৈ হ'লে আমি আজিৰ পৰা প্ৰায় এটা দশকৰো আগলৈ অৰ্থাৎ ১৯৯২ চনলৈ উভতি যাব লাগিব। ১৯৯২ চনত ৰাজস্থানৰ নাৰী উন্নয়ন প্ৰকল্প এটিত কৰ্মৰতা মহিলা বিশাখাক কেইজনমান যুৱকে কৰা দলবদ্ধ ধৰ্ষণৰ গোচৰ সম্পৰ্কত দেশৰ সৰ্বোচ্চ ন্যায়ালয়ত এখন ৰিট আবেদন দাখিল কৰা হয় (Writ petition-criminal Nos. 666-70 of 1992, Dtd. 13.8. 97 Vishakha and others, petitioners Vs State of Rajasthan and others, Respondents.) [ AIR 1997 Supreme Court 3011]

কৰ্মক্ষেত্ৰত নাৰীৰ ওপৰত চলা এনে নিৰ্যাতনে নাৰীৰ মৌলিক অধিকাৰকে নাকচ কৰিছে বুলি উচ্চতম ন্যায়ালয়ে মত প্ৰকাশ কৰিছে। তদুপৰি কৰ্মক্ষেত্ৰত নাৰীয়ে মৰ্যাদা আৰু সন্মানসহ কাম কৰাৰ বাবে পাব লগা উপযুক্ত পৰিৱেশো যৌন নিৰ্যাতনে খৰ্ব কৰে। সেইবাবেই ভাৰতীয় সংবিধানৰ ১৪, ১৯, ২১, ৩২, ১০ আৰু ১৪১ ধাৰাৰ অধীনস্থ লিঙ্গ সমতা, স্বাধীনতা আৰু জীৱন, কোনো বৃত্তি বা ব্যৱসায় চলোৱাৰ অধিকাৰ ভ! কৰাৰ অপৰাধত দোষীক শাস্তি দিয়াৰ নিৰ্দ্দেশ জাৰি কৰা হয়। এই নিৰ্দ্দেশে কৰ্মক্ষেত্ৰত নাৰীয়ে লিঙ্গ সমতাৰে, মানৱীয় মৰ্যাদা সহকাৰে কাম কৰাৰ অধিকাৰ লাভ কৰাৰ সুযোগ দিলে আৰু নাৰী বিৰোধী বৈষম্য নিৰ্মূলকৰণৰ দৰে আন্তঃৰাষ্ট্ৰীয় চুক্তিসমূহৰ প্ৰতিও সন্মান প্ৰদৰ্শন কৰিলে। এই নিৰ্দ্দেশাৱলীত যৌন নিৰ্যাতনক মানৱাধিকাৰ লংঘনৰ বিষয় হিচাবে গণ্য কৰা হৈছে আৰু লি! ভিত্তিক নিৰ্যাতনকো ইয়াৰ অন্তৰ্ভুক্ত কৰা হৈছে। আমাৰ সমাজত লিঙ্গভিত্তিক অসমতা বিৰাজমান বাবেই আজি কৰ্মৰতা নাৰীৰ ওপৰত যৌন নিৰ্যাতন চলিছে বুলি ন্যায়ালয়ে অভিমত দিয়ে। ভাৰতৰ সৰ্বোচ্চ ন্যায়ালয়ে মহিলা কৰ্মীলৈ আগবঢ়োৱা সুৰক্ষাসমূহৰ আধাৰ হ'ল —

উচ্চতম ন্যায়ালয়ে দিয়া ৰায়ৰ পৰা —

**(A) Constitution of India, Arts 14, 19, 21, 32 - sexual harassment of working women- Amounts to violation of rights of**

gender equality and right to life and liberty- Also as a logical consequence amounts to violation of right to practice any profession, occupation or trade- Victim is, therefore entitled to remedy of Art 32 (Para 3).

(B) Constitution of India, Arts, 14, 21, 10- Guarantee of gender equality and right to work with human dignity- Nature and ambit- construction- International conventions and norms can be relied upon. (Para 7, 14, 15).

(C) Constitution of India, Arts. 141, 14, 21- Gender equality and guarantee against sexual harassment and abuse more particularly of working women at work place- Law for effective enforcement absent- S.C. exercise of powers under Art 32 laid down guidelines and norms- to be treated as law declared under Art 141- Applicable to both public & private sector. (Para 16).

উচ্চতম ন্যায়ালয়ৰ নির্দ্দেশাৱলীত এই কথাও মানি লোৱা হৈছে যে কৰ্মক্ষেত্ৰত নাৰী বিৰোধী বৈষম্য আৰু হিংসা বিদ্যমান। মানসিকতাৰ পৰিবৰ্ত্তনৰ মাজেদিয়েই ইয়াৰ সলনি ঘটোৱা সম্ভৱ। কৰ্মক্ষেত্ৰত যৌন নিৰ্যাতনৰ প্ৰতিৰোধ, বিলোপ সাধন আৰু প্ৰয়োজনীয় শাস্তিমূলক ব্যৱস্থা গ্ৰহণ কৰাৰ দায়িত্ব থাকিব কৰ্ত্তৃপক্ষৰ ওপৰত। পূৰ্বতে কৰ্মক্ষেত্ৰত যৌন নিৰ্যাতনৰ বিষয়টো স্পষ্ট আৰু নিৰ্দ্দিষ্ট সংজ্ঞা নথকাৰ বাবে জটিল ব্যাখ্যাৰ সুৰুঙা থাকি গৈছিল। তাৰ তুলনাত উচ্চতম ন্যায়ালয়ৰ এই নিৰ্দ্দেশাৱলী নিঃসন্দেহে কিছু অগ্ৰগতিৰ প্ৰকাশ।

যৌন নিৰ্যাতনৰ সংজ্ঞাবদ্ধ আচৰণ বিধিসমূহ হ'ল – (ক) ইভ টিজিং, (খ) ঘৃণনীয় মন্তব্য, (গ) লঘূ আচৰণ বা বিৰক্তিকৰ কথা-বতৰা, (ঘ) শ্লেষপূৰ্ণ মন্তব্য, উপহাস বা ঘৃণাসূচক মন্তব্য, (ঙ) লি !ভিত্তিক উপলুঙা বা যৌনাত্মক মন্তব্য, (চ) টেলিফোনত অপ্ৰত্যাশিতভাৱে পোৱা যৌন আবেদনমূলক কণ্ঠ, (ছ) নাৰী দেহৰ যি কোনো অংশ স্পৰ্শ কৰা বা মোহাৰি দিয়া, গাত ঢকা মাৰি কথা কোৱা, (জ) অশ্লীল বা মৰ্যাদা হানিকৰ ফ'টো প্ৰদৰ্শন, ব্যঙ্গাত্মক ছবি প্ৰদৰ্শন, যৌনগন্ধী পুস্তিকা বিতৰণ, (ঝ) বলপূৰ্বকভাৱে অমাৰ্জিত শাৰীৰিক সম্পৰ্ক স্থাপন কৰা, (ঞ) এজনৰ ইচ্ছাৰ বিৰুদ্ধে শাৰীৰিক সম্পৰ্ক স্থাপন আৰু আনৰ গোপনীয়তা ভঙ্গ কৰিব পৰা ধৰণৰ কাম।

ইয়াৰ বাদেও মহিলা কৰ্মচাৰীৰ প্ৰতি কৰা অশ্লীল ভাষা প্ৰয়োগ বা অশুভ ইংগিতপূৰ্ণ মন্তব্যও যৌন নিৰ্যাতনৰ আচৰণ বিধিৰ অন্তৰ্গত। তদুপৰি কৰ্মক্ষেত্ৰত এগৰাকী নাৰীক কোনো পুৰুষ সহকৰ্মীয়ে ৰাজহুৱাকৈ উশৃংখলভাৱে চিএঁৰি-বাখৰি কথা কোৱাটোও যৌননিৰ্যাতনৰ আচৰণ বিধিৰ ভিতৰতে পৰে। সেইদৰে কাৰ্যালয়ৰ মুৰব্বী

Paschim Gu... ACC No- Date



বিষয়াৰ আচৰণ ভাবুকিসুলভ হ'ব নোৱাৰিব, যাৰ ফলত মহিলা কৰ্মচাৰীৰ কামৰ পৰিৱেশ প্ৰদূষিত হ'ব পাৰে। কাম, ছুটী, স্বাস্থ্য আৰু সুস্থ পৰিৱেশত কাম কৰাৰ ক্ষেত্ৰত উপযুক্ত পৰিৱেশ বিভাগীয় কৰ্ত্তৃপক্ষই মহিলা কৰ্মচাৰীক প্ৰদান কৰিব লাগিব। কৰ্মক্ষেত্ৰত নাৰীক যৌন বিষয় হিচাবে গণ্য কৰিব নোৱাৰিব। উচ্চতম ন্যায়ালয়ৰ এই নিৰ্দ্দেশাৱলীক ১৯৪৬ চনৰ শিল্প নিয়োগ আইনৰ অধীনস্থ কৰা হৈছে, যাতে সকলো ব্যক্তিগত মালিকনাধীন বেচৰকাৰী প্ৰতিষ্ঠানসমূহতো সেই নিৰ্দেশ প্ৰযোজ্য হয়।

অভিযোগ শুনানী কমিটি ঃ

(১) এই নিৰ্দেশাৱলীমতে প্ৰতিটো চৰকাৰী-বেচৰকাৰী প্ৰতিষ্ঠানত গঠন কৰা অভিযোগ শুনানী কমিটিত ৫০ শতাংশ বা ততোধিক মহিলা সদস্যা থাকিব লাগিব। তদুপৰি কমিটিৰ অধ্যক্ষাগৰাকী মহিলা হ'বই লাগিব।

(২) তৃতীয়পক্ষ হিচাবে নিৰ্যাতিতা নাৰীৰ পক্ষত দীৰ্ঘদিন ধৰি কাম কৰি অহা যিকোনো বেচৰকাৰী মহিলা সংগঠনৰ প্ৰতিনিধিক অন্তৰ্ভুক্ত কৰিব লাগিব।

(৩) সম্পূৰ্ণ গোপনীয়তা ৰক্ষা কৰি নিৰ্দিষ্ট সময়সীমাৰ ভিতৰত ঘটনাৰ তদন্ত কৰিবলৈ কমিটি বাধ্য থাকিব। নিৰ্যাতিতাই তেওঁৰ ওপৰত সংঘটিত হোৱা নিৰ্যাতনৰ অভিযোগ পত্ৰ ১৫ দিনৰ ভিতৰত অভিযোগ শুনানী কমিটিলৈ প্ৰেৰণ কৰিব লাগিব।

(৪) প্ৰাসংগিক চৰকাৰী বিভাগক সময় মতে কমিটিয়ে বাৰ্ষিক প্ৰতিবেদন দাখিল কৰিব লাগিব।

যৌন নিৰ্যাতনকাৰীৰ বিৰুদ্ধে শাস্তি ঃ

(১) যিবিলাক অপৰাধ ভাৰতীয় ফৌজদাৰী দণ্ডবিধিৰ অধীনত পৰে, তেনে অপৰাধৰ ক্ষেত্ৰত যাৱতীয় আইনী ব্যৱস্থা গ্ৰহণ কৰিবলৈ কৰ্ত্তৃপক্ষ বাধ্য থাকিব।

(২) অভিযোগৰ শুনানী বা দাখিলৰ সময়ত অভিযোগকাৰী বা প্ৰত্যক্ষদৰ্শীৰ ওপৰত যাতে কোনো ধৰণৰ চাপ সৃষ্টি নহয় তাঁৰ ব্যৱস্থা গ্ৰহণ কৰিব লাগিব।

(৩) যৌন নিৰ্যাতনৰ বলি হোৱা কোনো নাৰীকৰ্মীয়ে প্ৰয়োজন হ'লে নিজৰ বা দোষী ব্যক্তিৰ বদলিৰ বাবে আবেদন কৰিব পাৰিব।

(৪) অভিযোগ শুনানী কমিটিৰ পৰা পোৱা তদন্তৰ প্ৰতিবেদনৰ ভিত্তিত বিভাগীয় চাকৰিবিধি অনুসৰি কৰ্ত্তৃপক্ষই অপৰাধীৰ ওপৰত শাস্তিমূলক ব্যৱস্থা গ্ৰহণ কৰিবলৈ বাধ্য থাকিব।

উচ্চতম ন্যায়ালয়ৰ এই নিৰ্দ্দেশাৱলীত এটা কথা বাৰে বাৰে উনুকিয়াই দিয়া হৈছে যে, কৰ্মক্ষেত্ৰত নাৰীৰ প্ৰতি বৈষম্য মূলক দৃষ্টিভঙ্গী পোষণ কৰি নাৰীক যৌন সম্পৰ্কিত বিষয় হিচাবে গণ্য কৰিব নোৱাৰিব।

নিঃসন্দেহে উচ্চতম ন্যায়ালয়ৰ এই নিষেধাজ্ঞা বলবৎ হ'লে নাৰী কৰ্মীসকলে

কিছু হ'লেও সকাহ পাব। কিন্তু বিচাৰৰ বেলিকা অভিযোগ শুনানী কমিটিৰ নিৰপেক্ষ ভূমিকা থাকিবই লাগিব। কমিটিৰ অধ্যক্ষাকে ধৰি অৰ্দ্ধাংশ মহিলা সদস্যাৰ দৃষ্টিভংগী যদি মানৱীয় আৰু নিৰপেক্ষ নহয় তেনেহ'লে এনে নিৰ্দ্দেশাৱলীয়ে নাৰীক কেতিয়াও সুৰক্ষা দিব নোৱাৰে। কিয়নো এনেবোৰ ঘটনাৰ প্ৰত্যক্ষদৰ্শী হাজিৰ কৰা বা চাক্ষুষ প্ৰমাণ দিয়াটো মুঠেই সহজ কথা নহয়। আনহাতেদি, যৌন নিৰ্যাতনকাৰীয়ে সাক্ষী ৰাখি যৌন নিৰ্যাতন চলাই হাতৰ কুঠাৰ ভৰিত মৰাৰ দৰে কাম নকৰে। সেয়ে নিৰ্যাতিতাৰ অভিযোগৰ ওপৰত বিশেষ গুৰুত্ব দি বিচাৰ পদ্ধতি আগুৱাব লাগিব। তদুপৰি প্ৰত্যক্ষদৰ্শী বা পৰিস্থিতিগত তথ্যৰ ওপৰত ভিত্তি কৰি সাক্ষী দিওঁতাসকলে এজন পুৰুষ সহকৰ্মী বা বিভাগীয় মুৰব্বীৰ বিৰুদ্ধে সাক্ষী দি খালৰ কচু গাত ঘঁহি ল'ব নোখোজে। কাৰণ তেনে কৰিলে বিভাগীয় মুৰব্বীৰ পৰা দীৰ্ঘদিন ধৰি পাই অহা অনুগ্ৰহজনিত সা-সুবিধাবোৰ হেৰুৱাব লাগিব। বহু ক্ষেত্ৰত অপৰাধীৰ বিৰুদ্ধে পুৰুষতান্ত্ৰিক মানসিকতাৰ বাবে কোনো পুৰুষে সাক্ষ্য দিবলৈ আগবাঢ়ি নাহে। সেইদৰে প্ৰতিষ্ঠান বা কাৰ্যালয়ৰ মুৰব্বীয়ে নিজেই অভিযোগ শুনানী কমিটিবোৰ গঠন কৰি দিয়াৰ বাবে কমিটিৰ অধ্যক্ষাকে ধৰি সদস্যসকলে মুৰব্বীৰ বিৰুদ্ধে বা মুৰব্বীৰ অধীনস্থ বিষয়াসকলৰ বিৰুদ্ধে মাত মাতিবলৈ সাহস নকৰে।

এইক্ষেত্ৰত কৰ্তৃত্বশীল মহিলা বিষয়া তথা সদস্যসকলৰো নাৰীৰ প্ৰতি দৃষ্টিভংগী সলনি হোৱা দৰ্কাৰ। উচ্চতম ন্যায়ালয়ৰ এই নিৰ্দ্দেশাৱলীত কিছু অস্পষ্টতা থাকি যোৱাৰ ফলত বিভাগীয় কৰ্তৃপক্ষ বা অভিযোগ শুনানী কমিটিয়েও কিছু সুযোগ লোৱাৰ সুবিধা গ্ৰহণ কৰিব পাৰে। অভিযোগকাৰিণীক বিপথে পৰিচালিত কৰি বিভ্ৰান্তিত পেলোৱাৰ অভিযোগত শুনানীকমিটিৰ অপৰাধ বুলি গণ্য কৰাৰো ব্যৱস্থা থাকিব লাগিছিল। এনে কামৰ বাবে কমিটিৰ দায়িত্বশীল সদস্যা তথা অধ্যক্ষাৰ ওপৰত শাস্তিমূলক ব্যৱস্থা গ্ৰহণ কৰাৰ প্ৰক্ৰিয়াৰ থকাও জৰুৰী আছিল। কাৰ্যালয় বা প্ৰতিষ্ঠানসমূহত গঠন কৰা অভিযোগ শুনানীকমিটিখন কাৰ ওচৰত দায়বদ্ধ থাকিব তাৰ কোনো উল্লেখ নাই। কমিটিখনৰ সদস্যসকলৰ দায়িত্ব আৰু আচৰণবিধি সম্পৰ্কে বিশেষ কোনো মন্তব্য নিৰ্দ্দেশাৱলীত উল্লেখ নথকাৰ বাবে কমিটিয়ে নিজৰ খেয়াল খুচীমতে কাম কৰিব পাৰে, যাৰ ফলত নিৰ্যাতিতাই সুৰক্ষা পাবলৈ সক্ষম নহ'বও পাৰে। সেয়ে কমিটিৰ দায়িত্ব আৰু আচৰণবিধি সম্পৰ্কে ৰাজহুৱাকৈ জাননী জাৰি কৰা উচিত।

উচ্চতম ন্যায়ালয়ৰ এই নিৰ্দ্দেশাৱলী দেশৰ চৰকাৰী আৰু বেচৰকাৰী প্ৰতিষ্ঠান, কাৰ্য্যালয়ত যথাযথভাৱে কাৰ্যকৰী কৰা উচিত। ইতিমধ্যে চৰকাৰী উদ্যোগত ৰাজ্যিক তথা জিলা পৰ্যায়ত যিবোৰ যৌন-নিৰ্যাতন প্ৰতিৰোধ কোষ গঠন কৰা হৈছে। সেই কোষবোৰে কমিটিসমূহ নিয়মমতে গঠন কৰা হৈছেনে নাই তদাৰক কৰা উচিত। এনে নিৰ্দ্দেশাৱলীৰ প্ৰতিলিপি পোৱাৰ লগে লগে বিভাগীয় মুৰব্বীয়ে কমিটি গঠনত উদ্যোগ লোৱাৰ উপৰিও নিৰ্দ্দেশাৱলীত অন্তৰ্ভুক্ত যৌন নিৰ্যাতনৰ আচৰণ বিধি ৰাজহুৱা জাননীৰ



জৰিয়তে অৱগত কৰাটো নিয়ম। তদুপৰি বিষয়া-কৰ্মচাৰীসকলৰ বিভিন্ন সভা-সমিতিতো এই বিষয়ত আলাপ-আলোচনা কৰাটো বাধ্যতামূলক। বিভিন্ন চেমিনাৰ-সভা আদি অনুষ্ঠিত কৰি এই বিষয়ে পুৰুষ-মহিলা নিৰ্বিশেষে সকলো কৰ্মচাৰী-বিষয়াকে অৱগত কৰা জৰুৰী। কিন্তু এই বিষয়ত কৰ্তৃপক্ষই কিমানদূৰ ফলপ্ৰসূ আৰু কাৰ্যকৰী ভূমিকা গ্ৰহণ কৰিব সেয়া সন্দেহৰ বিষয়। এই নিৰ্দ্দেশাৱলীৰ ভিত্তিত কৰ্মচাৰীসকলে তেওঁলোকৰ ইউনিয়নৰ সভাত যৌন নিৰ্যাতন সম্পৰ্কে দাবী তুলিব পাৰিব। উচ্চতম ন্যায়ালয়ৰ এই নিৰ্দ্দেশাৱলীৰ ভিত্তিত প্ৰতিখন ৰাজ্য চৰকাৰে তাৎক্ষণিকভাৱে ব্যৱস্থা গ্ৰহণ কৰাটো জৰুৰী। কিন্তু আশ্চৰ্যকৰ বিষয় যে, অসমত ইয়াৰ কাৰ্যকাৰিতা বহু পলমকৈহে উপলব্ধি হয়। ১৯৯৭ চনতে দেশৰ সৰ্বোচ্চ ন্যায়ালয়ে এই নিৰ্দ্দেশ জাৰি কৰাৰ পিচতো যোৱা ৬টা বছৰে অসম চৰকাৰে এইক্ষেত্ৰত কোনো ব্যৱস্থা গ্ৰহণ কৰা পৰিলক্ষিত নহ'ল। শেহতীয়াকৈ যোৱা ২৪ চেপ্টেম্বৰ ২০০৩ তাৰিখে গুৱাহাটী উচ্চ ন্যায়ালয়ৰ পৰা কৈফিয়ৎ তলবৰ জাননী পোৱাৰ পিচতহে গা লৰিল। এই উদ্দেশ্যে যোৱা ১৭ অক্টোবৰ তাৰিখে অসম চৰকাৰে ৰাজ্যিক মহিলা আয়োগৰ আৰ্হিত ৰাজ্যিক যৌন নিৰ্যাতন প্ৰতিৰোধ সমিতি গঠন কৰি বিভিন্ন বিভাগত এনে সমিতি গঠন কৰিবলৈ নিৰ্দ্দেশ জাৰি কৰিছে। লগতে বিভিন্ন জিলাসমূহতো ৰাজ্যিক যৌন নিৰ্যাতন প্ৰতিৰোধ সমিতিৰ আৰ্হিত জিলা সমিতি গঠনৰ উদ্যোগ গ্ৰহণ কৰিছে। বহু বিভাগত বিভাগীয় পুৰুষ মুৰব্বী সকলে এই ক্ষেত্ৰত যথেষ্ট বাধা প্ৰদান কৰিছে বুলি জানিব পৰা গৈছে। চৰকাৰৰ এনে পুলুকা মৰা আওকণীয়া মনোভাৱ আদালতৰ নিৰ্দ্দেশৰ প্ৰতি অৱমাননা আৰু নাৰীবিৰোধী চিন্তাৰ নামান্তৰ মাথোন। আনহাতেদি চৰকাৰৰ বিভিন্ন আয়ুক্ত আৰু মহিলা আয়োগৰ সদস্যা সচিবক লৈ যিখন ৰাজ্যিক যৌন নিৰ্যাতন প্ৰতিৰোধ সমিতি গঠন কৰা হৈছে তাৰ গঠন প্ৰণালীও গণতান্ত্ৰিক নহয়। এই কমিটিত দীৰ্ঘদিন ধৰি নিৰ্যাতিতা নাৰীৰ পক্ষত কাম কৰি অহা মহিলা সংগঠনৰ কোনো প্ৰতিনিধিক অন্তৰ্ভুক্ত কৰা হোৱা নাই বুলি জনা গৈছে।

কৰ্মক্ষেত্ৰত নাৰীৰ ওপৰত চলা যৌন-নিৰ্যাতন সম্পৰ্কত একাংশ পুৰুষ আৰু মহিলাই নিৰ্যাতনকাৰীৰ পক্ষত আসে মতা দেখা যায়। তেওঁলোকে ক'ব খোজে যে যৌন নিৰ্যাতনৰ জাল পাতি উন্নত দেশৰ বহু নাৰী কৰ্মচাৰীয়ে অভিযুক্তৰ পৰা ক্ষতিপূৰণ আদায় কৰাৰ ই এক কৌশল। সংশ্লিষ্ট পক্ষই দাঙি ধৰা এনে উদাহৰণে আমাৰ দৰে পুৰুষতান্ত্ৰিক সমাজত এক বিভ্ৰান্তিকৰ বাতাবৰণৰ সৃষ্টি কৰিব পাৰে। এনে উদাহৰণৰ প্ৰৱক্তাসকলে এই কথা নিশ্চয় অৱগত নোহোৱাকৈ থকা নাই যে, ভাৰতবৰ্ষ সেই দেশবোৰৰ দৰে উন্নত পুঁজিবাদী ৰাষ্ট্ৰ নহয়। এই দেশত নাৰী এতিয়াও কৌটিকলীয়া সামন্তীয় ৰীতি-নীতিৰ বলি হৈয়েই আছে। এনে এক কটকটীয়া পিতৃতান্ত্ৰিক বান্ধোনৰ মাজত নাৰীয়ে চলাই-ভুলাই পুৰুষক যৌন নিৰ্যাতনৰ বলি কৰাবলৈ সুযোগেইবা পাব কেনেকৈ? সমাজৰ গৰিষ্ঠ সংখ্যক কৰ্মচাৰী মহিলাৰ ওপৰত বিভাগীয় পুৰুষ কৰ্মচাৰী

বা মুৰব্বীৰদ্বাৰা যৌন নিৰ্যাতন চলে বাবেই আজি এনে এখন আইনৰ প্ৰয়োজনীয়তা আহি পৰিছে। তদুপৰি আমাৰ দেশত পুৰুষৰদ্বাৰা তৈয়াৰ কৰা আইনে অপৰাধীক কঠোৰ শাস্তি বিহাৰ সলনি দোষীক অপৰাধমুক্ত কৰাৰ সংখ্যাই সৰ্বাধিক। তেনে পৰিস্থিতিত নিৰ্যাতিতাই অভিযুক্তক যৌন নিৰ্যাতনৰ পাকচক্ৰত পেলাই সুবিধা আদায় কৰিব পৰাটো সতকাই সাধাৰণ ঘটনাত পৰিণত হোৱাৰ সম্ভাৱনা নাই। তৎসত্বেও 'সাৱধানীৰ মৰণ নাই' বুলি কোৱা কথাষাৰত বিশ্বাস ৰখাত নিশ্চয় কাৰো আপত্তি নেথাকিব।

কৰ্মচাৰী বা বিষয়া নাৰীৰ ওপৰত চলা যৌন নিৰ্যাতনে যদি বাতৰি কাকতৰ দৰে প্ৰচাৰ মাধ্যমৰ শিৰোনামা দখল কৰে তেনে ক্ষেত্ৰত নিৰ্যাতিতা নাৰী গৰাকীৰ পূৰ্বৰ চৰিত্ৰক লৈ প্ৰতিপক্ষই কুৎসা ৰটনাত প্ৰবৃত্ত হোৱা পৰিলক্ষিত হয়। অভিযুক্তই মনে সজা কিছুমান অভিযোগ উত্থাপন কৰি নিৰ্যাতিতাক জন মানসত চৰিত্ৰহীনা সজাবলৈ ছলে-বলে গোপন ষড়যন্ত্ৰত লিপ্ত হোৱা দেখা যায়। অভিযুক্তই গ্ৰহণ কৰা এনে কৌশলৰ অন্তৰ্নিহিত অৰ্থ হ'ল, সংশ্লিষ্ট বিচাৰৰ ৰায় নিজৰ পক্ষত হস্তগত কৰা। এনে চক্ৰান্তকাৰী পুৰুষৰ জালত পৰিলে কৰ্মৰতা নাৰী সহজে সাৰি যোৱা টান। যৌন নিৰ্যাতনকাৰী যদি প্ৰতিষ্ঠিত আৰু প্ৰভাৱশালী ব্যক্তি হয় তেনেহ'লেতো কথাই নাই।

কৰ্মক্ষেত্ৰত নাৰীৰ ওপৰত যৌন নিৰ্যাতনৰ অভিযোগ উঠাৰ লগে লগে নাৰী গৰাকীক বদনামী কৰিব খোজা একাংশ পুৰুষ তথা মহিলাই এই কথা বিচাৰ কৰি নেচায় যে কোনো মহিলাই আমাৰ সমাজত মিছা অভিযোগ উপস্থাপন কৰি নিজকে সমাজত বদনামী কৰিবলৈ সাহস নকৰে। বৰঞ্চ সমাজত নাৰীৰ স্থান নিম্নগামী হোৱাৰ ভয়ত বহু কৰ্মৰতা নাৰীয়ে সঁচা ঘটনাকো সমাজৰ আঁৰ কৰিবহে খোজে। অৱশ্যে আঙুলিৰ মূৰত লেখিব পৰা অংশৰ কথা বেলেগ। সুখৰ বিষয় যে সেই অংশৰ ঘটনাবোৰ আজি আমাৰ সমাজত সাধাৰণ ঘটনাত পৰিণত হোৱা নাই। নাৰীৰ বিৰুদ্ধে উত্থাপিত এই অভিযোগবোৰৰ অন্তৰ্নিহিত স্বাৰ্থ হ'ল পিতৃতান্ত্ৰিক শাসন আৰু লি !ভিত্তিক শোষণ অব্যাহত ৰখা।

❀❀❀

# বিজ্ঞাপনত নাৰী ঃ কলংক নে গৌৰৱ

সাম্প্ৰতিক কালত বিশ্বায়ন ব্যৱস্থাই সবাতোকৈ বেছিকৈ প্ৰভাৱিত কৰা সামাজিক বৰ্গই হৈছে নাৰী সমাজ। বিশ্বায়নে আজি অত্যাধুনিক প্ৰযুক্তিৰ সহায়ত আমেৰিকা যুক্তৰাষ্ট্ৰৰ প্ৰাধান্যকামী একমেৰুবিশিষ্ট বিশ্ব-ব্যৱস্থা গঢ় দিয়াৰ স্বাৰ্থত তৃতীয় বিশ্বৰ দুখীয়া ৰাষ্ট্ৰসমূহৰ ৰাজনৈতিক, অৰ্থনৈতিক আৰু সামাজিক-সাংস্কৃতিক স্বাধীনতা হৰণ কৰি মাৰ্কিন সাম্ৰাজ্যবাদৰ একাধিপত্য জাপি দিছে। বিশ্ববেংক, বিশ্ব বাণিজ্য সংস্থা, আন্তৰ্জাতিক মুদ্ৰানিধিকে ধৰি বিশ্বৰ অৰ্থনৈতিক তথা বাণিজ্যিক প্ৰতিষ্ঠানসমূহ আৰু ৰাষ্ট্ৰসংঘৰ দৰে কল্যাণকামী সংস্থাসমূহকো আমেৰিকাই নিজৰ কবলত ৰখাৰ প্ৰয়াস কৰিছে। তৃতীয় বিশ্বৰ দেশসমূহত জাপি দিয়া মুক্ত অৰ্থনীতি আৰু মুক্ত বাণিজ্য-নীতিয়ে সেই দেশসমূহৰ অৰ্থনৈতিক সাৰ্বভৌমত্ব খৰ্ব কৰিছে আৰু সংশ্লিষ্ট দেশৰ অৰ্থনীতি বিপৰ্যস্ত কৰি তুলিছে। উদ্যোগ-প্ৰতিষ্ঠানবোৰ বন্ধ হৈ যোৱাত লাখ লাখ নিবনুৱাৰ সৃষ্টি হৈছে। এইসকল নিবনুৱাৰ ভিতৰত আছে সমাজৰ সবাতোকৈ অৱহেলিত-নিষ্পেষিত নাৰী সমাজ। নিৰ্দিষ্টভাৱে অসম তথা ভাৰতৰ আৰ্থ-সামাজিক আৰু ৰাজনৈতিক পটভূমিত আলোচনা কৰিলে দেখা যায় যে, আমাৰ দেশৰ অৰ্দ্ধ-সামন্ততান্ত্ৰিক আৰু অৰ্দ্ধ-পুঁজিবাদী সমাজ ব্যৱস্থাত দেশৰ অৰ্থনীতিৰ উদাৰীকৰণৰ ফলত তেওঁলোকৰ অৱস্থা পানীত হাঁহ নচৰাৰ দৰে হ'ল। দেশৰ প্ৰায়বোৰ কল-কাৰখানা, উদ্যোগ আদি ব্যক্তিগত খণ্ডলৈ নিয়াৰ ফলত ক্ৰমাগত বহিঃগামী নাৰী সমাজ বান্ধনি ঘৰৰ ভিতৰলৈ সোমাই যাব লগা হ'ল। 'শাৰীৰিক শক্তিত নাৰী পুৰুষৰ সমকক্ষ নহয়' বুলি থকা সামন্তীয় ধাৰণা আৰু 'সকলো কাম যিকোনো সময়তে নাৰীয়ে কৰিব নোৱাৰা'ৰ দৰে তুলুঙা যুক্তিৰ অজুহাততে সামাজিক উৎপাদন ব্যৱস্থাত যুক্ত হোৱা নাৰী সমাজক এনেদৰে বিতাড়িত কৰা হ'ল। ব্যক্তিগতকৰণৰ মূলনীতি--কৰ্ম সংকোচনে নাৰীক আন এখন জগতত কৰ্মসংস্থানৰ সন্ধান দিবলৈ ধৰিলে, যিখন জগতত এচাম উচ্চ মধ্যবিত্ত তথা মধ্যবিত্ত পৰিয়ালৰ যুৱতী, কিশোৰী আৰু মহিলাই নিজৰ দেহৰ লোভনীয় অঙ্গ-প্ৰত্যঙ্গসমূহ প্ৰদৰ্শন কৰি অৰ্থ-সংগ্ৰহ কৰিব পাৰে। এই জগত হ'ল-- ছপা, দূৰদৰ্শনৰ দৰে বিভিন্ন প্ৰচাৰ মাধ্যম।

বিদেশী পুঁজিৰ আগমনৰ লগে লগে বিদেশী অপসংস্কৃতিৰো আমদানি হ'বলৈ ধৰিলে। টেলিভিশ্বন, চিনেমাৰ দৰে প্ৰচাৰ মাধ্যম, বাতৰি কাকতৰ দৰে জনপ্ৰিয় ছপা মাধ্যমত বিদেশী সামগ্ৰীৰ বিক্ৰী বঢ়োৱাৰ বাবে নাৰী দেহ বেচা-কিনাৰ আখৰা চলিল। যৌনগন্ধী আলোচনী, কিতাপ, নাৰীৰ নগ্নদেহ প্ৰদৰ্শিত ব্লু-ফিল্ম আদিৰে বজাৰ ভৰি পৰিল। এমৰে, অৰিফ্লেম আদি বহুজাতিক কোম্পানীৰদ্বাৰা উৎপাদিত প্ৰসাধন

সামগ্ৰীবোৰে বজাৰ দখলৰ প্ৰতিযোগিতাত নাৰীদেহৰ নগ্ন বিজ্ঞাপনক উৎকৃষ্ট মাধ্যম হিচাপে ব্যৱহাৰ কৰি ক্ৰেতাৰ মন জয় কৰিবলৈ তীব্ৰ প্ৰতিদ্বন্দ্বিতা চলালে। সুন্দৰী প্ৰতিযোগিতা, মডেলিং আদিৰ মাৰফৎ নাৰীক অধিক পণ্য কৰি তোলা আজিৰ পৰিস্থিতিত নাৰীদেহক পণ্য কৰিব পৰা উক্ত ব্যৱস্থাসমূহক আনুষ্ঠানিক স্বীকৃতি প্ৰদান কৰা হ'ল। সেইবাবেই আজি উচ্চ মধ্যবিত্ত পৰিয়ালৰ বহু নাৰীয়ে মডেলিঙক বৃত্তি হিচাপে গ্ৰহণ কৰিবলৈ আগবাঢ়ি আহিছে। সুন্দৰী প্ৰতিযোগিতাৰ দৰে নাৰীদেহৰ নগ্নতা প্ৰদৰ্শনৰ প্ৰতিযোগিতা আন্তঃৰাষ্ট্ৰীয় স্তৰৰ পৰা বিদ্যালয়, মহাবিদ্যালয় আৰু বিভিন্ন ক্লাব, সংঘ আদিলৈও বিয়পি পৰা দেখা গৈছে। আজিকালি বিভিন্ন ধৰণৰ প্ৰসাধন সামগ্ৰী; টি.ভি, গাড়ী, ফ্ৰিজ আদিৰ দৰে বিলাসী সামগ্ৰীৰ কাষত এগৰাকী অৰ্দ্ধ নগ্ন (প্ৰায় উলংগ) নাৰীৰ বিজ্ঞাপন দি সেই কোম্পানীসমূহে তেওঁলোকৰ কোম্পানীৰ উৎপাদিত সামগ্ৰী বিক্ৰী কৰাৰ বাবে ক্ৰেতাৰ মনোযোগ আকৰ্ষণ কৰিব বিচাৰে। আনহাতে এজন পুৰুষৰ ক্ষেত্ৰত কিন্তু তাৰ ব্যতিক্ৰম দেখা যায়। অৰ্থাৎ পুৰুষজনক চুট-টাই পৰিহিত এক মাৰ্জিত ৰুচিবোধেৰে প্ৰদৰ্শন কৰা হয় যাতে দেখিলেই তেনে পুৰুষৰ প্ৰতি দৰ্শকৰ শ্ৰদ্ধা বাঢ়ে। আনহাতে এই বিজ্ঞাপনসমূহ টেলিভিছন বা চিনেমা আদিত এনেদৰে প্ৰক্ষেপণ কৰা হয় যাতে সেই সময়ত খেল, চিনেমাৰ দৰে জনপ্ৰিয় আৰু আমোদজনক কাৰ্যসূচী উপভোগ কৰি থকা বিশ্বৰ লাখ লাখ মানুহৰ মন আকৰ্ষিত কৰিব পাৰে।

ভেংগাবয়জ, ৰেইনবো আদি গ্ৰুপবোৰেও নৃত্যৰদ্বাৰা নাৰীদেহৰ লোভনীয় অংশসমূহ প্ৰদৰ্শন কৰি পুৰুষৰ মানসিক জগত যৌন-লালসাৰে উদ্বাউল কৰি তুলিছে। বিজ্ঞাপনত প্ৰক্ষেপিত নগ্নদেহৰ নাৰীগৰাকীয়ে পৰিধান কৰা সামান্য পোছাক-পৰিচ্ছদখিনি এনে কৌশলেৰে তৈয়াৰী যাতে দৰ্শকে নাৰীগৰাকীৰ দেহৰ ৰূপ-লাৱণ্য, মাদকতা সেই পোছাকৰ মাজেদি বাধাহীনভাৱে উপভোগ কৰিব পাৰে। কিছুদিনৰ আগতে গুৱাহাটী মহানগৰীৰ মাজমজিয়াত সচেতন ডাক্তৰসকলৰ এটি সংগঠনে, 'ভিভা পপ চংগ' নামৰ অসমৰ বাহিৰৰ এটি নাৰী গ্ৰুপক গীত পৰিৱেশন কৰিবলৈ নিমন্ত্ৰণ জনাইছিল। সেই গ্ৰুপৰ গীত মাত ইমানেই আকাশ-বতাহ নিনাদি যোৱা আস্ফালনকাৰী আছিল যে, সেই গীতে গুৱাহাটী মেডিকেল কলেজৰ বহু ৰোগীৰ নিদ্ৰাভঙ্গ কৰিলে বুলি খবৰ কাকতৰ বাতৰিত প্ৰকাশ। আনহাতে তেওঁলোকে পৰিধান কৰা যৌন উদ্দীপক সাজপোছাকে মহানগৰীৰ উচ্চ মধ্যবিত্ত পৰিয়ালৰ নাৰীক তেনে পোছাকৰ প্ৰতি ব্যাকুল কৰি থৈ গ'ল।

আজিকালি আৰু এটা কথা সঘনে শুনা যায় যে— 'অমুক চিনেমাখন বৰ মাৰ্জিত'। তাৰ অৰ্থ হ'ল চিনেমাখনৰ নায়িকা আৰু পাৰ্শ্ব নায়িকসকলৰ সাজ-পোছাক মাৰ্জিত ৰুচিবোধৰ। পিছে প্ৰকৃততে কথাটো তেনে নহয়। কিয়নো অপলক দৃষ্টিৰে চিনেমা উপভোগ কৰি থকা দৰ্শকৰ ওচৰতো যে কোনো এক মুহূৰ্ত্তত আবুৰকৈ



কাপোৰ পিন্ধা অভিনেত্ৰীসকলক কেমেৰাৰে উলংগ কৰি দেখুওৱা হয় তাৰ প্ৰতি দৰ্শকৰ কোনো ভ্ৰূক্ষেপেই নাথাকে। আজিকালি এই কাৰ্য চিনেমা, চিৰিয়েল, বিজ্ঞাপন আদিৰ নিৰ্মাতাসকলৰ বাবেও এক ধাৰা বা কৌশল হিচাপে পৰিগণিত হৈ পৰিছে।

সেই দৰে কিতাপ, বিভিন্ন আলোচনী, বিশেষকৈ মহিলা সম্পৰ্কীয় আলোচনীসমূহৰ নগ্ন দেহৰ এগৰাকী নাৰীক যৌন উদ্দীপক ভঙ্গীত প্ৰচ্ছদ নিবন্ধ, বেটুপাতকে ধৰি বিভিন্ন শিতানত উপস্থাপন কৰা কাৰ্যই নাৰীদেহক পণ্যৰ পৰা অধিক সহজ পণ্যত পৰিণত কৰি তোলা নাইনে? কিতাপ, আলোচনীত নাৰীদেহৰ প্ৰতিটো যৌন অংগৰ বিকৃত বৰ্ণনাই ভোগপণ্যবাদ তথা যৌন সম্ভোগৰ প্ৰতি মানুহৰ মনোযোগ অধিক আকৰ্ষিত কৰা নাইনে? বাতৰি কাকতৰ দৰে জনপ্ৰিয় প্ৰচাৰ মাধ্যমতো তেনে বিজ্ঞাপনৰ লেখ-জোখ নাই। যৌনতাবৰ্দ্ধক আয়ুৰ্বেদিক ঔষধৰ পৰা, গৰ্ভনিৰোধক ঔষধলৈকে — সকলোতে উক্ত কোম্পানীসমূহে এগৰাকী নগ্নদেহৰ নাৰীক বিজ্ঞাপনৰ আহিলা হিচাপে বিভিন্ন প্ৰচাৰ মাধ্যমত সদায় প্ৰদৰ্শন কৰি আহিছে। ৰাস্তা, ৰেষ্টুৰা, গছ, বিল্ডিং আদি সকলোতে উলংগ নাৰীদেহৰ ছবি দেখিবলৈ পোৱাটো আজিকালি সাধাৰণ কথা। ব্লু-ফিল্মত নগ্ন দেহ প্ৰদৰ্শন কৰাৰ বাবে গাঁৱৰ বহু হোজা-সৰলমতীয়া ছোৱালীক অৰ্থৰ লোভ দেখুৱাই অসৎ ব্যৱসায়ীয়ে ব্যৱহাৰ কৰাটো আন এক গুৰুত্বপূৰ্ণ বিষয়। অলপতে লণ্ডনত বিশ্বসুন্দৰী প্ৰতিযোগিতা অনুষ্ঠিত হৈ যায়। তুৰস্কৰ আজাৰ একিনেই যোৱা বছৰৰ নাইজেৰিয়াৰ বিশ্বসুন্দৰীৰ পৰা এইবাৰৰ বিশ্ব খিতাপ কাঢ়ি আনিলে। সেইদৰে ভাৰতৰ দৰে তৃতীয় বিশ্বৰ দেশৰ পৰা ঐশ্বৰ্য ৰায়, সুস্মিতা সেনৰ দৰে নাৰীয়ে বিশ্ব সুন্দৰীৰ খিতাপ লাভ কৰিছিল। এইখিনিতে প্ৰশ্ন হয় আমেৰিকা, ইউৰোপ আদিৰ দৰে উন্নত দেশসমূহৰ পৰা আজি কেবাবছৰো ধৰি বিশ্বসুন্দৰী নিৰ্বাচিত হোৱা নাই কিয়? অৰ্থাৎ তৃতীয় বিশ্বৰ বজাৰ দখলেই ইয়াৰ একমাত্ৰ কাৰণ নহয় জানো?

উন্নত দেশৰ নাৰীসকলৰ বুদ্ধিমত্তা বা সৌন্দৰ্য তৃতীয় বিশ্বৰ দেশসমূহৰ নাৰীসকলতকৈ কোনো গুণে কম নহয়। তৎসত্বেও বিশ্বসুন্দৰীৰ খিতাপ অৰ্জন কৰে দৰিদ্ৰ দেশসমূহৰ গাভৰুৱে। নাৰীদেহৰ নগ্ন বিজ্ঞাপনে এফালে নাৰীক যিদৰে সহজ পণ্য কৰি তুলিছে আনফালে গোটেই সমাজত ই বিকৃত ৰুচিবোধৰো জন্ম দিছে। ফলস্বৰূপে, সমাজত নাৰীৰ ওপৰত ধৰ্ষণ, নিৰ্যাতন, হত্যা আদি বৃদ্ধি পাইছে। বহুজাতিক কোম্পানীসমূহৰ আঁৰত থকা সাম্ৰাজ্যবাদী দেশসমূহৰ এনে চিন্তাৰ প্ৰধান লক্ষ্য হ'ল তৃতীয় বিশ্বৰ জনগণক নিজৰ মৌলিক সমস্যাৰ দাবীত ঐক্যবদ্ধ হোৱাৰ পৰা বিৰত ৰখা। এইক্ষেত্ৰত দেশীয় চৰকাৰেও চকু মুদাৰ ভাও জোৰাহে পৰিলক্ষিত হয়। নাৰী সমাজৰ ব্যাপক প্ৰতিবাদলৈও কেৰেপ নকৰি চৰকাৰে এনে ব্যৱস্থা বাহাল ৰখাৰ অৰ্থ হ'ল মাৰ্কিন সাম্ৰাজ্যবাদৰ ওচৰত দেশৰ সাৰ্বভৌমত্ব সঁপি দিয়া। এই

অৰ্থত চৰকাৰো সাম্ৰাজ্যবাদী শক্তিৰ বহতীয়া এজেণ্ট।

দুৰ্ভাগ্যৰ বিষয় যে, উৎকট যৌনগন্ধী সাজপোছাক, মডেলিং আদিৰ প্ৰতি উচ্চ মধ্যবিত্ত পৰিয়ালৰ পিতৃ-মাতৃ সকলো আকৃষ্ট হোৱা দেখা যায়। তেনে পৰিয়ালৰ কন্যা সন্তানে এনে সংস্কৃতি আকোঁৱালি লোৱা কাৰ্যক লৈ তেওঁলোকে গৌৰৱবোধ কৰা দেখা যায়। এনে সংস্কৃতিয়ে নাৰীৰ মানৱীয় মৰ্যাদা হ্ৰাস কৰাত ইন্ধন যোগাইছে। এনে অপসাংস্কৃতিক বাতাবৰণৰ বিৰুদ্ধে সমাজৰ সকলো নাৰীয়ে ঐক্যবদ্ধ প্ৰতিবাদ গঢ়ি তোলা উচিত।❁❁

(দৈনিক জনসাধাৰণ, ১৯/০১/২০০৩)

# টকী কৰিবলৈ গৈ জ্যোতিপ্ৰসাদ কৰ্কথনাৰ বলি হৈছিল

বুদ্ধ পূৰ্ণিমা উপলক্ষে ৰতনপুৰ গাঁৱৰ ৰাইজে প্ৰতিবছৰে ভাওনা-বৰসবাহ পাতে। এইবাৰো সিদিনা নামঘৰত 'নাটমেলা' আছিল। নাটখন আছিল "সীতাহৰণ বালী বধ"। ৰঙাই বায়নে পুৰুষ ভাওবিলাক বিতৰণ কৰাৰ পিছত মহিলা চৰিত্ৰসমূহ বিতৰণৰ বাবে এটি প্ৰস্তাৱ দাঙি ধৰি গলগলীয়া কণ্ঠৰে মাত লগালে— "ৰাইজ, পুতুক সীতা, ডিম্বেশ্বৰক তাৰা আৰু আৰু সোণেশ্বৰক মন্দোদৰীৰ ভাও দিয়া হৈছে।" নামঘৰত বহি থকা সৰ্বজনে "সজ, সজ, ভাল হৈছে" বুলি শলাগিলে। এনেকৈয়ে বুদ্ধ পূৰ্ণিমাৰ দিনা ভাওনাখন হৈ গ'ল।

উল্লেখিত প্ৰসংগটোৰ অৱতাৰণা এইবাবেই প্ৰাসংগিক যে আজি একবিংশ শতিকাতো অসমৰ গাঁৱে-ভূঁয়ে হৈ থকা ভাওনাসমূহত মহিলা চৰিত্ৰসমূহ গাঁৱৰ লাহী কঁকালৰ, ঋজুদেহী, নাৰীকণ্ঠী পুৰুষক অভিনয় কৰাৰ বাবে মনোনীত কৰা হয়। কিন্তু আজিৰ পৰা প্ৰায় অৰ্ধ শতিকাৰো আগতেই গণশিল্পী জ্যোতিপ্ৰসাদে অসমীয়া ছোৱালীক তেওঁৰ প্ৰথম অসমীয়া কথাছবি 'জয়মতী'ত অভিনয় কৰোৱাই ৰক্ষণশীল সমাজৰ পৰা গৰিহণা খাইছিল। তৎসত্বেও নাৰীৰ সামাজিক মৰ্যাদাৰ উত্তৰণ ঘটোৱাত তেওঁ সাহসী তথা অগ্ৰণী ভূমিকা গ্ৰহণ কৰিছিল। ১৯২৮ চনত ভাৰতবৰ্ষত প্ৰথম বোলছবি প্ৰচলন হোৱাৰ ঠিক ৬ বছৰৰ পিছতে যুগজয়ী শিল্পীগৰাকীয়ে 'জয়মতী' নামৰ পূৰ্ণ দৈৰ্ঘ্যৰ কথাছবিখন নিৰ্মাণ কৰাৰ পৰিকল্পনা গ্ৰহণ কৰে। বোলছবি আৰু সংগীতত বিদেশত গৈ বিশেষভাৱে প্ৰশিক্ষিত জ্যোতিপ্ৰসাদে পুৰুষ-নাৰীৰ সম-অভিনয়েৰে জয়মতী বোলছবি নিৰ্মাণ কৰিবলৈ লৈ জোলোকা-জোলোকে পানী খাব লগা হয়। বিশেষকৈ মহিলা চৰিত্ৰসমূহ মহিলাৰদ্বাৰা অভিনয় কৰোৱাৰ ক্ষেত্ৰত জ্যোতিপ্ৰসাদে হাবাথুৰি খাব লগা হয়। ১৯৩৩ চনতে 'জয়মতী' বোলছবিৰ কাম হাতত লৈ মহিলা অভিনেত্ৰী নোপোৱাৰ বাবে জ্যোতিয়ে অৱশেষত নীলমণি ফুকনৰ সহ-সম্পাদনাত যোৰহাটৰ পৰা প্ৰকাশিত হোৱা 'বাতৰি' নামৰ কাকতখনত অভিনেত্ৰী বিচাৰি বিজ্ঞাপন দিবলগা হৈছিল। বিজ্ঞাপনটো আছিল—

"জয়মতী ফিল্ম তুলিবৰ বাবে তলত দিয়ামতে অভিনেতা আৰু অভিনেত্ৰী লাগে। তিৰোতাৰ ভাওৰ কাৰণে মুনিহ অভিনেতা লোৱা নহ'ব। অসমৰ পাৰ্বত্য জাতিৰ (বিশেষকৈ খাছিয়া) ল'ৰা-ছোৱালীয়ে আৰু অসমত থাকি অসমীয়া

বিদেশীয়েও আবেদন কৰিব পাৰিব। অতি উপযুক্ত ছোৱালী ওলালে 'ডালিমী'ৰ ভাওৰ বাবে এগৰাকী খাছীয়া ছোৱালী ল'ব পৰা হ'ব।" এই বিজ্ঞাপনৰ পৰা এটা কথা ওলাই আহে যে জ্যোতিপ্ৰসাদে অসমীয়া মূল সূতিৰ অসমীয়া ছোৱালীৰ উপৰিও জনজাতীয় (বিশেষকৈ পাহাৰীয়া) মহিলাকো অভিনয় জগতলৈ উলিয়াই অনাৰ প্ৰচেষ্টা হাতত লৈছিল।

কিন্তু এই বিজ্ঞাপন অনুসৰি জ্যোতিপ্ৰসাদে এগৰাকীও মহিলা অভিনেত্ৰী নাপালে। নটসূৰ্য ফণী শৰ্মাই জয়মতী কথাছবিৰ বিষয়ে সুঁৱৰি এনেদৰে লিখিছিল-- "... পিছদিনা ৯ বজাৰ পৰা বোলে অভিনেতাৰ বাছনি হ'ব। অভিনেতাৰ বাবে এহেজাৰমান দৰ্খাস্ত আহিছে। অভিনেত্ৰীৰ বাবে এখনো নাই। দৰ্খাস্তবিলাকৰ মাজৰ পৰা বোলে বাছি বাছি দুকুৰিমান অভিনেতাক অসমৰ বিভিন্ন ঠাইৰ পৰা মাতিছে।" (জ্যোতিৰ সান্নিধ্যত, সম্পাদনা বাবুল দাস, পৃষ্ঠা - ৮৮)। মহিলা অভিনেত্ৰী বিচাৰি এইবাৰ জ্যোতিপ্ৰসাদে নগৰ এৰি গাঁৱলৈ ঢাপলি মেলিলে। গোলাঘাট জিলাৰ (এতিয়া) মহুৱামুখৰ পানীদিহিঙীয়া গাঁৱৰ পৰা 'জয়মতী'ৰ বাবে আইদেউ সন্দিকৈ, ৰাজমাওৰ বাবে মোহিনী ৰাজকুমাৰী, ডালিমীৰ বাবে স্বৰ্গজ্যোতি বৰুৱা, জয়মতী লিগিৰীৰ বাবে দীনেশ্বৰী ৰায়ভূএঞা, জয়মতীৰ সখা সেউতীৰ বাবে সুৰ্বণ হাজৰিকাক ভোলাগুৰিৰ চিত্ৰবন ষ্টুডিঅ'লৈ আনিবলৈ সক্ষম হয়। শিক্ষা-দীক্ষাৰ পোহৰ নপৰা সাতঘোকোট গাঁৱৰ পৰা বহু কষ্টেৰে বুটলি অনা নাৰীসকলক অভিনয় শিকাই থাকোতে জ্যোতিপ্ৰসাদ সেই নাৰীসকলৰ বোযতো পৰিব লগা হয়। এই সম্পৰ্কে ফনু বৰুৱাই কয় যে, "এবাৰ গাঠি হাজৰিকাই জয়মতীক চমতাৰে কোবোৱা দৃশ্য তুলি থাকোতে কেনেবাকৈ আইদেউ সন্দিকৈ (জয়মতী)ৰ গাত অকণমান লাগিল। ৰজাঘৰৰ জীয়াৰী মোহিনী ৰাজকুমাৰীৰ ভনীয়েক ব্ৰতেশ্বৰী ৰাজকুমাৰীয়ে খঙত একোনাই হৈ 'সন্দিকৈ ঘৰৰ ছোৱালীৰ গাত চমতা লগোৱা ক'ৰ এইটো কেলেহুৱা আহিছে' বুলি চোচা লোৱাত আমাৰ বীৰ গাঠি হাজৰিকাই পলাই পত্ৰং দিছিল। জ্যোতিও ককৰ্থনাৰ পৰা সাৰি যোৱা নাছিল। পিছদিনাই তেওঁলোকক মহুৱামুখৰ ঘৰত থৈ আহিব লগা হৈছিল। ভাগ্যে মোৰ ওপৰত তেওঁ সিমান ৰুষ্ট হোৱা নাছিল। প্ৰায় এমাহমানৰ মূৰত মহুৱামুখলৈ গৈ বহু ভাও ভাবস্তিৰে 'জাতো গ'ল পেটো নভৰিল' বাক্যৰে অনুনয়-বিনয় কৰাত তেওঁলোকে চিত্ৰবনলৈ আহিবলৈ সন্মতি জনায়।" (জ্যোতিৰ সান্নিধ্যত, সম্পাদনা বাবুল দাস, পৃঃ ৯৭)।

তদুপৰি জয়মতী কথাছবিৰ বাবে জ্যোতিপ্ৰসাদৰ হৈ কেইজনমান মানুহে ছোৱালী বিচাৰি গৈ তিনিচুকীয়াৰ 'বগীতৰা' নামৰ এগৰাকী সুন্দৰী গাভৰুৰ ঘৰ ওলায়গৈ। 'টকী' কৰাৰ বাবে ছোৱালী দিব নেকি বুলি সোধাত আত্মীয় কেইজনে কৈছিল, "ভাল ঘৰৰ ছোৱালীয়ে টকী কৰেনে? ভাল মানুহে এইবোৰ নকৰে...।" (জ্যোতিৰ সান্নিধ্যত, সম্পাদনা-বাবুল দাস, পৃঃ ১৫৬) মুঠৰ ওপৰত পৰাধীন ভাৰতৰ



সেই সময়ছোৱাত ভাল ঘৰৰ বা প্ৰতিষ্ঠিত পৰিয়ালৰ ছোৱালীয়ে নাটক, চিনেমা কৰাটো অতি বেয়া কথা আৰু 'জাত যোৱা' বুলি সমাজে গণ্য কৰিছিল। সেয়ে অভিনেত্ৰী বিচাৰি ঢাপলি মেলিব লগা হৈছিল। বহু কষ্টেৰে 'জয়মতী' কথাছবিখন ১৯৩৫ চনৰ ১০ মাৰ্চত কলিকতাত প্ৰথম শ্ব' মুকলি কৰিলে যদিও তেওঁৰ পৰৱৰ্তী কথাছবি 'ইন্দ্ৰমালতী'ত অভিনয় কৰাবৰ বাবে (১৯৩৯ চন) এই অভিনেত্ৰীসকলক পুনৰ আনিব নোৱাৰিলে। জয়মতী কথাছবিত অভিনয় কৰাৰ পিছত অভিনেত্ৰীসকলৰ সমাজত ঠাই নোহোৱা অৱস্থা হৈছিল। সেইবাবে এই অভিনেত্ৰীসকলে ইন্দ্ৰমালতীত অভিনয় কৰিবলৈ যাবলৈ দুনাই সাহস গোটাব নোৱাৰিলে। পৰাধীন ভাৰতত নাৰীৰ সামাজিক অৱস্থান আছিল অতি পুতৌজনক। ৰক্ষণশীল সমাজে নাৰীক ঘৰৰ চাৰি বেৰৰ বাহিৰলৈ উলিয়াই নপঠাইছিল আৰু ভিতৰত 'জপাৰ কাপোৰ'ৰ দৰে ৰাখিছিল। অতি পৰিতাপৰ কথা যে, ১৯৩৫ চনত অভিনয় কৰা জয়মতী ছবিৰ নায়িকা আইদেউ সন্দিকৈৰ দৰে নাৰী ওৰে জীৱন চিৰকুমাৰী হৈ থাকিব লগা হৈছিল। মাথোঁ 'বঙহৰ দেউ' বুলি গদাপাণিক সম্বোধন কৰাৰ বাবেই। সমাজৰ কোনো এজন ডেকা আগবাঢ়ি নাহিল আইদেউ সন্দিকৈৰ পাণিগ্ৰহণ কৰিবলৈ। এদিনৰ বাবে কুঁৱৰী হোৱা নায়িকাগৰাকীয়ে চিৰদিনৰ বাবে সেই যুগৰ মতান্ধতাৰ সাক্ষী হৈ ৰ'ল। পৰপুৰুষক 'বঙহৰ দেউ' সম্বোধনেৰে অভিনয় কৰি 'জাত যোৱা'ৰ অপৰাধত আইদেউ সন্দিকৈয়ে আজীৱন প্ৰায়শ্চিত্ত ভুগিব লগা হৈছিল। সমাজৰ পৰা একঘৰীয়া হৈছিল। আত্মীয় স্বজনৰ ঘৰতো পিৰালিৰ এচুকত কলপাতত ভাত খাবলৈ দিয়া হৈছিল। মোহিনী ৰাজকুমাৰীৰ ভাযাত 'টকী কৰাৰ অপৰাধত আত্মীয় এজনে তেওঁক গুলীয়াই মৰাৰ ভাবুকিও দিছিল।'

তেনে এক যুগ সন্ধিক্ষণত জ্যোতিপ্ৰসাদৰ মানসিক চিন্তা জগত কিমান উন্নত আৰু পৰিৱৰ্তনকামী আছিল তাক আমি জয়মতী কথাছবি নিৰ্মাণত তেওঁ মুখামুখি হোৱা সমস্যাবোৰৰ পৰাই অনুমান কৰিব পাৰো। শংকৰ-আজানৰ সমন্বয়ৰ বাণীৰে বিশাল অসমীয়া সংস্কৃতি তথা মহান ভাৰতীয় সংস্কৃতি গঢ়িবলৈ যোৱা জ্যোতিপ্ৰসাদে পৰাধীন ভাৰতৰ নাৰীসকলক বোলছবি জগতলৈ উলিয়াই আনি এক দুঃসাহসিকতাৰ পৰিচয় দিলে। কিন্তু তাক আজি অসমৰ ৰক্ষণশীল সমাজে যথোচিত সন্মান জনাব পৰা নাই। এতিয়াও বৰপেটা কীৰ্তন ঘৰত মহিলাৰ বাবে প্ৰৱেশ নিষিদ্ধ কৰি থোৱা হৈছে। গাঁৱৰ নাট-ভাওনাত মহিলাই অভিনয় কৰাত বাধা আৰোপ কৰা হৈছে। আজি হয়তো বোলছবি জগতত কেইগৰাকীমান মুষ্টিমেয় নাৰীক ব্যৱসায়িকভাৱে সফল ছবিত অভিনয় কৰোৱা হৈছে। মহিলাক পণ্যবাদী সংস্কৃতিৰ গৰাহত নিমজ্জিত কৰা হৈছে দূৰদৰ্শনৰ দৰে প্ৰচাৰ মাধ্যমসমূহৰ জৰিয়তে। কিন্তু জ্যোতিপ্ৰসাদ আছিল ব্যতিক্ৰম। ধনতন্ত্ৰবাদ আৰু সাম্ৰাজ্যবাদৰ কৱলত গঢ়ি উঠা অপসংস্কৃতি (দুস্কৃতি) ৰোধ কৰাৰ বাবে তেওঁ আছিল জাগ্ৰত প্ৰহৰী। গাঁৱৰ হেজাৰ হেজাৰ নাৰী আজি

সমাজৰ আওপুৰণি কঠোৰ নীতি-নিয়মৰ বোকাত লেটি-পেটি লৈ দিন কটাব লগা হৈছে। স্বাধীনতাৰ পূৰ্বৰ অসমত চাইকেল চলাই গাঁৱে-ভূঁএে মিটিং কৰি ঘূৰি ফুৰা, পঢ়া-শুনা কৰাৰ বাবে চন্দ্ৰপ্ৰভা শইকীয়ানীৰ দৰে মহীয়সী নাৰীও 'দাংকাটি তিৰোতা' বিভূষণেৰে বিভূষিত হ'ব লগা হৈছিল। ঠিক সেইদৰে, আজি একবিংশ শতিকাতো ব্যাপক নাৰী, পুৰুষতান্ত্ৰিক সমাজৰ পশ্চাদগামী চিন্তা তথা অন্ধবিশ্বাস আৰু কু-সংস্কাৰৰ বলি হ'ব লগা হৈছে।

পৰাধীন ভাৰতৰ স্বাধীনতা সংগ্ৰামৰ এজন অক্লান্ত সৈনিক জ্যোতিপ্ৰসাদ, মনে-প্ৰাণে আছিল সঁচাকৈয়ে এজন মহান বিপ্লৱী। সমাজৰ পৰিৱৰ্তন আৰু সমন্বয়ৰ বাবে সংগ্ৰাম তেওঁৰ জীৱনৰ এক অব্যৰ্থ আদৰ্শ আছিল। সমাজখন সৰ্বাংগসুন্দৰ ৰূপত তেওঁ নতুনকৈ সজাই-পৰাই তুলিব খুজিছিল আৰু নিজেও কাৰ্পেটৰ মজিয়াৰ পৰা ঘাঁহনিলৈ নামি আহিছিল। সমাজৰ সবাতোকৈ নিপীড়িত নাৰীসমাজকো ঘৰৰ চাৰিবেৰৰ পৰা বাহিৰৰ জগতলৈ উলিয়াই অনাৰ আমৃত্যু সংগ্ৰামত বিশ্বজয়ী বিপ্লৱী শিল্পীজন ব্ৰতী আছিল।❀❀

(অসম বাণী, তাং ২৫/৯/০২)

# বৰ্ণালী হত্যাৰ প্ৰতিবাদ সামাজিক আন্দোলনলৈ ৰূপান্তৰিত হ'বনে

আমাৰ দেশ এতিয়া মানৱতাৰ বধ্যভূমিত পৰিণত হৈছে। প্ৰতি পলে পলে মানুহে হেৰুৱাই পেলাইছে মানৱীয় মূল্যবোধ। পিতৃতান্ত্ৰিক চিন্তা-চেতনাবোৰক গোড়ামীৰে খামুচি ধৰাৰ ফলত সমাজ-সংস্কৃতিৰ অবক্ষয় ঘটিছে আৰু দানৱীয় আচৰণৰ প্ৰাদুৰ্ভাৱ ঘটিছে। ধৰ্ষণ, লুটপাত, হত্যা হৈ পৰিছে সমাজ জীৱনৰ এক নিয়মীয়া ঘটনা। তাৰেই শেহতীয়া চৰম প্ৰতিফলন হ'ল আঠ বছৰীয়া বৰ্ণালীৰ গণধৰ্ষণ আৰু হত্যা। ফুলৰ দৰে সুকোমল, কাপোৰেৰে লাজ ঢাকিব নজনা, ছেক্স আৰু লিংগ বৈষম্য বুজি নোপোৱা শিশুটিক এনেদৰে নৃশংস আৰু অমানৱীয়ভাৱে ধৰ্ষণ কৰি হত্যা কৰা বাপেক আৰু ককাকৰ বয়সৰ হত্যাকাৰীহঁত ক্ষমাৰ অযোগ্য। সভ্য সমাজত ইয়াতকৈ আৰু অনৈতিক ঘটনা কি থাকিব পাৰে? বিকৃত ৰুচিবোধৰ এচাম পুৰুষৰ বাবে নাৰী মানেই হ'ল-ভোগৰ সামগ্ৰী। সেয়ে আজি চাৰি বছৰীয়া কন্যা শিশুৰ পৰা ৭০ বছৰীয়া বৃদ্ধাও এনে অসুস্থ মানসিকতাৰ অপৰাধীৰ হাতত ধৰ্ষিতা হৈছে।

সবাতোকৈ গুৰুত্বপূৰ্ণ আৰু চিন্তনীয় বিষয় হৈছে যে নাৰীয়ে আজি সামাজিক নিৰাপত্তা হেৰুৱাই পেলাইছে। এফালে চৰকাৰে নাৰী সবলীকৰণৰ নামত নিতৌ ন ন আঁচনি ঘোষণা কৰিছে আৰু আনফালে নাৰীৰ ওপৰত চৰকাৰী পুলিচ-মিলিটাৰীৰদ্বাৰা বৰ্ধিত হাৰত ধৰ্ষণ নিৰ্যাতনৰ ঘটনা নমাই আনিছে। ধৰ্ষণকাৰীক, মৃত্যুদণ্ড দিয়া হ'ব বুলি সদম্ভে ঘোষণা কৰা গৃহমন্ত্ৰী লালকৃষ্ণ আদবানীৰ দিনত কিমানজন ধৰ্ষণকাৰীক শাস্তি দিয়া হ'ল সেয়া চৰকাৰে জনাবনে? তদুপৰি ধৰ্ষণ, হত্যা আদিৰ সামাজিকীকৰণ, ৰাজনীতিকীকৰণ আৰু সাম্প্ৰদায়িকীকৰণৰ ৰূপো প্ৰদান কৰিছে কংগ্ৰেছ, বিজেপি আৰু অগপৰ দৰে শাসকীয় দলসমূহে। কিছু দিনৰ আগতে তিনিচুকীয়া জিলাত এগৰাকী বোৱাৰী নিৰ্যাতনৰ ঘটনাক বিজেপিয়ে সাম্প্ৰদায়িক ৰূপ দি জিলা বন্ধৰ দৰে কাৰ্যসূচী ঘোষণা কৰিছে। কংগ্ৰেছৰ জয়চন্দ্ৰ নাগবংশী, অগপৰ ৰাজেন্দ্ৰ মুছাহাৰীৰ দৰে ৰাজনৈতিক নেতা এতিয়াও নিৰপৰাধীৰ দৰে দপদপাই ফুৰিছে। শেহতীয়াকৈ গুজৰাটত সংখ্যালঘু মহিলাৰ ওপৰত সংঘ পৰিবাৰে মুখ্যমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ সহযোগত যি নাৰকীয় নিৰ্যাতন চলালে সেয়া বৰ্ণনাতীত। অসম আন্দোলন, আলফা দমনকে ধৰি অগপৰ শাসনকালতো নাৰীৰ ওপৰত চলোৱা ধৰ্ষণ তেওঁলোকৰ শাসন ক্ষমতা টিকাই ৰখাৰ এক পাশুপাত অস্ত্ৰ হিচাপে গণ্য কৰা দেখা যায়। মুঠৰ ওপৰত ধৰ্ষণ, নিৰ্যাতন, হত্যাৰ দৰে ঘটনাক চৰকাৰে সাম্প্ৰদায়িক ৰূপ দি ৰাজনৈতিক ৰক্ষা কবচ ৰূপে প্ৰয়োগ কৰাৰ বিৰুদ্ধে

বৰ্ণালী হত্যাৰ প্ৰতিবাদী সংগ্ৰাম এক অন্যতম দাবী হিচাপে তুলি ধৰা উচিত।

অন্যহাতেদি, বৰ্ণালী হত্যাৰ সময়তে গোলোকগঞ্জ আৰু তিনিচুকীয়াত এনে দুটা ঘটনা সংঘটিত হৈছে। যোৰহাটত ১৯৯২ চনত ৰেখা দত্ত নামৰ ১৪ বছৰীয়া ছোৱালীজনীক বাগিচাৰ চাৰিজনকৈ বিষয়াই ধৰ্ষণ কৰি হত্যা কৰা, মহানগৰীৰ বুকুত ১৯৯৬ চনত সংঘটিত কৰবী-দুৰ্বাৰ হত্যাৰ পৰা বৰ্ণালীৰ হত্যাটো এক বিচ্ছিন্ন ঘটনা নহয়। সেয়ে প্ৰতিটো নাৰী সম্পৰ্কীয় ঘটনাৰ ক্ষীপ্ৰ তদন্ত কৰি এমাহৰ ভিতৰত গোচৰৰ ৰায় প্ৰদান কৰিবলৈ দাবী জনোৱাটো আন্দোলনকাৰী সংগঠনসমূহৰ প্ৰধান দায়িত্ব। তদুপৰি বাছে-মটৰে নাৰী আৰু নাগৰিকৰ নিৰাপত্তা প্ৰদানৰ বিষয়টো সজোৰে তুলি ধৰাটো বাঞ্ছনীয়।

সবাতোকৈ গুৰুত্বপূৰ্ণ বিষয়টো হ'ল বৰ্ণালী হত্যাৰ দিন পাৰ হৈ যোৱাৰ লগে লগে এই সংগ্ৰামসমূহৰ গুৰুত্বও ক্ৰমাৎ হ্ৰাস হৈ যোৱাৰ সম্ভাৱনা থাকে। সেয়ে এই ঘটনাৰ উৎপত্তিৰ সামাজিক-সাংস্কৃতিক কাৰণসমূহ বিচাৰি উলিয়াই তাৰ বিৰুদ্ধে এক সংগ্ৰাম গঢ়ি তোলা উচিত। কাৰণ প্ৰচলিত সমাজ ব্যৱস্থাত বৰ্ণালী হত্যাৰ ঘটনাই শেষ আৰু প্ৰথম ঘটনা নহয়। যি পৰিৱেশৰ বাবে এনে ঘটনা চিৰন্তনভাৱে ঘটি থাকে সেই পৰিৱেশ উৎখাতৰ বাবে সামাজিক আন্দোলন গঢ়ি তোলাটো বাঞ্ছনীয়। পুঁজিৰ উদাৰীকৰণ আৰু বিশ্বায়নে আমাৰ সমাজত জন্ম দিয়া অপসাংস্কৃতিক বাতাবৰণেই ইয়াৰ বাবে প্ৰধান জগৰীয়া। নাৰী দেহৰ নগ্ন বিজ্ঞাপন, ব্লু-ফিল্ম, অশ্লীল মেগাজিন, দূৰদৰ্শনৰ দৰে প্ৰচাৰ মাধ্যম আৰু বিদেশী বহুজাতিক কোম্পানীসমূহে নাৰীক অধিক পণ্য কৰি তুলিছে, যাৰ ফলত এচাম উঠি অহা যুৱক তথা বয়স্ক লোকো ইয়াৰ কবলত পৰা দেখা গৈছে। তাৰোপৰি গুৱাহাটীৰ পৰাই প্ৰকাশিত এখন দৈনিক কাকতত আজি কিছুদিনৰ পৰা অহৰহ প্ৰচাৰ কৰি অহা ঠিকনাবিহীন কোম্পানীৰ "Fit O Fit', Mens O Plus" আদিৰ দৰে প্ৰকাশিত বিজ্ঞাপনে (বিবাহিতা আৰু অবিবাহিতা নাৰীৰ যৌনতা বৰ্ধক ঔষধ) নাৰীৰ মৰ্যাদা চূড়ান্তভাৱে অৱনমিত কৰিছে। এনে অসামাজিক বাতাবৰণৰ বিৰুদ্ধে ধাৰাবাহিক প্ৰতিবাদ গঢ়ি তুলিব নোৱাৰিলে আমি হেজাৰগৰাকী বৰ্ণালীক এনে ঘটনাৰ পৰা ৰক্ষা কৰিব নোৱাৰিম।

বৰ্ণালী হত্যাৰ প্ৰতিবাদত আজি কেৱল গুৱাহাটী মহানগৰীৰ বুকুতে নহয় অসমৰ চৌদিশে প্ৰতিবাদৰ ধ্বনি অনুৰণিত হৈছে। স্কুল-কলেজৰ ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী, যুৱক-যুৱতীকে ধৰি বিভিন্ন গণতান্ত্ৰিক ব্যক্তি তথা দল, বৰ্ণ নিৰ্বিশেষে মহিলা সংগঠন আৰু ৰাজনৈতিক দলসমূহেও ঐক্যবদ্ধ ৰূপত প্ৰতিবাদ কৰাটো নিঃসন্দেহে এক ইতিবাচক দিশ। সেয়ে আজিৰ পৰিস্থিতিত এই ঘটনাটোৱে এক নতুন মাত্ৰা লাভ কৰিছে। পলমকৈ হ'লেও আজি এই কথা অনস্বীকাৰ্য হৈ পৰিছে যে নাৰী নিৰ্যাতন, হত্যা আদি বিষয়বোৰ কেৱল নাৰী সংগঠনৰে প্ৰতিবাদ কৰিবলগীয়া বিষয় নহয়; ই এক সামাজিক বিষয়। এই ধাৰণা সাম্প্ৰতিক পৰিস্থিতিয়ে জন্ম দিছে আৰু এই ধাৰণাক সংগঠিত ৰূপত আগবঢ়াই নি এক সামাজিক আন্দোলনলৈ ৰূপান্তৰিত কৰাটো বাতৰি কাকতৰ দৰে নিৰপেক্ষ



সংবাদ পত্ৰ আৰু নাৰী সংগঠনসমূহৰ এক উমৈহতীয়া দায়িত্ব আৰু প্ৰধান কৰ্তব্য হিচাপে আহি পৰিছে। প্ৰচলিত ব্যৱস্থা পৰিৱৰ্তনৰ আঁৰত থকা নাৰী মুক্তিৰ স্বপ্ন বাস্তৱায়িত কৰাৰ লক্ষ্যত এই সুযোগবিলাক কামত লগোৱাটোৱেই হ'ল প্ৰতিজন সমাজ সচেতন ব্যক্তি তথা সংগঠনৰ অন্যতম গুৰুত্বপূৰ্ণ কাম।

বৰ্ণালী হত্যাৰ ঘটনাত পুলিচৰ উচ্চপদস্থ বিষয়াই আজি অপৰাধীসকলক কঠোৰ শাস্তি বিহাৰ কথা যিদৰে নিজমুখে ব্যক্ত কৰিছে সেইদৰে অন্যান্য ঘটনাবোৰৰ অপৰাধীকো শাস্তি বিহা, নিৰপেক্ষ তদন্ত কৰাৰ প্ৰতিশ্ৰুতি দিব পাৰিবনে? মহানগৰীৰ মাজমজিয়াত অৱস্থিত পল্টনবজাৰ নামৰ অপৰাধীৰ ভূস্বৰ্গখনক পাৰিবনে মুক্ত কৰিব অপৰাধীৰ কবলৰ পৰা? পাৰিবনে মহানগৰীকে ধৰি অসমৰ বিভিন্ন ঠাইত গঢ়ি উঠা বেশ্যালয়বোৰত নাৰী দেহৰ কিনা-বেচাৰ দৰে মুক্ত ব্যৱসায় বন্ধ কৰিব? বৰ্ণালী হত্যাৰ আজি ১৮ দিন পাৰ হৈ গ'ল। তথাপি অপৰাধীৰ আইনী শাস্তি ৰাজহুৱাভাৱে ঘোষণা কৰিব পৰা নগ'ল। আৰু কিমান দিন লাগিব অপৰাধীহঁতৰ বিচাৰৰ বাবে? কিছুদিনৰ আগতে পল্টন বজাৰস্থিত এখন হোটেলত বাপেকে জীয়েকক গুৱাহাটী দেখুওৱাৰ ছলেৰে আনি ধৰ্ষণ কৰাৰ খবৰ সদৰি হোৱাৰ পাছতো আৰক্ষী প্ৰশাসনৰ কোনো সক্ৰিয় ভূমিকা দেখা নগ'ল। আৰু বহু ঘটনা আছে যিবোৰ উল্লেখ কৰা সম্ভৱ নহয়। আৰক্ষীৰ এনে বৈষম্যমূলক ভূমিকা সমালোচনাযোগ্য।

সৰ্বোপৰি এটা কথা অতি উদ্বেগেৰে লক্ষ্য কৰিছো যে চৰকাৰৰ 'ৰাজ্যিক মহিলা আয়োগ' নামেৰে এটি মহিলা আয়োগ আছে যি আয়োগে মহিলা সংক্ৰান্তীয় ঘটনাত হস্তক্ষেপ কৰি প্ৰতিবেদন যুগুতাই চৰকাৰক দিয়াটো নিয়ম। কিন্তু বৰ্ণালী হত্যাকে ধৰি বিভিন্ন ধৰণৰ নাৰী হত্যাৰ ঘটনাত আয়োগৰ পুতৌজনক অকামিলা স্থিতিহে পৰিলক্ষিত হৈছে। তেনেহ'লে এনে আয়োগৰ কাম কি? প্ৰয়োজনেই বা কিয়? অগণতান্ত্ৰিক পৰম্পৰাৰে মাথো শাসকীয় দলৰ স্বাৰ্থত গঠন কৰা এনে আয়োগে নিপীড়িত নাৰী সমাজক সুৰক্ষা প্ৰদান কৰাৰ নামত সমগ্ৰ ৰাজ্য তথা দেশৰে নাৰী সমাজক আভুৱা ভাঁৰি অহাহে দেখা গৈছে। বৰ্ণালী হত্যাৰ ঘটনাক কেন্দ্ৰ কৰি গঢ়ি উঠা ঐক্যমঞ্চই উদঙাই দেখুৱাব লাগিব ধৰ্ষণ আইনৰ ফোপোলা স্বৰূপ। দাবী কৰিব লাগিব ধৰ্ষণ আইনৰ সংশোধন, আৰু আজুৰি আনিব লাগিব অপৰাধীহঁতক গণ আদালতত বিচাৰ কৰা অধিকাৰ। সমাজৰ অৰ্ধাংশ নাৰী সমাজক মানৱীয় সত্তা বুলি গণ্য কৰাৰ পৰিৱেশ গঢ়ি তোলাৰ দৰে এক প্ৰগতিশীল সামাজিক-সাংস্কৃতিক আন্দোলন গঢ়ি তুলিব লাগিব। নাৰী, সংস্কৃতি আৰু সামাজিক পৰিৱেশ – ইটো-সিটোৰ লগত পৰস্পৰ যুক্ত। সেইবাবেই সংগ্ৰামৰ পথাৰত অতদিনে লগ নোপোৱা, প্ৰগতিশীল সাংস্কৃতিক তথা সাহিত্য চৰ্চা কৰা সংগঠনসমূহো এই ঐক্যবদ্ধ আন্দোলনৰ সক্ৰিয় অংশীদাৰ হোৱাটো এক ইতিবাচক দিশ। নাৰীৰ ওপৰত নিৰ্যাতন এক বহল মানৱীয় ইছ্যু। এই ইছ্যুত সকলো ব্যক্তি তথা সংগঠনে দলীয় কাঠামো ভাঙি ওলাই অহাটো আজিৰ পৰিস্থিতিৰ দাবী।❁❁

(দৈনিক অগ্ৰদূত , তাং ৩০/৭/০২)

# নাৰী আন্দোলন ঃ চকু বিতৰ্কৰ শেষ ক'ত

এক বহুচৰ্চিত বিষয় হিচাপে নাৰীমুক্তি আন্দোলনৰ বিতৰ্কই সমগ্ৰ বিশ্বৰ লগতে ভাৰতবৰ্ষ তথা অসমতো প্ৰাসংকিতা লাভ কৰিছে। নাৰী সমাজৰ ওপৰত যুগ যুগ ধৰি চলি থকা নিৰ্যাতন-নিপীড়নৰ অৱসান ঘটোৱাৰ প্ৰশ্নত সচেতন নাৰীসমাজৰ মাজত কেবাটাও ধাৰা দেখা পোৱা যায়। এনে ধাৰাৰ নাৰী সংগঠনসমূহৰ কিছুমানে নাৰীমুক্তিৰ নামত উৎকট নাৰীবাদী ৰূপ ধাৰণ কৰে আৰু পশ্চিমীয়া দেশৰ দৰে আমাৰ দেশতো নাৰীবাদী আন্দোলন গঢ়ি তোলাৰ পোষকতা কৰে। নাৰীবাদী আন্দোলনে নাৰীমুক্তিৰ প্ৰশ্নত মৰ্মাৰ্থৰ পৰা আঁতৰি আহি পুৰুষৰ দৰে আচৰণ কৰাতে ইয়াক আবদ্ধ কৰিব বিচাৰে। আনহাতেদি সৰহ সংখ্যক নাৰী সংগঠনেই সংস্কাৰবাদী কাৰ্যকলাপতে নিজৰ ভূমিকা সীমাবদ্ধ ৰাখে। নাৰীৰ ওপৰত চলি থকা সামাজিক বৈষম্য দূৰীকৰণাৰ্থে সম্প্ৰতি নাৰীসকলৰ মাজত বহু ধৰণৰ আলোচনা বা বিতৰ্কই মূৰ দাঙি উঠিছে। যিকি নহওক, সিবিলাকে নাৰী সমাজৰ মাজত থকা জড়তা ভাঙি দিয়াত যথেষ্ট বৰঙণি যোগাইছে।

সম্প্ৰতি চৰ্চা হোৱা এটা বিতৰ্কৰ বিষয়ে ইয়াত আলোচনা আগবঢ়াব বিচাৰিছোঁ। অলপতে অনুষ্ঠিত হোৱা এক মহিলা সমাৰোহত উত্থাপিত হোৱা এটা প্ৰশ্নই সকলোকে বিব্ৰত কৰিছিল।। প্ৰশ্নটো হ'ল, স্বামীৰ মৃত্যুৰ পিছত অন্য ব্যক্তিক স্বামীৰ চকুযোৰ দান কৰা হ'ল স্বামীৰ ইচ্ছা সাপেক্ষে। যিহেতু স্বামীৰ চকুযোৰ এতিয়াও জীয়াই আছে, সেয়ে পত্নীগৰাকী বিধবা হয়নে নহয়? এটা সবল মত আছিল যে স্বামীৰ যিহেতু এটা অঙ্গ জীয়াই আছে, সেয়ে পত্নীগৰাকীক বিধৱা বুলিব নোৱাৰি। এই যুক্তিটোৱে বহুতকে প্ৰভাৱিত কৰিছিল।

আমাৰ সমাজত বিধৱা মহিলাৰ সামাজিক মৰ্যাদা অতি নিম্নমানৰ। তেওঁলোকক বহু ধৰণৰ কঠোৰ সামাজিক ৰীতি-নীতিৰে বান্ধি ৰখা হয়। সেইবাবেই এসময়ত স্বামীৰ মৃত্যুৰ পিছত পত্নীগৰাকীক 'সতী' যাবলৈ বাধ্য কৰোৱা হৈছিল। মহিলাৰ ওপৰত সেই অৱমাননা আজিও অব্যাহত আছে। এই যাতনাৰ জালৰ পৰা মুক্তি পোৱাৰ আশাৰেই যে মহিলাসকলে ক্ষুদ্ৰৰ পৰা ক্ষুদ্ৰতমলৈ সকলো সুযোগ, সকলো যুক্তি প্ৰদৰ্শন কৰিব বিচাৰে তাৰেই প্ৰকাশ ঘটিছে এই 'চকু বিতৰ্ক'ৰ মাজেৰে।

বহুতে হয়তো ক'ব, চকুযোৰ জীয়াই আছে যেতিয়া সেই স্বামীৰ পত্নীগৰাকীক বিধৱা হিচাপে গণ্য কৰিব নালাগে। গতিকে তেওঁক বিধৱাই পালন কৰিব লগা সমস্ত কঠোৰ নীতি নিয়মৰ পৰা ৰেহাই দিব লাগে। মহিলাগৰাকীক শিৰত সেন্দুৰ লোৱাৰ

# মহিলাৰ বাবে আসন সংৰক্ষণ

[illegible] মহিলাৰ বাবে ৩৩ শতাংশ আসন সংৰক্ষণ ঘটিল। [illegible] ভাৰতবৰ্ষৰ নাৰীসমাজ ভাবিব পাৰে তাৰেই এক জ্বলন্ত নিদৰ্শন হ'ল [illegible]

সঁচাকৈয়ে এই 'চকু বিতৰ্ক'ৰ মীমাংসাই নাৰী [illegible] জৰ বাবে সক্ৰিয় পৰা মুক্ত কৰিব পাৰিবনে? এনে বিতৰ্কৰ মাজেৰে [illegible] বিধৱা নহয় বুলি মানি ল'বলৈ যিকোনো প্ৰকাৰে বাধ্য [illegible] সমস্যাটো একেদৰেই থাকিব। যিসকল স্বামীয়ে মৃত্যু [illegible] আৰু যদি উক্ত অঙ্গ গ্ৰহণ কৰোতাজন জীৱিত থাকে [illegible] সংখ্যাৰ প্ৰায় বিধৱাৰ শাৰীত নপৰিব। কিন্তু যিসকল সাধাৰণ [illegible] বৃদ্ধি এখন দেশৰ থাকিব। গতিকে এনে বিতৰ্কই নাৰীৰ ওপৰত চলা [illegible] ইতিবাচক লক্ষণ।

মূল বিষয়টো মহিলাৰ প্ৰতি থকা দৃষ্টিভংগী [illegible] নাৰীৰ ৰাজনৈতিক আৰু সম মৰ্যাদাৰ প্ৰশ্নটো ইয়াৰ লগত জড়িত হৈ আছে। যদি সমাজে [illegible] ক্ষেত্ৰতো লগত সমান স্থান দিয়ে, নাৰীক সন্তান উৎপাদনৰ যন্ত্ৰ হিচাপে গণ্য নকৰি [illegible] গ্ৰহণৰ কাজৰ সামাজিক ভূমিকাক স্বীকৃতি দিয়া হয়, তেতিয়া নাৰীৰ মৰ্যাদা [illegible] অধিকাৰ উৰ্দ্ধগামী হ'ব। স্বামীৰ পৰিচয়েই নাৰীৰ পৰিচয় হোৱাৰ পৰিবৰ্তে নাৰী [illegible] হিচাপে স্বীকৃতি দিবলৈ আমাৰ সমাজ যেতিয়া বাধ্য হ'ব, তেনে এক অৱস্থাতহে নাৰীৰ ওপৰত চলা এই বৈষম্যসমূহ আঁতৰ হ'ব।

নাৰী আন্দোলন সন্দৰ্ভত বহু ধৰণৰ বিতৰ্ক হ'ব পাৰে, কিন্তু সেই বিতৰ্ক [illegible] যেতিয়ালৈকে পুৰুষ-নাৰীৰ সম অধিকাৰ, পুৰুষ-নাৰীৰ পাৰস্পৰিক সহযোগিতা, পুৰুষৰ লগত সম মৰ্যাদাৰ স্বীকৃতিৰে সমাধান নহ'ব তেতিয়ালৈকে নাৰীসমাজ নানা ধৰণৰ উৎপীড়ন, বৈষম্যৰ বলি হৈ থাকিব।

পুৰুষ-নাৰীৰ মাজত থকা ভেদাভেদসমূহ উৎপাদন প্ৰক্ৰিয়াৰ ক্ৰমবিকাশৰ এটা স্তৰত সৃষ্টি হোৱা সমস্যা। পুৰুষ-মহিলাৰ প্ৰাকৃতিক তথা শাৰীৰিক পাৰ্থক্যসমূহৰ বাদে বাকী বিভেদবোৰ আমাৰ মাজৰ সৃষ্টি। উৎপাদন প্ৰক্ৰিয়াৰ বেলেগ বেলেগ স্তৰত নাৰীৰ সামাজিক মানো সুকীয়া সুকীয়া হোৱা দেখা যায়। ইতিহাসৰ গতিপথত আমি দেখিবলৈ পাওঁ — আদিম সমাজত নাৰীৰ অৱস্থান আছিল অতি উচ্চ আৰু সেই সমাজক মাতৃপ্ৰধান সমাজ বা নাৰীপ্ৰাধান্যকামী সমাজ হিচাপে চিহ্নিত কৰা হয়। পিছৰ পৰ্যায়ত লোৰ সঁজুলিৰ বিকাশে পুৰুষক প্ৰাধান্যকামী অৱস্থানত অধিষ্ঠিত কৰালে আৰু নাৰী হৈ পৰিল পুৰুষৰ অধীন। সামাজিক ৰীতি-নীতিসমূহ এইবাৰ পুৰুষৰ পক্ষত ৰচনা কৰা হ'ল আৰু ইয়েই পিতৃতান্ত্ৰিক সমাজ হিচাপে আজিও চলি আছে।

বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ অগ্ৰগতিৰ বৰ্তমান পৰ্যায়ত নাৰীসমাজ যথেষ্ট সচেতন হোৱা দেখা গৈছে। বৈজ্ঞানিক প্ৰযুক্তিৰ ব্যৱহাৰত পুৰুষৰ সমানেই নাৰীয়েও খোজ মিলাব পাৰে। তৎসত্বেও সমাজৰ আওপুৰণি নীতি-নিয়মসমূহে মহিলা সমাজৰ অগ্ৰগতিৰ দিশত বিস্তৰ ক্ষতিসাধন কৰিছে। এই ক্ষেত্ৰত পশ্চিমীয়া সমাজবোৰ আমাৰ দৰে কুসংস্কাৰ আৰু অন্ধবিশ্বাসৰ পৰা মুক্ত। কিন্তু আমাৰ সমাজ আজিও কুসংস্কাৰৰ গ্ৰাসত নিমজ্জিত। এইক্ষেত্ৰত আমাৰ দেশৰ প্ৰচলিত আৰ্থ-সামাজিক-ৰাজনৈতিক ব্যৱস্থাটোৱে মহিলাক অৱদমিত কৰি ৰাখিব বিচাৰে-- সমাজৰ ৰূপান্তৰত বাধা দিয়াৰ চেষ্টা চলায়।

বহুতৰ ভুল ধাৰণা আছে যে, নাৰী আন্দোলন মানেই পুৰুষ বিৰোধী। এই ধাৰণা ভুল। পুৰুষ বিদ্বেষীসকলক সমাজপ্ৰেমী বুলি আখ্যা দিব নোৱাৰি। নাৰীমুক্তি আন্দোলনৰ মূল প্ৰশ্ন হৈছে, সমাজৰ অৰ্ধাংশ লোকৰ ওপৰত বৈষম্য চলিছে, অৰ্ধ আকাশক বঞ্চিত কৰি ৰখা হৈছে। এই অৱস্থাৰ অৱসান অবিহনে প্ৰকৃত মানৱসমাজ গঢ়ি উঠিব নোৱাৰে। সেয়ে সমাজ ৰূপান্তৰৰ লক্ষ্যত নাৰীমুক্তি আন্দোলনে গতি কৰিব লাগিব। ইয়াৰ বাবে সবাতোকৈ প্ৰয়োজনীয় চৰ্ত হ'ল-- সমাজৰ শ্ৰেণী আৰু সামাজিক শ্ৰেণী অংশ হিচাপে নিপীড়িত হৈ থকা গ্ৰামীণ কৃষক আৰু শ্ৰমিক মহিলাক সংগঠিত কৰা আৰু এক সুস্থ নাৰীমুক্তি আন্দোলন গঢ়ি তোলা। পুৰুষক বাদ দি সুকীয়া নাৰীৰাজ্যৰ কাল্পনিক চিন্তা আৰু কিছু সংস্কাৰবাদী কাম-কাজেৰে প্ৰচলিত ব্যৱস্থাটোকে নাৰীৰ পক্ষত ঠিক-ঠাক কৰি লোৱা-- এই দুই ধাৰাক নাকচ কৰিয়েই এক প্ৰগতিশীল দৃষ্টিভংগী আৰু সুস্থ মতাদৰ্শৰে নাৰীমুক্তি আন্দোলনটো ক্ষীণ ধাৰাৰে হ'লেও ধাবমান হৈছে। এই ধাৰাটোক সঁচা অৰ্থত শক্তিশালী কৰাৰ আঁৰতেই আছে প্ৰকৃত নাৰীমুক্তি। ❁❁

(আমাৰ অসম, তাং ১৫/৫/১৯৯৯)

# মহিলাৰ বাবে আসন সংৰক্ষণ

সংসদ আৰু বিধানসভাত মহিলাৰ বাবে ৩৩ শতাংশ আসন সংৰক্ষণ বিধেয়কখন গৃহীত হ'লে ৰাজনৈতিক অধিকাৰ অৰ্জনৰ দিশত ভাৰতবৰ্ষৰ নাৰীসমাজ এখোজ হ'লেও আগুৱাই যাব। ইয়াৰ আগতে পঞ্চায়তত মহিলাৰ বাবে ৩৩% আসন সংৰক্ষণ ব্যৱস্থা কাৰ্যকৰী হোৱাৰ ফলত দেশৰ নাৰীসমাজৰ বাবে সক্ৰিয় ৰাজনীতিৰ দুৱাৰ মুকলি হয়। পঞ্চায়ত নিৰ্বাচনত সংৰক্ষিত সমষ্টিত অংশ গ্ৰহণ কৰিবলৈ সুযোগ পোৱাৰ ফলত নাৰী সমাজৰ মাজত যথেষ্ট উৎসাহ-উদ্দীপনা আৰু ৰাজনৈতিক গতিশীলতা বৃদ্ধি পোৱা দেখা গৈছে। দেশৰ জনসংখ্যাৰ প্ৰায় আধা সংখ্যাই নাৰী আৰু নাৰী সমাজৰ ৰাজনৈতিক সচেতনতা বৃদ্ধি এখন দেশৰ প্ৰগতি আৰু গণতান্ত্ৰিক অধিকাৰ অৰ্জনৰ দিশত নিঃসন্দেহে এক ইতিবাচক লক্ষণ। নাৰীয়ে আজি ভাবিবলৈ সুযোগ পাইছে যে একমাত্ৰ ভোটদানেই নাৰীৰ ৰাজনৈতিক অধিকাৰ নহয়। দেশৰ নীতি নিৰ্দ্ধাৰণ আৰু ৰাজনৈতিক ক্ষমতা অৰ্জনৰ ক্ষেত্ৰতো তেওঁলোকৰ গুৰুত্বপূৰ্ণ ভূমিকা থকা উচিত। কিন্তু নাৰীয়ে সেই ভূমিকা গ্ৰহণৰ সুযোগ পোৱা দূৰৈৰ কথা, বহু ক্ষেত্ৰত ভোটদানৰ বেলিকাও নাৰীৰ অধিকাৰ নিয়ন্ত্ৰিত হয় পুৰুষৰদ্বাৰা।

অতি পৰিতাপৰ বিষয় যে, দেশৰ সৰ্বোচ্চ নীতি নিৰ্দ্ধাৰণ আৰু সিদ্ধান্তগ্ৰহণৰ ৰাজনৈতিক প্ৰতিষ্ঠান সংসদ আৰু বিধানসভাত মহিলাৰ বাবে ৩৩% আসন সংৰক্ষণ বিধেয়কখন অদ্য পৰিমিত চৰকাৰে গৃহীত কৰা নাই। ১৯৯৬ চনৰে পৰা এই বিধেয়কখন গ্ৰহণ কৰাৰ বাবে দেশৰ বাঁও, গণতান্ত্ৰিক, প্ৰগতিশীল নাৰী সংগঠন আৰু কেইটামান ৰাজনৈতিক দলে দাবী আৰু হেঁচা প্ৰয়োগ কৰি অহাৰ পিছতো বিধেয়কখন সংসদৰ ডাষ্টবিনতে পৰি আছে। ৰাজনৈতিক দলবিলাকৰ মাজত সহমতৰ অভাৱৰ অজুহাতত বিধেয়কখন সংসদৰ যুটীয়া বাছনি সমিতিলৈ বাৰে বাৰে ওভোতাই পঠোৱা ঘটনাই ভাৰতবৰ্ষৰ সমগ্ৰ নাৰীসমাজক চৰম অপমান আৰু প্ৰতাৰণা কৰিছে। আনহাতে নিৰ্বাচনী ইস্তাহাৰত মহিলা বিধেয়কখন গৃহীত কৰাৰ প্ৰতিশ্ৰুতি দিয়া শাসনাধিষ্ঠিত বিজেপিকে ধৰি প্ৰায়বোৰ ৰাজনৈতিক দলৰ প্ৰতিশ্ৰুতি ভঙ্গ হৈছে, আচলতে প্ৰতাৰণাৰ ৰাজনীতিৰ আশ্ৰয় লৈ বিধেয়কখন গৃহীত কৰাৰ পৰিৱৰ্তে নিৰ্বাচনী ইছ্যু হিচাবে জীয়াই ৰাখিব বিচাৰিছে। মুঠৰ ওপৰত ক'বলৈ গ'লে এই বিধেয়ক গৃহীত কৰাৰ ক্ষেত্ৰত শাসনাষ্ঠিত বিজেপিৰ ৰাজনৈতিক সদিচ্ছাৰ অভাৱ আৰু কট্টৰ পুৰুষতান্ত্ৰিক মানসিকতাই ইয়াৰ প্ৰধান অন্তৰায়। বিজেপিৰ ইচ্ছা থকা হ'লে

বিধেয়কখনৰ প্ৰতি সমৰ্থন আগবঢ়োৱা কংগ্ৰেছ, বাঁওপন্থী দলকে ধৰি একাংশ ৰাজনৈতিক দলৰ সদস্যসকলৰ সহযোগত কেতিয়াবাই আসন সংৰক্ষণ বিধেয়কখন গৃহীত কৰিব পাৰিলেহেঁতেন। এইখন চৰকাৰেই ৰাজ্যসভাত সংখ্যা গৰিষ্ঠতা নথকা সত্ত্বেও সংসদৰ যৌথ অধিবেশন আহ্বান কৰি 'পটা'ৰ দৰে দানৱীয় আইন গৃহীত কৰিলে, কিন্তু সেই একেখন চৰকাৰেই মহিলাৰ আসন সংৰক্ষণ বিধেয়ক এতিয়ালৈকে সংসদত চাৰিবাৰকৈ উত্থাপিত হোৱাৰ পিচতো বিধেয়কখন গৃহীত কৰাৰ ক্ষেত্ৰত নিৰ্লিপ্ত ভূমিকা গ্ৰহণ কৰিছে। 'পটো' বিধেয়ক গ্ৰহণৰ বেলিকা বিজেপিয়ে কোনোটো ৰাজনৈতিক দলৰ বিৰোধিতাক গুৰুত্ব নিদিলে। সেইদৰে ২০০১ চনক 'নাৰীৰ সবলীকৰণ বৰ্ষ' হিচাবে ঘোষণা কৰিও মূৰকত মহিলাৰ আসন সংৰক্ষণ বিধেয়কখন গৃহীত কৰাটো বাদেই, সেই বৰ্ষত বিধেয়কখন চৰকাৰে সংসদত উত্থাপনেই নকৰিলে। মহিলা সবলীকৰণ বৰ্ষত বাজপেয়ী চৰকাৰে ধৰ্ষণকাৰীক চৰম শাস্তি বিহাৰ পৰিবৰ্তে 'ধৰ্ষণৰ বীমাকৰণ আঁচনি' উদ্বোধন কৰি অনুজ্ঞাপত্ৰ প্ৰদান কৰিলে। উক্ত বছৰতে একবিংশ শতিকাৰ কলংক সতীদাহৰ দৰে ঘটনাক উদ্‌গনি দি সতীদেৱী বঁটা প্ৰদান কৰি মহিলাৰ সামাজিক স্থিতি বহু অৱনমিত কৰা হ'ল। অথচ মহিলাৰ আসন সংৰক্ষণ বিধেয়কৰ ক্ষেত্ৰত আৰ জে ডি, সমাজবাদী, শিৱসেনা, আকালি আদি দলে 'সংৰক্ষণৰ ভিতৰতে সংৰক্ষণ', 'দ্বি আসন ব্যৱস্থা'ৰ দৰে যিবোৰ চৰ্ত আৰোপ কৰিছে সেই চৰ্তবোৰ শাসনাধিষ্ঠিত দলে নাকচ কৰা উচিত আছিল। কিন্তু বিজেপিয়ে তেনে চৰ্ত নাকচ কৰাটো বাদেই 'দ্বি আসন ব্যৱস্থা'ৰ দৰে কাৰ্যতঃ সংৰক্ষণ বিৰোধী প্ৰস্তাৱ আগবঢ়াই বিধেয়কখন গ্ৰহণৰ ক্ষেত্ৰত নিজেই প্ৰধান প্ৰতিবন্ধক হৈ পৰিল। বিজেপিৰ এনে দুমুখীয়া চৰিত্ৰই দলটোৰ নাৰী বিৰোধী স্থিতি নগ্নৰূপত উন্মোচিত কৰিলে।

ভাৰতবৰ্ষত সংৰক্ষণ নীতি কোনো নতুন কথা নহয়। সম অধিকাৰ অৰ্জনৰ ক্ষেত্ৰত নাৰী আৰু পিচপৰা বৰ্ণৰ বাবে বিভিন্ন ক্ষেত্ৰত সংৰক্ষণৰ ব্যৱস্থা ভাৰতবৰ্ষৰ সংবিধান স্বীকৃত আৰু সংবিধান প্ৰদত্ত অধিকাৰ। আনকি বিধানসভা আৰু লোকসভাত কেইবাখনো আসন অনুসূচিত জাতি আৰু জনজাতিসমূহৰ বাবে সংৰক্ষিত আছে। তেনে ক্ষেত্ৰত মহিলাৰ আসন সংৰক্ষণৰ বিৰোধিতাৰ ক্ষেত্ৰত লিঙ্গভিত্তিক অসমতাই জন্ম দিয়া পিতৃতান্ত্ৰিক দাম্ভিক তথা সামন্তীয় মানসিকতাই প্ৰধানতঃ জগৰীয়া।

দেশৰ নীতি নিৰ্দ্ধাৰণ আৰু সিদ্ধান্ত গ্ৰহণ প্ৰক্ৰিয়াত নাৰীৰ অংশ গ্ৰহণৰ দাবীটোৱে গুৰুত্ব লাভ কৰাৰ মূল কাৰণটো হ'ল সেই ক্ষেত্ৰসমূহত নাৰীৰ পুতৌজনক অংশগ্ৰহণ। ভাৰতবৰ্ষ স্বাধীন হোৱাৰ পাচৰে পৰা লোকসভা, বিধানসভা আদিলৈ নিৰ্বাচিত হোৱা নাৰী প্ৰতিনিধিৰ সংখ্যাই প্ৰমাণ কৰে যে আমাৰ দেশত বৰ্ত্তি থকা লিঙ্গ-বৈষম্য আৰু অৰ্দ্ধ-সামন্ততান্ত্ৰিক তথা অৰ্দ্ধ-পুঁজিবাদী সমাজ ব্যৱস্থাই নাৰীক কটকটীয়া শিকলিৰে বান্ধি ৰাখিছে। আনকি উন্নত পুঁজিবাদী ৰাষ্ট্ৰসমূহতো নাৰী পুৰুষৰ মাজত লিংগ-বৈষম্য থকা বাবে সেই দেশবোৰতো ৰাজনৈতিক সিদ্ধান্ত গ্ৰহণ প্ৰক্ৰিয়াত



নাৰীৰ অংশ গ্ৰহণ সন্তোষজনক নহয়। সেয়ে আজি ভাৰতবৰ্ষত নাৰীৰ বাবে সংসদ আৰু বিধানসভাত আসন সংৰক্ষণৰ যি দাবী উঠিছে সেয়া সমগ্ৰ বিশ্বৰ নাৰী মুক্তি আন্দোলনৰে এক অংশ বিশেষ। ৰাজনীতিত নাৰীৰ অংশগ্ৰহণ সম্পৰ্কত লেনিনে কৈছিল — "নাৰীসকলক ৰাজনীতিৰ মাজলৈ টানি ননাকৈ জনসাধাৰণক ৰাজনীতিলৈ টানি অনা সম্ভৱ নহয়। কিয়নো মানৱ জাতিৰ অৰ্দ্ধাংশই হৈছে নাৰী — এওঁলোক পুঁজিবাদৰ আমোলত দুগুণে বেছি পীড়িত, অত্যাচাৰিত।"

১৯৫২ চনৰ পৰা ১৯৯৯ চনলৈকে লোকসভাত মহিলা সদস্যাৰ সংখ্যা ৪.৪% ৰ পৰা ৮.৮৩% লৈ উঠা-নমা কৰিছে।

### লোকসভাত মহিলা সদস্যা

(শতকৰা)

| বছৰ | | মহিলা সদস্যা |
|---|---|---|
| ১৯৫২ | - | ৪.৪০% |
| ১৯৫৭ | - | ৫.৪০% |
| ১৯৬২ | - | ৬.৭০% |
| ১৯৬৭ | - | ৫.৯০% |
| ১৯৭১ | - | ৪.২% |
| ১৯৭৭ | - | ৩.৪০% |
| ১৯৮০ | - | ৫.১০% |
| ১৯৮৪ | - | ৮.১% |
| ১৯৮৯ | - | ৫.২% |
| ১৯৯১ | - | ৭.১৬% |
| ১৯৯৬ | - | ৭.৩৫% |
| ১৯৯৮ | - | ৮.১% |
| ১৯৯৯ | - | ৮.৮৩% |

**(Source : PIB, Government of India)**

সেইদৰে ৰাজ্যসভাত '৫২ চনৰ পৰা '৯৮ চনলৈকে নাৰী সদস্যাৰ সংখ্যা ৭.৩% ৰ পৰা ৮.৬ শতাংশৰ ভিতৰতে সীমাবদ্ধ আছে। লোকসভা নিৰ্বাচনত অংশ গ্ৰহণ কৰা

মহিলাৰ সংখ্যাও পুৰুষৰ তুলনাত অতি সামান্য।

### ৰাজ্যসভাত নাৰীৰ স্থিতি

| বছৰ | মুঠ আসন | নিৰ্বাচিত মহিলাৰ সংখ্যা | শতকৰা হাৰ |
|---|---|---|---|
| ১৯৫২ | ২১৯ | ১৬ | ৭.৩ |
| ১৯৫৭ | ২৩৭ | ১৮ | ৭.৫ |
| ১৯৬২ | ২৩৮ | ১৮ | ৭.৬ |
| ১৯৬৭ | ২৪০ | ২০ | ৮.৩ |
| ১৯৭১ | ২৪৩ | ১৭ | ৭.০ |
| ১৯৭৭ | ২৪৪ | ২৫ | ১০.২ |
| ১৯৮০ | ২৪৪ | ২৪ | ৯.৮ |
| ১৯৮৫ | ২৪৪ | ২৮ | ১১.৪ |
| ১৯৯০ | ২৪৫ | ৩৮ | ১৫.৫ |
| ১৯৯৬ | ২২৩ | ২০ | ৯.০ |
| ১৯৯৮ | ২২৩ | ১৯ | ৮.৬ |

(উৎস ঃ ভাৰতৰ নিৰ্বাচনী আয়োগৰ সৌজন্যত)

### লোকসভাত প্ৰতিদ্বন্দ্বী মহিলাৰ সংখ্যা

| বছৰ | পুৰুষ | মহিলা | সৰ্বমুঠ | জয়ী পুঃ % | জয়ী মঃ % |
|---|---|---|---|---|---|
| ১৯৫২ | ১৮৩১ | ৪৩ | ১৮৭৪ | ২৬.০৫ | ৫১.১৬ |
| ১৯৫৭ | | | | | |
| ১৯৬২ | ১৪৭৩ | ৪৫ | ১৫১৮ | ৩১.৭ | ৬০.০ |
| ১৯৬৭ | ১৯১৫ | ৭০ | ১৯৮৫ | ২৪.০ | ৫০.০ |
| ১৯৭১ | ২৩০২ | ৬৭ | ২৩৬৯ | ২১.৩ | ৪৪.৮ |
| ১৯৭৭ | ২৬৯৮ | ৮৬ | ২৭৮৪ | ১৮.৫ | ২৪.৪ |
| ১৯৮০ | ২৩৬৯ | ৭০ | ২৪৩৯ | ২২.১ | ২৭.১ |
| ১৯৮৪ | ৪৪৭৮ | ১৪২ | ৪৬২০ | ১১.৫ | ১৯.৭ |
| ১৯৮৯ | ৫৪০৬ | ১৬৪ | ৫৫৭৪ | ৯.২ | ২৫.৬ |
| ১৯৯১ | ৫৯৬২ | ১৯৮ | ৬১৬০ | ৮.৫ | ১৩.৬ |
| ১৯৯৬ | ৮৩৭৪ | ৩২৫ | ৮৬৯৯ | ৫.৯ | ১২.০ |
| ১৯৯৮ | ১৩৩৫৩ | ৫৯৯ | ১২৯৫২ | ৩.৮ | ৬.৭ |
| ১৯৯৯ | ৪৪৭৬ | ২৭৪ | ৪৭৫০ | ১১.২ | ১৫.৭ |
| | ৩৯৭৬ | ২৭৮ | ৪২৫৪ | ১২.৩ | ১৭.৩ |

(উৎস ঃ PIB ভাৰত চৰকাৰৰ তথ্য আৰু প্ৰচাৰ মন্ত্ৰালয়ৰ সৌজন্যত)



(সহায়ক গ্ৰন্থ ঃ *Empowering the Indian Women*, Edited by Pramila Kapoor, Page- 234, 235, 236)

নিৰ্দিষ্টভাৱে অসমৰ পৰিপ্ৰেক্ষিতত এই সংখ্যা অতি পুতৌলগা। ১৯৫২-৮৫ চনলৈকে অসমৰ পৰা লোকসভালৈ নিৰ্বাচিত প্ৰাৰ্থী আৰু নিৰ্বাচনত অংশ গ্ৰহণ কৰা পুৰুষ-মহিলাৰ সংখ্যাই এনে পুতৌজনক স্থিতিৰ জ্বলন্ত প্ৰমাণ।

### ১৯৫২-৮৫ চনলৈকে অসমৰ পৰা লোকসভালৈ নিৰ্বাচিত মহিলা প্ৰাৰ্থী আৰু নিৰ্বাচনত অংশগ্ৰহণ কৰা পুৰুষ-মহিলাৰ সংখ্যা -

| বছৰ | মুঠ প্ৰাৰ্থী | পুৰুষ প্ৰাৰ্থী | মহিলা প্ৰাৰ্থী | লোকসভাত অসমৰ মুঠ আসন | নিৰ্বাচিত মহিলা প্ৰাৰ্থী |
|---|---|---|---|---|---|
| ১৯৫২ | ৪০ | ৩৮ | ০২ | ১০ | ০১ |
| ১৯৫৭ | ৩১ | ২৯ | ০২ | ১০ | ০২ |
| ১৯৬২ | ৪১ | ৩৮ | ০৩ | ১২ | ০২ |
| ১৯৬৭ | ৪৭ | ৪৫ | ০২ | ১৪ | ০১ |
| ১৯৭১ | ৭৮ | ৭৫ | ০৩ | ১৪ | ০১ |
| ১৯৭৭ | ৪০ | ৩৭ | ০৩ | ১৪ | ০২ |
| ১৯৮০ | ০৭ | ০৫ | ০২ | ১৪ | - |
| ১৯৮৫ | ১০৬ | ১০৫ | ০১ | ১৪ | - |

(উৎস ঃ *Status of Women in Assam*, 1992, Edited by Dr. S.L. Baruah)

১৯৫২-৮৫ চনলৈকে অসমৰ মুঠ বিধানসভা আসনৰ নিৰ্বাচনত ভাগ লোৱা আৰু নিৰ্বাচিত হোৱা পুৰুষ মহিলাৰ মাজত আশ্চৰ্যজনক ব্যৱধান দেখা যায়। সেইদৰে নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰা পুৰুষৰ তুলনাত মহিলা প্ৰতিদ্বন্দ্বীৰ সংখ্যাও আঙুলিৰ মূৰত লেখিব পৰা।

এই বৈষম্য বিশ্বজোৰা। ১৯৯৬ চনত বিশ্বৰ সংসদসমূহৰ মুঠ ৩৩,৯৮১ খন আসন পুৰুষে দখল কৰাৰ বিপৰীতে মহিলাৰ আসনৰ সংখ্যা আছিল মাত্ৰ ৪,৫১২ খন। আনহাতেদি ২০০২ চনৰ মানৱ সম্পদ উন্নয়ন দপ্তৰৰ প্ৰতিবেদনত প্ৰকাশ যে পৃথিৱীৰ মাত্ৰ ১০ খন দেশতহে মহিলা সাংসদৰ সংখ্যা ৩৩%, ছুইডেন অৰশ্যে এই

ক্ষেত্রত ব্যতিক্রম। এই দেশৰ মহিলা সাংসদৰ সংখ্যা বিশ্বৰ সৰ্বাধিক, ৪২.৭% । ইয়াৰ পাছত স্থান দখল কৰিছে ক্ৰমে ডেনমাৰ্ক ৩৭.৪% আৰু নৰৱে ৩৬.৪%। এচিয়া মহাদেশত মহিলা সাংসদৰ গড় শতাংশ ১২.১, আমেৰিকা আৰু লেটিন আমেৰিকা ১২.৭%,, প্ৰশান্ত মহাসাগৰীয় ৰাষ্ট্ৰসমূহত ১১.৬ %, ইউৰোপত ১০.৯% , আফ্ৰিকাত ১০.৪% আৰু আৰব দেশসমূহত ৩.৩%।

ভাৰতবৰ্ষ স্বাধীন হোৱাৰ ৫৭ বছৰৰ পিছতো আজি সংসদীয় ৰাজনীতিত নাৰীৰ অংশগ্ৰহণ এপাচি কচুশাকত এটা জালুকৰ দৰে। আন্তৰ্জাতিক পৰ্য্যায়তো এই পৰিসংখ্যাৰ ব্যাপক বৈষম্য দেখা যায়। বিশ্বত মহিলা সাংসদৰ সংখ্যা ১৯৪৬ চনৰ ২৬ গৰাকীৰ পৰা ১৯৯৬ চনত ১৮৬ গৰাকীলৈ বৃদ্ধি পায়। কিন্তু বিশ্বৰ সংসদসমূহত আসনৰ শতকৰা হাৰ ১৯৮৮ চনৰ পৰা হ্ৰাস পাই আহিছে। বিশ্বৰ ৪৩ খন দেশত নিৰ্দ্দিষ্ট সংখ্যক সংসদীয় আসন মহিলাৰ বাবে ধাৰ্য কৰা হৈছে যদিও এই আসনসমূহ নিযুক্তি ব্যৱস্থাৰ দ্বাৰা পূৰণ কৰা হৈছে। তৎসত্বেও মহিলা সাংসদৰ সংখ্যা ২০%তকৈ বেছি হোৱা নাই। এই হাৰ সংসদৰ ক্ষেত্ৰত ১৪.৮% আৰু চিনেটৰ ক্ষেত্ৰত ১২.৭%। কিন্তু ১৯৯৬ চনত সংসদত ১১.৬% আৰু চিনেটৰ ক্ষেত্ৰত ৯.৪% আছিল। চৌদি আৰবকে ধৰি কুৱেইট আৰু বিশ্বৰ কমেও ৯ খন দেশত আনকি এগৰাকীও মহিলা সাংসদ নথকা কথাটোৱে সেই দেশসমূহত মহিলাৰ অধিক পশ্চাদপদ অৱস্থানকে দাঙি ধৰে।

[Source : United Nations Division for the Advancement of Women (UNDAW), Fact sheet on Women in Government of 1996, Empowering the Indian Women, Edited by Pramila Kapoor, Page-225. ]

নাৰীৰ ৰাজনৈতিক অধিকাৰৰ দাবী পুৰুষ-নাৰীৰ সম-অধিকাৰৰ সংগ্ৰামৰ অবিচ্ছেদ্য অ!। বিশ্বৰ প্ৰান্তে প্ৰান্তে নিপীড়িত আৰু বঞ্চিত নাৰী সমাজে ৰাজনৈতিক অধিকাৰ, সম অধিকাৰৰ বাবে গণতান্ত্ৰিক পদ্ধতিৰে সংগ্ৰাম কৰি আহিছে। একমাত্ৰ সমাজতান্ত্ৰিক ৰাষ্ট্ৰৰ বাহিৰে বিশ্বৰ ক'তো নাৰীমুক্তি আন্দোলনৰ গণতান্ত্ৰিক দাবীবোৰৰ মীমাংসা হোৱা নাই। এইক্ষেত্ৰত ৰাষ্ট্ৰসংঘকে ধৰি বিশ্বৰ বিভিন্ন ৰাষ্ট্ৰৰ চৰকাৰ তথা নাৰী সংগঠনসমূহে নাৰীৰ সমঅধিকাৰ সম্পৰ্কত জন্মলগ্নৰে পৰা সচেতনভাৱে উদ্যোগ লৈ আহিছে। ৰাষ্ট্ৰসংঘই ৰাজনীতিত নাৰীৰ অংশগ্ৰহণৰ ক্ষেত্ৰত ১৯৫১ চনত এক অভিবৰ্তন অনুষ্ঠিত কৰে। বিশেষকৈ যোৱা শতিকাত হৈ যোৱা ৪ খনকৈ বিশ্ব নাৰী সন্মিলনত নাৰীৰ সম অধিকাৰ, সমমৰ্যাদা আৰু শান্তিৰ বিষয়টো বহলভাৱে আলোচনা হয়। ১৯৯৫ চনত চীনদেশৰ বেইজিঙত হোৱা চতুৰ্থ বিশ্ব নাৰী সন্মিলনে দেশৰ নীতি নিৰ্দ্ধাৰণ আৰু সিদ্ধান্তগ্ৰহণ প্ৰক্ৰিয়াত নাৰীৰ অংশ গ্ৰহণৰ ওপৰত বিশেষভাৱে জোৰ দিয়ে আৰু সন্মিলনত অংশ গ্ৰহণকাৰী ৰাষ্ট্ৰসমূহত এই ব্যৱস্থা কাৰ্যকৰী কৰাৰ



বাবে হেঁচা প্ৰয়োগ কৰা হয়।

নিৰ্দ্দিষ্টভাৱে ভাৰতবৰ্ষৰ আৰ্থ-সামাজিক-ৰাজনৈতিক পৰিস্থিতিত দেশৰ নীতি নিৰ্দ্ধাৰণ আৰু সিদ্ধান্তগ্ৰহণ প্ৰক্ৰিয়াত নাৰীৰ অংশ গ্ৰহণ সম্পৰ্কত স্বাধীনতাৰ পিচৰে পৰা চিন্তা-চৰ্চা হৈ আহিছে। ভাৰতত ১৯৭৪ চনত কেন্দ্ৰীয় চৰকাৰে নিযুক্তি দিয়া 'ষ্টেটাচ অন অ'মেন' কমিটিৰ প্ৰতিবেদন অনুসৰি ১৯৮৮ চনত তদানীন্তন কং(ই) প্ৰধানমন্ত্ৰী ৰাজীৱ গান্ধীয়ে নেচনেল পাৰ্চপেক্টিভ প্লেনৰ আধাৰত পঞ্চায়তকে ধৰি স্থানীয় নিকায়সমূহত মহিলাৰ অংশ গ্ৰহণ বঢ়াবৰ বাবে ৩৩% আসন সংৰক্ষণ বিধেয়কখন ৭৩ তম আৰু ৭৪ তম সংবিধান সংশোধনীৰে ১৯৯৩ চনত গ্ৰহণ কৰে। ইয়াৰ ফলত পঞ্চায়ত নিৰ্বাচনৰ যোগেদি ভাৰতবৰ্ষৰ স্থানীয় নিকায়সমূহত প্ৰায় ১ মিলিয়ন মহিলা নিৰ্বাচিত হৈ সিদ্ধান্ত গ্ৰহণ প্ৰক্ৰিয়াত অংশ গ্ৰহণ কৰাৰ সুবিধা পায়। তদুপৰি চৰকাৰ গঠনৰ বেলিকাও নিৰ্বাচিত নাৰী সাংসদক মন্ত্ৰীসভাত অন্তৰ্ভুক্ত কৰাৰ ক্ষেত্ৰতো ভাৰতবৰ্ষৰ পৰম্পৰাগত ৰাজনৈতিক দল আৰু নিৰ্বাচিত পুৰুষ সাংসদসকলৰ মাজত নাৰীবিৰোধী স্থিতি দেখা যায়। কেন্দ্ৰীয় মন্ত্ৰীসভাত মাথোঁ নগণ্য সংখ্যক নাৰীয়ে ঠাই পোৱা তথ্যসমূহেই এই বৈষম্য স্পষ্টভাৱে প্ৰতিফলিত কৰে।

| বছৰ | মহিলা মন্ত্ৰী (কেন্দ্ৰ) | মহিলা মন্ত্ৰী (ৰাজ্য) |
|---|---|---|
| ১৯৫২ | ৩ | ৫ |
| ১৯৫৭ | ৩ | ১২ |
| ১৯৬২ | ৫ | ২১ |
| ১৯৬৭ | ৫ | ১০ |
| ১৯৭১ | ৩ | ১৮ |
| ১৯৭৭ | ২ | ২২ |
| ১৯৮০ | ৮ | ৫ |
| ১৯৮৪ | ৫ | ১০ |
| ১৯৮৯ | ১ | ১২ |
| ১৯৯১ | ৫ | ১৫ |
| ১৯৯৬ | ৫ | ১৮ |
| ১৯৯৮ | ৪ | ১৮. |

(Source : Report of Election Commission, *Women in Indian Politics*, Page- 203, Edited by Niroj Singha).

সেইদৰে ৰাজনৈতিক দল সমূহৰ মাজতো নাৰীক সংসদ বা বিধানসভালৈ নিৰ্বাচিত কৰাৰ ক্ষেত্ৰত তীব্ৰ অনীহা পৰিলক্ষিত হয়।

মুখ্য ৰাজনৈতিক দল সমুহৰ পৰা লোকসভালৈ নিৰ্বাচিত হোৱা মহিলা প্ৰাৰ্থীৰ সংখ্যা

| | ১৯৭১ | ৭৭ | ৮০ | ৮৪ | ৮৯ | ৯১ | ৯৬ | ৯৮ |
|---|---|---|---|---|---|---|---|---|
| কং(ই) | ১৫ | ৭ | ১৯ | ৩৭ | ১৪ | ২০ | ১৬ | ১০ |
| চি পি আই | ১ | ১ | ১ | ১ | ২ | ১ | ১ | ১ |
| চি পি এম | ১ | ২ | ২ | ১ | ২ | ২ | ১ | ৩ |
| বি জে পি | - | - | - | - | ৫ | ১০ | ১৬ | ১৫ |
| লোক দল | - | ৯ | - | - | - | - | - | - |
| জনতা দল | - | - | - | - | ২ | ২ | ৪ | - |
| জনতা পার্টি | - | ২ | - | - | - | - | - | - |
| বি এচ পি | - | - | - | - | - | - | - | ১ |

(Source : Report of Election Commission, *Women in Indian Politics*, Page-175-182, Edited by Niroj Sinha).

১৯৫২-৯৬ চলৈকে দেশৰ ৰাজনৈতিক দলসমূহৰ পৰা বিধানসভালৈ নিৰ্বাচিত মহিলা প্ৰতিনিধিৰ সংখ্যাই এই অনীহা প্ৰতিফলিত কৰে।

১৯৫২-৮৫ অসমৰ মুঠ বিধানসভা আসনৰ নিৰ্বাচনত ভাগ লোৱা আৰু নিৰ্বাচিত হোৱা পুৰুষ-মহিলাৰ সংখ্যা

| বছৰ | মুঠপ্ৰাথী | পুৰুষপ্ৰাঃ | মহিলাপ্ৰাঃ | বিধানসভৰ মুঠআসন | নিৰ্বাচিত মহিলাৰ সংখ্যা | নিৰ্বাচিত% |
|---|---|---|---|---|---|---|
| ১৯৫২ | ৪৫৮ | ৪৫২ | ০৬ | ১০৮ | ০২ | ০.৫% |
| ১৯৫৭ | ৩১২ | ৩০২ | ১০ | ১০৮ | ০৫ | ৪.৬% |
| ১৯৬২ | ৪০৯ | ৪০৫ | ০৪ | ১০৫ | ০৪ | ৩.৮% |
| ১৯৬৭ | ৪৮৭ | ৪৭৮ | ০৯ | ১২৬ | ০৫ | ৪.০% |
| ১৯৭২ | ৪৭৬ | ৪৬৪ | ১২ | ১১৪ | ০৮ | ৭.০% |
| ১৯৭৮ | ৯৩৮ | ৯১৮ | ২০ | ১২৬ | ০১ | ০.৮% |
| ১৯৮৩ | ৫২৩ | — | — | ১২৬ | — | ০.৮% |
| ১৯৮৫ | ১২৩৪ | ১২২৬ | ০৮ | ১২৬ | ০৪ | ৪.০% |



(উৎস ঃ *Status of Women in Assam*, 1992 Edited by Dr. S.L Baurah)

সেইদৰে দেশৰ সিদ্ধান্তগ্ৰহণ প্ৰক্ৰিয়াৰ অন্যতম নিকায় প্ৰশাসনিক ক্ষেত্ৰসমূহতো নাৰীৰ অংশ গ্ৰহণ খুবেই সীমিত। ভাৰতীয় প্ৰশাসনিক সেৱা আৰু আৰক্ষী সেৱাত নিয়োজিত মহিলা বিষয়াৰ পৰিসংখ্যাৰ পৰাই এই তথ্য ওলাই পৰে।

সিদ্ধান্ত গ্ৰহণকাৰী প্ৰক্ৰিয়াত মহিলাৰ অংশ গ্ৰহণ

| বিভিন্ন বিভাগ | মহিলা | পুৰুষ | সৰ্বমুঠ | মহিলা | পুৰুষ | সৰ্বমুঠ |
|---|---|---|---|---|---|---|
| (১) প্ৰশাসন | | | | | | |
| আই এ এচ | ৩৩৯ | ৩৮৬৫ | ৪২০৪ | ৫৩৫ | ৪৬২৪ | ৫১৫৯ |
| (১৯৮৭ আৰু ২০০০)(৮.১%) | | | | (১০.৪%) | | |
| (২) আই পি এচ | ২১ | ২৩৯৭ | ২৪১৮ | ১১০ | ৩১৯১ | ৩৩০১ |
| (১৯৮৭ আৰু ২০০০)(০.৯%) | | | | (৩.৩%) | | |
| (৩) ৰাজনৈতিক | ৩.১৮ | ৬.৩০ | ৯.৪৮ | ৮.১৪ | ১৭.৮৪ | ২৫.৯৮ |
| (১৯৯৫ আৰু ১৯৯৭)(৩৩.৫%) | | | | (৩১.৩%) | | |
| (৪) বিধানসভা | ১৪১ | ২৬৩২ | ২৭৭৩ | ২২৯ | ৩৮৩৮ | ৪০৬৭ |
| (১৯৮৫ আৰু ২০০০)(৫.১%) | | | | (৫.৬%) | | |
| (৫) লোকসভা | ৪৭ | ৭২১ | ৭৬৮ | ৬৭ | ৭২৩ | ৭৯০ |
| (১৯৮৯ আৰু ১৯৯৯)(৬.১%) | | | | (৮.৪%) | | |
| (৬) কেন্দ্ৰীয় মন্ত্ৰী পৰিষদ | ৪ | ৩৬ | ৪০ | ৮ | ৬৫ | ৭৩ |
| (১৯৫২ আৰু ১৯৯৯)(১০%) | | | | (১০.৯%) | | |

(*Empowering the Indian Women*, Edited by Pramila Kapoor, Page-330)

কেৱল চৰকাৰী নিকায়সমূহতে মহিলাৰ অংশগ্ৰহণ যে পুতৌজনক এনে নহয় — সামাজিক, ৰাজহুৱা সংগঠন, সংঘ আদিতো মহিলাৰ অংশগ্ৰহণৰ প্ৰতিচ্ছবি তদনুৰূপ।

এনে এক পৰিপ্ৰেক্ষিতত নাৰী সমাজক সংৰক্ষণ অবিহনে ৰাজনৈতিক ব্যৱস্থাত অংশগ্ৰহণ কৰোৱাৰ আন কোনো বিকল্প উপায় নাই। সংৰক্ষণৰ জৰিয়তে নাৰীক নীতি নিৰ্দ্ধাৰণ আৰু সিদ্ধান্ত গ্ৰহণ প্ৰক্ৰিয়াত অংশ গ্ৰহণ কৰোৱা নীতি কেৱল ভাৰতবৰ্ষতে আছে এনে নহয়। ইতিমধ্যে বিশ্বৰ কেইবাখনো দেশৰ সংসদত মহিলাৰ

বাবে আসন সংৰক্ষণৰ ব্যৱস্থা কাৰ্যকৰী হৈছে। তাৰ ভিতৰত আৰ্জেণ্টিনা, বেলজিয়াম, উত্তৰ কোৰিয়া, নেপাল, ফিলিপাইনচ, বাংলাদেশ, বুৰকিনাফেছ', উগাণ্ডা, টানজানিয়া আদি উল্লেখযোগ্য। চতুৰ্থ বিশ্ব নাৰী সন্মিলনৰ পাচত ৭৮ খন দেশৰ ২৪০ জন প্ৰতিনিধিৰে আন্তৰ্ৰাষ্ট্ৰীয় সংসদীয় সমিতিৰ এখন সভা ১৯৯৭ চনৰ ১৪-১৮ ফেব্ৰুৱাৰীত নতুন দিল্লীত অনুষ্ঠিত হয়। তাতেই সংৰক্ষণৰ ওপৰত গুৰুত্বপূৰ্ণ আলোচনা হয়। সেই সভাৰ বিষয়বস্তু আছিল-- " Towards partnership between Men & Women in politics" উক্ত বৈঠকত অংশগ্ৰহণ কৰি ভাৰতৰ তদানীন্তন ৰাষ্ট্ৰপতি ড° শংকৰ দয়াল শৰ্মাই কৈছিল, "We must root out prejudice against women and the negative attitude towards their participation in politics." তেওঁ আৰু কয় যে, পঞ্চায়ত আৰু স্থানীয় নিকায়সমূহত ৩৩% আসন সংৰক্ষণ ভাৰতীয় মহিলাৰ বাবে এক গুৰুত্বপূৰ্ণ অগ্ৰগতি।

পঞ্চায়তত মহিলাৰ বাবে আসন সংৰক্ষণ ব্যৱস্থা কাৰ্যকৰী হৈ যোৱাৰ পাচতো অদ্যপৰিমিত সংসদ আৰু বিধান সভাত মহিলাৰ বাবে ৩৩% আসন সংৰক্ষণ বিধেয়ক গৃহীত নোহোৱা বিষয়টো অত্যন্ত আশ্চৰ্যজনক। ১৯৯৩ চনৰ পৰা ১৯৯৬ চনৰ ভিতৰত দেশৰ বাঁও-প্ৰগতিশীল আৰু গণতান্ত্ৰিক নাৰী সংগঠনসমূহেও অন্যান্য দেশৰ আৰ্হিত সংসদ, বিধানসভা আৰু পঞ্চায়তন্তৰলৈকে মহিলাৰ বাবে ৩৩% আসন সংৰক্ষণৰ দাবীত জোবদাৰ আৰু ধাৰাবাহিক সংগ্ৰাম গঢ়ি তুলিছিল। সংসদৰ ভিতৰত গীতা মুখাৰ্জীৰ দৰে কমিউনিষ্ট পাৰ্টিৰ সাংসদে এই বিধেয়ক গৃহীত কৰাৰ পক্ষত যুঁজ দিছিল। বিশেষকৈ, বিধেয়কখন প্ৰথমবাৰ সংসদত উঠাৰ সময়ত গীতা মুখাৰ্জী যুটীয়া সংসদীয় বাচনি সমিতিৰ অধ্যক্ষা আছিল। সেই সময়ত উক্ত বিধেয়কখন সংশোধনীসহ সংসদত উত্থাপন কৰাৰ বাবে ৰাজনৈতিক দলবোৰৰ পৰা সংৰক্ষণৰ ভিতৰতে সংৰক্ষণৰ দাবী তুলি সংশোধনীৰ বাবে যিবোৰ প্ৰস্তাৱ আহিছিল তেওঁ সকলোবিলাক নাকচ কৰি দিছিল আৰু বিধেয়কখন মূলৰূপতে সদনত উত্থাপন কৰাৰ ক্ষেত্ৰত সক্ৰিয় তথা আপোচহীন ভূমিকা গ্ৰহণ কৰিছিল। কিন্তু দুৰ্ভাগ্যৰ বিষয় যে বিধেয়কখনৰ ওপৰত তৰ্ক-বিতৰ্ক, সংশোধনী আদি চলি থকা সময়তে মহিলা সাংসদ গৰাকীৰ মৃত্যু হয়।

৮১তম সংবিধান সংশোধনীৰে প্ৰথমে বিধেয়কখন উত্থাপিত হয় ১৯৯৬ চনৰ ১৩ ছেপ্টেম্বৰত তদানীন্তন দেৱেগৌড়া নেতৃত্বাধীন সংযুক্ত মৰ্চা চৰকাৰৰ দিনত। ১৯৯৬ চনৰ সাধাৰণ নিৰ্বাচনত কংগ্ৰেছ আৰু জনতা দলকে ধৰি সংযুক্ত মৰ্চাৰ অন্তৰ্গত ৰাজনৈতিক দল বিলাকৰ নিৰ্বাচনী ঘোষণাপত্ৰত মহিলাৰ আসন সংৰক্ষণ বিষয়টো উমৈহতীয়া ন্যূনতম কাৰ্যসূচীৰ অন্তৰ্ভুক্ত আছিল। আনকি বৰ্তমান শাসনাধিষ্ঠিত বিজেপি দলেও আসন সংৰক্ষণ বিধেয়ক গ্ৰহণ কৰা হ'ব বুলি নিৰ্বাচনী



প্ৰতিশ্ৰুতি দিছিল। কিন্তু পৰৱৰ্তী সময়ত বিধেয়কখন যেতিয়া সংসদত উত্থাপন কৰা হ'ল তেতিয়া নিৰ্বাচনত মিত্ৰতা কৰা দলবিলাকৰ মাজতে মত-পাৰ্থক্য দেখা গ'ল। বিশেষকৈ এন ডি এ-ৰ প্ৰধান অংশীদাৰ বিজেপি দলৰ মাজতে এই বিধেয়কৰ প্ৰতি সৰ্বাধিক বিৰোধিতা পৰিলক্ষিত হ'ল। ৮৩ তম সংবিধান সংশোধনীৰে ১৯৯৭ চনত ইন্দৰ কুমাৰ গুজৰালৰ দিনত সংসদত উত্থাপন কৰাৰ বেলিকা ৰাজনৈতিক দলবিলাকৰ মাজত সহমতৰ অভাৱ দোহাই দি আকৌ একেই সুৰতে বিধেয়কখন বিৰোধিতাহে কৰিলে। বিধেয়কখন প্ৰত্যক্ষভাৱে বিৰোধিতা নকৰিলেও যিবোৰ সংশোধনীৰ বাবে দাবী কৰা হৈছিল সেই সংশোধনী স্বীকাৰ কৰি লোৱাটো হ'ব এফালে বিধেয়কখনৰ তৰলীকৰণ আৰু আনফালে ইয়াৰদ্বাৰা নাৰী সমাজৰ মাজত তীব্ৰ সংঘাতৰ সৃষ্টি। সামাজিক ন্যায়ৰ পক্ষত থকা সমাজবাদী পাৰ্টিৰ মুলায়াম সিং যাদৱ, নীতিশ কুমাৰৰ ৰাষ্ট্ৰীয় জনতা দল, সমতা, শিৱসেনা আদি দলে দোৰ্ঘোৰ বিৰোধিতা কৰি বিধেয়কখন বিতৰ্কৰ আৱৰ্তলৈ ঠেলি পঠিয়ায়। ১৯৯৮ আৰু ২০০৩ চনত বাজপেয়ী নেতৃত্বাধীন এন ডি এ চৰকাৰৰ দিনতো ৮৪ আৰু ৮৫ তম সংবিধান সংশোধনীৰে বিধেয়কখন উত্থাপন কৰা হৈছিল যদিও ৰাজনৈতিক দলবিলাকৰ মাজত দেখা দিয়া তীব্ৰ মত পাৰ্থক্যৰ বাবে সংসদীয় পুনৰীক্ষণ সমিতিলৈ পুনৰ প্ৰেৰণ কৰা হয়। ৮৫তম সংশোধনীৰ বেলিকা বাজপেয়ী চৰকাৰে ৰাজনৈতিক দলসমূহৰ মাজত ঐকমত্য সৃষ্টিৰ বাবে উদ্যোগ ল'বলৈ লোকসভাৰ অধ্যক্ষ মনোহৰ যোশীৰ প্ৰতি আহ্বান জনোৱাতে নিজৰ ভূমিকা সীমিত ৰাখে।

মহিলাৰ আসন সংৰক্ষণ বিধেয়কৰ বিৰুদ্ধে উত্থাপিত বিভিন্ন অভিমত সমূহ হ'ল-- সংৰক্ষণে নাৰীক অধিক পুৰুষ নিৰ্ভৰশীল কৰি তুলিব। নাৰীৰ স্বাধীন বিকাশ ঘটাই সংসদীয় ৰাজনীতিত বা সিদ্ধান্ত গ্ৰহণ প্ৰক্ৰিয়াত অংশগ্ৰহণ কৰাবলৈ হ'লে যোগ্যতাৰ ভিত্তিতহে নাৰীসকল নিৰ্বাচিত হ'ব লাগে বুলি সংসদৰ বাহিৰৰ এইচাম লোকে মত প্ৰকাশ কৰে। দ্বিতীয় মতামতটো হৈছে সংৰক্ষণে এচাম ধনী বা সুবিধাবাদী শ্ৰেণীৰ মহিলাকেই উপকৃত কৰিব। সেইবাবে সংৰক্ষণৰ ভিতৰতে সংৰক্ষণ নীতিৰ আধাৰত পিছপৰা, সংখ্যালঘু আৰু মুছলমান সম্প্ৰদায়ৰ মহিলাৰ বাবে (১৫% - ২০%) আসন সংৰক্ষণৰ ব্যৱস্থা থকা উচিত। তৃতীয়টো মত হৈছে-- সংৰক্ষণৰ বাবে পৃথক আইন প্ৰণয়ন নকৰাকৈ নিৰ্বাচনী আয়োগৰ জৰিয়তে ৰাজনৈতিক দলবিলাকৰ ভিতৰত মহিলাৰ বাবে ৩৩% আসন সংৰক্ষণ ব্যৱস্থা কাৰ্যকৰী কৰিবলৈ আয়োগক বাধ্য কৰোৱা। চতুৰ্থ তথা শেষ মতটো হৈছে, সংসদত থকা বৰ্তমান আসনৰ কোনো সাল-সলনি নকৰাকৈ অতিৰিক্ত ১৮১ খন আসন সৃষ্টি কৰি সেই আসনসমূহৰ পৰা পুৰুষ আৰু মহিলা দুজনকৈ সাংসদ নিৰ্বাচিত কৰাৰ জৰিয়তে 'দ্বৈত আসন সূত্ৰ' বলবৎ কৰা।

বৰ্তমান সময়লৈকে অৱশ্যে উল্লেখিত এটা মতো গ্ৰহণযোগ্য হৈ উঠা নাই। সংৰক্ষণৰ পৰিবৰ্তে যোগ্যতাৰ ভিত্তিত সংসদ আৰু বিধানসভালৈ মহিলা নিৰ্বাচিত হ'ব লাগে বুলি মত পোষণ কৰা সকলে সংৰক্ষণৰ বাস্তৱ প্ৰয়োজনীয়তাকেই অস্বীকাৰ কৰিছে। মহিলাৰ যদি ৰাজনৈতিক ব্যৱস্থাত অংশগ্ৰহণ কৰাৰ যোগ্যতা নাই, তেনেহ'লে বৰ্তমানৰ বহু মন্ত্ৰী, বিধায়ক, সাংসদৰে যোগ্যতাৰ ওপৰতো প্ৰশ্ন উত্থাপিত হ'ব পাৰে। যিহেতু প্ৰচলিত সিদ্ধান্ত গ্ৰহণ প্ৰক্ৰিয়াত নাৰী প্ৰতিনিধিৰ সংখ্যা মুঠেই ধৰ্তব্য নহয়। সেয়ে বৰ্তমান পৰিস্থিতিত আসন সংৰক্ষণেই নাৰীৰ নিৰ্বাচনী প্ৰক্ৰিয়াত অংশগ্ৰহণ নিশ্চিতকৰণৰ একমাত্ৰ উপায়। এই নীতি ৰূপায়িত হ'লে ৰাজনৈতিক দিশত নাৰীসমাজ নিশ্চয় বহুখিনি আগুৱাই যাব পাৰিব। ইয়াৰ বিৰুদ্ধে অন্যটো শক্তিশালী অভিযোগ উত্থাপন কৰি সমতা পাৰ্টিৰ নীতিশ কুমাৰ, সামাজিক ন্যায়ৰ পক্ষত থকা সমাজবাদী পাৰ্টিৰ মুলায়ম সিং যাদৱ, আৰ জে ডিৰ লালু প্ৰসাদ যাদৱ, বহুজন সমাজবাদী পাৰ্টিৰ মায়াৱতী, শিৱসেনা, আকালি, এ.আই.ডি.এম. কে আদি দলে কাৰ্যতঃ এই বিধেয়কৰ বিৰোধিতা কৰি আহিছে সংৰক্ষণৰ মাজত সংৰক্ষণৰ দাবীৰে। এই দলসমূহে উত্থাপন কৰা দাবীটোৰেই প্ৰকৃতাৰ্থত অসাংবিধানিক, কিয়নো এতিয়ালৈকে পিছপৰা বৰ্ণ-সম্প্ৰদায়ৰ বাবে ভাৰতৰ সংসদ, বিধানসভাত আসন সংৰক্ষণৰ ব্যৱস্থা সংবিধান স্বীকৃত হোৱাই নাই। তেনে ক্ষেত্ৰত এনে বিতৰ্কিত দাবী উত্থাপনে বিভিন্ন জাতি, ধৰ্ম আৰু সম্প্ৰদায়ৰ নাৰী সমাজৰ মাজত এক সংঘাতপূৰ্ণ পৰিৱেশৰ সৃষ্টি কৰিব। বৰঞ্চ ৩৩% আসন সংৰক্ষণ বিধেয়ক গৃহীত হ'লে সমাজৰ সকলো বৰ্ণ-সম্প্ৰদায়ৰ মহিলা উপকৃত হ'ব। ৮৫তম সংবিধান সংশোধনীৰে ২০০৩ চনৰ সংসদৰ বৰ্ষাকালীন অধিবেশনত বিধেয়কখন উত্থাপিত কৰাৰ পাচত পুনৰ সংসদীয় পুনৰীক্ষণ সমিতিলৈ বিধেয়কখন প্ৰেৰণ কৰাৰ পাচত সৰ্বদলীয় সভাত শাসনাধিষ্ঠিত বিজেপি দলে যি মতামত আগবঢ়ালে সেয়া সবাতোকৈ প্ৰতিক্ৰিয়াশীল। এইদলে 'দ্বি-আসন সূত্ৰ' দাঙি ধৰি মহিলাৰ যোগ্যতাৰ প্ৰতি সন্দেহ প্ৰকাশ কৰি সংৰক্ষণৰ দাবীটোকে পৰোক্ষভাৱে নাকচ কৰাৰ চক্ৰান্তত লিপ্ত হৈছে। অৰ্থাৎ এই দলে সম্প্ৰতি বাহাল থকা আসনৰ ভিতৰত সংৰক্ষণৰ বিষয়টো নাকচ কৰি "সংৰক্ষণবাদী সংৰক্ষণসূত্ৰ" দাঙি ধৰি কট্টৰ পুৰুষতান্ত্ৰিক মানসিকতাকে পুনৰ প্ৰতিপন্ন কৰিলে। আনহাতে, সংখ্যাগত দিশৰ পৰাও দ্বিআসন সূত্ৰই ৩৩%-ৰ পৰিবৰ্তে ২০% আসন সংৰক্ষণৰহে পোষকতা কৰে।

মহিলাৰ আসন সংৰক্ষণ বিধেয়কক কেন্দ্ৰ কৰি যিবোৰ যুক্তি, ব্যাখ্যা আৰু অপব্যাখ্যা চলি আছে সেইবোৰ বিশ্লেষণ কৰি চালে দেখা যায় যে পুৰুষ প্ৰাধান্যকামী সামন্তীয় চিন্তা আৰু পুৰুষ সাংসদসকলে প্ৰাৰ্থিত্ব হেৰুওৱাৰ আশংকাৰ বাবেই এই বিধেয়ক অদূৰ ভৱিষ্যতে গৃহীত হোৱাৰ সম্ভাৱনা ক্ষীণ। মহিলাৰ ৰাজনৈতিক অধিকাৰ



প্ৰতিষ্ঠাৰ প্ৰতি গুৰুত্ব আৰোপ কৰাতকৈ মাথোঁ নিৰ্বাচনী লাভা-লাভৰ প্ৰতি লক্ষ্য ৰাখিহে বিজেপি, কংগ্ৰেছ আদি দলসমূহে এই বিধেয়ক গৃহীত কৰাৰ বাবে প্ৰস্তাৱ গ্ৰহণ কৰিছিল। কাৰণ এন ডি এ-ৰ বিভিন্ন সহযোগী ৰাজনৈতিক দল, বিজেপি আৰু কংগ্ৰেছৰ নিজৰ মাজতো বহু মত পাৰ্থক্য দেখা যায়। আনকি মহিলা সাংসদসকলো এই প্ৰশ্নত দলীয় স্বাৰ্থ চেৰাই গৈ ঐক্যবদ্ধ হ'ব পৰা নাই। স্বয়ং বিজেপি দলৰ মহিলা মুখ্যমন্ত্ৰী আৰু সাংসদ ক্ৰমে উমা ভাৰতী, মীৰা কুমাৰ, শৈলজা আদিয়ে পিছপৰা জাতিৰ মাজত মহিলাৰ সংৰক্ষণৰ প্ৰশ্নটো দাঙি ধৰি সংৰক্ষণৰ বিষয়টোকেই অস্পষ্ট কৰি পেলায়। উমা ভাৰতীৰ দৰে তদানীন্তন মহিলা মন্ত্ৰীয়ে মন্তব্য কৰে, "এই বিধেয়ক গ্ৰহণ কৰিলে লিপষ্টিক আৰু পাউদাৰ ঘঁহা সুবিধাবাদী এচাম মহিলাহে উপকৃত হ'ব।" এইখিনিতে নিশ্চয় এই প্ৰশ্ন অৱতাৰণা কৰাটো সমীচিন হ'ব যে অৰ্থনীতিৰ উদাৰীকৰণ আৰু সাম্ৰাজ্যবাদী বিশ্বায়নক আমন্ত্ৰণ জনাই নাৰীক লিপষ্টিক-পাউদাৰেৰে বিজ্ঞাপনমুখী কৰি নানা তৰহৰ সুন্দৰী প্ৰতিযোগিতা আৰু অসংযত মডেলিঙৰ দৰে বিদেশী অপসংস্কৃতিৰ প্ৰতি নাৰীক আকৰ্ষিত কৰিব বিচাৰিছে কোনে?

সেই দলৰে অন্যতম 'আদৰ্শ নাৰী' সুষমা স্বৰাজৰ বক্তব্যত শুনা যায় যে, "I am what I am today because of my husband, an ordinary housewife at home and a politician outside." কংগ্ৰেছ দলৰ আন এগৰাকী মহিলা সাংসদ মাৰ্গাৰেট আলভাৰ ভূমিকা আৰম্ভণী পৰ্যায়ত বলিষ্ঠ আছিল যদিও দলীয় মতাদৰ্শৰ বাবে তেওঁ অৱশেষত আপোচকামী মনোভাৱ গ্ৰহণ কৰিবলৈ বাধ্য হয়। ১৯৯৭ চনৰ ১৪-১৮ ফেব্ৰুৱাৰীত দিল্লীত হোৱা আন্তঃসংসদীয় কমিটিৰ সভাত ভাৰতৰ পৰা প্ৰতিনিধিত্ব কৰি তেওঁ মহিলা বিধেয়ক গৃহীত নকৰিলে বাজেট অধিবেশনৰ সময়ত হোৱা ভোটগ্ৰহণৰ পৰা বিৰত থকাৰ কথা কৈছিল– "Then we all will abstain from taking part in the voting at the time of budget." এই ক্ষেত্ৰত "যদি দলে মহিলা সদস্যাসকলৰ ওপৰত আইনগত ব্যৱস্থা গ্ৰহণ কৰে তেন্তে আমি যথা সময়ত বিহিত ব্যৱস্থা হাতত ল'ম। মাৰ্গাৰেট আলভাৰ লগতে কংগ্ৰেছ দলৰ আন এগৰাকী সদস্যা প্ৰমিলা দণ্ডৱটে কয় যে "৩৩% আসন সংৰক্ষণে নাৰীমুক্তি আন্দোলনৰ পথ প্ৰশস্ত কৰি তুলিব। '৯৬ৰ সাধাৰণ নিৰ্বাচনত ১৮০ খন আসনত (৩৩%) মহিলা প্ৰাৰ্থী দিয়াবলৈ দলৰ ভিতৰত হেঁচা প্ৰয়োগ কৰিব বুলি তেওঁ জনাইছিল যদিও অৱশেষত দলৰ পুৰুষদাম্ভিকতাৰ ওচৰত আত্মসমৰ্পণ কৰিবলৈ বাধ্য হয়। সংসদৰ ভিতৰত আসন সংৰক্ষণ বিধেয়ক গৃহীত কৰাৰ বাবে মহিলা সাংসদসকলক সংগঠিত কৰি তেওঁ হেঁচা প্ৰয়োগ কৰিবলৈ চেষ্টা কৰিছিল, কিন্তু পিচলৈ তাক দলৰ পুৰুষসকলৰ হেঁচাতেই পৰিহাৰ কৰিবলৈ বাধ্য হয়। সেইদলৰ সাংসদ অজিত যোগীৰ মন্তব্য আছিল ৩৩% আসন সংৰক্ষণ ব্যৱস্থাই ভাৰতীয় সমাজৰ সবাতোকৈ শক্তিশালী

যোগসূত্ৰ পৰিয়াল ব্যৱস্থাক ভাঙি চূড়মাৰ কৰিব। কাৰণ ৰাজনৈতিক ক্ষেত্ৰলৈ নাৰীগৰাকী ওলাই অহাৰ ফলত পৰিয়ালবোৰ উপেক্ষিত হৈ পৰিব। মধু কিশ্বৰৰ দৰে মহিলানেত্ৰীয়ে লটাৰীৰ জৰিয়তে সমষ্টিসমূহৰ সাল-সলনি (rotation) কৰি মহিলাৰ বাবে ৩৩% আসন সংৰক্ষণ কৰিবলৈ পৰামৰ্শ আগবঢ়ায়। বীণা নায়াৰে কয়, “There can be no empowerment without power.” বিজেপিৰ মহিলা নেত্ৰী মৃদুলা সিন্‌হাই কয় যে, ‘ৰাজনীতিত মহিলাৰ অংশগ্ৰহণে পৰিয়াল আৰু সমাজত সাংঘাতিক ধৰণৰ বিশৃঙ্খলতাৰ সৃষ্টি কৰিব।’ ৰাজ্যসভাৰ এগৰাকী প্ৰাক্তন সাংসদ শ্বাবানা আজমীয়ে মহিলাৰ আসন সংৰক্ষণ বিধেয়কৰ পক্ষত ৰাজ্যসভাত এক দৃঢ় ভূমিকা গ্ৰহণ কৰি আহিছিল। তেওঁৰ মতে, “In the first Parliament, women had fair representation. But, now even after fifty years of our Independence, we find only 8% women in parliament. It is, therefore, extremely important, this bill which is being stalled for so long is brought before parliament and passed. Political empowerment and political participation of women make them important partners in the decision making process and it is the true tool towards empowerment.” ৰাষ্ট্ৰীয় মহিলা আয়োগে ৰাজনৈতিক দলবিলাকে নিজৰ ভিতৰত সংসদ আৰু বিধান সভাৰ বাবে ৩৩% আসনত মহিলাৰ প্ৰাৰ্থিত্ব নিশ্চিত কৰিব লাগে বুলি মত প্ৰকাশ কৰে। বেচৰকাৰী মহিলাসংগঠনসমূহে মহিলাৰ আসন সংৰক্ষণ বিধেয়ক গ্ৰহণ কৰাৰ ক্ষেত্ৰত বাহিৰৰ পৰা হেঁচা বা চাপ সৃষ্টিকাৰী গোট হিচাবে কাম কৰি যোৱাৰ সিদ্ধান্ত লয়। আনহাতে, বাঁও-প্ৰগতিশীল মহিলাসংগঠনসমূহে সংসদৰ বাহিৰে-ভিতৰে এই বিধেয়ক গৃহীতকৰণৰ দাবীত ধাৰাবাহিকভাৱে সংগ্ৰাম গঢ়ি তোলে। সদৌ ভাৰত প্ৰগতিশীল নাৰী সংগঠনৰ সাধাৰণ সম্পাদিকা কুমুদিনী পতিৰ ভাষাত– “Hence social domination and call or political motivation have allowed rightist forces to rally women and divert their energy into protecting and strengthening the statusquo” ৰাজ্যসভাৰ উপাধ্যক্ষা নাজমা হেপতুল্লাই নিজ আসনৰ পৰা ২০০২ চনৰ ৮ মাৰ্চৰ দিনা ৰাজ্যসভাত কয় যে, “Every successive Government has been promising for giving 33% seats to women in Parliament. But so far it remain only a dream.”

এই কথাও উল্লেখনীয় যে দীৰ্ঘদিনৰ বিতৰ্ক, সমালোচনা আৰু সংগ্ৰামৰ অন্তত ৰাজনৈতিক দলসমূহৰ মহিলা সাংসদসকলৰ মাজত আপেক্ষিক ঐকমত্য সৃষ্টি হয় যদিও ঐক্যবদ্ধ হোৱাত বহু নাটনি থাকি যায়। ইয়াৰ বাবে সেই দলসমূহৰ নাৰীৰ প্ৰতি থকা সামন্তীয় মনোভাৱেই প্ৰধান প্ৰতিবন্ধক। বিশেষকৈ এনে ৰাজনীতিৰ লগত যুক্ত মহিলাসকলে আজিলৈকে ভাৰতীয় সমাজত নাৰীৰ ওপৰত আনকি সেই



দলসমূহৰ মাজত থকা লিংগভিত্তিক শোষণ-অৱদমনৰ বিষয়ে কোনোদিনে এষাৰো মাত মাতি পোৱা নাই। ভাৰতবৰ্ষৰ সংসদীয় ৰাজনীতিত বৰ্তমানৰ মহিলা সাংসদসকলে তেওঁলোকৰ স্বামী, পিতা আদি কোনো পুৰুষৰ প্ৰেৰণা আৰু সহযোগতেই প্ৰৱেশ কৰি আহিছে। ভাৰতবৰ্ষত শাসকীয় ৰাজনীতিতো আনকি ৰাজনৈতিকভাৱে সচেতন হৈ ৰাজনীতিত নাৰীয়ে অংশ গ্ৰহণ কৰাৰ নমুনা নাই বুলিয়েই ক'ব পাৰি। প্ৰাক্তন প্ৰধানমন্ত্ৰী ইন্দিৰা গান্ধীক এচাম নাৰীয়ে ৰাজনীতিলৈ অহা ‘আদৰ্শ নাৰী’ হিচাপে দাঙি ধৰিব খোজে যদিও দৰাচলতে তেৱোঁ পিতৃ জৱাহৰলাল নেহৰুৰদ্বাৰা অনুপ্ৰাণিত আৰু সাহায্যপুষ্ট হৈ ৰাজনৈতিক ক্ষেত্ৰলৈ ওলাই আহিছিল।

সেইদৰে সৌসিদিনালৈকে ৰাজনীতিৰ অ, আ, ক, খ চিনি নোপোৱা বিহাৰৰ মুখ্যমন্ত্ৰী ৰাবৰী দেৱী, ছোনিয়া গান্ধীৰ পৰা আৰম্ভ কৰি জয়াললিতা, লক্ষ্মী পাৰ্বতী, সুধা ৰয়, কেতকী দেৱী, সুভাৱতী দেৱী, ৰত্না সিং, মীৰা কুমাৰ, অসমৰ ড০ হেমপ্ৰভা শইকীয়া, ড০ জয়শ্ৰী গোস্বামী মহন্ত, অলকা দেশাই শৰ্মা, [illegible] প্ৰণতি ফুকন, বাসন্তী শৰ্মা, অজন্তা নেওগ, জোনজোনালী বৰুৱা আদিও পুৰুষৰ সহযোগত অথবা স্বামীৰ মৃত্যুৰ পিচতহে আৱেগিক পৰিৱেশত শাসকীয় ৰাজনীতিত অংশ গ্ৰহণৰ সুযোগ পোৱা দেখা যায়। নিৰ্দিষ্ট প্ৰয়োজনত ওলাই অহা এই চাম ৰাজনৈতিক নেত্ৰীয়ে সেই দলৰ ৰাজনৈতিক স্বাৰ্থ তথা আদৰ্শক নিজৰো আদৰ্শ হিচাবে গ্ৰহণ কৰিবলৈ বাধ্য হয়। ৩৩% আসন সংৰক্ষণ সুনিশ্চিত হ'লে নাৰীৰ ওপৰত বৰ্তি থকা পুৰুষৰ প্ৰাধান্য আৰু নাৰীৰ নিজৰ মাজতো থকা পশ্চাৎগামী পৰাধীন চিন্তাৰ এদিন অৱসান ঘটিব। সংৰক্ষণ বিধেয়ক গৃহীত হ'লে মহিলাক ৰাজনৈতিক দলবিলাকে কৰা পৰিয়ালকেন্দ্ৰিক ৰাজনীতিৰে সমগ্ৰ নাৰীসমাজৰ মুখ বন্ধ কৰা কৌশলৰ ওৰ পৰিব। এতিয়াও একাংশ ৰাজনৈতিক দল আৰু প্ৰতিক্ৰিয়াশীল ৰাজনৈতিক নেতাই নাৰীৰ বাবে ৰাজনীতি অস্পৃশ্য বুলি কৈ জনসংখ্যাৰ অৰ্দ্ধেক নাৰী সমাজক প্ৰত্যক্ষ ৰাজনীতিৰ পৰা বিৰত কৰি বিভ্ৰান্তিত পেলাব খোজে। বিশেষকৈ যিবিলাক প্ৰগতিশীল মহিলা সংগঠনে নাৰীক স্বাধীন আৰু সমঅধিকাৰৰ দাবীৰে ৰাজনীতিত নাৰীৰ অংশ গ্ৰহণ সুনিশ্চিত কৰিব খোজে সেই সংগঠনবিলাকৰ বিৰুদ্ধে আতংকগ্ৰস্ত হৈ ৰাজনীতি আৰু অৰাজনীতিৰ পাৰ্থক্যকৰণৰে নাৰীসমাজক প্ৰতিক্ৰিয়াশীল ৰাজনীতিৰ লগত যুক্ত কৰাবলৈ প্ৰয়াস কৰে। এইসকল ব্যক্তি, দল আৰু সংগঠনসমূহৰ আশংকাৰ প্ৰধান কাৰণ হ'ল নাৰীসমাজ দেশৰ ৰাজনৈতিক নীতি নিৰ্দ্ধাৰণ আৰু সিদ্ধান্তগ্ৰহণ প্ৰক্ৰিয়াত যুক্ত হ'লে এফালে পৰিয়াল তথা সমাজত নাৰীৰ ওপৰত তেওঁলোকৰ যুগ যুগ ধৰি চলি থকা শোষণ আৰু অৱদমন বৰ্তি নেথাকিব আৰু আনফালে তেওঁলোকৰ তোষামোদকাৰী ৰাজনীতিৰো ভিকাচন ভাগিব।

ওপৰৰ আলোচনাৰ পৰা এইকথা প্ৰতীয়মান হয় যে নাৰীক ৰাজনৈতিকভাৱে সচেতন কৰাৰ লগে লগে সামাজিকভাৱে সচেতন কৰাৰ ওপৰতো চৰকাৰে গুৰুত্ব প্ৰদান কৰিবই লাগিব। বিশেষকৈ নাৰীৰ মাজত শিক্ষিতৰ হাৰ বৃদ্ধি কৰি অৰ্থনৈতিকভাৱে নাৰীক স্বাৱলম্বী কৰি তুলিব লাগিব। কিন্তু এই ক্ষেত্ৰত চৰকাৰৰ ভূমিকা মুঠেই সন্তোষজনক নহয়। অৰ্থনীতিৰ উদাৰীকৰণ, ব্যক্তিগতকৰণ আৰু বিশ্বায়নে জন্ম দিয়া গভীৰ অৰ্থ সংকটৰ ফলত সৃষ্টি হোৱা কৰ্ম সংকোচন নীতিৰ ফলত সবাতোকৈ বেছি ক্ষতিগ্ৰস্ত হৈছে নাৰী সমাজ। সেইদৰে নাৰীদেহৰ নগ্ন বিজ্ঞাপন, মডেলিং, সৌন্দৰ্য প্ৰতিযোগিতাৰ দৰে ব্যৱসায়ীমুখী ব্যৱস্থাই নাৰীক একালে ভোগ্যপণ্যত পৰিণত কৰিছে আৰু আনফালে মধ্যযুগীয় কলংকসমূহৰ পুনৰুত্থান ঘটাই নাৰী বিৰোধী সামন্তীয় পিতৃতান্ত্ৰিক মানসিকতাক কৰি তুলিছে অধিক কটকটীয়া।

আমাৰ দেশৰ সংসদীয় ব্যৱস্থাত অংশগ্ৰহণকাৰী শাসনাধিষ্ঠিত ৰাজনৈতিক দলবোৰৰ মাজত আদৰ্শগতভাৱে কোনো মৌলিক পাৰ্থক্য নাই। এই দলবোৰৰ মাজত থকা পুৰুষৰ কঠোৰ দৃষ্টিভংগী এক উমৈহতীয়া নীতি। এই নীতিৰ আধাৰত প্ৰকৃতাৰ্থত পুৰুষৰ স্বাৰ্থ খৰ্ব হ'ব বুলি আশংকা কৰিয়েই কংগ্ৰেছ, বিজেপি, সমাজবাদী, শিৱসেনা আদি কোনোটো দলেই ৩৩% আসন সংৰক্ষণ বিধেয়ক গৃহীত হোৱাটো নিবিচাৰে। প্ৰতিটো দলে ৰাজনৈতিক লাভালাভৰ প্ৰতি লক্ষ্য ৰাখিয়েই বিধেয়কখন গ্ৰহণ কৰাত থেৰোগেৰো কৰি আহিছে। নাৰী সমাজক তেনে দলবিলাকে ক্ষমতা দখলৰ একমাত্ৰ অক্ষত ভোট বেংক হিচাবে ৰখাৰ স্বাৰ্থতেই কিছু উপৰুৱা সংস্কাৰমূলক আঁচনি গ্ৰহণ কৰা পৰিলক্ষিত হয়। একমাত্ৰ কমিউনিষ্ট আদৰ্শত বিশ্বাসী বাঁও ৰাজনৈতিক দলকেইটাই সংসদত ৩৩% আসন সংৰক্ষণ বিধেয়ক গ্ৰহণৰ ক্ষেত্ৰত দৃঢ় আৰু আপোচহীন স্থিতি গ্ৰহণ কৰি আহিছে।

লেনিনে ৰাজনৈতিক প্ৰক্ৰিয়াত নাৰীৰ অংশ গ্ৰহণৰ ওপৰত অত্যাধিক গুৰুত্ব আৰোপ কৰিছিল। তেওঁ কৈছিল, "আমি বিচাৰো যে নাৰী শ্ৰমিকসকলে মাথোঁ আইনতেই নহয়, বাস্তৱত পুৰুষৰ সৈতে সমান অধিকাৰ লাভ কৰক। তাৰ বাবেই আজি জনসাধাৰণৰ কাম পৰিচালনা আৰু ৰাষ্ট্ৰীয় কাম পৰিচালনাত নাৰী শ্ৰমিকসকলৰ অংশ গ্ৰহণ বঢ়াই তোলা নিতান্তই প্ৰয়োজন।

"পৰিচালনাৰ কামত যোগ দি নাৰীসকলে তৎক্ষণাত শিক্ষা লাভ কৰিব পাৰিব, পুৰুষৰ লগত তাল ৰাখি চলিব পাৰিব।

"গতিকে কমিউনিষ্ট নাৰী আৰু পাৰ্টিৰ বাহিৰৰ নাৰীসকলৰ মাজৰ পৰা বেছি সংখ্যক নাৰী শ্ৰমিকক চোভিয়েটলৈ নিৰ্বাচিত কৰা হওক। যদি কোনো নাৰী শ্ৰমিকে সঠিক আৰু বিশ্বস্তভাৱে কাম পৰিচালনাৰ বাবে যোগ্য হৈ উঠে তেনেহ'লে তেওঁ পাৰ্টিৰ সদস্যা নহ'লেও আপত্তি নাই-- তেনে নাৰীক মস্কো চোভিয়েটলৈ নিৰ্বাচিত কৰা হওক।

"মস্কো চোভিয়েটলৈ অধিক সংখ্যক মহিলা আহক। মস্কোৰ সৰ্বহাৰাই আজি দেখুৱাই দিয়ক যে তেওঁলোকে পূৰ্বৰে পৰা চলি অহা বৈষম্যৰ বিৰুদ্ধে, তেওঁলোকৰ পুৰণি, বুৰ্জোৱা, অপমানজনক অৱস্থাৰ বিৰুদ্ধে সংগ্ৰমত জয়ী হোৱাৰ বাবে সকলোবোৰ কৰিবলৈ প্ৰস্তুত আৰু তেওঁলোকে সেইথিনি কৰিছে।

"যেতিয়ালৈকে নাৰীয়ে পূৰ্ণ স্বাধীনতা অৰ্জন নকৰে, তেতিয়ালৈকে সৰ্বহাৰাই পূৰ্ণ স্বাধীনতা লাভ কৰিব নোৱাৰে।"

(লেনিন, ২১ ফেব্ৰুৱাৰী, ১৯২০ চন)।

এই কথা উল্লেখ কৰা নিষ্প্ৰয়োজন যে সংৰক্ষণ ব্যৱস্থাই নাৰীৰ ওপৰত যুগ যুগ ধৰি চলি থকা শোষণ-অৱদমনৰ পৰা নাৰীসমাজক মুক্ত কৰিব নোৱাৰে যদিও নাৰী মুক্তি আন্দোলনত সহায়ক ভূমিকা পালন কৰিব পাৰে। মহিলাৰ আসন সংৰক্ষণৰ দাবী দেখাত পিচপৰা যদিও ই ভাৰতীয় সমাজত নাৰীৰ বাবে ৰাজনৈতিক অধিকাৰ অৰ্জনৰ এক ৰাজনৈতিক দাবী। ভাৰতবৰ্ষৰ দৰে অৰ্দ্ধ-সামন্ততান্ত্ৰিক আৰু অৰ্দ্ধ-পুঁজিবাদী সমাজ-ব্যৱস্থাত নাৰীসমাজৰ উন্নয়ন আৰু প্ৰগতিৰ বাবে সংৰক্ষণ ব্যৱস্থাৰ প্ৰয়োজন কোনোপধ্যেই নুই কৰিব নোৱাৰি। আজি ভাৰতবৰ্ষত নাৰীৰ স্বাৰ্থত প্ৰণয়ন কৰা সম্পত্তিৰ অধিকাৰ, বিবাহ বিচ্ছেদ, ধৰ্ষণ বিৰোধী, যৌতুক বিৰোধী বিভিন্ন আইনসমূহ থকাৰ পাচতো নাৰী নিৰ্যাতনৰ ঘটনাসমূহ হ্ৰাস পোৱা নাই অথবা সেই আইন-কানুনে অপৰাধীক উপযুক্ত দণ্ড বিহাত ব্যৰ্থ হৈছে। আনপিনে, নাৰীৰ সবলীকৰণে নাৰীৰ মুক্তি আনিব নোৱাৰে যদিও ইয়াত বহুবোৰ ইতিবাচক দিশ নিহিত আছে। ৩৩ শতাংশ আসন সংৰক্ষণ নাৰী সবলীকৰণ কৰ্মসূচীৰ ৰাজনৈতিক আৰু সৰ্বোচ্চ দাবী। মনত ৰখা প্ৰয়োজন যে শাসক শ্ৰেণীয়ে আন্তৰ্জাতিক হেঁচা আৰু দেশত গঢ়ি উঠা বিভিন্ন নাৰী আন্দোলনৰ পৰিণতিত বহু বাধ্যবাধকতাৰ ফলতহে এই কাৰ্যসূচী ঘোষণা কৰিছে। ক'বলৈ গ'লে ই শাসক শ্ৰেণীৰ নিজা কৰ্মসূচী নহয়, অথবা ই বিপ্লৱী ৰাজনীতিৰো নিজা দাবী নহয়-- শাসক শ্ৰেণীৰ কৰ্মসূচীৰেই সম্প্ৰসাৰণ। সেয়ে এই কৰ্মসূচীৰ মাজেৰে নাৰীৰ মাজত সজাগতা বৃদ্ধি কৰা, পুৰুষদান্তিক ৰীতি-নীতিসমূহৰ স্বৰূপ উদঙাই দিয়া ৰাজনৈতিক দলসমূহৰ মুখা খুলি দিয়া আৰু সৰ্বোপৰি নাৰী সমাজক সংগঠিত কৰাৰ দেধাৰ সুযোগ আছে।

❋❋❋

নাৰী পণ্য নহয়, দাসী নহয়, তেওঁলোক নিজা মহিমাৰে প্ৰতিষ্ঠিত হোৱাত পুৰুষৰো সাহসী ভূমিকা থাকিব লাগে। শ্ৰীমতী জুনু বৰাৰ কেইটামান নাৰী বিষয়ক চিন্তা-গধুৰ প্ৰবন্ধ পঢ়ি মোৰ এনে ধাৰণা হৈছে। তেওঁ নাৰী সমস্যা সম্পৰ্কে দ কৈ ভাবিছে আৰু সমস্যাটোৰ বিভিন্ন দিশ সম্পৰ্কে সুক্ষ্ম আলোচনা কৰিছে। লিঙ্গ-বৈষম্যৰ কুফলৰ ওপৰত তেওঁ গুৰুত্ব দিছে, আৰু ৰাষ্ট্ৰ, সমাজ, পৰিয়ালবোৰৰ ভূমিকাক কটাক্ষও কৰিছে। নাৰী আন্দোলনৰ ইতিহাসো তেওঁ দাঙি ধৰিছে, আইনসমূহ যে ব্যৰ্থ হৈছে তাকো তেওঁ আঙুলিয়াই দেখুৱাইছে। সামন্ত যুগৰ কথা বাদেই, বৰ্তমানৰ পুঁজিবাদী তথা বিশ্বায়নৰ যুগতো নাৰী যৌন সম্ভোগৰ বলি হৈ থকাটো তেওঁৰ সহ্য হোৱা নাই; তেওঁ প্ৰশ্ন কৰিছে, আমি সভ্য নে বৰ্বৰ? আমি পৈশাচিক আনন্দত মতলীয়া হওঁ কিয়? বিজ্ঞাপনত নাৰী কলংক নে গৌৰৱ? মহিলাৰ বাবে আসন সংৰক্ষণত কুটিল ৰাজনীতি চলে কিয়? এইবোৰ প্ৰশ্ন আমাৰো প্ৰশ্ন। প্ৰশ্নবোৰৰ পৰা ধৰিব পাৰি, শ্ৰীমতী বৰাই সমস্যাটো সম্পৰ্কে গভীৰভাৱে চিন্তা কৰিছে আৰু সামগ্ৰিক দৃষ্টিৰে উত্তৰণৰ স্বপ্নও দেখিছে। শ্ৰীমতী বৰাৰ এনে অধ্যয়নে আমাৰ পুৰুষ-মহিলাৰ চকু মুকলি কৰক আৰু লিঙ্গ-বৈষম্যৰ দৰে ভয়ানক পৰম্পৰাৰ পৰা মুক্ত হ'বলৈ উদগনি দিয়ক— এই আশা কৰিছো আৰু লগতে ভাবিছোঁ, তেওঁৰ প্ৰকাশ হ'বলগীয়া প্ৰবন্ধ সংকলনখনে পাঠকৰ সমাদৰ নিশ্চয় পাব।

— নলিনীধৰ ভট্টাচাৰ্য